# শৰৎকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

**তাৰিখঃ ১৩/০৯/২০২২ মঙলবাৰ**

---

**আজি ইংৰাজী ১৩-০৯-২০২২ তাৰিখে মাননীয় অধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত পূৰ্ব নিৰ্দ্ধাৰিত কাৰ্য্যসূচীমতে অসম বিধান সভাৰ অধিবেশন ৰাতিপুৱা ৯ঃ৩০ বজাত অনুষ্ঠিত হয়।**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ২১।

**শ্ৰী মতী শিৰামণি বৰা, বটদ্ৰৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে দিয়া উত্তৰত দেখা গ'ল যে 'দীনদয়াল উপাধ্যায় গ্ৰামীন কৌশল যোজনা'ৰ যোগেদি প্ৰশিক্ষণপ্ৰাপ্ত যুৱক-যুৱতীৰ সংখ্যা ২০১৮-১৯ ৰ পৰা ২০২০-২১ লৈকে কমি কমি আহি আছে। প্ৰথমতে ১৬,৭২৫ আৰু শেষত ৪৪১৬ জনে প্ৰশিক্ষণ পাইছে। আজিৰ এই নিৱনুৱা সমস্যাৰ সময়ত আঁচনিখন ভালদৰে ৰূপায়ণ কৰাৰ অৱকাশ আছিল।

**মাননীয় অধ্যক্ষ ঃ** আপুনি প্ৰশ্নটো কৰক। যোৱাকালি BAC ত এইটো আলোচনা হৈছে যে সকলোবিলাক কাৰ্য্যসূচী As per rule হ'ব। Supplementary Question ৫ মিনিট বা ৭ মিনিটত শেষ হ'ব লাগিব।

**শ্ৰী মতী শিৰামণি বৰা, বটদ্ৰৱা ঃ** হ'ব ছাৰ, মই ৫ মিনিটত শেষ কৰিম। কিন্তু পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগে গুৰুত্ব আৰোপ কৰা নাই। বিভাগে নিৱনুৱা যুৱক-যুৱতী সকলক স্থানীয়ভাৱে সংস্থাপিত কৰাতকৈ প্ৰশিক্ষণ প্ৰতিষ্ঠান সমূহৰ স্বাৰ্থহে বেছিকৈ গুৰুত্ব আৰোপ কৰা দেখা গৈছে। মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে নিৱনুৱা গ্ৰামীন যুৱক-যুৱতী সকলক স্থানীয়ভাৱে সংস্থাপিত হ'ব পৰাকৈ মীন পালন , পশু পালন, মুখা শিল্প, মেকানিক আদি বিভিন্ন বিষয়ত ব্যাপক হাৰত গাঁৱে গাঁৱে প্ৰশিক্ষণৰ ব্যৱস্থাৰ বাবে বিভাগে কিবা কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিবনে? লগতে মন্ত্ৰী মহোদয়ক মই গুৰুত্বপূৰ্ণ বিষয়টোত এটা গতানুগতিক উত্তৰ নিদিবলৈ অনুৰোধ জনালো।

**শ্ৰী ৰঞ্জিত দাস, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'দীনদয়াল উপাধ্যায় গ্ৰামীন কৌশল যোজনা' আঁচনিৰ অধীনত তেনেকুৱা কোনো কথা নাই যে স্থানীয়ভাৱে আমি তেওঁলোকক নিযুক্তি দিব লাগে। আমাৰ গুণগতভাৱে এই 'দীনদয়াল উপাধ্যায় গ্ৰামীন কৌশল যোজনা'ৰ কাম ASLM য়ে কৰি আহিছে। যোৱা চাৰিটা বছৰত ইতিমধ্যে ৩৫,১০০ গৰাকী যুৱক-যুৱতীক প্ৰশিক্ষণ দিবলৈ সক্ষম হৈছে। আপোনাক জনাবলৈ পাই আমি সুখী যে ৩৫,০০০ গৰাকীৰ ভিতৰত ২৫,৮৬৮ জনে ইতিমধ্যে কৰ্মসংস্থাপন পাইছে। Readymade কাপোৰ বনোৱা উদ্যোগ সাধাৰণতে দক্ষিণ ভাৰতত বেছিকৈ আছে। অসমত তেনেকুৱা উদ্যোগেই নাই। আমি যিসকল মহিলাক চিলাই মেচিনৰ প্ৰশিক্ষণ দিওঁ সেই টকা আমাৰ চৰকাৰে ব্যয় কৰে। কেন্দ্ৰীয় চৰকাৰে ৯০ শতাংশ আৰু ৰাজ্য চৰকাৰে ১০ শতাংশ ব্যয় কৰে। তেনেকুৱা অসমৰ বহু যুৱক-যুৱতী তামিলনাডুত আছে আৰু ১২ হাজাৰৰ পৰা ২০ হাজাৰ টকালৈ দৰমহা পাই আছে। গতিকে কৰ্মসংস্থাপন দিয়াৰ ক্ষেত্ৰত এই বিভাগটোৱে সফলতা লাভ কৰিছে। ASLM ৰ সমূহ বিষয়া কৰ্মচাৰীৰ লগতে P&RD ৰ সমূহ কৰ্মচাৰীলৈ মই তাৰবাবে ধন্যবাদ জ্ঞাপন কৰিছো।

**শ্ৰী মতী শিৰামণি বৰা, বটদ্ৰৱা ঃ** ক'ভিডৰ সময়ত 'দীনদয়াল উপাধ্যায় কৌশল আঁচনি'ৰ যোগেদি

প্ৰশিক্ষণ পাই অসমৰ বাহিৰত কৰ্মসংস্থাপন পোৱা বটদ্ৰৱা সমষ্টিৰ লগতে অসমৰ বিভিন্ন ঠাইৰ যুৱক-যুৱতী সকল অসমলৈ ঘুৰি আহিছিল। তেওঁলোকৰ সৰহ সংখ্যকেই এতিয়ালৈ কৰ্মসংস্থাপন পোৱা নাই। আঁচনিখনৰ implementing agency হিচাপে বিভাগে এই ক্ষেত্ৰত কিবা ব্যৱস্থা গ্ৰহণ কৰিবনে ?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী ৰঞ্জিত দাস, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৰ্মসংস্থাপন বুলি ক'লে আমাৰ দায়িত্ব আছে। তিনিমাহৰ আমি তেওঁলোকক কৰ্মসংস্থাপন দিব লাগে, ১২ মাহৰ পিছত তেওঁলোকে কি কাম কৰে নকৰে সেইটো আমাৰ হাতত নাথাকে। এইটো ১২ মাহৰ পিছত নিজে absorb হৈ যায়। আমাৰ ASLM ৰ জৰিয়তে অসমৰ থকা বিভিন্ন কোম্পানীত তেওঁলোকে কৰ্মৰত হৈ আছে। Training নোহোৱাকৈ যিহেতু সংস্থাপন দিব নোৱাৰি গতিকে আগন্তুক দিনত আমি লক্ষ্য ৰাখিছো যে ২৪ হাজাৰ যুৱক-যুৱতীক আমি training দিম। অকল সেয়াই নহয়, অসমৰ বাহিৰত যিসকল কৰ্মৰত হৈ আছে তেওঁলোকৰ কাৰণে আমাৰ বিভাগে এটা কল চেন্টাৰ খোলাৰ ব্যৱস্থা কৰিছে যাতে তেওঁলোক কোনো আহুকালৰ সন্মুখীন নহয়।

**মাননীয় অধ্যক্ষ ঃ** Next Question No.23. শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ। ৫ মিনিটৰ ভিতৰত ক'ব।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ,কৰিমগঞ্জ উত্তৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এটা supplemenary আছিল।

**মাননীয় অধ্যক্ষ ঃ** Supplemenary প্ৰশ্ন কৰিলে। যোৱাকালি BAC অনুষ্ঠিত হ'ল। Rule সকলোকে বিলাই দিয়া হ'ল। এতিয়া সকলো rule মতে হ'ব। -----হুলস্থুল-----------যোৱাকালি BAC meeting ত প্ৰতিটো দলৰে দলপতি, উপ-দলপতি বা অন্যান্য প্ৰতিনিধি উপস্থিত আছিল। প্ৰতিজন সদস্যই যাতে তেওঁলোকৰ সময়টো সুবিধাজনক ভাৱে পায় তাৰকাৰণে আলোচনা হৈছে। আলোচনাৰ সময়ত ৰুলত যি আছে সেই ৰুলমতেই যাব লাগে বুলি সিদ্ধান্ত দিছে।

-----হুলস্থুল-----------

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, গুৱাহাটী পশ্চিম ঃ** মাননীয় অধ্যক্ষ মহোদয়, BAC ত যদি সিদ্ধান্ত হৈছে, সকলো ৰাজনৈতিক দল তাত উপস্থিত আছিল। গতিকে কংগ্ৰেছ (আই) ৰো তাত উপস্থিত আছিল। তেনেহ'লে বাকী বিধায়ক সকলে কে নেদৰে তাৰ বিৰোধিতা কৰিব পাৰে ? তেওঁলোকৰ নিজৰ দলপতি বা উপ-দলপতিকে তেওঁলোকে আজি বিৰোধিতা কৰা হৈছে।

-----হুলস্থুল-----------

**মাননীয় অধ্যক্ষ ঃ** মোৰ কথাটো শুনক। House কেতিয়াও অধ্যক্ষৰ ইচ্ছা অনুসাৰে নচলে বা বিধায়ক সকলৰ ইচ্ছা অনুসাৰে নচলে বা কোনো মন্ত্ৰী ডাঙৰীয়াৰ ইচ্ছা অনুসাৰেও নচলে। ইয়াৰ বাবে আমাৰ নিয়মাৱলী আছে। আমি সেই নিয়মাৱলীৰ মাজেৰে যাব লাগিব। তাত যদি আমি কিবা উপৰোক্ত সিদ্ধান্ত ল'ব লাগে, সেইটো BAC য়ে সিদ্ধান্ত লয়। BAC ত প্ৰতিটো দলৰ দলপতি সকলক লৈ বা দলৰ ফালৰ পৰা দিয়া প্ৰতিনিধি সকলক লৈ গঠন হয়। BAC য়ে যি সিদ্ধান্ত লয়, সেই সিদ্ধান্ত অনুসৰি অধ্যক্ষই সদন চলাবলগীয়া হয়। যোৱাকালি আমাৰ সকলো দলৰে সদস্য আছিলে। দুৰ্ভাগ্যবশত মই নাজানো যে যোৱাকালি কংগ্ৰেছ দলৰ সন্মানীয় সদস্যসকলে BAC ৰ বিষয়ে কিয় অৱগত নহ'ল। এইটো নিজৰ দলৰ কথা। হয়তো সময় পোৱা নাই। কিন্তু সিদ্ধান্ত হোৱাৰ পিছত প্ৰতিজন বিধায়কক notice দিয়া হৈছে, information দিয়া হৈছে যে এতিয়া আমি কেনেকৈ বিভিন্ন কাৰ্য্যসূচী সময়মতে শেষ কৰিব পাৰো। সেইকাৰণে Ques-

tion ৰ ক্ষেত্ৰত মই পঢ়ি দিছো, Directions by the Speaker, Assam Legislative Assembly, এইটো অকল মোৰ direction নহয়, আগৰ অধ্যক্ষ সকলে আইন বনাই থৈ যোৱা। ইয়াত supplementary question and answer লিখিতভাৱে সকলোকে দিয়া হয়। সেই কাৰণে কোৱেশ্বনৰ ক্ষেত্ৰত মই আপোনালোকক পঢ়ি দিছো- directions by the Speaker, Assam Legislative Assembly এইটো মোৰ ডাইৰেকশ্যন নহয় । এইটো আগৰ স্পীকাৰসকলে ৰুল বনাই থৈ গৈছে - ইয়াত চাপ্লিমেন্ট্ৰী কোৱেশ্বন আৰু এনচাৰ অলৰেডী লিখিতভাবে সকলোকে দিয়া হ'ল কিন্তু অতিৰিক্ত প্ৰশ্ন যদি থাকে সেইটোৱে হ'ল চাপ্লিমেন্টৰী কোৱেশ্বন । আৰু আমাৰ ৰুলত কৈছে any member with the permission of the Speaker may could supplimentary question to a Starred Question after it is called by the Speaker for the purpose of further illicititing any matter of fact regarding whose any answer has been given but nor than 5 minutes shall be devoted for putting supplimentary to a particular question . চাপ্লিমেন্টৰী কোৱেশ্বনাৰে কৈ আছে যদি কোৱেশ্বনাৰে কোৱাৰ পিচত সময় থাকে বেলেগে কৰিব পাৰিব কিন্তু চাপ্লিমেন্টৰীতে যদি ৫ মিনিট হয় তেতিয়া হ'লে সেইটো অটোমেটিকেলী তাৰ পিচত নেক্সট কোৱেশ্বনত গুছি যাব আৰু প্ৰতিজন কোৱেশ্বনাৰে পাব । এতিয়া ধৰ্মেশ্বৰ কোঁৱৰ ।

**শ্ৰীধৰ্মেশ্বৰ কোঁৱৰ, সোণাৰী ঃ** সন্মানীয় অধ্যক্ষ মহোদয়, মই পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো অসমত পঞ্চায়ত ব্যৱস্থা প্ৰৱৰ্ত্তন কৰোতে গ্ৰাম্য পঞ্চায়ত বিভাগে গ্ৰাম্য অঞ্চলৰ বিভিন্ন ঠাইত একোটা বৃহৎ পুখুৰী খন্দাইছিল আৰু সেই পুখুৰীৰ পৰা পানী যোগান ধৰা হৈছিল মৎস্য পালন কৰা হৈছিল । সেই পুখুৰীসমূহ বৰ্ত্তমান অনাদৃত হৈ পৰি ৰৈছে । এই পুখুৰীসমূহ চিনাক্তকৰণ কৰি পুনৰ বিজ্ঞানসন্মতভাবে খান্দি মীন বিভাগৰ আঁচনি কৰিব পাৰি নেকি আমাৰ মন্ত্ৰী মহোদয়ে জনাবনে ?

**শ্ৰীৰঞ্জিৎ দাস, মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ণ ঃ** আমাৰ বিভাগৰ জৰিয়তে আমি পূৰ্ব্বৰেপৰাই এনেকুৱা পুখুৰী খন্দাৰ কাম হাতত লৈছিলো। সেই প্ৰক্ৰিয়া পূৰ্ব্বৰে পৰা চলি অহাৰ পিচত যেতিয়া আমাৰ এম জি এন ৰেগা আঁচনি আহিল তাৰ অধীনত ইতিমধ্যে এনেকুৱা বহুতো পুখুৰী আমি নিৰ্মাণ কৰিছো । এইখন চৰকাৰৰ দিনত বিভিন্ন শিক্ষানুষ্ঠান- ধৰ্মানুষ্ঠানৰ চৌহদত ২৩০ টা তেনেকুৱা পুখুৰী নিৰ্মাণৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে। ৩৩০০ টা পুখুৰী নিৰ্মাণ কাৰ্য্য এতিয়া চলি আছে। সন্মানীয় বিধায়ক ডাঙৰীয়াই কোৱাৰ দৰে যিসমূহ পুখুৰী পূৰ্ব্বতে নিৰ্মাণ হৈছিলে অনাদৃত বা মৎস্য পালন কৰিব পৰা নাই তেনেকুৱা পুখুৰী কৰিবলৈ যদি গাঁওসভাই আমাক অনুমোদন জনায় , যদি এম জি এন ৰেগাত ধৰিব লাগে তাত আমাৰ আপত্তি নাই । গতিকে মই সকলো সন্মানীয় বিধায়কক আহ্বান জনাইছো যে তেনেকুৱা যদি পুখুৰী আছে তাত মৎস্য পালন কৰাৰ বাবে ৰাজহুৱা অনুষ্ঠানত বা ব্যক্তিগতভাবেও যদি থাকে আই বি এচ স্কীমৰ জৰিয়তে মৎস্য পালন কৰিব পৰা যাব। ইয়াৰ ওপৰিও প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ আহ্বানমৰ্মে আৰু আমাৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া তত্বাৱধানত ইতিমধ্যে আমি এই পুখুৰীৰ পৰা আঁতৰি গৈ সৰোবৰত আহিছো । ৩৭০০ সৰোবৰ নিৰ্মাণ কৰাৰ বাবে আমি এষ্টিমেট প্ৰস্তুত কৰিছো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ গ্ৰাম সমগ্ৰ যোজনাৰ জৰিয়তে খনন কাৰ্য্যটো কৰা হ'ব আৰু প্লেনটেশ্যনৰ থ্ৰি লেয়াৰৰ কামটো আমি এম জি এন ৰেগাৰ জৰিয়তে কৰিম । সৰ্ব্বমুঠ ২০ লাখ টকা ব্যয় সাপেক্ষে তেনেকুৱাকৈ

৩০০০ সৰোবৰৰ কাম অহা ১৭ তাৰিখৰ পৰা আনুষ্ঠানিকভাবে আৰম্ভ হ'ব । মই মাননীয় বিধায়কসকলক বিনম্ৰভাবে আহ্বান জনাইছো সকলোৰে নিজৰ নিজৰ ব্লকত ১৭ তাৰিখে যাতে শুভ আৰম্ভণি কাৰ্য্যসূচীত উপস্থিত থাকে । যিবিলাক পুখুৰী অনাদৃত হৈ পৰি আছে আপোনালোকে যদি বিচাৰে - এম জি এন ৰেগাৰ জৰিয়তে বা পঞ্চায়তৰ জৰিয়তে, বা গাওঁসভাৰ জৰিয়তে প্ৰস্তাৱ আহিলে তেনে প্ৰস্তাৱ আমি গ্ৰহণ কৰিম ।

**শ্ৰীধৰ্মেশ্বৰ কোঁৱৰ, সোণাৰী ঃ** অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো- বহুতো শিক্ষিত নিবনুৱা যুৱকে নিজৰ মাটিতে পুখুৰী খান্দি মৎস্য পালনৰ ব্যৱস্থা কৰিছে । প্ৰধান মন্ত্ৰী মহোদয়ে যি অমৃত সৰোবৰৰ কথা কৈছে - তাৰ লগতে এই পুখুৰীবিলাক আৰু জলাশয়বিলাকক ধৰি যদি মৎস্য পালনৰ ব্যৱস্থা কৰিব পাৰিনেকি, সেইটো কৰিলে নিবনুৱা সমস্যা লাঘৱ হ'ব বুলি মই ভাবো ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰীৰঞ্জিৎ দাস, মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ণ ঃ** বৰ্ত্তমান চৰকাৰখনে পুখুৰীৰ ক্ষেত্ৰতেই হওঁক বা মৎস্য পালনৰ ক্ষেত্ৰতেই হওক সফলতা লাভ কৰিছে । এতিয়া অন্ধ্ৰ প্ৰদেশৰ পৰা আমি যিমান মাছ খাবলগীয়া হৈছিল এতিয়া কমি গৈছে গতিকে নিশ্চিতভাবে অসমৰ গাঁওবিলাকত থকা পুখুৰীসমূহত মৎস্য পালনৰ কাম চলি আছে , এই ক্ষেত্ৰত পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ ফালৰ পৰা ভূমিকা এটা আছে । এতিয়াও যিবিলাক জলাশয়, আছে সেইবিলাকো পঞ্চায়তৰ গাঁও সভাৰ জৰিয়তে আহিব লাগিব আৰু ব্যক্তিগতভাবে থাকে তেনেহ'লে সেইবোৰ আই বি এচ স্কীমৰ ভিতৰত আহিব লাগিব । তেনেহ'লে আমি সেই পুখুৰীসমূহত সহায় কৰিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, কোৰেশ্যন নং-২৪ শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ।

শ্ৰীকমলাক্ষ দে পুৰকায়স্থ , উত্তৰ কৰিমগঞ্জ ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰত যিটো পালো । অসম পঞ্চায়ত আইন ১৯৯৪ ধাৰা ১০৯৬ অনুসাৰে আমাৰ যিখিনি হাট- বজাৰ আছে সেইখিনি চেটেলমেন্ট হয় । অধ্যক্ষ মহোদয়, বৰ্ত্তমানে চৰকাৰখনৰ মুল শ্লোগানটো হৈছে দুৰ্নীতিমুক্ত কিন্তু আমাৰ যিটো পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগ আছে সেইটো বৰ্ত্তমানে দুৰ্নীতিযুক্ত হৈ গ'ল । মই এনেয়ে কোৱা নাই , ইয়াৰ তথ্যখিনি মই আপোনাক দি আছো । মই জানো এই তথ্যখিনি দিয়াৰ পিচতো কোনোধৰণৰ একশ্যন নহ'ব । অধ্যক্ষ মহোদয় , মই তথ্যখিনি পঢ়ি দিছো । চেটেলমেন্টৰ লিষ্টখন বহু দীঘলীয়া কাৰণ সমগ্ৰ জিলাত এনেকুৱা হৈছে । কিন্তু বিশেষকৈ দৰং জিলাত মঙ্গলদৈৰ অধীনত ২০২১-২২ চনত ১৫ টা বজাৰৰ চেটেলমেন্ট দিয়া হৈছে । ইয়াৰ তথ্য মোৰ লগত আছে অধ্যক্ষ মহোদয়। বেচিমাৰী দৈনিক শাক- পাচলিৰ বজাৰখনত হায়েষ্ট বিডাৰ আছিলে ৯০ লাখ টকা কিন্তু তাত ১১ লাখত চেটেলমেন্ট হৈছিল । এটা চেটেলমেন্ট ৮ লাখত কৰা হৈছে কিন্তু হায়েষ্ট বিডাৰ ৮০ লাখ টকা টেণ্ডাৰ আছিল । এটা হায়েষ্ট বিডাৰ- ৫০ লাখ আছিল মাত্ৰ ৫ লাখত দিয়া হৈছে । প্ৰত্যেকটা এনেকুৱা এনেকুৱা হৈছে অধ্যক্ষ মহোদয়। এইটো কাৰণে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাম যে আমাৰ আইনত লিখা আছে যে হায়েষ্ট বিডাৰে যদি পেপাৰছ মানী দিওঁতে কিবা ভুল হয় সিঁহতক মাতি আনি পেপাৰ দিব লাগে । মই জানো এইখিনি তথ্য দিয়াৰ পিচতো মন্ত্ৰীয়ে কোনো একশ্যন নলয় । যদি আপোনালোকে সঁচাই দুৰ্নীতিমুক্ত কৰিব বিচাৰে মই ভাবো আপোনালোকে ইয়াৰ পৰাই আৰম্ভ কৰক । অকল দৰঙতেই নহয় গোটেই অসমত এনেকুৱা চলি আছে । প্ৰতিটো সমষ্টিতে এইটো চলি আছে । গতিকে মই ভাবো আমি যিটো own fund দিছিলো সেইটো কম হোৱাৰ কাৰনটো হৈছে- প্ৰত্যোকটো

বজাৰ যেতিয়া চেটেলমেন্ট হয় - ৮০ লাখ টকাৰ বজাৰ ৮ লাখত চেটেলমেন্ট হয় । স্পেচিয়েলী দৰং জিলাত কেচ হৈছে । আপোনালোকে থাৰ্ড গ্ৰেড - ফোৰ্থ গ্ৰেড গ্ৰে প্তাৰ কৰিছে আমি চাইছো । কিন্তু অকল থাৰ্ড- ফোৰ্থ গ্ৰেড কৰিলে নহ'ব যিবিলাক ভাল বিষয়া আছে আমি তেওঁলোকক কোৱা নাই কিন্তু যিবিলাক বিষয়া এনেকুৱা দুৰ্নীতিত লিপ্ত সেইবিলাকক এৰেষ্ট কৰক। আজিয়ে একশ্যন লওক। তেওঁলোকৰ ওপৰত এটা এনকোৱাৰী টিম কৰক, প্ৰয়োজন হ'লে এটা সদন কমিটি পঠিয়াই দিয়ক আৰু যিটো আমাৰ own fund আছে তাৰ ব্যৱস্থা কৰক । মই ইয়াৰ এটা সদুত্তৰ বিচাৰিছো মন্ত্ৰী মহোদয়ৰ পৰা ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰীৰঞ্জিৎ দাস, মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ণ ঃ** অধ্যক্ষ মহোদয়, মই পুৰকায়স্থ ডাঙৰীয়াক মই ধন্যবাদ জনাইছো, যে আজিৰ পৰা কিছুদিন আগতে আমাৰ মাননীয় বিধায়ক বসন্ত দাস দেবে এই বিষয়টো উত্থাপন কৰিছিল । মই তেখেতকো ধন্যবাদ জনাইছো যে তেখেতে উত্থাপন কৰা বাবে আমি এই বিষয়টো লৈ দৰং জিলাত ইতিমধ্যে আমি তদন্ত কৰিছো । তদন্তৰ প্ৰতিবেদন মোৰ ওচৰত আহি পোৱা নাই কাৰণ এনে এটা বিষয়ত তদন্ত কৰিবলৈ যাওঁতে হাইকোৰ্টত গৈ পেলাই যাতে কোনেও বিষয়টোত সুবিধা ল'ব নোৱাৰে তাত যাতে সুৰঙা নাথাকে তাৰ বাবে ইতিমধ্যে ব্যৱস্থা লৈ আমি ইতিমধ্যে জুডিচিয়েল ডিপাৰ্টমেন্টৰ লগত আলোচনা কৰিছো । দৰং জিলাত চৰকাৰী বিষয়াই হওক বা জন প্ৰতিনিধিয়ে হওক প্ৰমাণিত হ'লে নিশ্চিতভাবে ব্যৱস্থা লোৱা হ'ব । আমি ইতিমধ্যে চাৰ্কোলাৰো দিছো- আমি দেখিছো ৯০ লাখ ৭০ লাখ বিডাৰ থকাৰ পিচতো ১১ লাখৰ বিডাৰে কাম পায় । আছলতে এখন ষ্টেণ্ডিং কমিটি এখন আছে য'ত জিলা পৰিষদৰ সভাপতি গৰাকী চি ই ও আৰু দুই- এগৰাকী মানুহ থাকে । সেই ষ্টেণ্ডিং কমিটিয়ে নিজাববীয়া সিদ্ধান্ত লৈ এলোটমেন্ট দিয়ে যাৰ বাবে পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ পৰা এখন চিঠি প্ৰেৰণ কৰা হৈছিলে যাতে চৰকাৰৰ পাৰ্মিশ্যন নোলোৱাকৈ এনেকুৱাকৈ এলোটমেন্ট নকৰে । এনেকুৱা হৈছে যে হায়েষ্ট বিডাৰৰ সলনি লোৱেষ্ট বিডাৰক দিছে যাৰ বাবে ৰেভিনিউ লষ্ট হৈছে । গতিকে আমি নোটিফিকেশ্যন কৰিছো যে ষ্টেণ্ডিং কমিটিয়ে এইটো ডিচিশ্যন ল'ব নোৱাৰে চৰকাৰৰ পৰা অনুমোদন বা পাৰ্মিশ্যন লৈহে এলোটমেন্ট দিব তেতিয়া হ'লে আমাৰ ৰেভিনিউ লষ্ট নহয় । ˉ সন্মানীয় সদস্যগৰাকীক জনাও যে এই ক্ষেত্ৰত পঞ্চায়ত বিভাগৰ দূৰ্নীতি ৰোধ কৰাৰ বাবে নিশ্চিতভাবে ব্যৱস্থা লোৱা হ'ব

**মাননীয় অধ্যক্ষ ঃ** কোৱেশ্যন নং- ২৫ আব্দুল আজিজ ।

**শ্ৰীআব্দুল আজিজ (কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, (ক) কৰিমগঞ্জ জিলায় অৰুণোদয় আঁচনিৰ জৰিয়তে কত সংখ্যক হিতাধিকাৰী উপকৃত হইয়াছে এবং হিতাধিকাৰী সৰকাৰি গাইড লাইন মতে কৰা হয়েছে কি?

(খ) ৫ নং বদৰপুৰ সমষ্টিৰ অন্তৰ্গত এখন পৰ্যন্ত কতজন হিতাধিকাৰীয়ে এই আঁচনিৰ জৰিয়তে উপকৃত হইয়াছে বিস্তাৰিত তথ্য সদনে জানাবেন?

(গ) কি যোগ্যতাৰ ভিত্তিত অৰুণোদয় আঁচনিৰ হিতাধিকাৰী বাছাই কৰা হয়? হিতাধিকাৰীৰ বাছই কৰাৰ নিয়মাবলি সদনৰ মজিয়াত দাখিল কৰিবনে?

**শ্ৰীৰঞ্জিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ** আপুনি কিহৰ কথা সুধিছে মই জানিব পৰা নাই? বিষয়টো কি সুধিছে?

**শ্ৰীআব্দুল আজিজ ঃ** অৰুণোদয় আঁচনিৰ কথা মই কৈছোঁ। মাননীয় মন্ত্ৰী মহোদয়াই উত্তৰ দিব।

**শ্ৰীমতী অজন্তা নেওগ, মন্ত্ৰী ঃ** মাননীয় বিধায়ক আজিজ ডাঙৰীয়াই যিটো কৈছে, যে অৰুণোদয়

আঁচনিখন এখন গাইড লাইনচ্‌ৰ ভিত্তিত এই হিতাধিকাৰী বাচঁনি কৰা হয়, ইতিমধ্যে গাইড লাইনচ্ খন দিয়া আছে। সেই গাইড লাইনচ্ মতে এখন কমিটি আছে, জিলা পৰ্য্যায়ৰ মনিটৰিং কমিটি, সেই কমিটিৰ যিখন গাইড লাইনচ্ আছে, সেই গাইড লাইনচ্ মতে অৰুণোদয় আঁচনি যোৱা সময়চোৱাত হিতাধিকাৰী সকল বাঁচনি কৰা হৈছিল। এই কমিটি খনত এখন জিলা পৰ্য্যায়ৰ মনিটৰিং কমিটি আছিল, ডি এল এম চি, সেই কমিটিত জিলা উপায়ুক্ত চেয়াৰ পাৰ্চন, All MLA of the District Members, District Development Commissioner Member Secretary, ADC Development Member, CEO Zila Parishad Member and 3 Members to be nominated by State Government. ২০২০ চনত এইখন notification কৰা হৈছে। হয়তো এইবাৰ কিছু ইয়াত আমি সংশোধনী কৰিব লাগিব। কাৰণ বহুতো এই কমিটিত থকা কিছু মেম্বাৰ এইবাৰ বিধায়ক হৈ নিৰ্বাচিত হৈ আহিছে, কিছু মেম্বাৰ ইয়াত হয়তো নতুনকৈ এমেণ্ডমেণ্ড হ'ব।

**মাননীয় অধ্যক্ষ ঃ** পৰৱৰ্তী কি আছে কেৱল চমুকৈ প্ৰশ্নটো কৰক।

**শ্ৰীআব্দুল আজিজ ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্ন কৰিলোঁ, উত্তৰ পালোঁ, পৰৱৰ্তী অৰুণোদয় আঁচনিৰ পগ্ৰেম আছে নেকি বা ল'ব নেকি আপোনালোকে?

**শ্ৰীমতী অজন্তা নেওঁগ (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, ইতিমধ্যে আপোনালোকে জানেই যে এই আঁচনিখনৰ আমি বিস্তৃত ভাৱে এটা social audit কৰি আছো আৰু এইবাৰ এই যিটো social audit আমি কৰিছো, আমাৰ ৰাজ্য খনৰ ভিতৰত এটা বৃহত্তম social audit. এই অডিট ইতিমধ্যে যোৱা ২০ আগষ্টৰ পৰা এমাহ জোৰা অৰুণোদয় মাহ হিচাপে চলি আছে ৰাজ্য খনত আৰু আপোনালোকে ভাল পাব যে এই অডিটৰ জৰিয়তে বেনিফিচাৰি জনৰ সকলো খিনি ষ্টেটাচ বৰ্তমান ষ্টেটাচ আমি জানিব পাৰিম। সম্পূৰ্ণ নিৰপেক্ষভাৱে ইয়াৰ social audit ৰ কাম চলি আছে এমাহ জোৰা, আমাৰ মাননীয় বিধায়ক সকলে নিজস্ব জিলা বিলাক গৈ এই আঁচনিৰ আৰম্ভণি কৰিছিল অৰুণোদয় মাহ, আৰু অতি সফলতাৰে ইয়াৰ জৰিপ কাৰ্য্য চলি আছে। ইয়াৰ অক্টোবৰ মাহৰ প্ৰথম সপ্তাহত এই জৰিপ শেষ হ'ব। গোটেই ৩৫ খন জিলাক সামৰি এই জৰিপ কৰা হৈছে। প্ৰায় ২০ লক্ষ্য ইয়াৰ যিখিনি হিতাধিকাৰী আছে, তেখেত সকলৰ ঘৰে ঘৰে গৈ ইতিমধ্যে জৰিপৰ কাম বিলাক চলি আছে। আজিৰ পৰ্য্যন্ত আমি যিটো তথ্য পাইছো প্ৰায় ১৪ লাখ পৰিয়ালৰ ঘৰত এই জৰিপ কাৰ্য্য সমাপন হৈছে আৰু কিছু সময় লাগিব। হয়তো এক সপ্তাহ বা ১০ দিনৰ ভিতৰত সুন্দৰ ভাৱে গোটেই ৰাজ্য খনৰে জৰিপ কাৰ্য্য সমাপন হ'ব। তাৰ পিছৰ পৰ্য্যায়ত আমাৰ নতুনকৈ যিটো inclusion হ'ব, তাৰ আৰম্ভণি হ'ব আৰু সেই মতে আমি যোৱাবাৰ বাজেটত তথ্যটো দিছিলো আপোনালোকে চাইছে নিশ্চয়। প্ৰায় নতুনকৈ ৬ ৰ পৰা ৭ লাখ পৰিয়াল এই অৰুণোদয় আঁচনিত অন্তৰ্ভূক্ত হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া প্ৰশ্ন নং ২৬, শ্ৰীজাকিৰ হুছেইন লস্কৰ।

**শ্ৰীজাকিৰ হুছেইন লস্কৰ ঃ** ছাৰ, উত্তৰটো পালো যে ভাৰত চৰকাৰে যেতিয়ালৈকে ব্যৱস্থা নকৰিব তেতিয়ালৈ অসম চৰকাৰে কৰিব নোৱাৰে। কিন্তু ইয়াত এটা কথা হ'ল যিবোৰ ল'ৰা-ছোৱালী deprived হৈছে সেইবিলাকৰ কোনো ব্যৱস্থা নাই নেকি বা এটা চাওঁতে দেখা যায় যে এটা revenue village ত ৩/৪ টা চেন্টাৰ আছে, কোনো এটা revenue village ত এটা চেন্টাৰো নাই। এই কনমানি ল'ৰা-ছোৱালী বিলাক deprived হৈ আছে, সেই বিলাকৰ ওপৰত আমাৰ চৰকাৰে কিবা এটা কৰিব লগা একো নাই নেকি?

**শ্ৰীমতী অজন্তা নেওঁগ (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, বিধায়ক ডাঙৰীয়াই যিখিনি কথা কৈছে ইতিমধ্যে আমি এই গোটেইখিনি কথা গুৰুত্ব সহকাৰে গ্ৰহণ কৰিছোঁ। কাৰণ এই যে ৰাজ্য খনত প্ৰায় ৬১০০০ অঙ্গনবাড়ী কেন্দ্ৰ আছে, তাত শিশুৰ সংখ্যা কিমান আছে, প্ৰসুতিৰ সংখ্যা কিমান আছে, এই গোটেই বিলাক অধ্যক্ষ মহোদয়, আমি এটা তথ্য ভিত্তিত এটা portal কৰিবৰ কাৰণে প্ৰচেষ্ঠা গ্ৰহণ কৰি আহিছোঁ। বহু মাননীয় বিধায়কে অনুৰোধ কৰিছে, তেওঁলোকৰ এলেকা বিলাকত হয়তো কোনো এটা ঠাইত অঙ্গনবাড়ী কেন্দ্ৰ নাই, কোনোবা এটা অঞ্চলত হয়তো বেছিকৈ কেন্দ্ৰ আছে, এনেকুৱা কিছু তথ্য আমি বিধায়ক সকলৰ পৰা পাইছোঁ। গতিকে এতিয়াই আমি গোটেইখিনি কথা কব পৰা হোৱা নাই। তথাপি মাননীয় সদনক মই এইখিনি কথা কব বিচাৰিছো যে আমি গোটেই অঙ্গনবাড়ী কেন্দ্ৰ সমূহ যদিও কেন্দ্ৰীয় চৰকাৰে নতুনকৈ আমাক নিৰ্মাণ কৰিবলৈ কোনো ধৰণৰ অনুমোদন দিয়া নাই, কিন্তু ৰাজ্য খনত যিখিনি অঙ্গনবাড়ী কেন্দ্ৰ আছে, সেইখিনি আমি rationalize কৰি য'ত প্ৰয়োজন আছে কেন্দ্ৰৰ, তাত আমি দি, য'ত অপ্ৰয়োজন কেন্দ্ৰ আছে, এনেকুৱা ধৰণৰ প্ৰচেষ্টাৰ কাৰণে ইতিমধ্যে আমি ব্যৱস্থা গ্ৰহণ কৰিছোঁ আৰু মাননীয় বিধায়ক সকলক পৰৱৰ্তী সময়ত তেওঁলোকৰ এলেকাবোৰত আমি কেনেধৰণে কামখিনি আগবাঢ়ি যাম তাৰ বিষয়ে মই অৱগত কৰিম।

**মাননীয় অধ্যক্ষ ঃ** আৰু পৰৱৰ্তী।

**শ্ৰীজাকিৰ হুছেইন লস্কৰ ঃ** আৰু এটা কথা, বেছিভাগ অঙ্গনবাড়ী কেন্দ্ৰ চলি আছে নিজা ঘৰত। আগতে এটা কথা আছিল যে আমাৰ কিছু সংখ্যক সদস্য সকলে দুটা দুটাকৈ মডেল অঙ্গনবাড়ী কেন্দ্ৰ পাইছে, কিন্তু চাইছো যে বেলেগ ঠাইত এটা সমষ্টিত ১০টাও হৈছে, এটা সমষ্টিত ১২ টাও হৈছে, এটা সমষ্টিত ২ টা হৈছে। মেডাম, এইটোৰ বিষয়ে যদি আপুনি অলপ কয়।

**শ্ৰীমতী অজন্তা নেওঁগ (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, যোৱা সদনতে এই বিষয়ে মই স্পষ্টিকৰণ দিছিলোঁ, গতিকে আহিব সময়ছোৱাত আৰু অঙ্গনবাড়ী কেন্দ্ৰ নিৰ্মাণৰ প্ৰস্তাৱ আছে। গোটেই অসমৰ ১২৬ টা সমষ্টিতে need base আমি তাত নিৰ্মাণ কৰিব পাৰো, ইয়াৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আশ্ৰাফুল হুছেইন।

**শ্ৰীআশ্ৰাফুল হুছেইন(চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, দেখা গৈছে যে ৰাজ্য খনত অঙ্গনবাড়ী কেন্দ্ৰ সমূহ অত্যন্ত জৰাজীৰ্ণ কোঠা সমূহত চলিছে আৰু সামান্য কোঠাত এই যে অঙ্গনবাড়ী কেন্দ্ৰ সমূহ চলিছে, ভৱিষ্যতে বিভাগৰ বা চৰকাৰৰ ইচ্ছা কি? এই অঙ্গনবাড়ী কেন্দ্ৰ সমূহক সচাঁকে প্ৰাইমেৰী স্কুল সমূহৰ লগত lower primary হিচাপে দিব নেকি? প্ৰাক-প্ৰাথমিক শিক্ষা হিচাপে দিব নেকি? নে সেইবিলাকক empower কৰাৰ কিবা চিন্তা ভাৱনা আছে, এই কথাখিনি সবিশেষ জনাব লাগে। অন্যহাতে, অঙ্গনবাড়ী কেন্দ্ৰ সমূহ মেৰামতিৰ কাৰণে বিগত সময়ত ২০১৭ চনৰ পৰা লক্ষ্য কৰিছো আৰু তথ্য সদনত দিয়া হৈছে।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো কৰক, সময় কম।

**শ্ৰীআশ্ৰাফুল হুছেইন (চেঙা) ঃ** এই ক্ষেত্ৰত চকু দিব লাগে। বৰপেটাত বিশেষভাৱে ব্যপক দুৰ্নীতি সংঘটিত হৈছে আৰু এই ক্ষেত্ৰত তদন্ত কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো কৰক।

**শ্ৰীআশ্ৰাফুল হুছেইন (চেঙা) ঃ** প্ৰশ্নটো কৰিছো, বাইদেউৱে বুজিছে।

**শ্ৰীমতী অজন্তা নেওঁগ, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আচলতে গোটেইখিনি আগৰ সময়ত অঙ্গনবাড়ী

কেন্দ্ৰ বোৰ কেনেকৈ চলিছিল সেই বিষয়ে আপোনাক বহল ভাৱে কবলৈ নাযাওঁ। কিন্তু এইবাৰ এই গোটেইখিনি কথা চিন্তা কৰি কেন্দ্ৰীয় চৰকাৰে গোটেই ব্যৱস্থাটো কিছু সলনি কৰিব বিচাৰিছে। সচাঁ অৰ্থত যাতে এই অঙ্গনবাড়ী কেন্দ্ৰ বিলাক সক্ষম হৈ উঠে আৰু তাৰ কাৰণে আপোনালোকে জানি ভাল পাব যে সক্ষম অঙ্গনবাড়ী কেন্দ্ৰ আৰু পোচন ২ বুলি এটা আঁচনি কেন্দ্ৰীয় চৰকাৰে বহন কৰিছে আৰু গোটেই যিটো মহিলা সকলৰ আঁচনি, তাত শক্তি বুলি আঁচনি এটা গ্ৰহণ কৰিছে আৰু মিছন বাৎসল্য, মিছন হিচাপে গোটেই আঁচনি খিনি গ্ৰহণ কৰা হৈছে আৰু তাৰ অধীনত যিটো আন্তঃগাঠনি তাতো গুৰুত্ব প্ৰদান কৰা হৈছে। গতিকে আপুনি যিটো ভাল পৰামৰ্শ দিছে ইতিমধ্যে তেনেধৰণে আমাৰ চৰকাৰ খনে এহাজাৰটা অঙ্গনবাড়ী কেন্দ্ৰ লোৱাৰ concept টো সেইটোৱে আছিল যে প্ৰথম পৰ্য্যায়ত মডেল হিচাপে আমি গ্ৰহণ কৰো, ইয়াত পোচনৰ জৰিয়তে যিখিনি খাদ্য পাব লাগে বা অন্যান্য যিখিনি চাৰ্ভিছ পাব লাগে, যাতে সুন্দৰ ভাৱে এটা পৰিৱেশত ভাল আন্তঃগাঠনি হয়। ইতিমধ্যে মুখ্যমন্ত্ৰী ডাঙৰীয়াই ঘোষণা কৰিছে যে আহিবলগীয়া সময়ছোৱাত ১৫ ৰ পৰা ২০ হাজাৰ নতুন অঙ্গনবাড়ী কেন্দ্ৰ তৈয়াৰ কৰা হ'ব, সেই প্ৰস্তুতি আমাৰ চলি আছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ২৭, মাননীয় সদস্য ছামছুল হুদা।

**শ্ৰীছামছুল হুদা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যিটো প্ৰশ্ন কৰিছো, বহুতে মোক কৈছে যে সেইটো প্ৰশ্ন হৈছে নেকি, গতিকে এইটো দুখজনক এটা প্ৰশ্ন মই আপোনাৰ ওচৰত কৰিছো, আপুনি মন্ত্ৰী মহোদয়ক কব ? যে আমাৰ 15th finance ৰ টকা ইমান দিনে আমাৰ বিলেসীপাৰা পূব সমষ্টিত দিয়া হৈছে কিন্তু মুখ্য কাৰ্য্যবাহী বিষয়াই আজিলৈকে পাচখন মিটিং দিছে। ইয়াত দুখন মিটিং উল্লেখ কৰা হৈছে আৰু তিনিখন মিটিং উল্লেখ কৰা হোৱা নাই । পাচখন মিটিং দিয়া হৈছে কিন্তু কিছুমান অপৈনত ৰাজনীতিবীদ আছে যাৰ দ্বাৰা মুখ্য কাৰ্য্যবাহী বিষয়া পৰিচালিত হয় । তাত যি ধৰণে কয় তাত সেই ধৰণে কাম কৰে আৰু আমি মিটিংত যোৱাৰ পিছতো মিটিং বাতিল কৰি দিয়ে । এনেকৈ যে পৰিচালিত হয় চি. ই. অ' ডাঙৰীয়াই আমাৰ মন্ত্ৰী মহোদয়ৰ কিবা হিন্‌ট্‌চ আছে নেকি যে তেওঁ এনেকৈ কৈ আমাৰ তাত মিটিং বাতিল কৰি আমাৰ পঞ্চদশ বিত্তীয় আয়োগৰ অধীনৰ কাম আমাৰ বিলাসীপাৰা পুৱ সমষ্টিত নহয়, তাৰ কাৰণে তেনেকুৱা কিবা পৰিকল্পনা আছে নে ?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰী ৰঞ্জিৎ দাস, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, তেওঁ ভবাৰ দৰে আমাৰ এক শতাংশও পৰিকল্পনা নাই । কাৰণ ফিফটিন ফাইনেঞ্চৰ যি গ্ৰান্টৰ টকা সমগ্ৰ অসমতে আমি প্ৰদান কৰিছো আৰু আমাৰ যি ব্লক লেভেল এডভাইচাৰী কমিটি আছে সেই কমিটিৰ গাইডলাইন মতে কাম সমূহ কৰা হয় আৰু ইতিমধ্যে অসম চৰকাৰে যোৱা ২০২১ চনৰ ১৪ জুলাই তাৰিখে অনুস্থিত হোৱা কেবিনেটত এটা আমাৰ সিদ্ধান্ত লোৱা আছিল যে পঞ্চদশ বিত্তীয় আয়োগৰ টকাবোৰ আগতে কোনো ধৰণৰ এছ. অ'. পি. নোহোৱাকৈ খৰচ কৰা হৈছিল বা আমি ভবাৰ দৰে হোৱা নাছিল আৰু এইখন কেবিনেটে এটা অনুমোদন দিছিল টাইড আৰু আনটাইড গ্ৰান্ট দুটা ভাগ কৰি লৈছিলো আৰু টাইড গ্ৰান্টৰ জৰিয়তে অকল অনাময় আৰু খোৱাপানীৰ কামহে কৰো, সেইকাৰণে টাইড গ্ৰান্টত কিমান টকা সেইটো ভাগ কৰা দিয়া হৈছিল আৰু আনটাইড গ্ৰান্টৰ কাৰণে কেবিনেটে সিদ্ধান্ত দিছিল কাৰণ পঞ্চায়তৰ প্ৰতিনিধিয়ে কৰা কামৰে কৰি থাকে যিটো ৰাইজৰ সুবিধা নহয়, তেনেকুৱা আঁচনি লোৱাৰ কাৰণে আমি নিৰ্দ্ধাৰিত কৰি দিছিলো গাওঁ পঞ্চায়তৰ কাৰ্য্যালয় সমূহ মেৰামতি কৰা, চৰকাৰী বিদ্যালয় সমূহ মেৰামতি কৰা, অঙ্গনবাড়ী কেন্দ্ৰ মেৰামতি, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ মেৰামতি, পশু চিকিৎসালয় মেৰামতি, খেলাধুলা সাংস্কৃতিক ক্ষেত্ৰৰ মুকলি মঞ্চ বা খেল পথাৰ নিৰ্মাণ কৰা আৰু

এইবোৰ কাম কৰাৰ ফলস্বৰূপে আমি কেইবাটাও ভলীবল ফিল্ড পৰ্য্যন্ত নিৰ্মাণ কৰা হৈছিল। গতিকে আমাৰ ধুবুৰী জিলাত ইতিমধ্যে চি. ই. অ' ক নিৰ্দেশ দিছো যে অতি শীঘ্ৰে এইখন সমিতিৰ মিটিং কৰি কাম কৰিব পাৰো। মই পূৰ্বতে যেতিয়া অভিভাৱক মন্ত্ৰী আছিলো তেতিয়াও মই কৈছিলো। আপুনি ক'লে যে পাঁচবাৰ কৈ তাৰিখ দিছে, এতিয়া আকৌ নতুনকৈ আৰু ২৬ চেপ্তেম্বৰ তাৰিখে সভা আৰম্ভ হ'ব আৰু যদি নহয় তৎকালীন ভাবে মোৰ লগত যোগাযোগ কৰিব। মই যি ব্যৱস্থা ল'বলগীয়া আছে সেই ব্যৱস্থা গ্ৰহণ কৰিম ।

**শ্ৰী ছামচুল হুদা (পূৰ বিলাসীপাৰা) ঃ** ধন্যবাদ মন্ত্ৰী ডাঙৰীয়া। আমাৰ এইখন মিটিং হয়তো ২৬ তাৰিখে হ'ব বুলি মই ধাৰণা কৰিছো আপুনি যিটো কৈছে। আমাৰ তাত ব্লক ডেভেল'পমেন্ট এডভাইচাৰী, মনিটৰিং কমিটি বিলাক হোৱা নাই । ডেৰ বছৰ পাৰ হ'ল এতিয়ালৈকে কমিটি হোৱা নাই । গতিকে মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাম যে তেওঁ যাতে সেই মনিটৰিং কমিটি বিলাক কৰাৰ কাৰণে অলপ নিৰ্দেশ দিয়ে। পঞ্চদশ বিত্তীয় আয়োগৰ টকা জিলা পৰ্য্যায়ত প্ৰতি সমষ্টিতে সমানে বিতৰণ কৰা নাই। গতিকে এই টকা সমানে বিতৰণ কৰিব লাগে । টকাখিনি প্ৰতিটো সমষ্টিতে সমানে জাতে জিলা পৰিষদে বিতৰণ কৰে সেইটো মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনালো ।

**শ্ৰী ৰঞ্জিৎ দাস, মন্ত্ৰী ঃ** ইতিমধ্যে পঞ্চদশ বিত্তীয় আয়োগৰ গাইডলাইন আছে সেই আধাৰত আমি এই খিনি কাম কৰাৰ কাৰণে নিৰ্দেশ প্ৰদান কৰিম।

**माननीय অধ্যক্ষ ঃ** প্ৰশ্ন নং ২৮। শ্ৰী ফণিধৰ তালুকদাৰ।

**শ্ৰীমতী অজন্তা নেওঁগ, মন্ত্ৰী ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে ।

**শ্ৰী ফণিধৰ তালুকদাৰ (ভবানীপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বজালী জিলাখন নতুনকৈ হৈছিল যদিও এবছৰ সম্পুৰ্ণ হৈ গ'ল । আৰু তাৰ জিলা কোষাগাৰ কাৰ্য্যালয়ৰ কাম ইতিমধ্যে চলি আছে । কিন্তু তাত কিছুমান খেলিমেলি দেখা পাওঁ যে বৰপেটা কোষাগাৰ কাৰ্য্যালয়ৰ পৰা আমাৰ বজালী কোষাগাৰ কাৰ্য্যালয়লৈ সকলো কাম স্থানান্তৰ কৰা হোৱা নাই।

বিদ্যালয় সমূহ, বিশেষকৈ হস্তিনাপুৰ হাইস্কুলৰ ( মোৰ নিজা স্কুল) কোষাগাৰৰ কাম বিলাক সৰ্থেবাৰীত হৈ আছে যিটো বৰপেটা কোষাগাৰৰ অধিনস্থ। এই সম্পৰ্কে মই মন্ত্ৰী মহোদয়ক অৱগত কৰাত তেখেতে হস্থিনাপুৰটো বৰপেটা আৰু বজালীৰ মধ্যস্থলত পৰে বুলি কৈছে । কিন্তু সেইটো নহয়, এইখন বৰপেটা জিলাৰ একেবাৰে উত্তৰ প্ৰান্তত অৱস্থিত। এইদৰে দেখা গৈছে বহুতো বিদ্যালয় সৰ্থেবাৰীলৈ সলনি হৈছে কিন্তু বজালীলৈ হোৱা নাই। গতিকে কোষাগাৰৰ কাম-কাজ বিলাক বজালীত কৰিব পৰা কৰি দিব লাগে ।

দ্বিতীয়তে, যিবিলাক গাওঁ আদৰ্শ গাওঁ হিচাপে স্বীকৃতি কৰা হৈছিল, এই কাম সমূহো বৰপেটা জিলাতে সম্পাদন কৰা হয় । এই বিলাকো ডিডিচি বৰপেটাৰ অধীনতে আছে, এই বিলাক ডি ডি চি বজালীলৈ বদলি কৰি আনিব লাগে।

**মাননীয় অধ্যক্ষঃ** হ'ব। বাকী প্ৰশ্ন পিছত কৰিব । এতিয়া আৰু সময় নহ'ব। অন্যথা মন্ত্ৰীয়ে উত্তৰটো দিব নোৱাৰিব । এতিয়া মাননীয় মন্ত্ৰীয়ে উত্তৰ দিব ।

**শ্ৰীমতী অজন্তা নেওঁগ, মন্ত্ৰীঃ** মই বিধায়ক ডাঙৰীয়াক লগ পাওঁতে সকলো খিনি কথা ইতিমধ্যে বুজাই কৈছিলো, এতিয়া পুনৰবাৰ ক'ব বিচাৰিছো যে- মই আপোনাক আৰু কোষাগাৰৰ বিষয়ববীয়া সকলক নিশ্চয়কৈ আলোচনাৰ বাবে মাতিম । মই ভাবো বিষয়টো বৰ জটিল নহ'ব । স্থানান্তৰ কৰাৰ বাবে এ. জি. ৰ অনুমতি ল'ব লাগিব আৰু অনুমতি পালেই আমি আপুনি বিচৰা মতে কাম খিনি কৰিব পাৰিম।

**শ্ৰী ফণিধৰ তালুকদাৰ (ভবানীপুৰ) ঃ** তৃতীয়তে মহোদয়, আমাৰ তাত ভাৰতীয় ষ্টেট বেংক এটা যথেষ্ট প্ৰয়োজন হৈছে। এই সম্পৰ্কে মই মুখ্যমন্ত্ৰীৰ লগতে মন্ত্ৰী বাইদেউকো অনুৰোধ জনাইছিলো । তেখেত সকলে কাম চলি থকা বুলি জনাইছে। যদি চলি আছে কাম খিনি সোনকালে হ'লে ভাল হয় ।

**শ্ৰীমতী অজন্তা নেওঁগ, মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, আপোনালোক জ্ঞাত যে আমি ভাৰতীয় ষ্টেট বেংকৰ বিষয়া সকলৰ লগত আলোচনাত মিলিত হৈছিলো । তেখেত সকলে কাম-কাজ চলি থকা বুলি জনাই আৰু ৰিজাৰ্ভ বেংকৰ অনুমতি পালে বাকীখিনি কামো হৈ উঠিব আৰু আমি এই কামখিনিও খৰতকীয়াকৈ কৰিবলৈ অনুৰোধ জনাম ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং-২৯। শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ)

**শ্ৰী ৰঞ্জিৎ দাস, মন্ত্ৰী** ঃ অধ্যক্ষ মহোদয়, সদনৰ মজিয়াত উত্তৰ সমূহ দিয়া আছে ।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ), বিধায়ক** ঃ অধ্যক্ষ মহোদয়, আজি প্ৰায় দুবছৰৰ পূৰ্বে সদনৰ এটা প্ৰশ্নৰ উত্তৰত চৰকাৰে অসমত মুঠ ৬৩ খন নতুন ব্লক গঠন কৰাৰ প্ৰস্তাৱ লোৱা বুলি জনাইছিল । কিছুমান ঠাইত ৫/৬ খন গাওঁপঞ্চায়ত সামৰি এখন ব্লক গঠন কৰা হৈছে, আনহাতে কিছুমান ঠাইত ২২-২৪ গাওঁপঞ্চায়ত এটা ব্লকৰ অধীনস্থ কৰা হৈছে । এনে ক্ষেত্ৰত এজন বি. ডি. অ'ৰ দ্বাৰা ইমান বৃহৎ অঞ্চলত কাম-কাজ চলোৱাত যথেষ্ট অসুবিধা হৈছে । চৰকাৰে সদনত আজি দুবছৰ আগতে ৬৩ খন নতুন ব্লক গঠন হোৱা বুলি তথ্যসহ যেনে- কোন কোন ব্লকত কিমান গাওঁপঞ্চায়ত থাকিব আৰু জনসংখ্যা কিমান হ'ব এই সকলো বিলাক সামৰি সদনত তথ্য দিছিল । কিন্তু আজি পৰ্য্যন্তও বিবেচনাধীন হৈ আছে বুলি জনাইছে । নতুন ব্লকৰ তালিকাখনো নিদিলে । ৬৩ খন নতুন ব্লক গঠন কৰা হ'ব নে নাই, যদি গঠন হয় কিমান দিনৰ ভিতৰত নতুন বি. ডি. অ' নিযুক্তি কৰি ব্লক সমূহ কাৰ্য্যকৰী কৰা হ'ব এই কথাখিনি জানিব বিচাৰো ।

**শ্ৰী ৰঞ্জিৎ দাস, মন্ত্ৰী** ঃ অধ্যক্ষ মহোদয়, মহামানৰ মহাত্মা গান্ধীয়ে কৈছিল যে ভাৰতবৰ্ষৰ আত্মা ভাৰতবৰ্ষৰ গাওঁ সমূহত লুকাই থাকে । গতিকে যেতিয়ালৈকে গাওঁ সমূহৰ উন্নয়ন কৰিব নোৱাৰি তেতিয়ালৈকে ভাৰতবৰ্ষৰো উন্নয়ন সম্ভৱ নহ'ব । এই কথাশাৰীৰ লগত সংগতি ৰাখি ইতিমধ্যে গাওঁ সমূহৰ যথেষ্ট উন্নয়ন কৰা হৈছে যদিও আমি দেখিছো অসমত নতুন ব্লক গঠনৰ প্ৰাসংগিকতা আছে । মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিটো ছিদ্দিক আহমেদ ডাঙৰীয়াৰ সমষ্টি সেই সমষ্টিটোত এটাও ব্লক নাই। গতিকে নিশ্চিত ৰূপত পুনঃগঠনৰ প্ৰয়োজন আছে। গতিকে সেই বিষয়টো লৈ পেলাই আমি বিভাগৰ লগত কেইবাবাৰো আলোচনা কৰিছিলো। আপুনি কোৱাৰ দৰে তালিকাটো দিয়া নাই, আমি জানো যে, পঞ্চায়ত গঠন কৰিব লাগিলে ৬ হাজাৰৰ পৰা ১০ হাজাৰ মানুহ লৈ পেলাই পঞ্চায়ত গঠন কৰা হয়। বহু এনেকুৱা পঞ্চায়ত আছে ১০ হাজাৰতকৈ বেছি জনসংখ্যা আছে। গতিকে আমি সেইটো নতুনকৈ চাৰ্ভে কৰিবলগীয়া হোৱা বাবে ব্লক গঠনত বিলম্ব হৈছে। মই আশাবাদী যে, অসম চৰকাৰে নিশ্চিত ৰূপত এই ক্ষেত্ৰত আগন্তুক দিনত বিহিত ব্যৱস্থা ল'ব। আমি সৰ্বমুঠ ৫৮ টা নতুন ব্লকৰ কথা ইতিমধ্যে প্ৰস্তাৱ আমি যুগুত কৰিছো। বিত্ত বিভাগৰ পৰা অনুমোদন পোৱাৰ পিছতে এই ব্লক সমূহৰ পুনঃগঠনৰ কাম আমি আৰম্ভ কৰিম।

**শ্ৰী আমিনুল ইছলাম (মাননীয় বিধায়ক)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াত অসম পঞ্চায়ত আইন, ১৯৯৪ অনুসৰি যিটো কথা মন্ত্ৰী মহোদয়ে কৈছে যে, এখন গাওঁ পঞ্চায়তৰ কাৰণে অতি কমেও ৬ হাজাৰ বেছি ১০ হাজাৰ জনসংখ্যা থাকিব লাগে। ২০০০ চনত এই ক্ষেত্ৰত এটা সংশোধনী অনা হৈছিল কিন্তু বৰ্তমান সময়ত গাওঁ পঞ্চায়তত ২০ হাজাৰ ২৫ হাজাৰ লৈকে জনসংখ্যা আছে।

গাওঁ বিলাক delimitation কৰা আকৌ বহুত প্ৰয়োজন হৈ পৰিছে। সেইটো চৰকাৰে সিদ্ধান্ত লোৱা বুলি স্পষ্টকৈ জনোৱা নাই। আমি ভাবো অহা পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে গাওঁ পঞ্চায়ত সমূহ পুনঃগঠন কৰাটো নিশ্চিত কৰিব নে চৰকাৰে এই কথাটো স্পষ্ট ভাবে জনাব লাগে।

**শ্ৰী ৰঞ্জিত কুমাৰ দাস (মাননীয় মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম পঞ্চায়ত আইন, ১৯৯৪ অনুসৰি আমাৰ ১০ হাজাৰৰ অধিক জনসংখ্যা থাকিলে এইটো পুনঃগঠন কৰিব লাগে। তেনেকুৱা আমাৰ ১১০০ দুটা তেনেকুৱা পঞ্চায়ত আছে, ১০ হাজাৰতকৈ অধিক জনসংখ্যা আছে। আমি ভাবিছিলো যে, ব্লক সমূহ পুনঃগঠন কৰাৰ পিছত আমি এইটো কৰিম বুলি ভাবিছিলো। এইটো বিষয় লৈ আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এখন আমাক cabinet sub-committee গঠন কৰি দিছে, পঞ্চায়তৰ বিষয়ে যদি সাল-সলনি কৰিবলগীয়া আছে, উদাহৰণ স্বৰূপে আমি পঞ্চায়তৰ সভাপতি নিৰ্বাচনটো প্ৰত্যক্ষ ভাবে নে পৰোক্ষ ভাবে খেলিম কাৰণ জিলা পৰিষদৰ সভাপতি নিৰ্বাচিত পৰোক্ষ ভাবে অৰ্থাৎ জিলা পৰিষদৰ সদস্য সকলৰ ভোটৰ দ্বাৰা ঠিক তেনেদৰে আঞ্চলিক পঞ্চায়তৰ সভাপতিও নিৰ্বাচিত হয়। আমি cabinet sub-committee ত এই বিষয়টো বিস্তাৰিত ভাবে আলোচনা কৰিম।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্ন নম্বৰ ৩০। মাননীয় সদস্য শ্ৰী ৰূপজ্যোতি কুৰ্মী।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে শেহতীয়াকৈ পঞ্চায়তৰ প্ৰতিনিধি সকলক তেওঁলোকৰ নিজৰ পুঁজিৰ পৰা তেওঁলোকৰ যি মাননি বা তেওঁলোকেটো পেটত গামোচা মাৰিটো চলিব নোৱাৰে বাবে তেওঁলোকৰ বিহিত ব্যৱস্থা লোৱাৰ কাৰণে এটা চৰকাৰে নিৰ্দেশনা দিছিল। এই নিৰ্দেশনাৰ ভিত্তিত আমি পঞ্চায়তৰ লগত কথা পাতি আমি গম পাইছো, বহু পঞ্চায়তে ব্যৱস্থা গ্ৰহণ কৰিছে। মৎস পালন আৰু গাহৰিকে আদি কৰি বিভিন্ন ধৰণৰ তেওঁলোকে ব্যৱস্থা গ্ৰহণ কৰিছে। অসমৰ বাহিৰত গৈ দেখা পাইছো, তাত খুব ধুনীয়াকৈ প্লেনিং কৰি কৰিছে। এনে পঞ্চায়তৰ প্ৰতিনিধিয়ো আছে ৪ পৰা ৫ লাখ টকা দৰমহা পাবলৈ সক্ষম হৈছে। অসমত তেনেকুৱাকৈ কিবা পৰিকল্পনা কেনেকুৱা ধৰণে লৈছে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী ৰঞ্জিত কুমাৰ দাস (মাননীয় মন্ত্ৰী পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় বিধায়ক ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই কোৱাৰ দৰে এই কথাটো হয় মই দেখিছো। অসমৰ বাহিৰত বিশেষকৈ দক্ষিন ভাৰতত কেৰেলা, তামিলনাডুকে আদি কৰি এনেকুৱা বহু পঞ্চায়ত আছে, যিয়ে নেকি তেওঁলোকে নূন্যতম পাৰিতোষিক কেইবা লাখ টকা সভাপতি বা সদস্য সকলে লয়। তাৰ মূলগত কাৰণটো হৈছে, তেওঁলোকৰ নিজাকৈ বহুত প্ৰজেক্ট আছে আৰু এটা পঞ্চায়ত দেখিছিলো নিজৰ দুগ্ধ উৎপাদন কেন্দ্ৰত আছে। তেওঁলোকৰ মৎস্য আদি আছে, বহুত ডাঙৰ ডাঙৰ পৰিকল্পনা আছে। সেই পঞ্চায়তৰ সভাপতি গৰাকীক যদি লগ ধৰিবলগীয়া হয়, বিধায়কেও যদি লগ ধৰিবলগীয়া হয়, তেতিয়া পাৰ্মিশ্যন ল'বলগীয়া হয়। তাৰ মানে পঞ্চায়টো ইমান ধুনীয়াকৈ সঁজাইছে। এতিয়া এটা বিশেষ সুবিধা হৈছে তেওঁলোকৰ বিভিন্ন ৰাজ্যৰ transfer subject আছে। আমাৰ বিভিন্ন transfer subject নথকাৰ বাবে অন চৰ্চৰ কাম বহুতে কৰিব পৰা নাই। আমাৰ গোলাঘাটকে আদি কৰি দেখিছো যে ভোট জলকীয়াৰ খেতি কৰিছে, মৎস উৎপাদন কৰিছে, কিছুমান ক্ষুদ্ৰ চাহ বাগিচা আছে। আমাৰ পঞ্চায়তৰ এনেকুৱা ধাৰণা আছে যে পঞ্চায়তৰ সদস্য হ'ব লাগে, সভাপতি হ'ব লাগে নিৰ্বাচন খেলিব লাগে। এনেকুৱা এটা মানসিকতাৰে পঞ্চায়তৰ নিৰ্বাচনত অৱতীৰ্ণ হয়। কিন্তু পঞ্চায়তটোৰ উন্নতি সাধন কৰাৰ কাৰণে

তেওঁলোকৰ যিটো বেয়া ধাৰণা বহু ক্ষেত্ৰত মই নিজে গম পাইছো কাৰণ মই নিজে পঞ্চায়তৰ সভাপতি সকলৰ ঘৰত বা পঞ্চায়ত ৰিভিউ কৰিছো। আমি এতিয়াও আহ্বান জনাইছো আৰু আগন্তুক দিনত নিৰ্বাচনৰ প্ৰাক্ মুহূৰ্তত এই বিষয়টো আমি বেছিকৈ সচেতনতা আনি পঞ্চায়তৰ উন্নয়নৰ ক্ষেত্ৰত যাতে চিন্তা কৰে এই বিষয়টো সজাগতা আনিব লাগিব। এই মুহূৰ্তলৈ আমি অসমত যিমানখিনি পাইছো সেইখিনি সন্তোষজনক নহয় নিজস্ব পুঁজিৰ ক্ষেত্ৰত। আগন্তুক দিনত নিশ্চিত ৰূপত ইয়াক কিবা এটা দিহাৰ ব্যৱস্থা কৰিম।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, নোহোৰা কাম সম্ভৱ কৰি দেখুওৱা উদাহৰণ আছে। আমি দেখা পাইছিলো কৰিমগঞ্জৰ এখন সমবায় সমিতিয়ে ডিপাৰ্টমেন্টেল ষ্টোৰ খুলি তেওঁলোকে দ্বিতীয় পুৰস্কাৰ পাইছিল। মাননীয় মন্ত্ৰী মহোদয়ক এটা কথায়ে অনুৰোধ জনাম লগতে জানিব বিচাৰিম। আমাৰ ডিপাৰ্টমেন্টেল ষ্টোৰৰ পৰা আদি এনেকুৱা প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব নেকি? আগৰ চৰকাৰে বা মন্ত্ৰীয়ে কোনো গুৰুত্ব দিয়া দেখা নাছিলো। এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা আশা কৰিছো।

**শ্ৰী ৰঞ্জিত কুমাৰ দাস (মাননীয় মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে আমাৰ পঞ্চায়তৰ সদস্য সদস্যা সকলক আমাৰ হুSIPRD জৰিয়তে প্ৰশিক্ষণ দিছো। কি ধৰণে নিজৰ পুঁজিটো বঢ়াব পাৰে। আমাৰ যি cabinet sub-committee আছে তাত আমি এই বিষয়টো লৈ পেলাই আলোচনা কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। প্ৰশ্ন নম্বৰ ৩১ দিগন্ত কলিতা।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা (মাননীয় মন্ত্ৰী)**ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী দিগন্ত কলিতা ( মাননীয় বিধায়ক)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি আমাৰ মাননীয় মন্ত্ৰী মহোদয় পৰ্য্যটন বিভাগক এটা অনুৰোধ কৰিব বিচাৰিছো। কমলপুৰ সমষ্টিৰ ঐতিহ্যমণ্ডিত নৰম শতিকাত পাল বংশৰ ৰজা মহাৰজা ইন্দ্ৰপালে নিৰ্মাণ কৰা তথা আহোম ৰজা শিৱ সিংহই পুনঃ নিৰ্মাণ কৰা ৩৯ বিঘা মাটিকালিৰে এটা পিংগলেশ্বৰ অৰ্ধনাৰীশ্বৰ দেৱালয় এখন আছে। আপোনালোক সকলোৱে জানে বাইহাটা চাৰিআলিৰ পৰা ৪ কিঃমি আগত। আমি বিচাৰিছো যে, এই দেৱালয়খন ইতিমধ্যে চৰকাৰৰ অন্তৰ্গত। আমি বিচাৰিছো যে, এই দেৱালয়খনত ধুনীয়া এটা পৰ্য্যটন বিভাগৰ ব্যৱস্থা কৰিব পাৰো। পুৰাতত্ব বিভাগৰ কিছু ব্যৱস্থাও তাত আছে। তাত ধুনীয়া পুখুৰী এটাও আছে। আমি বিচাৰিছো যে, মাননীয় মন্ত্ৰী ডাঙৰীয়া আগতেও সভাপতি হৈ আছিলে, আমি বিচাৰিছো কামাখ্যা মন্দিৰ যেনেকুৱা জনাজাত , এই মন্দিৰটোৰ বাবে যাতে অকণমান তেখেতে ব্যৱস্থা লয় আৰু এদিন নিজেও তেখেতে এই মন্দিৰলৈ যাওঁক। আশীৰ্বাদ লওঁক মই ভাবো খুব ভাল আমি পৰ্য্যটন বিভাগৰ ব্যৱস্থা কৰিব পাৰিম। ধন্যবাদ।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা (মাননীয় মন্ত্ৰী)**ঃ মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে কৈছে যে, ঐতিহ্যমণ্ডিত নৰম শতিকাত পাল বংশৰ ৰজা মহাৰজা ইন্দ্ৰপালে নিৰ্মাণ কৰা তথা আহোম ৰজা শিৱ সিংহই পুনঃ নিৰ্মাণ কৰা ৩৯ বিঘা মাটিকালিৰে এটা পিংগলেশ্বৰ অৰ্ধনাৰীশ্বৰ দেৱালয় এখন আছে। এই দেৱালয়ত পৰ্য্যটন বিভাগে মই অধ্যক্ষ থাকোতে আমি ১০ লাখ টকাৰ এটা অনুদান দিছিলো। সেই সময়ত তাত পুখুৰীটোৰ চাৰিওফালৰ দেৱালৰ কাম কৰিছিল ১২০ মিটাৰ। সেই সময়ত আমি অসম দৰ্শন আঁচনিৰ জৰিয়তে E&D বিভাগৰ পৰা ১০ লাখ টকা দিয়া হৈছিলে এতিয়ালৈ ২০ লাখ টকা দিয়া হৈছে। এইটো খুব পৰ্য্যটনৰ সম্ভাৱনা থকা ঠাই। আমাৰ বিভাগীয় অভিযন্তা

তাত গৈছিল। আমাৰ বিভাগৰ পুঁজি সাপেক্ষে আমি দায়িত্ব ল'ম। তাৰ লগে লগে বিধায়ক মহোদয়ক এটা অনুৰোধ কৰিম যে আমাৰ কেন্দ্ৰীয় চৰকাৰৰ মিনি প্ৰসাদ নামৰ এখন আঁচনি আহিছে। য'ত এনেকুৱা ধৰণৰ দেৱালয় বা এনেকুৱা সৰু সৰু ধৰ্মানুষ্ঠানক আমি আগবঢ়াই নিব পাৰো। আপুনি অকনমান পদক্ষেপ লৈ যদি বিভাগৰ লগত এই মিনিপ্ৰসাদৰ কাৰণে আগবাঢ়ে আমি ভৱিষ্যতে তাত এটা ভাল পৰ্য্যটন ক্ষেত্ৰ গঢ়ি তুলিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** আৰু আছে নে?

**শ্ৰী দিগন্ত কলিতা (কমলপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয় মই কেৱল এটা কথাই ক'ব বিচাৰিছো, এই পুখুৰিটো যি আঁচনিতে নহওক পইচা দিছে কিন্তু আধৰুৱা হৈ আছে। মই কৈছো যে পুখুৰিটো সুন্দৰকৈ সজাই সুন্দৰ ভাৱে নহ'লে, খহি খহি পুখুৰীটো একেবাৰে নাইকিয়া হৈ গৈছে। তেখেতে দিয়া বুলিও মই কৈছো। আগতেও তেখেত চেয়াৰমেন থাকোতেও মই দিয়া বুলি কৈছো আৰু অকনমান যদি দিয়ে, এটা পূৰ্ণপৰ্য্যায় হৈ যায়, বিশেষকৈ এই পুখুৰীটোৰ বহুত মাহাত্ম আছে। সেই পুখুৰীৰ তলেদি মন্দিৰলৈ যোৱা আনকি এটা সুৰংগও আছে। সেই কাৰণে মই তেখেতক কৈছো, যাতে অকনমান বিশেষ ব্যৱস্থা লয়।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে । মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, মন্ত্ৰী ঃ** বিভাগৰ পুঁজি সাপেক্ষে আৰু কেন্দ্ৰীয় চৰকাৰৰো মিনিপ্ৰসাদ আঁচনি আছে। মই নিশ্চয়কৈ সেইটোত অগ্ৰাধিকাৰ ৰাখিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া প্ৰশ্ন নং ৩২। অজয় কুমাৰ ৰায়।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, মন্ত্ৰী ঃ** উত্তৰ সদনৰ মেজত আছে।

**শ্ৰী অজয় কুমাৰ ৰায় (বিজনী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিম যিহেতু জলজীৱন আঁচনি আমাৰ প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ এটা সপোনৰ আঁচনি, সেই আঁচনিৰ অধীনত আজিলৈকে কিমান শতাংশ কাম সম্পূৰ্ণ হৈছে? আৰু বিশেষকৈ আমাৰ বিজনী সমষ্টিত ইয়াৰ কাম কিমানদূৰ আগবাঢ়িছে তাৰ বিষয়ে জানিব বিচাৰিম আৰু মই বিভিন্ন সময়ত দেখিবলৈ পাইছো যে আমাৰ বহু অঞ্চল আছে য'ত পাইপ লাইনৰ কামখিনি সম্পূৰ্ণ হৈছে যদিও এতিয়ালৈকে পানী যোগান বা পানীৰ ব্যৱস্থাখিনি সম্পূৰ্ণ হোৱা নাই বা ৰাইজে পানী পাবলৈ সক্ষম হোৱা নাই। তেনে ক্ষেত্ৰত আমাৰ বিভাগীয় কৰ্তৃপক্ষ বা আমাৰ চৰকাৰখনে কিবা ব্যৱস্থা লৈছে নে?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে উত্তৰত আমি কৈছো যে বিজনী সমষ্টিত কামৰ অগ্ৰগতি ৪০ শতাংশ । ৪০ শতাংশ কাম তেখেতৰ সমষ্টিত হৈছে আৰু গোটেই অসমৰ যিটো ছবি সেই ছবিত আমি ৩৭ শতাংশ কামসম্পূৰ্ণ কৰিছো। এইটো ঠিক যে তেখেতে যিটো কথা কৈছে, বহু ঠাইত পাইপ লাইন হৈছে কিন্তু বাকী কাম হোৱা নাই। কাৰণ এই কামটো অকল পাইপ লাইনে নহয় তাৰ লগত স্কীমৰ, ফিল্টাৰ এৰিয়া, অভাৰ হেড টেংক আদি বিভিন্ন কাম থাকে। হয়তো পাইপ লাইনটো পোতাৰ পিছত বাকীখিনি কাম নোহোৱালৈকে সম্পূৰ্ণ নহ'ব। ইয়াত আমাৰ ব্যৱস্থাটো এনেকুৱা যে সম্পুৰ্ণ স্কীমটো হোৱাৰ পিছতো আমি এটা মনিটৰিং বা 3rd party inspection ও ৰাখো যাতে সম্পুৰ্ণ হেণ্ড অভাৰ কৰাৰ আগলৈকে কাৰণ যেতিয়ালৈকে পঞ্চায়তক হেণ্ড অভাৰ কৰা নহয়, তেতিয়ালৈকে স্কীমৰ কামটো সম্পূৰ্ণ হোৱা বুলি ক'ব নোৱাৰি। কাৰণ এতিয়া মেক্সিমাম স্কীমেই আমি পঞ্চায়তক হেণ্ড অভাৰ কৰিব পৰা নাই।

আমি যিখিনি কাম সম্পূৰ্ণ কৰিছো সেই সম্পূৰ্ণ কৰাৰ পাছত trial round হয় সেই trial round ৰ পিছতহে আমি পঞ্চায়তক হেণ্ডঅভাৰ কৰো। পঞ্চায়তক হেণ্ড অভাৰ কৰাৰ আগলৈকে কোনো স্কীমেই সম্পূৰ্ণ হোৱা বুলি কোৱা নহয়, আৰু সেই স্কীম বিলাকৰ payment টো কৰা নহয়, যেতিয়ালৈকে আমি পঞ্চায়তক হেণ্ড অভাৰ নকৰো। এতিয়া বহুক্ষেত্ৰত বহুত স্কীমতেই পানীৰ যিটো সমস্যা এনধৰণৰ অভিযোগ থকাৰ কাৰণে আমি নতুনকৈ কেইবাটাও সংযোজন কৰিছো। যেনেকৈ আমি আত্মসহায়ক গোটৰ জৰিয়তে তাৰ inspection আৰম্ভ কৰিছো। অহা ২৩ তাৰিখৰ পৰা এই আত্মসহায়ক গোট সমূহে গাঁৱে গাঁৱে কাম কৰিব । তেওঁলোকে প্ৰতিটো হিতাধিকাৰীৰ ঘৰে ঘৰে যাব। প্ৰতিজন মানুহৰ ঘৰলৈকে গৈ তাত এটা চাৰ্ভে কৰি আপলোড কৰিব যে তেওঁলোকে পানী কিমান পাই আছে, পানী ৰেগুলাৰলি পাই আছে নে নাই? আমি এপ এটা বনাইছো, য'ত তেওঁলোকে স্পটৰ পৰা তাত জিঅ'টেক কৰি স্পটৰ পৰাই তেওঁলোকে আপলোড কৰিব, আমি গোটেই তথ্যটো পাই যাম যে এই মানুহখিনিয়ে কিমান পানী পাই আছে? ৰেগুলাৰলি পানী পাই আছে নে? কিছুমান প্ৰশ্নৰ উত্তৰ তাত দিব। ঠিক তেনেদৰে তাৰ উপৰিও আমি কোৱালিটিতো maintain কৰিবৰ কাৰণে every 10th house প্ৰতি ১০ ঘৰ মানুহৰ বিপৰীতে ১ ঘৰ ১ঘৰত আমি পানী পৰীক্ষা কৰিম আৰু ট্ৰেডিচনেল চ'ৰ্চটো পৰীক্ষা কৰিম। তেওঁলোকৰ জলজীৱন মিচনৰ পানী আৰু ট্ৰেডিচনেল চ'ৰ্চটো পৰীক্ষা কৰি আমি পানীৰ কোৱালিটিৰ পাৰ্থক্যটো ৰাইজক সজাগতা কৰাৰ চেষ্টা কৰিম। ঠিক তেনেদৰে নৱম, দশম আৰু একাদশ আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীকো আমি ইয়াৰ লগত জৰিত কৰি স্কীম সমূহ চাবলৈ পথাব বিচাৰিছো যিটো আমি october মাহত পুজাৰ পিছতে কৰিম। তেওঁলোকে স্কীম সমূহ চাই educational project হিচাপে তাত কাম কৰিব যাতে তেওঁলোকৰ ক'ৰবাত স্কীমত পানীৰ কোৱলিটি ইত্যাদি কথাবিলাকো চাব পাৰে, আৰু শেষত আমি জলোৎসৱৰ নামেৰে যেনেকৈ গুণোৎৱত অফিচাৰ সকলক পঠাইছিলো। প্ৰতিটো স্কীমত একো একোজন বিষয়া পঠাম, আৰু প্ৰটিটো স্কীমত এটা দিন তাতে কটাই সম্পূৰ্ণ স্কীমটো চাৰ্ভে কৰিব। মই ভাবো যে এই ৪টা পৰ্য্যায় শেষ হোৱাৰ পিছতহে আমি ক'ব পাৰিম যে সেই স্কীমবোৰ সম্পূৰ্ণ হৈছে আৰু তাত কি অসুবিধা আছে, আৰু সেই মতে আমি পিছলৈ কাম কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী অজয় কুমাৰ ৰায় (বিজনী), বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাম যে যিহেতু মোৰ সমষ্টিত খোৱা পানীৰ বিশেষ ভাৱে অভাৰ আছে, পাহাৰীয়া অঞ্চল আৰু আমাৰ ভূটান এৰিয়াৰ কাষত থকাৰ কাৰণে । সেই কাৰণে অনুৰোধ জনাম যাতে আমাৰ সমষ্টিৰ কামখিনি ক্ষীপ্ৰগতিত কৰা হয় তেতিয়া ৰাইজৰ সুবিধা হয়।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু এইটো এটা নিদ্ধাৰিত সময়ৰ কথা যে আমি ২০২৪ চনৰ ভিতৰত সকলো কামেই সম্পূৰ্ণ কৰিব লাগিব। আমি সেই কাৰণেই বিচাৰিছো যিমান সোনকালে পাৰো। লগতে এই মঞ্চৰ জৰিয়তে বিধায়ক সকলক অনুৰোধ কৰিম যে নিজৰ নিজৰ অঞ্চলত চলি থকা জলজীৱন মিচন আঁচনিত যাতে বিধায়ক সকল সংযুক্ত হৈ থাকে। তেওঁলোকে নিজে গৈ চাই আৰু প্ৰতিটো খবৰ যাতে আমালৈ দিয়ে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া প্ৰশ্ন নং ৩৩। ৰফিকুল ইছলাম, একেবাৰে পুংখানুপুংখ ভাবে প্ৰশ্নটো কৰক।

**ড° ৰফিকুল ইছলাম, (জনীয়া)** ঃ माननीय অধ্যক্ষ মহোদয়, মোৰ এনেৰেগা সম্পৰ্কত প্ৰশ্ন আছিল। বৰপেটা জিলাত ব্লক ভিত্তিত কিমান টকা এই বছৰ চেংশ্যন হৈছে? কিন্তু চকু কপালত উঠা কথা এক টকাও চেংশ্যন হোৱা নাই বৰপেটা জিলাত। এই নতুন বছৰৰ ছয়মাহ গ'ল শেষৰ দিনা মাৰ্চৰ লাষ্টত স্কীম লৈছিল, কেঞ্চেল কৰিছে। কেঞ্চেল কৰাৰ পাছতো এতিয়া ৫ মাহ উকলিছে এতিয়া লৈকে বৰপেটা জিলাত ১ টকাও চেংশ্যন দিয়া হোৱা নাই। মাননীয় মন্ত্ৰী মহোদয়ৰ জিলাত আৰু বৰপেটা ইমান বেকৱাৰ্ড জিলা, জনীয়া, বাঘবৰ, সৰুক্ষেত্ৰী, চেঙা, বৰপেটা সৰভোগ আদি কৰি গোটেই বেকৱাৰ্ড জিলাত এক টকাও চেংশ্যন নোহোৱাৰ কাৰণ কি আৰু কেতিয়া বৰপেটা জিলাত এম জি এনেৰেগাৰ চেংশ্যন দিব ? য'ত ৯৮০ কোটি টকা আমি ষ্টেটে এইবাৰ পাইছো। কিন্তু বৰপেটা বঞ্চিত হৈ আছে। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ৰ পৰা মই উত্তৰ বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী মহোদয়।

**শ্ৰী ৰঞ্জিৎ কুমাৰ দাস, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি যোৱাবাৰ দেখিছিলো বৰপেটা জিলাত যে তেওঁলোকে আচলতে প্ৰতিমাহে এম জি এনেৰেগাৰ কাম চেংশ্যন দিব লাগে গাঁও সভাত পাছ হোৱাৰ পাছত। কিন্তু বৰপেটা জিলাত যোৱাবাৰ মাৰ্চৰ একেবাৰে শেষত একেলগে তেওঁলোকে ২০০ কোটি টকাৰ আৱন্টন দিলে। যেতিয়া ২০০ কোটি টকা আৱন্টন দিলে, তেতিয়া স্বাভাৱিকতে আমালৈ নিৰ্দেশনা আছিল যে অন গয়িং যিখিনি কাম চলি থাকে তেতিয়া আমি নতুনকৈ স্কীম নিদিওঁ। তেতিয়া দেখিলো যে বৰপেটা জিলাত বহু ধৰণৰ অন গয়িং কাম চলি আছে সম্পূৰ্ণ কৰা নাই। গতিকে এইটো যিহেতু ৰাইজৰ টকা, এম জি এনেৰেগাৰ টকা হয়নে যে এনেকুৱা নহয় যে পঞ্চায়তে যি খুচি তাকে কৰিব। ৰাইজৰ টকা যিহেতু ভাৰত চৰকাৰে দিছে, কিন্তু অন গয়িং কাম যেতিয়ালৈকে তেওঁলোকে সম্পূৰ্ণ কৰিব নোৱাৰে তেতিয়ালৈকে নতুন আমি স্কীম নিদিওঁ। এতিয়া আমি বৰপেটা জিলাৰ ক্ষেত্ৰত জিলাৰ উপায়ুক্তক নিৰ্দেশ দিছো যে আপোনালোকে প্ৰতিমাহে প্ৰতিটো পঞ্চায়তত অতি কমেও তিনিটা স্কীম আপোনালোকে ধৰক, আৰু সেইটোৰ কাৰণে ইতিমধ্যে নিৰ্দেশনাও দিয়া হৈছে অকল বৰপেটা বুলি নহয়। এম জি এনেৰেগাৰ কাম যদি আমি সময় মতে উঠাবলগীয়া হয়, প্ৰতিমাহে প্ৰতিটো পঞ্চায়তত ৩ টাকৈ কাম আমি দিওঁ আৰু তেতিয়া হলে সেইবোৰ কাম আমি সহজেই শেষ কৰিব পাৰিম, আৰু উন্নয়নো বেছি হ'ব। এই ক্ষেত্ৰত ময়ো আপোনালোক বিধায়ক সকলক আহ্বান জনাম আমাৰ বিডিঅ ই হওক বা চি অ' ই হওক আমাৰ যিমানবোৰ আছে, সেইবোৰ অকনমান প্ৰেছাৰত ৰাখিব লাগে যে প্ৰতি মাহে যদি ৩ টাকৈ স্কীম, কি সেই ৩টা স্কীম এবাৰ আপোনালোকে খুজি ল'ব। এই মাহত কি ৩টা স্কীম আপোনালোকে দিলে, সেইটো যদি খুজি লয়, তেতিয়াহলে বৰপেটাত যিটো বিসংগতি হৈছে, সেই বিসংগতিটো অসমত ন'হব।

**ড° ৰফিকুল ইছলাম, (জনীয়া)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, এপ্ৰিলৰ পৰা আগষ্টলৈকে এটাও স্কীম বৰপেটা জিলাত চেংশ্যন দিয়া নাই।

**মাননীয় অধ্যক্ষ** ঃ- উত্তৰ দিবলৈ দিয়ক।

**শ্ৰী ৰঞ্জিৎ কুমাৰ দাস, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বিধায়ক সকলক ধন্যবাদ জনাম, মাননীয় বিধায়ক সকলে স্কীম চেংশ্যন দিয়াত লাগি আছে। আপোনালোকে স্কীম নতুনকৈ চেংশ্যন দিয়াত লাগি আছে? মই আপোনালোকক আহ্বান জনাম স্কীম সম্পূৰ্ণ কৰাত আপোনালোকে সহযোগ কৰক।

**মাননীয় অধ্যক্ষ** ঃ- প্ৰশ্নোত্তৰ কাল সমাপ্ত হ'ল।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি বিজনেছ এডভাইচাৰী কমিটিত আপুনি আমাক মাতি নিছিল আৰু সদনখন ভালকৈ চলাবৰ বাবে আমাৰ সকলোৰে সহযোগিতা বিচাৰিছিল। আমিও সেই সময়ত আপোনাক হয়ভৰ দিছিলো। সেই সময়ত ৰুলচ্ ৰ কথা উপস্থাপন হৈছিল। আমি আপোনাক কৈছিলো যে যিটো শূন্য কালীন ব্যৱস্থা আছে সেইটো ৰুল মতে যাওঁক। যিয়ে প্ৰশ্ন উত্থাপন কৰে তেওঁ পাঁচ মিনিট সময় কওঁক আৰু উত্তৰ দিওঁতা মন্ত্ৰী গৰাকীয়েও ৫ মিনিট সময় কওঁক। যোৱা কালি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কথা কৈ থকা সময়ত আমাৰ কেইজন মানে থিয় হৈ থকাৰ কথা কৈছিল। সেইটো আমি হয় ভৰ দিছিলো যে লিডাৰ অব দা হাউচে কথা কৈ থকা অৱস্থাত তেনেকৈ ক'ব নালাগে। আমি এইটোও কৈছিলো যে আমাৰ মাননীয় অধ্যক্ষ মহোদয় যেতিয়া উঠে সেই সময়ত যাতে সদনত আমাৰ কোনো সদস্যই নুঠে। সেই সময়ত আপোনাক আমি সহযোগিতাৰ কথা কৈছিলো। কিন্তু Question Hour ত আজি যিটো দেখা গ'ল সেই কথাটো তেনেদৰে আলোচনা হোৱাৰ কথা মোৰ মনত নপৰে। Question Hour ৰ কথাটো হ'ল, এইটো পৰম্পৰা কিছুমান সদস্য কালি ইয়াত আছিল, আজি তাত। মূল প্ৰশ্ন কৰ্তাৰ বাহিৰে যদি কোনেও প্ৰশ্ন কৰিব নোৱাৰে, তেতিয়াহ'লে মই ভাবো যে আমাৰ মিনিমাম ৪৫ দিন এচেম্বলী হ'ব লাগে। কিন্তু মাত্ৰ ২৬ দিন গোটেই বছৰটতো হয়। আমাৰ যদি সদস্য সকলে প্ৰশ্ন কৰাৰ সময়ত সকলো নিয়ম-নীতি মানি যদি পৰিপূৰক প্ৰশ্নই কৰিব নোৱাৰে, তেতিয়াহ'লে মই ভাবো বিধান সভা খনৰ প্ৰতি এটা অনীহা আহিব। আপুনি কৈছে যে ৫০ শতাংশ সদায় উপস্থিত থাকিব লাগে, আমি অৰ্ডাৰ কৰিছো। এইক্ষেত্ৰত আপোনাক আমি বিনম্ৰ অনুৰোধ কৰিছো যে মূল প্ৰশ্ন কৰ্তাৰ বাহিৰেও আমাক যাতে ৫ মিনিটেই হওঁক বা ১০ মিনিটেই হওঁক, আমাক বুলি নহয় গোটেই সদনৰ মূল প্ৰশ্ন কৰ্তাৰ বাহিৰে পৰিপূৰক হিচাবে যিটো পৰম্পৰা চলি আছে দীঘলীয়াকৈ, সেইটো নকৰি সদনখন ভালকৈ চলাবৰ কাৰণে আপুনি ১০ মিনিট সময় যদি আমাৰ পৰিপূৰক সুধিবৰ কাৰণে দিয়ে, সেই কথাটো আপোনাক পৰম্পৰা আৰু ৰুলচ্ গোটেইখিনি লগত সংগতি ৰাখি কৰিবৰ বাবে বিনম্ৰ অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদস্য সকল, বিধান সভাৰ মজিয়াত বিধায়ক সকলে যিধৰণে চলিব খোজে সেই ক্ষেত্ৰত যদি সকলোৱে একমত হ'ব পাৰে ইয়াত অধ্যক্ষ জনৰ ক'ব লগীয়া একো নাই। প্ৰয়োজন সাপেক্ষে আমি আমাৰ ৰুল বিলাক সংশোধন কৰি ল'ব পাৰো। কথাটো হ'ল আমাৰ ২০ টা অ'ৰেল কুৱেশ্যন থাকে। এই ২০ টা অ'ৰেল কুৱেশ্যনৰ উত্তৰ দিয়াৰ পিছতো আমাৰ চেচনৰ সময়ত অ'ৰেলী চাপ্লিমেণ্টৰী কুৱেশ্যন কৰিব পাৰে। চাপ্লিমেণ্টৰী কুৱেশ্যন যেতিয়া কৰিব পাৰে তেতিয়া পৰম্পৰাগত ভাৱে সেইটো সময় ১ ঘণ্টা ধৰা হয়। এই ১ ঘণ্টাত যি পাৰে সেইটো কৰি আহি থকা হৈছে। কিন্তু যোৱাকালিৰ যিটো আলোচনা ইয়াত শূন্য কালীন আৰু অন্যান্য বিষয়ৰ ওপৰতো হৈছিল যাতে সময় সাপেক্ষে আমি কৰিব পাৰো। কেতিয়াবা আমাৰ মাজত হোৱা কিছুমান বিতৰ্কৰ কাৰণে সময়বোৰ নষ্ট হৈ যায়। কিন্তু আমি সেইবোৰ মাইনাচ নকৰাকৈ চলাই যাওঁতে আমাৰ বাকী মূল আলোচনাৰ বিষয়বোৰৰ বাবে সময় কম হৈ যায়। হাউচখন যাতে ভালকৈ চলে, কোনেও কাৰো ওপৰত যুক্তি তৰ্ক যাতে আনি নাথাকে তাৰ বাবে যোৱাকালি এইটো বিষয়ত as per rule নিয়ন্ত্ৰণৰ কথাবিলাক আমি আলোচনা কৰিছিলো। মোৰ ওপৰত সকলো নায্য কৰা হৈছিল যে as per rule সকলো কৰি যাওঁক। সেই হিচাপে কালি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যিটো ৰেফাৰেঞ্চ আহিছে, সেইটো আৰু যোৱাকালি প্ৰশ্ন কালীন ঘণ্টাৰ সময় এনেই গুছি গ'ল,

এই বিষয় সমূহ আছিল। As per rule আমি সকলোৱে চলিব লাগে আৰু সময়টো মেইনটেইন কৰিব লাগে। তাৰ কাৰণে আমি এই বিষয়ত সকলো সদস্যকে জাননী প্ৰেৰণ কৰিছিলো যে এতিয়াৰে পৰা নিয়ম অনুযায়ী চলিব। আজি ৩৩ টা প্ৰশ্ন আমাৰ হৈছে। ৩৩ মানে ১২ টা প্ৰশ্ন পাৰ কৰিছো। আমাৰ মাজত যদি যুক্তি তৰ্ক নহ'ল হয় আমি আজি ১৬ টা প্ৰশ্ন উত্থাপন কৰিব পাৰিলো হয়। আমাৰ ২০ টা প্ৰশ্ন থাকে। আমি যদি তাৰ মাজত ৫ টা প্ৰশ্নৰ ওপৰতে সকলোৱে চাপ্লিমেণ্টৰী ১০ মিনিটকৈ কৰে, তেতিয়া ৬ টা পাৰিব। প্ৰশ্ন কৰ্তা যদি বেলেগ হয় তেতিয়া ৫ টা প্ৰশ্ন ও নাযাব। চাপ্লিমেণ্টৰীৰ ক্ষেত্ৰত আমাৰ কিছুমান বিধায়কৰ অলপ কনফিউজন আছে যে চাপ্লিমেণ্টৰী কিয় নাই? যিগৰাকী প্ৰশ্ন কৰ্তাই প্ৰশ্ন কৰিছে, সেইটোৰ ওপৰতে প্ৰশ্ন। তেওঁৰ ইতিমধ্যে প্ৰশ্ন দিয়া আছে, উত্তৰও দিয়া আছে আৰু ইয়াৰ ভিতৰত অতিৰিক্ত প্ৰশ্ন আজি কৰিছে। সেইটোৱে চাপ্লিমেণ্টৰী। আজি বিধায়ক আশ্ৰাফুল হুছেইন ডাঙৰীয়াক চাপ্লিমেণ্টৰী কুৱেশ্যন এটা প্ৰশ্ন কালীন ঘণ্টা নহলেও ক'বলৈ দিয়া হৈছিল। মই সেইটোৰ ওপৰত কৈছো যে Direction by the Speaker of Assam Legislative Assembly বিভিন্ন সময়ত এনেকুৱা অৱস্থাত অধ্যক্ষই যিটো প্ৰেচিডেঞ্চ দিছে মানে যিটো নিয়মাৱলী বনাই চলি আহিছে, সেইটো মোৰ কাৰ্য্য কালৰ নহয়। ইয়াত যিটো লিখা আছে সেইটোহে মই ক'ব পাৰো। ইয়াত চাপ্লিমেণ্টৰী কুৱেশ্যনৰ ক্ষেত্ৰত Any member with the permission of the Speaker may put supplimentary question to a starred question upwards it is called by the Speaker for the purpose of further initiating any matter of fact regarding who is any answer has been given but not more than 5 minutes shall be devoted for putting supplimentaries to a particular question. এটা প্ৰশ্নৰ ওপৰত কেৱল ৫ মিনিটহে চাপ্লিমেণ্টৰী কৰিব পাৰিব।

**শ্ৰী দিগন্ত কলিতা (কমলপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইবাৰ আমি দেখিছো যে আমাৰ প্ৰশ্নবোৰ বেছিকৈ ক'ব পাৰিছো। প্ৰায় ১৪ টা মান প্ৰশ্ন আলোচনা কৰিব পাৰিছো। কিন্তু বাকী দিনবোৰত ৭-৮ টা মান প্ৰশ্নৰ আলোচনা কৰাৰ পিছতেই সময় শেষ হৈ যায়। সকলোৱে প্ৰশ্নটো পাওঁক, সেইটো আমি বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** অধ্যক্ষই হে চূড়ান্ত সিদ্ধান্ত লয়। আপোনালোকে যদি আগৰ অধ্যক্ষ সকলৰ নিয়মাৱলীত অভিযোগ উঠাই তেনেহ'লে মই কি?

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Rules of Procedure and conduct of Business of Assam Legislative Assembly ইয়াৰ ওপৰত যদি contradictory হয় আৰু আঁচল কেইটাক যদি এৰি থৈ আমাৰ ৰুলচ্ আৰু প্ৰচিডিউৰ

............................সদনত হুলস্থুল.....................

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি ভাবো আপুনি ডাইৰকশ্যন এটাৰ কথাও কৈছে। আমি মিনিমাম ৪৫ দিন বিধান সভা অনুষ্ঠিত কৰিব লাগে, সেইটোৱে কৰিব পৰা নাই।

**মাননীয় অধ্যক্ষ ঃ** সেইটোৱে আমি কৰিব বিচাৰিছো।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইমান দিনৰ এটা পৰম্পৰা আমি ভাবো যে বিৰোধী পক্ষৰ কথা-বতৰা বিলাক শুনিবলৈ চৰকাৰে বিচৰা নাই। সেইকাৰণে সময়খিনি কাটি দিছে আৰু আমি বিনম্ৰতাৰে অনুৰোধ কৰিছো যে পৰম্পৰাৰ কথা আজি যিসকলে কৈ আছে

তেখেত সকলেও ইয়াত থকা সময়ত একে অৱস্থা আছিল। ৩-৪ টাকৈ প্ৰশ্ন কৰিছিল। গতিকে বিনম্ৰতাৰে অনুৰোধ কৰিছো, যিটো পৰম্পৰা চলি আছে অন্ততঃ মূল প্ৰশ্ন কালীন ঘণ্টাৰ সময়ত আহিলে ১০ বা ৫ মিনিট যদি প্ৰশ্ন কৰিব নিদিয়ে, তেতিয়াহ'লে এই বিধান সভা খনৰ প্ৰতি অনীহা আহিব আৰু যাৰ প্ৰশ্ন নাথাকে তেওঁ অনুপস্থিত থাকিব। কাৰণ বহুতে প্ৰশ্ন কৰাৰ বাবে প্ৰস্তুত হৈ আহে। সেইকাৰণে মই কৈছো যে পৰম্পৰা আৰু ৰুল যুগুতাই ৰাখি যদি এই কথাখিনি কৰে তেতিয়া মই ভাবো যে আমাৰ সকলোৰে কাৰণে গ্ৰহণযোগ্য হ'ব। আপুনি এবাৰ এই কথাখিনি চিন্তা কৰিবৰ বাবে অনুৰোধ জনালো।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ, ধিং ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি এটা কথা ভাল হৈছে যে প্ৰশ্ন ১৩ টা লৈকে গৈছে। কিন্তু মই ভাবো যে চাপ্লিমেণ্টৰীত other than question hour মন্ত্ৰী সকলে যদি কনচাইজ ৰিপ্লাই দিয়ে, প্ৰশ্ন কৰ্তাই যিটো চাপ্লিমেণ্টৰী, যদি এক মিনিটত কৰে, বাকী ৪ মিনিট যদি মন্ত্ৰীয়ে ৰিপ্লাই দিওঁতে সময় যায়, তেতিয়াহ'লে চেকেণ্ড চাপ্লিমেণ্টৰী নাপাব। গতিকে মই ভাবো প্ৰশ্ন কৰ্তাই যদি এক মিনিটত প্ৰশ্নটো কৰে, মন্ত্ৰীয়েও পৰাপক্ষত ১ মিনিটত টু দা পইণ্টত উত্তৰতো দিয়ে, তেতিয়া বেলেগে সুবিধা পাব। এই কথাটো হ'ব লাগে।

**শ্ৰী পিযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, কথাটো এনেকুৱা আজি যিয়ে প্ৰশ্ন আনিছে সকলোৰে পাইছে। গতিকে প্ৰশ্ন আনিলে আপোনালোকে পাবই। মানে প্ৰশ্ন যিয়ে আনিব যদি পাঁচ মিনিটত হয়, তেখেতে পাব। মাত্ৰ লোকৰ পিঠাৰে বিহু পাতিব নোৱাৰিব। আপোনালোকে প্ৰশ্ন যিমানে আনিব সিমানে উত্তৰ পাব।

...সদনত হুলুস্থুল হয় ....

**শ্ৰীদেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাত্ৰ শাসক পক্ষই সদনখন বিশেষকৈ পৰিচালিত কৰে। আমাৰ বিৰোধী পক্ষৰ মাত্ৰ কেইটামান device থাকে। প্ৰশ্নকালতো অন্যতম। সেই কাৰণে supplementary ৰ ক্ষেত্ৰত কমেও এটাকৈ বিৰোধী পক্ষক দিয়া হয়, সেইটো মই আপোনাক অনুৰোধ কৰিব বিচাৰিছো। আপোনাৰ কোৱাতো মই মানিছো যদিহে পাঁচ মিনিটৰ ভিতৰত থাকিব লাগে। যিহেতু আমাৰ কথাখিনিও থাকে, কমেও বিৰোধী পক্ষৰ প্ৰতিটো প্ৰশ্নত প্ৰয়োজন সাপেক্ষে এজনকৈ সদস্যক দিয়া হয়, এইটো আপোনাক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** এই বিষয়টো এতিয়া এনেকৈ থাকক, আমি বিবেচনা কৰি চাম। এটা হ'ল বিধান সভাৰ বহুত নীতি-নিয়ম বিলাক আজিৰ সময়ৰ লগত সংগতি ৰাখি অলপ সংশোধন কৰি লবলগীয়া আছে। আমাৰ Rules Committee ইতিমধ্যে আছে। ...সদনত হুলুস্থুল হয় ....

সন্মানীয় সদস্যসকল মই সেইকাৰণে কৈছো এই বিষয়ত ইয়াত তৰ্ক কৰি নিষ্পত্তি নহয়। Rules Committee ত সকলো দলৰ সদস্য আছে। সকলোৰে কথা পাতি - লাগিলে বিধান সভা দুই মাহ পাতক, এদিনত অকল এটা বিভাগৰ বিষয়ে আলোচনা কৰা হ'ব। এইটো কৰি ল'ব পৰা যায়। ইয়াত কোনো সমস্যা নাই। যদি কয় no question hour, কোনো বস্তু নাথাকিব, বিল হ'ব, বিলৰ ওপৰত সম্পুৰ্ণভাৱে আলোচনা হ'ব। অন্যহাতে বিভাগ হ'ব, বিভাগৰ কামৰ ওপৰত দিনটো আলোচনা হ'ব। যেনেকৈ কৰি লয়, গতিকে সেইটো আমি Rule ত কৰি ল'লে হ'ল। এই বিষয়ত মই সদনত কোনো ধৰণৰ সিদ্ধান্ত ল'ব নোৱাৰো।

...সদনত হুলুস্থুল হয় ....

মই নাজানো আপোনালোকে কোনে ক'ত ভুল বুজিছে, Rules Committee আছে,

Rules সংশোধন কৰি ল'ব লাগে।

...সদনত হুলুস্থুল হয় ....

সদনৰ দিন বঢ়োৰা, সময় বঢ়োৰা, মই যেতিয়া প্ৰস্তাৱ দিও BAC ত যে সদন দুই বেলা বহিব। আপোনালোকে কোনেও তাৰ কাৰণে ইচ্ছ্যুক নহয়। আমি ইমান খৰছ কৰো বিধান সভাৰ কাৰণে, দুই বেলা বহিলে কি অসুবিধা হয়। দুই বেলা হ'লে এটা এটা বিষয়ৰ ওপৰত চাৰি ঘন্টালৈকে আলোচনা কৰিব পাৰো। গতিকে সদন দুই বেলা কৰাতো আপোনালোকে মান্তি হ'ব লাগিব। ইয়াৰ পিছত মই কৈছো দুই বেলা নকৰিলে দিন বঢ়াব লাগিব। দিন বঢ়োৱাতো কালি আলোচনা হৈছিল। আমাৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াক দায়িত্ব দিয়া হৈছিল যে চৰকাৰী পক্ষৰ পৰা আমি আলোচনা কৰি এক সপ্তাহৰ সলনি দুই তিনি সপ্তাহ আৰু বাজেট অধিবেশনত চাৰি সপ্তাহলৈকে সদন বহিব পাৰে। এইটো ইতিমধ্যে All Party meeting ত সিদ্ধান্ত হৈছে আৰু যোৱা কালি BAC তো সংলগ্ন কৰা হৈছে।

আমি যদি Parliament ত চাওঁ, important বিষয় হলে ৰাতি ১২ বা ১ বজালৈকে আলোচনা হয়। কাৰণ এইটোৰ কাৰণে বিধায়ক, এইটোৰ কাৰণে সাংসদ। গতিকে আপোনালোকে যেনেকৈ বিচাৰে তেনেকৈ হ'ব। আজি উপৰোক্ত প্ৰশ্নৰ ক্ষেত্ৰতো মই সেই কথাটোৱে কৈছে যে Rules Committee আছে, আৰু এই Rules ৰ কথা আপোনালোকে মান্তি হোৱা নাই। এইটো definitely যেতিয়ালৈকে সংশোধন নকৰে, তাৰ ওপৰত মই সিদ্ধান্ত দিব নোৱাৰো।

...সদনত হুলুস্থুল হয় ....

অধ্যক্ষই কেতিয়াও অকলে সিদ্ধান্ত ল'ব নোৱাৰে, Rules বনাই দিব নোৱাৰে। আপোনালোকে যদি বিধায়ক হৈ Rules নামানে তেতিয়াহ'লে মোৰ উপায় নাই।

**শ্ৰী ৰকিবুল হুছেইন, চামগুৰি** ঃ আপুনি সহযোগ বিচাৰিছিল, আমি সহযোগিতাৰ কাৰণে অধ্যক্ষ মহোদয় বক্তব্য দিয়াৰ সময়ত কোনোবা উঠিলে আমি বহি দিবলৈ কম, কিন্তু যদি ওলোটাকৈ কথাবিলাক কয়, তেতিয়া হ'লে নহ'ব। আমি কেতিয়াও কোৱা নাই যে দুই বেলা সদন বহাতো নিবিচাৰো।

**মাননীয় অধ্যক্ষ** ঃ সেইটো কথা নকব, Rules নামানিলে আৰু Rules ৰ কথা কৈ কি হ'ব।

...সদনত হুলুস্থুল হয় ....

Rules Committee আছে, কমিটিয়ে কৰক মই ইয়াত সিদ্ধান্ত ল'ব নোৱাৰো।

**শ্ৰী ৰকিবুল হুছেইন, চামগুৰি** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি ইয়াৰ বিৰোধীতা কৰিছোঁ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, উত্তৰ কৰিমগঞ্জ** ঃ তেতিয়া হ'লে আমি সদন ত্যাগ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ সেইটো নিয়মত আছে, আপোনালোকে কৰিব পাৰে। তাত মই আপত্তি নকৰো।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, উত্তৰ কৰিমগঞ্জ** ঃ সদন শাসক পক্ষৰ কাৰণে আমাৰ কাৰণে নহয়।

(কংগ্ৰেছ দলে সদন ত্যাগ কৰে)

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কাৰ্য্যসূচী নং ২, সন্মানীয় সদস্য কাৰ্য্য উপদেষ্টা সমিতিৰ প্ৰতিবেদন আছে।

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম **২৩০ (১)** অধীনত ২০২২-২০২৩ চনৰ পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহৰ সম্পৰ্কত অগ্ৰাধিকাৰ দিয়াৰ সম্পৰ্কত বিভিন্ন দল আৰু নিৰ্দলীয় সদস্যক উপযুক্ত সময় আৰণ্টন দিয়াৰ বাবে আলোচনা কৰিবলৈ যোৱা ইং ১২ চেপ্তেম্বৰ, **২০২২** তাৰিখে অধিবেশনৰ কাৰ্য্যসূচী অন্ত পৰাৰ লগে লগে

অধ্যক্ষৰ কাৰ্য্যালয়ৰ সন্মিলন কক্ষত কাৰ্য্য উপদেষ্টা সমিতিৰ এখন সভা অনুষ্ঠিত কৰা হয়।

অসম চৰকাৰৰ দ্বাৰা পূৰ্বে ঘোষিত **১৪** চেপ্তেম্বৰ, **২০২২** তাৰিখৰ দিনটো ( শ্ৰী শ্ৰী মাধৱদেৱৰ তিথি উপলক্ষে ) চৰকাৰী বন্ধ আছিল যদিও উক্ত বন্ধৰ দিনটো সংশোধন কৰি **১৫** চেপ্তেম্বৰ, **২০২২** তাৰিখলৈ পিছুৱাই দিয়া হয়, সেয়েহে অসম বিধান সভাৰ চলিত শৰৎকালীন অধিবেশনৰ **১৫** চেপ্তেম্বৰ, **২০২২** তাৰিখৰ সদনৰ সকলো কাৰ্য্যসূচী অপৰিৱৰ্ত্তিত ভাবে অহা **১৪** চেপ্তেম্বৰ, **২০২২** তাৰিখে সদনত আলোচনা কৰাৰ বাবে সভাই সিদ্ধান্ত গ্ৰহণ কৰে ।

সভাই, অধিবেশনৰ সময়ছোৱাত সদনৰ কাৰ্য্যসূচী চলি থকাৰ সময়ত সকলো দলৰ সদস্যৰ মুঠ সংখ্যাৰ **৫০** শতাংশ সদস্যৰ উপস্থিতি নিশ্চিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে, আৰু সদনৰ মজিয়াত কৰ্তন প্ৰস্তাৱৰ ওপৰত , বাজেটৰ ওপৰত সাধাৰণ আলোচনা, ৰাজ্যপালৰ ভাষণৰ ওপৰত আলোচনা ইত্যাদিৰ সময়ত বিধান সভাৰ বিভিন্ন দল, গোটে নিৰ্দ্ধাৰিত সময়তকৈ আধাঘণ্টা (**৩০** মিনিট) আগতে নামৰ তালিকা অধ্যক্ষৰ ওচৰত লিখিত ভাবে দাখিল কৰিব লাগিব বুলি সিদ্ধান্ত লোৱাৰ উপৰিও অহা **১৩**, **১৬** আৰু **১৯** চেপ্তেম্বৰ, **২০২২** তাৰিখে সদনৰ কাৰ্য্যসূচী দুয়োবেলা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে ।

সভাত ২০২২-২০২৩ চনৰ পৰিপূৰক দাবী মঞ্জুৰী সমূহৰ ওপৰত আলোচনা কৰি সৰ্বসন্মতিক্ৰমে নিম্নোল্লেখিত পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহ অগ্ৰাধিকাৰ ভিত্তিত ইং **১৪** চেপ্তেম্বৰ, **২০২২** তাৰিখে আলোচনা কৰাৰ সিদ্ধান্ত লয় ।

**তলত দিয়া ধৰণে পৰিপূৰক দাবী মঞ্জুৰী কেইটা অগ্ৰাধিকাৰ ভিত্তিত আলোচনা কৰাৰ বাবে লোৱা হয় ঃ**

| ক্ৰমিক নং | মঞ্জুৰী নং | দাবীৰ নাম | অগ্ৰাধিকাৰ ভিত্তিত নিৰ্দ্ধাৰিত |
|---|---|---|---|
| ১। | ৫৭ | *পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ (গ্ৰামোন্নয়ণ)* | ১ |
| ২। | ৬৩ | *জলসম্পদ* | ২ |

**আলোচনাৰ বাবে সময় তলত উল্লেখ কৰা ধৰণে আৱণ্টন দিয়া হয় ঃ**

মুঠ সময় ঃ ২১০ মিনিট

| | | |
|---|---|---|
| (১) ভাৰতীয় জনতা পাৰ্টি | ঃ | ১ ঘণ্টা ৪৫ মিনিট (বিত্তমন্ত্ৰীৰ উত্তৰসহ) |
| (২) ভাৰতীয় জাতীয় কংগ্ৰেছ | ঃ | ৪৫ মিনিট |
| (**৩**) অসম গণ পৰিষদ | ঃ | **১৫** মিনিট |
| (৪) সৰ্বভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চা | ঃ | **২৫** মিনিট |
| (৫) ইউনাইটেড পিপলচ্ পাৰ্টি লিবাৰেল | ঃ | **১১** মিনিট **৪০** চেকেণ্ড |
| (৬) বড়োলেণ্ড পিপলচ্ ফ্ৰণ্ট | ঃ | **৫** মিনিট |

(৭) কমিউনিষ্ট পাৰ্টি অফ ইণ্ডিয়া (মাৰ্ক্সিষ্ট) ঃ ১ মিনিট ৪০ চেকেণ্ড
(৮) নিৰ্দলীয় ঃ ১ মিনিট ৪০ চেকেণ্ড

আশাকৰো এই প্ৰতিবেদনৰ ওপৰত মাননীয় সদনৰ অনুমোদন আছে ।

এতিয়া Item No. -3. Members Hour. প্ৰথমতে শ্ৰীআব্দুৰ বাতিম খণ্ডকাৰ। মই এটা কথা কৈ লও। বিধায়ক সকলে ৩ টা বিভাগৰ ওপৰত বক্তব্য ৰাখিব পাৰে, নিজৰ সমষ্টিত কি কি প্ৰয়োজনীয়তা আছে, কি কি সমস্যা আছে আৰু ইয়াৰ ওপৰত আমাৰ মন্ত্ৰী সকলে উত্তৰ দিব লাগে। কিন্তু মই অনুৰোধ কৰিব খুজিছো চাৰিজন বিধায়কে বক্তব্য ৰাখি যোৱাৰ পিছত concern মন্ত্ৰী ডাঙৰীয়া সকলে নোট কৰি লওঁক, বিধায়ক অনুযায়ী। উত্তৰ দিওঁতে একেবাৰতে চাৰিওটা প্ৰশ্নৰ উত্তৰত ভাষণটো মন্ত্ৰী সকলে দিলে ভাল হ'ব। নহ'লে আমাৰ সময়ৰ নাটনি হয়। এজন মন্ত্ৰীয়ে বিভিন্ন বিভাগৰ কথাটো একেধৰণৰ বহলাই বুজাই থাকোতে বহুত সময় লয়। সেই কাৰণে একেবাৰতে তেওঁৰ সমষ্টিৰ specific কথাটো থাকিলে, কিন্তু মন্ত্ৰী ডাঙৰীয়া সকল এইটোৰ লগত যিহেতু related বিষয়টো বুজাব লগীয়া হয়, এজনৰ কাৰণে যিটো বুজাব, যিটো আমাৰ চাৰিজন সদস্যৰো যদি এই বিভাগৰ কথা থাকে তেতিয়া আমাৰ এটাতে হৈ যায়। তাৰ পিছত specific আৰু constituency ৰ কথাটো কৈ দিলেই হ'ল। গতিকে যিসকল বিধায়কে ভাষণ ৰাখিব, আমি উত্তৰটো ইয়াৰ পিছত একেবাৰতে মন্ত্ৰী সকলে one after another আমি কৰি দিম। তেতিয়াহ'লে সময়টো নাটনি নহয়। নহ'লে ২ ঘণ্টাতো শেষ নহ'ব।

**শ্ৰী হাফিজ বছিৰ আহমেদ, বিলাসীপাৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, সমষ্টি অনুযায়ী যিখিনি সমস্যা আছে বিভিন্ন বিভাগৰ, সেইখিনি নিৰ্দিষ্টভাৱে উত্তৰ দিব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** মই সেই কাৰণে কৈছো constituencywise তেখেত সকলে আপোনালোকৰ ভাষণটো নোট কৰি যাব আৰু সেইটোৰ উত্তৰ দিব কিন্তু বিভাগীয় ভাৱে তেওঁলোকে তাত যিহেতু কি কি লোৱা হৈছে, সেই কথাটোও লৈ আনিব। গতিকে সেইটো common হ'ব। নহ'লে প্ৰতিজন বিধায়কে কিবা এটা কবলৈ গ'লে কাৰণ আমাৰ ইতিমধ্যে বিভাগত এনেকুৱা আছে বুলি একে কথাটোকে চাৰিওজনে আৰু কৈ থাকিলে ১৫ মিনিটতো শেষ নহ'ব। সেই কাৰণে মই মন্ত্ৰী ডাঙৰীয়া সকলক অনুৰোধ জনাইছো আপোনালোকক আৰু আপোনালোকৰ কোনোবা assistant ক আমাৰ বিধায়ক ডাঙৰীয়াসকলে raise কৰা point বোৰ যাতে নোট কৰি লয় আৰু সেই অনুসাৰে উত্তৰসমূহ দি দিয়ে। শ্ৰীআব্দুৰ বাতিম খণ্ডকাৰ, ৫ মিনিট এটা বিষয়ত, গতিকে আপোনাৰ ১৫ মিনিট সময় হ'ব।

**শ্ৰীআব্দুৰ বাতিন খণ্ডকাৰ, উত্তৰ অভয়াপুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, Members Hour ত অভয়াপুৰী উত্তৰ বিধান সভা সমষ্টিৰ সমস্যাৱলীৰ বিষয়ে দু-আষাৰ উত্থাপন কৰাৰ সুযোগ দিয়াৰ বাবে ধন্যবাদ জনাইছো। যিহেতুকে তিনিটা বিভাগৰ ওপৰতে সমস্যাৱলী উপস্থাপন কৰাৰ সুযোগ দিছে গতিকে মই তিনিটা বিভাগৰে ক'ব বিচাৰিছো। প্ৰথমতে আমাৰ অভয়াপুৰী উত্তৰ বিধান সভা সমষ্টিটো বানপানী আৰু গড়াখহনীয়াগ্ৰস্ত সমষ্টি। অসমৰ ভিতৰতে এইটো আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত বুলি ক'লে ভুল কোৱা নহ'ব। এই সমষ্টিটোত ২১ টা গাওঁ পঞ্চায়ত আছে আৰু দুটা ভি চি ডি চিৰে গঠিত এই সমষ্টিটোত ২০ খন গাওঁ পঞ্চায়ত এটা ভি চি ডি চি বা বানপানী আৰু গড়াখহনীয়াত প্ৰতিবছৰে আক্ৰান্ত হৈ আহিছে। এই সমষ্টিটো সকলো জাতি-জনগোষ্ঠী লোকৰে পৰিপূৰ্ণ ইয়াত যেনেকৈ আমাৰ কোচ-ৰাজবংশী, বড়ো-কছাৰী, বামুণ, কলিতা, দেশী-গৰীয়া অসমীয়া

জাতি-জনগোষ্ঠীৰ লোক আছে, এই সকলো জাতি-জনগোষ্ঠীৰ লোক বানপানী আৰু গড়াখহনীয়াত ক্ষতিগ্ৰস্ত হৈ আহিছে প্ৰতিবছৰে। আমাৰ এই বানপানী আৰু গড়াখহনীয়াৰ মুল কাৰণটো হ'ল এই সমষ্টিটোৰ মাজেৰে উত্তৰৰ পৰা দক্ষিণলৈ সম্পূৰ্ণ দুখনকৈ নৈ বৈ গৈছে। এখন হৈছে মানাহ নদী আৰু আনখন হৈছে আইনদী আৰু তাৰোপৰি আমাৰ এই সমস্যাৰ প্ৰকোপ বৃদ্ধি পাইছে ভূটানৰ নদী বান্ধৰ পৰা অপৰিকল্পিতভাৱে বহুত সময়ত পানী এৰি দিয়া হয়। বিশেষকৈ আইনদীৰ মাজেৰে। সেই বান্ধৰ পৰা পানী এৰি দিয়াৰ ফলত গড়াখহনীয়াৰ যিটো প্ৰকোপ সেয়া যথেষ্ট বৃদ্ধি পাইছে। এইবেলি মানাহ নদীৰ গড়াখহনীয়াৰ সমষ্টিতো ইমুৰৰ পৰা সিমুৰলৈ কুৰিখনৰো অধিক ঠাইত আক্ৰান্ত কৰিছে। যেনে- শালমাৰা, ভাটিপাৰা, বঙাইগাওঁ, ধানমাৰা, বাজবাৰী, আউলাগুৰী, ভন্দিল্ল, নাম্বাৰপাৰা, গোলাপাৰা, বালাশ্বৰ, জটিয়া, কালিকুৰা, বৰৈচুলা, নৰাজিকা, ধলাগাচা আদি অঞ্চল এই অঞ্চল সমূহত সকলো জাতি-জনগোষ্ঠী লোক প্ৰতিবছৰে ক্ষতিগ্ৰস্ত হৈ আহিছে। আইনদীৰ গড়াখহনীয়া আৰু মানাহ নদীৰ গড়াখহনীয়াতকৈ আৰু ভয়াবহ। আমাৰ এইবেলি বালাশ্বৰ, বাজবাৰী, কাছাৰপিঠি আদি কৰি কেইবাখনো গাওঁৰ অধিকাংশ মাটিবাৰী আমাৰ এইবাৰৰ যিটো বানপানী আৰু গড়াখহনীয়া নদীৰ বুকুত জাহ গৈছে আৰু কিছু অঞ্চল আইনদীৰ দ্বাৰা আংশিকভাৱে ক্ষতিগ্ৰস্ত হৈছে যেনে- হাপাচৰা, নাচলগুৰি, জাৰাগুৰি, শিজলগ্ৰাম, ভান্দাৰা, টেৰ্ণ্টলপুৰ, কাহিবাৰী, হালধিবাৰী আদি অঞ্চল আংশিকভাৱে ক্ষতিগ্ৰস্ত হৈছে. এই আইনদী আৰু মানাহ নদীৰ দ্বাৰা ক্ষতিগ্ৰস্ত অঞ্চল সমূহত গড়াখহনীয়া প্ৰতিৰোধ কৰাৰ কাৰণে জিলা পৰ্য্যায়ত ব্যৱস্থাপনা কৰ্তৃপক্ষৰ দ্বাৰা মনোনীত আঁচনিসমূহ যাতে মন্ত্ৰী মহোদয়ে অনুমোদন জনাই তাৰ বাবে মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো আৰু এইখিনিতে মই মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাব বিচাৰিছো যে এইবেলি বানপানীৰ সময়ত তেখেতে মোৰ সমষ্টিৰ ২ নম্বৰ বাজবাৰী গাওঁত দুৰ্গত ৰাইজৰ মাজত উপস্থিত হৈ তেখেত সকলক যি ধৰণে আস্থা প্ৰদান কৰিলে বা আশ্বাস দিলে তাৰবাবে সেই সমষ্টিবাসী ৰাইজে তেখেতৰ প্ৰতি ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে। তেখেতে যোৱাবেলি আমাৰ এটা হুৰামৰা অঞ্চলৰ মথাউৰি চিঙি যিটো তাণ্ডৱ সৃষ্টি কৰিছিল, সেই তাণ্ডৱ বা ক্ষতিৰ পৰা ৰক্ষা কৰাৰ কাৰণে হুৰামৰা অঞ্চলত তেখেতে ১০ কোটি টকাৰ অনুমোদন জনাইছে আৰু সেই কামৰ অগ্ৰগতিৰ বুজো তেখেতে লৈ আহিছে গতিকে সেই অঞ্চলৰ ৰাইজে তেখেতৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিছে। এইখিনিতে আমাৰ মন্ত্ৰী মহোদয়ক দৃষ্টিগোচৰ কৰিব বিচাৰিছো আইনদী খন National Water ways of India ৰ মেপত আছে। গতিকে বোধহয় ভাৰত চৰকাৰৰ লগত আলাপ-আলোচনা কৰি দীৰ্ঘম্যাদী স্থায়ী বান আৰু গড়াখহনীয়া ৰোধ কৰাৰ বাবে ড্ৰেজিং আঁচনিৰ সুযোগ ল'ব পৰা যায় নেকি সেই বিষয়ে মন্ত্ৰী মহোদয়ে নিশ্চয়কৈ বিবেচনা কৰি চাব বুলি আপোনাৰ জৰিয়তে তেখেতক অনুৰোধ জনাইছো আৰু মোৰ যিখিনি বানপানী আৰু গড়াখহনীয়া সম্বন্ধ জলসম্পদ বিভাগৰ বিষয়ে ক'লো।

**মাননীয় অধ্যক্ষৰ আসনত মাননীয় উপাধ্যক্ষ উপবিষ্ট।**

মাননীয় উপাধ্যক্ষ মহোদয়, মই এতিয়া লোক নিৰ্মাণ বিভাগৰ বিষয়ত দুআষাৰমান ক'বলৈ বিচাৰিছো। মোৰ উত্তৰ অভয়াপুৰী সমষ্টি যোগাযোগৰ ক্ষেত্ৰত অতিকৈ পিছপৰা আৰু অনুন্নত। বিধায়ক হিচাপে মই প্ৰথমবাৰ নিৰ্ব্বাচিত হৈ প্ৰথম অধিবেশনতে প্ৰথমটো প্ৰশ্ন কৰিছিলো যে অভায়াপুৰী উত্তৰ সমষ্টিত কেইবাখনো ৰাজহ গাঁও এতিয়াও সংযোগবিহীন হৈ আছে। লোক নিৰ্মাণ বিভাগে মোক জানিবলৈ দিছিল যে এতিয়াও ২৪ খন ৰাজহ গাঁও সংযোগবিহীন অৱস্থাত আছে। এই ২৪ খন গাঁৰৰ লগতে শতাধিক জনসংখ্যা থকা প্ৰায় শতাধিক চুবুৰী এতিয়াও সংযোগ

হৈ থকা নাই। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে পকী পথ নিৰ্মাণ আঁচনিৰ যি শুভাৰম্ভ কৰিলে তাৰবাবে তেখেতক অশেষ ধন্যবাদ জনাইছো। তেখেতে এইবেলি আমাৰ সমষ্টিৰ ভালেকেইটা ৰাস্তাৰ মঞ্জুৰী দিয়া বাবে আমাৰ সমষ্টিবাসী ৰাইজৰ হৈ আন্তৰিক ধন্যবাদ জনাইছো। কিন্তু তেখেতক ইয়াৰ লগতে অনুৰোধ জনাইছো যে যিবিলাক ৰাজহ গাঁও আৰু চুবুৰী সংযোগবিহীন হৈ আছে, সেইবোৰ ৰাস্তা সংযোগ কৰাৰ বাবে যিবিলাক Viable ৰাস্তা আছে সেইবোৰ Land G.I.S. Map ত অন্তৰ্ভূক্ত কৰি পৰৱৰ্তী সময়ত সেই ৰাস্তাসমূহ মুখ্যমন্ত্ৰী পকীপথ আঁচনিৰ অন্তৰ্ভূক্ত কৰি মঞ্জুৰী প্ৰদান কৰে তাৰ বাবে অনুৰোধ জনাইছো আৰু এটা বিশেষ কথা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। ২ নং বাসবাৰী গাঁৱত জলসম্পদ বিভাগৰ মাননীয় মন্ত্ৰী মহোদয় গৈছিল। তাৰ পকীৰাস্তাটো ছিঙি গৈছে আৰু ছিঙি যোৱাৰ ফলত প্ৰায় ৫০ খনৰো অধিক গাঁৱৰ লোকৰ যাতায়ত ব্যাহত হৈ আছে। গতিকে অগ্ৰাধিকাৰ ভিত্তিত যাতে সেই ছিঙি যোৱা অংশখিনি পুনৰ নিৰ্মাণ কৰা হয় তাৰ বাবে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ আৰু কৃতজ্ঞতা জনাব বিচাৰিছো যে NRCPR আঁচনিৰ অধীনত ৪০ কোটি টকীয়া এখন দলং নদীৰ গতি-পথ সলনি হৈ যোৱাৰ কাৰণে অব্যৱহৃত হৈ আছিল আৰু তাত কিছু অধিক মঞ্জুৰীৰ প্ৰয়োজন আছিল। আমি জানিব পাৰিছো যে নদীৰ গতি-পথ সলনি হোৱাৰ বাবে যাতায়ত সংযোগ কৰাৰ বাবে যিখিনি ধনৰ প্ৰয়োজন আছিল সেই ধনখিনি তেখেতে মঞ্জুৰী প্ৰদান কৰিছে। তাৰ বাবে তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো আৰু লগতে আৰু এটা অনুৰোধ জনাইছো যে Externally Added Project (EAP) ৰ অধীনত যাতে দলং নিৰ্মাণৰ ক্ষেত্ৰত অভয়াপুৰী উত্তৰ সমষ্টিক অগ্ৰাধিকাৰ দিয়ে। মই এতিয়া শিক্ষা বিভাগলৈ আহিব বিচাৰিছো। শিক্ষ-দীক্ষাত পিছপৰা অভয়াপুৰী উত্তৰ সমষ্টিত ২ খন মহাবিদ্যালয়, ২৭ খন উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়, ৪১৫ খন প্ৰাথমিক আৰু ১৩৫ খন উচ্চ প্ৰাথমিক বিদ্যালয় আছে। কিন্তু অতি দুখেৰে জনাওঁ যে নিম্ন প্ৰাথমিক বিদ্যালয়ত ৯৪ খন নিম্ন আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ত ২২০ গৰাকী শিক্ষকৰ অভাৱ হৈ আছে। য'ত ৫ জন শিক্ষক লাগে তাত এজন শিক্ষক আছে। তাত স্কুল আছে ঠিকেই। কিন্তু পঢ়া-শুনা ঠিকমতে হৈ থকা নাই। গতিকে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে একত্ৰিতকৰণ আৰু শিক্ষকৰ যুক্তিযুক্ত কৰণ কৰাৰ পিছতো যি ২২০ গৰাকী শিক্ষকৰ অভাৱ থাকিব, সেই শিক্ষকৰ পদসমূহ অতি সোনকালে পূৰণ কৰাৰ বাবে উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। আজিৰ যুগটো হৈছে বিজ্ঞানৰ যুগ। আমাৰ ২৮ খন উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এজনো বিজ্ঞানৰ শিক্ষক নাই আৰু সমাজবিজ্ঞান, আৰবী, ইংৰাজী, হিন্দী আদি বিষয়ৰো শিক্ষকৰ অভাব পৰিলক্ষিত হৈছে। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে এই শিক্ষকৰ অভাৱখিনি যাতে অতি সোনকালে পূৰণ কৰে আৰু এটা কথা মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে আমাৰ অভয়াপুৰী উত্তৰ সমষ্টিত মাত্ৰ এখন উচ্চতৰ মাধ্যমিক বিদ্যালয়তহে বিজ্ঞান বিভাগ আছে। তাত ৭৫ বছৰ গৰকা চাক্লা উচ্চতৰ মাধ্যমিক বিদ্যালয় আছে। কিন্তু তাতো বিজ্ঞান শাখা খুলিব পৰা নাই। তাত বিজ্ঞান শাখা খোলাৰ লগতে আৰু কিছুমান বিদ্যালয়তো বিজ্ঞান শাখা খোলাৰ ব্যৱস্থা কৰে যেন। মোৰ সমষ্টিত যি ২ খন কলেজ আছিল তাৰে এখন কলেজৰ নাম হৈছে মাণিকপুৰ আঞ্চলিক মহাবিদ্যালয়। তাত ২০১৮ চনতে বিজ্ঞান শাখা খোলাৰ বাবে মঞ্জুৰী দিয়া হৈছিল আৰু ১০ লাখ টকা পৰীক্ষাগাৰ নিৰ্মাণ কৰাৰ বাবে টকা দিয়া হৈছিল। ইতিমধ্যে ২০১৯ চনতে পৰীক্ষাগাৰ নিৰ্মাণ কৰা হ'ল। কিন্তু বিজ্ঞান শিক্ষক নিয়োগ নকৰাৰ বাবে আজিলৈকে তাত বিজ্ঞান বিভাগৰ পাঠদান

হৈ থকা নাই। অতি সোনকালে তাত বিজ্ঞান শাখা খোলাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। তাৰোপৰি সেই মহাবিদ্যলয়ত ২০১৭-১৮ বিত্তীয় বৰ্ষত আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে ১ কোটি টকাৰ অনুদান দিয়া হৈছিল। তাৰ প্ৰথম কিস্তিৰ ৫০ লাখ টকা লাভ কৰি কামত ব্যৱহাৰ কৰি ইউটিলাইজেশ্যন চাৰ্টিফিকেট দিলে। কিন্তু এতিয়ালৈকে দ্বিতীয় কিস্তিটো দিয়া হোৱা নাই আৰু অতি সোনকালে এই কিস্তিটো মোকলাই দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। সংখ্যালঘু অধ্যুষিত অঞ্চলত নাৰী শিক্ষাৰ বাবে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যি গুৰুত্ব প্ৰদান কৰিছে তাৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। এই অঞ্চলসমূহত জন্ম নিয়ন্ত্ৰণ কৰা আৰু সমাজিক ব্যাধি দূৰ কৰাৰ বাবে মহিলা সকলৰ শিক্ষা অতিকৈ গুৰুত্বপূৰ্ণ। গতিকে মোৰ সমষ্টিত সংখ্যালঘু অধ্যুষিত অঞ্চলত এখন কন্যা মহাবিদ্যালয় স্থাপন কৰাৰ ব্যৱস্থা কৰিলে সেই অঞ্চলসমূহত নাৰী শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰ ঘটিব বুলি আশা কৰিব পাৰি। মাননীয় মুখ্যমন্ত্ৰী মহোদয় যিহেতু সদনত আছে তেখেতক এখন কন্যা মহাবিদ্যলয় মঞ্জুৰী দিয়াৰ বাবে অনুৰোধ জনাইছো। যিহেতু আমাৰ এই সমষ্টিটো শিক্ষা-দীক্ষাত পিছপৰা সেয়েহে প্ৰতিখন বিদ্যালয়ত যি আদৰ্শ বিদ্যালয় স্থাপন কৰাৰ লক্ষ্য চৰকাৰে লৈছে তাত মোৰ সমষ্টিটো যাতে অগ্ৰাধিকাৰ দিয়া হয়। সদৌ শেষত মাননীয় উপাধ্যক্ষ মহোদয়ক মোৰ এই কথাখিনি সদনৰ মজিয়াত উপস্থাপন কৰিব দিয়াৰ বাবে ধন্যবাদ জনাই মোৰ বক্তব্য ইয়াতে সামৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য আশ্ৰাফুল হুছেইন ডাঙৰীয়াই কওক।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি মেম্বাৰ আৱাৰত আমি চেঙা সমষ্টিৰ ৩ টা গুৰুত্বপূৰ্ণ বিভাগৰ ওপৰত আলোচনা কৰিব বিচাৰিছো। প্ৰথমতে মই জলসম্পদ বিভাগৰ আলোচনাক লৈ আগবাঢ়িব বিচাৰিছো। চেঙা সমষ্টি নদীমাতৃকা সমষ্টি। এই সমষ্টিৰ আধাতকৈ বেছি সমষ্টি নদীৰ মাজত আছে। প্ৰায় ৫৫ খন গাঁও ব্ৰহ্মপুত্ৰ নদীয়ে প্ৰভাৱিত কৰিছে। ১৯৫০-৫৫ চনৰ পৰাই গৰখহনীয়াই যি ধৰণে সমষ্টিটোৰ মানচিত্ৰ সলনি কৰিছে তাৰ ফলত হাজাৰ হাজাৰ মানুহক অঘৰী কৰিছে। বৰ্তমান তেওঁলোক চৰকাৰীভূমি, মথাউৰি, ঠিকাভূমি আদিত থাকিবলগীয়া হৈছে। তেনে এক প্ৰেক্ষাপটত আমি অত্যন্ত পিছপৰা সমষ্টিৰ পৰা নিৰ্ব্বাচিত হৈ জনগণক আশ্বস্ত কৰিছিলো যে আমি জনগণৰ হকে কথা কম আৰু গৰাখহনীয়া আদিৰ দাবী লৈ চৰকাৰৰ ওচৰত উত্থাপন কৰিম। মাননীয় উপাধ্যক্ষ মহোদয়, মই নিৰ্ব্বাচিত হোৱা প্ৰায় ডেৰ বছৰ হ'বলৈ গৈ আছে। কিন্তু চেঙা সমষ্টিৰ গৰাখহনীয়া বিষয়টোৰ যে কোনো বাস্তৱ দিশত সমাধানৰ পথত গৈ আছে সেইটো পৰিলক্ষিত হোৱা নাই। বৰ্তমানৰ সময়তো সৌ-সিদিনা যেতিয়া কোনোধৰণৰ বানপানী হোৱা নাছিল কিন্তু যেতিয়া ব্ৰহ্মপুত্ৰৰ বুকুত পানী বাঢ়িছিল, দেখা গ'ল যে ব্ৰহ্মপুত্ৰ নদীৰ দাঁতি কাষৰীয়া ৰৌ-মাৰি, ছাটা, বালাতট াৰী অঞ্চল আদিত শতাধিক ঘৰ-বাৰী পানীয়ে উটুৱাই লৈ গ'ল। এই অঞ্চলটোত গৰাখহনীয়া কেৱল নলবাৰী জিলাৰ কাইজা চৰৰ পৰা এটা চেনেল সোমাই আহি ব্যাপকভাৱে গৰাখহনীয়াৰ সৃষ্টি কৰিছে। মই আশা কৰিম যাতে মাননীয় মন্ত্ৰী ডাঙৰীয়া এই কাইজা চৰৰ পৰা অহা চেনেলটোৰ ওপৰত কিছু কাম কৰে আৰু তেতিয়া এই গৰাখহনীয়া ৰোধ কৰিব পৰা যাব। অন্যহাতে এই অঞ্চলটোত এ.ডি.বিৰ পৰা আহিবলগীয়া প্ৰজেক্টটোত কাম হ'ব। এ.ডি.বিৰ এই প্ৰজেক্টটো বহৰীৰ পৰা বাঘবৰলৈ কৰা হৈছে। কিন্তু মূল চেনেলটো কাইজা চৰত আছে আৰু এই কাইজা চৰটো বহৰীৰ পৰা ৩-৪ কিলোমিটাৰ দূৰত আছে আৰু এই চেনেলটোৰে আটাইতকৈ বেছি এই অঞ্চলটোত ক্ষতিগ্ৰস্ত কৰে। ইয়াৰ ফলত বহৰীত থকা সত্ৰ-দেৱালয়লৈ পানী এই চেনেলটোৰে আহে। সন্মুখত পানী নাই। কিন্তু সমান্য

চেনেলেৰে অহা পানীয়ে যি ধৰণে গৰাখহনীয়াৰ সৃষ্টি কৰিছে সেইটো অতি ভয়াৱহ। একে সময়তে আমাৰ সমষ্টিৰ দুয়োপাৰে ব্ৰহ্মপুত্ৰ নদী বৈ গৈছে। ব্ৰহ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণ পাৰত গৰাখহনীয়া একেই। চেঙা সমষ্টিৰ বহৰি আৰু কাছুমাৰা- এই দুখন মূল ঠাই। ব্ৰহ্মপুত্ৰৰ উত্তৰত থকা মুল ঠাই বহৰি য'ত ব্যৱসায়িক কেন্দ্ৰ আছে, ডাঙৰ বজাৰ হয়, যি মৰাপাটৰ বাবে বিখ্যাত, সেই ঠাই এতিয়া গৰাখহনীয়াই ক্ষতিগ্ৰস্ত কৰা দেখিবলৈ পোৱা গৈছে। আন এক মূল ঠাই কাছুমাৰা, য'ত কৃষিজাত সামগ্ৰীৰ ডাঙৰ বজাৰ আছে, তাৰ পৰা বিভিন্ন সামগ্ৰী বিভিন্ন ঠাইলৈ ৰপ্তানি হয় কিন্তু, এতিয়া তাতো ব্যাপক গৰাখহনীয়া হোৱা দেখা গৈছে। তাত এটা সামান্য channel আছিল। ইমান বছৰে ই এটা মৰা সুঁতি আছিল কিন্তু যোৱা বছৰৰ পৰা ই খহি গৈ ইতিমধ্যে ৬ কিঃমিঃ গড়কাপ্তানি পথৰ প্ৰায় ৭০০ মিঃ অংশ গৰাখহনীয়াত জাহ গৈছে যাৰ বাবে যাতায়তো ব্যাহত হৈছে। সেই ৰাস্তাৰে হাজাৰ হাজাৰ মানুহ পাৰ হয়। এই কথাখিনি সময়ে সময়ে আমি চৰকাৰী পক্ষক জনাই আহিছো। গতিকে মই আশা কৰিছো যে আজি মন্ত্ৰী মহোদয়ে এইখিনি কাম কৰিব বুলি ক'ব, পুঁজি সাপেক্ষে কাম কৰিব বুলি যাতে নকয় । যোৱাকালি ইতিমধ্যে এই কথাখিনি মন্ত্ৰী মহোদয়ৰ লগত পতা হৈছে আৰু তেওঁ কামখিনি কৰিব বুলিও জনাইছে। গতিকে মই আশা কৰিছো যে তেওঁ এইখিনি কথা সদনক অৱগত কৰিব। মহোদয়, ইয়াৰ লগতে Asian Development Bank ৰ যিখিনি কাম আছে, সেই কামখিনিৰ অগ্ৰগতি আৰু তাৰ সম্পৰ্কে যদি আপুনি যোগাযোগ কৰে তেন্তে সেই কামখিনিও সোনকালে হ'ব। চেঙা, বাঘবৰ, বৰপেটাত গৰাখহনীয়াৰ যি দীৰ্ঘদিনীয়া সমস্যা, সেই ক্ষেত্ৰত Asian Development Bank ৰ পৰা পাবলগীয়া ধনৰ দ্বাৰা সেই কামখিনি কৰিলে এই সমস্যাটোৰ নিশ্চয় permanent settlement হ'ব আৰু হাজাৰ হাজাৰ বিঘা মাটি, তাৰ বসতি সকলোখিনি আমাৰ asset হ'ব। একে সময়তে, চেঙা সমষ্টিত দেখা Improvement of kukarjan channel including construction of sluice gate নামৰ আঁচনি এটা প্ৰায় ৪০০ কোটি টকাৰ ব্যয় সাপেক্ষে লোৱা হৈছিল। তাৰ tenderingও হৈছিল। কিন্তু, পৰৱৰ্তী সময়ত ঠিকাদাৰে কাম নকৰিলে, তেওঁ ভাল নোহোৱাৰ বাবে জেইললৈও গ'ল। গতিকে, মই কামটোত sluice gate ৰ ইমান প্ৰাসংগিকতা আছে বুলি নাভাৱো। সেয়েহে, ইয়াৰ কামটো divert কৰি যদি অন্য কাম যেনে গৰাখহনীয়াৰ কাম কৰাৰ বাবে বিভাগে চিন্তা-চৰ্চা কৰিব বুলি মই আশা কৰিছো।

মহোদয়, এতিয়া স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ বিষয়ে ক'ব বিচাৰিছো। চেঙা সমষ্টিত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ বৰ বিশেষ establishment আছে বুলি মই নাভাৱো। তাত দুখন Block PHC, তিনিখন Riverine PHC, এখন State Dispensary আৰু আন এখন Mini PHC আছে। এই হস্পিতাল সমূহৰো অৱস্থা বৰ ভাল নহয়। মোৰ সমষ্টিত যোৱা ১৪-১৫ মাহ পূৰ্বে Model Hospital construction ৰ কাম শেষ কৰি handover ও কৰা হৈছে। কিন্তু, তাত আচবাব, সা-সঁজুলিৰ অভাৱৰ বাবে এতিয়ালৈকে আৰম্ভ কৰিব পৰা নাই। মই কেইবাবাৰো NHM ৰ MD লৈ এই বিষয়ে চিঠিও লিখিছো। গতিকে, মডেল হস্পিতালখনৰ যদি ব্যৱহাৰ নকৰে তেন্তে ই লাহে লাহে জহি খহি যাব। মডেল হস্পিতালৰ কেম্পাছত থকা Block PHC ৰো অৱস্থা ভাল নহয়। তাত পানী জমা হয়। তাতো আন্তঃগাঁথনি উন্নয়নৰ প্ৰয়োজন আছে কিন্তু আমাৰ হাতত কোনো ধৰণৰ আচুতীয়া পুঁজি নাই, যাৰ দ্বাৰা এই কামখিনি আমি কৰিব পাৰো। সেয়েহে, মই আশা কৰিছো যে স্বাস্থ্য বিভাগে এই ব্যৱস্থাখিনি কৰিব। মডেল হস্পিতালত ইতিমধ্যে ৬-৭ জন ডাক্তৰ, অন্যান্য কৰ্মচাৰীও নিয়োগ কৰা হৈছে।

গতিকে, আচবাব আৰু সা-সঁজুলিৰ ব্যৱস্থা কৰিব লাগে অন্যথা Block PHCটো তাত চলিবলৈ দিয়ক, আমাৰ যিখিনি আচবাব আছে, সেইখিনিৰে চলিম, বাকীবোৰ পৰৱৰ্তী সময়ত কৰিব। মহোদয়, নৈ-পৰীয়া স্বাস্থ্য কেন্দ্ৰসমূহৰ গুৰুত্ব কিমান, সেইয়া আমি সকলোৱে অনুভৱ কৰো। চেঙা সমষ্টি নৈ-পৰীয়া সমষ্টি আৰু ইয়াৰ ৫৫ খন গাওঁ নদীয়ে প্ৰভাৱিত কৰে। ইয়াত থকা তিনিওখন নৈপৰীয়া স্বাস্থ্য কেন্দ্ৰৰ অৱস্থা অত্যন্ত বেয়া। আজি দেখিবলৈ পোৱা গৈছে যে তাত কোনোবাই posting লয় যদিও চাকৰি কৰিবলৈ নাযায়। যাতায়ত, যোগাযোগ, তাত থাকিব পৰা ব্যৱস্থা, হৈছে যদিও এই হস্পিতালসমূহ বনোৱাৰ পিছত মেৰামতিৰ কোনো ব্যৱস্থাই কৰা হোৱা নাই। বিগত ধুমুহাত খোলাবন্ধা হস্পিতালখনৰ টিনপাত উৰুৱাই লৈ যোৱাৰ ফলত আজি তাৰ ভিতৰত পানী সোমায়। ইয়াৰ বিষয়ে উপায়ুক্ত আৰু স্বাস্থ্যৰ যুটীয়া সঞ্চালকক জনোৱা হৈছে। মই আশা কৰিছো যে এই বিষয়টোত গুৰুত্ব দিব। হস্পিতালকেইখনৰ মেৰামতিৰ প্ৰয়োজনীয়তা আছে আৰু বিভিন্ন সময়ত তাত কৰ্মচাৰী নাৰ্চ, ডাক্তৰ আদিৰ অভাৱ দেখিবলৈ পোৱা যায়। যি সকলে এবছৰৰ বাবে rural practice কৰিবলৈ যায়, তেওঁলোকৰ দ্বাৰাই হস্পিতালসমূহ চলোৱা হয়, গতিকে মই আশা কৰিছো সেইখিনি যাতে নিয়মীয়াকৈ দিয়ে লগতে য'ত এজনকৈ ডাক্তৰ permanently posting কৰা হৈছিল সেই ডাক্তৰ সমূহো যাতে নিয়মীয়াকৈ যায়, তেতিয়াও আমাৰ হস্পিতালসমূহ চলিব। কিন্তু, দুৰ্ভাগ্যবশতঃ সেয়াও হৈ নুঠিল। উপাধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰৰ দক্ষিণে থকা কাছুমাৰা ৰাজ্যিক চিকিৎসালয়ৰ ডাক্তৰসমূহ নিয়মীয়াকৈ উপস্থিত নথকা মই নিজেও দেখিছো । সৌ সিদিনা মই উপায়ুক্তক লিখিত অভিযোগ দিছো যে তাত থকা দুয়োগৰাকী ডাক্তৰেই নিয়মীয়াকৈ অনুপস্থিত থাকে। মই নিজেও ডাক্তৰ সকলক নিয়মীয়াকৈ থকাৰ বাবে অনুৰোধ কৰাৰ পিছতো তেওঁলোকে নিয়মীয়াকৈ উপস্থিত নাথাকে। গুৱাহাটীৰ পৰা কাছুমাৰালৈ দুঘণ্টা সময় লাগে। কাছুমাৰাত IB, থানা, ডাঙৰ বজাৰ থকাৰ পিছতো তেওঁলোকে তাত থাকিব নিবিচাৰে। এইক্ষেত্ৰত মই strict action লোৱাৰ বাবে অনুৰোধ কৰিছো। ডাক্তৰ সকলে সপ্তাহত তিনিদিনো নাযায়। এনেদৰে হ'লে কেনেকৈ হ'ব ? ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত চাৰিখন হস্পিতাল আছে, ৫খন গাওঁ পঞ্চায়ত মিলি প্ৰায় ৭০ হাজাৰ মানুহ আছে। কিন্তু, তাত কোনো institutional delivery ৰ ব্যৱস্থা নাই। বৰপেটা জিলাৰ মাজেৰে নদী গৈছে, কিন্তু, ব্ৰহ্মপুত্ৰৰ ইপাৰে থকা মানুহখিনিক আমি আমাৰ সমষ্টি বা জিলাৰ মানুহ হিচাপে যেন গণ্যই নকৰো ! আমি আশা কৰিম যে ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত থকা অন্ততঃ খোলাবন্ধা আৰু কাছুমাৰা এই দুখন হস্পিতালত institutional delivery ৰ ব্যৱস্থা কৰিব লাগে। তাত স্বাস্থ্য ব্যৱস্থা আৰু অধিক আগুৱাই লৈ যোৱাৰ ব্যৱস্থা কৰিব লাগে, অন্যথা আমাৰ চৰ-চাপৰি অঞ্চলত দেখা দিয়া বিভিন্ন সমস্যা, বিশেষকৈ জনস্বাস্থ্যৰ লগত সংযুক্ত জনসংখ্যাৰ সমস্যাটো আমি সমাধান কৰিব নোৱাৰিম। গতিকে, স্বাস্থ্য সেৱা আৰু অধিক শক্তিশালী কৰিবলৈ বিভাগক পূণপৰ্যায়ৰ সহযোগিতা আগবঢ়াবৰ বাবে আমি প্ৰস্তুত আছো। মই আশা কৰিম মন্ত্ৰী মহোদয়ে এই বিষয়টো গুৰুত্ব সহকাৰে লৈ আমাৰ এই দুখন হস্পিতালত institutional delivery ৰ ব্যৱস্থাটোৰ লগতে তাত দিনে ৰাতিয়েই ডাক্তৰ থাকিব পৰাৰ ব্যৱস্থাটোও কৰি দিব। মহোদয়, আমাৰ সমষ্টিত নৈ পৰীয়া স্বাস্থ্য কেন্দ্ৰৰ যথেষ্ট গুৰুত্ব আছে। কাৰণ আমাৰ সমষ্টিৰ গাওঁসমূহৰ চাৰিওফালে নদী আছে। তাত ইমান সহজতে infrastructure লৈ যোৱাটো আৰু সেইটো permanent কৰাটো সম্ভৱ নহয়। সেয়েহে, তাত নৌকা স্বাস্থ্য সেৱাৰ জৰিয়তে কাম-কাজসমূহ হৈ আছিল। আন ঠাইত নৌকা স্বাস্থ্য সেৱা জাহাজত চলে কিন্তু আমাৰ তাত জৰাজীৰ্ণ নাঁৱতহে চলিব লাগে। কেৱল এখন boat medical unit ৰে ইমান ডাঙৰ অঞ্চল সাঙুৰি

লোৰাটো সম্ভৱ নহয়, তেওঁলোকৰ vaccination duty ৰ লগতে অন্যান্য কামো থাকে। গতিকে আৰু এখন boat medical unit বৃদ্ধি কৰিব লাগে। লগতে, বিভিন্ন সময়ত ধুমুহা আহি নাওঁ উলটি যোৱাৰ সম্ভাৱনা থাকে গতিকে আমি আশা কৰিম যে স্বাস্থ্যকৰ্মী সকলৰ সুৰক্ষাৰ স্বাৰ্থত নৌকা স্বাস্থ্য সেৱা দুটা জাহাজৰ ওপৰত চলোৱাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব । চেঙাৰ পৰা আৰম্ভ কৰি পাজাৰভাংগালৈকে এই বৃহত্তৰ অঞ্চলটোত হস্পিতালৰ অভাৱ পৰিলক্ষিত হৈছে। সেই অঞ্চলবাসীয়ে দীৰ্ঘ সময়ৰ পৰা ৭-৮ কিঃমিঃ দূৰলৈ গৈ প্ৰাথমিক স্বাস্থ্য সেৱা লাভ কৰিব লাগে। গতিকে, চেঙা সমষ্টিৰ পশ্চিম অঞ্চলৰ শিলা, গোমাফুলবাৰীত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ ব্যৱস্থা কৰিবলৈ আমাৰ আহ্বান থাকিল। মহোদয়, বহৰি চেঙা সমষ্টিৰ এক অন্যতম ঠাই। বহৰিত থকা mini PHC ত সঘনাই যথেষ্ট ৰোগী আহে কিন্তু তাৰ আন্তঃগাঁথনি ভাল নহয়, তাত ডাক্তৰ থাকিবলৈ বিশেষ ব্যৱস্থা নাই। গতিকে বহৰিৰ mini PHC টো আৰু কাছুমাৰাত থকা State dispensary টো PHC লৈ উন্নীত কৰিব লাগে। তেতিয়াহে তাত ষ্টাফ নিযুক্তিৰ বাবে post creation ৰব্যৱস্থা হ'ব আৰু এনেদৰে স্বাস্থ্য কেন্দ্ৰৰ সমস্যা সমাধানৰ অন্য এটা বাট ওলাব। একে সময়তে, গোটেই অসমৰ উপ-স্বাস্থ্য কেন্দ্ৰসমূহ ভালদৰে চলা নাই। বিভিন্ন ঠাইত জৰাজীৰ্ণ গৃহ আৰু ভাড়াঘৰ সমূহত চলি আছে। এইবাৰ অন্ততঃ চেঙা সমষ্টিৰ ১৮ খন উপ-স্বাস্থ্য কেন্দ্ৰৰ বাবে PM-ABHIM ৰ অধীনত আমি প্ৰস্তাৱ প্ৰেৰণ কৰিছো, যাতে তাত গৃহৰ ব্যৱস্থা হয়। আমি আশা কৰিম যে বিভাগে এই বিষয়টো গুৰুত্ব সহকাৰে লৈ এই অভাৱখিনি দূৰ কৰাৰ বাবে গৃহ sanctioning ৰ বাবে যাতে ব্যৱস্থা কৰে। আনহাতে, CHO অবিহনেও মোৰ সমষ্টিৰ কেইবাটাও গুৰুত্বপূৰ্ণ sub-centre সমূহ চলিছে। CHO এটা সময়ত আহি joining কৰে আৰু কিছু দিন পিছত উধাও হয়। কোনে কাৰ কৃপাত তাৰ পৰা উধাও হয় তাৰ উত্তৰ আমাৰ ওচৰত নাই । হয়তো, পিছপৰা অঞ্চল হোৱাৰ বাবে নাইবা বাট-পথ সুগম নোহোৱাৰ বাবেই তেওঁলোক তাত নাথাকে। যদি সুগম নহয়, তেন্তে সেই ঠাইলৈ স্বাস্থ্য সেৱা পঠিওৱাৰ দায়িত্ব বিভাগ বা চৰকাৰৰ নাই নেকি? সেই প্ৰশ্ন আজি উদয় হয়। গতিকে যি সমূহ কেন্দ্ৰত CHOৰ অভাৱ চলি আছে, সেই কথাটো গুৰুত্ব সহকাৰে লৈ কিছু দিন আগত নিযুক্তি পোৱা CHO সকলক তাত নিয়োজিত কৰাৰ ব্যৱস্থা লোৱাৰ বাবে বিভাগক আহ্বান জনাইছো। তাৰোপৰি বহু ঠাইত এতিয়াও sub-centreৰ অভাৱ আছে। কিন্তু, চৰকাৰ ধন্যবাদৰ পাত্ৰ যে শেহতীয়াকৈ চেঙা সমষ্টিত দুখন sub-centreৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ হৈছে। এতিয়া তাত ষ্টাফ সমূহ নিযুক্তি দিলে কিছু অভাৱ দূৰ হ'ব। আনহাতে, আৰু কেইবাখনো উপ-স্বাস্থ্য কেন্দ্ৰ নিৰ্মাণৰ প্ৰস্তাৱ ইতিমধ্যে প্ৰেৰণ কৰা হৈছে, আমি আশা কৰিম সেইখিনি চৰকাৰে বিবেচনা কৰিব।

উপাধ্যক্ষ মহোদয়, এতিয়া আন এটা গুৰুত্বপূৰ্ণ বিভাগ- লোক নিৰ্মাণ বিভাগৰ ওপৰত ক'ব বিচাৰিছো। ভাল লাগিছে যে আজি মুখ্যমন্ত্ৰী মহোদয় সদনত উপস্থিত আছে। যোৱা বছৰ নাপালো যদিও মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত অন্ততঃ এইবাৰ কিছু ৰাস্তা পাইছো। এই বাট-পথ সমূহে আমাৰ সমষ্টিত যোগাযোগ আৰু যাতায়ত ব্যৱস্থা যথেষ্টখিনি আগুৱাই নিব আৰু সেয়েহে আমি মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। কিন্তু, অত্যন্ত পিছপৰা আৰু সমস্যাবহুল সমষ্টি হিচাপে আমাৰ সমষ্টিত বাট-পথৰ অভাৱ পূৰ্বৰ পৰাই আছিল। আমি আশা কৰিম যে ধাৰাবাহিক ভাৱে এই প্ৰক্ৰিয়াটো অব্যাহত থাকিলে আমাৰ সমষ্টিৰ অভাৱসমূহ দূৰ হ'ব, যিহেতু আমাৰ সমষ্টিত অভাৱ বেছি , সেইবাবে আমাক এক বিশেষ দৃষ্টি দিবলৈ মুখ্যমন্ত্ৰী মহোদয়ৰ ওচৰত আহ্বান থাকিল। ইমানদিনে আমাৰ এটা অভাৱ আছিল যে ইয়াৰ পৰা কোনোবা আলহী অতিথি

গ'লে আমাৰ বহিবলৈ দিয়াৰ ঠাই নাছিল। মুখ্যমন্ত্ৰী মহোদয়ৰ ওচৰত এই আহ্বান ৰখাৰ পাছত তাত এটা IB দিয়াৰ কথা চিন্তা কৰিছে। আশা কৰিম যে অনাগত দিনত এইটো sanction হ'লে আপোনালোকে তাত যাব।

যাতায়াতৰ ক্ষেত্ৰত কিছু দলঙৰ অ ভাৰ এতিয়াও ৰৈ গৈছে। মই কথাখিনি লিখিত আকাৰে জনাইছো। কাচমৰা বজাৰৰ পৰা পূৰন্নমা সংযোগী দলঙখন এইবাৰ কিছুদিন আগতে বানে উটুৱাই লৈ গ'ল। যোৰাবছৰো কাঠৰ দলঙখন উটুৱাই নিছিল। কেইবা হাজাৰ লোকেও এই দলঙখনেৰে যাতায়াত কৰে। ইয়াৰ ওপৰতো এক বিশেষ গুৰুত্ব দিব লাগে। একেটা সময়তে পাজাৰভাঙাৰ পৰা পাল হাজীলৈ যিটো ৰাস্তা তাত কেইবাখনো স্কুল আছে। গতিকে তাতো এখন দলঙৰ প্ৰয়োজনীয়তা আছে। বাপদী ভৈৰাগুৰি অঞ্চলটো যথেষ্ট ঘন জন বসতিপূৰ্ণ এলেকা। তাত দলং নথকাৰ কাৰণে মুখ্যমন্ত্ৰীৰ নতুন পথ নিৰ্মাণ আঁচনিত আমি আঁচনি ল'ব পৰা নাই। গতিকে এই অঞ্চলতো দলঙৰ ব্যৱস্থা কৰিব লাগে। দেৰহাটী কাহিকুচিতো একেই। তাত দলং নথকাৰ কাৰণে ৰাস্তা হৈ উঠা নাই। PMGSY য়ো এইটো ক ভাৰ কৰা নাই, কাৰণ তেওঁলোকে কৈছে যে পুৰণা তিনি কিঃ মিঃ ৰাস্তা থাকিলেহে তেওঁলোকে imporovement ৰ কাম কৰিব। গতিকে মুখ্যমন্ত্ৰী মহোদয়ৰ আঁচনি আছে, কিন্তু তাত দলং নথকাৰ কাৰণে আঁচনি ল'ব পৰা হোৱা নাই।

একেটা সময়তে মহোদয়, চনেটটাৰীৰ পৰা বি ডি ৰোড দুইফালে ৰাস্তা আছে কিন্তু দলং নথকাৰ কাৰণে তাত Connectivity হৈ উঠা নাই। গতিকে এই বিশেষ বিষয়খিনি গুৰুত্ব সহকাৰে ল'ব বুলি আশা কৰিছো। মই উল্লেখ কৰিছিলো যে মহাচৰা আৰু হলঙ্গাপাৰা ৰাস্তাটো গৰাখহনীয়াত উটি গৈছে। কিছুদিন আগতে এই ৰাস্তাটোৰ বাবে PMGSY ত ৬.৫ কোটি টকা আবন্টন দিছে strengthening and widening ৰ কাৰণে। ৩.৫ মিটাৰৰ ৰাস্তাটো ৫.৫ মিটাৰ বহল হ'ব। কিন্তু ৭০০ মিটাৰ যি খহাই নিলে সেইখিনি বনোৱাৰ কাৰণে পুঁজি নাই। PMGSY য়ে সেই টকাখিনি নিদিয়ে। দুইমূৰৰ পৰা কৰিলে মাজতে disconnected হৈ থাকিব। বিকল্প ৰাস্তা এটা কৰাৰ কাৰণে ১ কিঃ মিঃ ৰাস্তাৰ পুঁজিৰ প্ৰয়োজন হ'ব। মই আশা কৰিম যে মুখ্যমন্ত্ৰী মহোদয় এই পুঁজিৰ ব্যৱস্থা কৰিব। এই ৬.৫ কোটি টকাৰে নিৰ্মাণ কৰিবলগীয়া ৰাস্তাটো যাতে খুব সুন্দৰভাৱে হয়। Road cum embankment ৰ দৰে visionary scheme লোৱা হৈছে বুলি গম পাইছো। গতিকে আমাৰো সমষ্টিত যিহেতু ১৮ কিঃ মিঃ দীঘলীয়া মথাউৰি আছে সেয়েহে আমাক সৰহকৈ টকা আবন্টন দিয়ে। তাৰকাৰণে আমি অনুৰোধ জনাইছো।

শেষত মই অত্যন্ত গুৰুত্ব এটা প্ৰস্তাৱ আগবঢ়াব খুজিছো। গোৱালপাৰা আৰু গুৱাহাটীত ব্ৰহ্মপুত্ৰৰ ওপৰত দলং আছে, কিন্তু অসমৰ মাজ ভাগত এখন দলঙৰ প্ৰয়োজন আছে যাৰ জৰিয়তে অন্তত কামৰূপৰ সৈতে বাঘবৰ সমষ্টিৰ সৈতে বকো ছয়গাওঁ সমষ্টিৰ সৈতে আৰু চেঙা আৰু বৰপেটা সমষ্টিৰ সৈতে যাতে সংযোগ স্থাপন হয়। গতিকে মই অনুৰোধ জনাম পৰৱৰ্তী সময়ত যদি অসম চ ৰকাৰে ব্ৰহ্মপুত্ৰৰ ওপৰত কোনো দলঙৰ প্ৰস্তাৱ লয়, সেয়া যাতে চেঙা সমষ্টিৰ মাজভাগত হয়। তাৰবাবে মই মুখ্যমন্ত্ৰী মহোদয়ৰ ওচৰত অনুৰোধ জনালো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী ৰূপেশ গোৱালা।

**শ্ৰী ৰূপেশ গোৱালা (ডুমডুমা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, members hours ত মোক ক'বলৈ সুযোগ দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো। প্ৰথমে মই উদ্যোগ আৰু বাণিজ্য বিভাগৰ লগত জড়িত কিছুমান কথা দাঙি ধৰিব খুজিছো। আমি সকলোৱে গম পাওঁ যে অসমৰ সকলোতকৈ

বেছি নিয়োগৰ সুবিধা প্ৰদান কৰা উদ্যোগটো হৈছে চাহ উদ্যোগ। এই উদ্যোগৰ কথা পাতিলে আমি সংগঠিত ক্ষেত্ৰখনৰ কথা চিন্তা কৰো। কিন্তু এই উদ্যোগৰ লগত জড়িত অসংগঠিত ক্ষেত্ৰখনৰ কথা আমি কমকৈ পাতো। বিগত ৩০-৪০ বছৰৰ ভিতৰত অসমত লাহে লাহে ক্ষুদ্ৰ চাহ বাগিছা স্থাপনৰ কাম আৰম্ভ হ'ল আৰু পৰৱৰ্তী সময়ত ই এক বিপ্লৱৰ ৰূপ ললে। আজিৰ তাৰিখত অসমত ১ লাখ ২২ হাজাৰতকৈও অধিক ক্ষুদ্ৰ চাহ বাগিছা আছে। এই সমূহক কেন্দ্ৰ কৰি অসমত প্ৰায় তিনিশ ৰ পৰা চাৰে তিনিশ ফেক্টৰী গঢ় লৈ উঠিছে আৰু এই ক্ষুদ্ৰ চাহ বাগিছা সমূহে অসমৰ চাহৰ প্ৰায় ৫০ শতাংশ উৎপাদন কৰিবলৈ সক্ষম হৈছে। এই অসংগঠিত ক্ষেত্ৰখনত অসমৰ প্ৰায় ৬ লাখতকৈও অধিক লোকে নিয়োগ লাভ কৰিবলৈ সক্ষম হৈছে। মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু অসম চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো যে পূৰ্বতে ক্ষুদ্ৰ চাহ বাগিছাৰ শ্ৰমিক সকলৰ কোনো ধৰণৰ মজুৰীৰ ব্যৱস্থা নাছিল। কোনো ধৰণৰ চিকিৎসা বা বোনাচ, provident fund ৰ সুবিধা পোৱা নাছিল। বৰ্তমান চৰকাৰখনে এই শ্ৰমিক সকলৰ কথা চিন্তা কৰি পোন প্ৰথমবাৰৰ বাবে মজুৰী নিৰ্দ্ধাৰণ কৰিছে আৰু তেওঁলোকে এতিয়াৰ পৰা ২৩২ টকা মজুৰী লাভ কৰিবলৈ সক্ষম হ'ব। আশা ৰাখিছো খুব সোনকালে এই মজুৰী ক্ষুদ্ৰ চাহ বাগিছা সমূহত বলবৎ হ'ব।

মাননীয় উপাধ্যক্ষ মহোদয়, এই ক্ষুদ্ৰ চাহ বাগিছা সমূহ গঢ় লোৱাৰ পাছত যেতিয়া বটলী ফেক্টৰীৰ জৰিয়তে চাহ উৎপাদনৰ কাম আৰম্ভ হ'ল তাতো বহুত লোকে নিয়োগৰ সুবিধা লাভ কৰিলে। কিন্তু এই শ্ৰমিকসকলে যিধৰণে অন্য organised sector ত কাম কৰা শ্ৰমিক সকলে সুবিধা লাভ কৰে, তেনেধৰণৰ সুবিধাৰ পৰা বঞ্চিত হৈ আছে। আজি আপোনাৰ যোগেদি মই বিভাগক অনুৰোধ জনাব খুজিছো যে এই বটলী ফেক্টৰীত কাম কৰা শ্ৰমিক সকলৰ ক্ষেত্ৰতো চৰকাৰে অলপ চিন্তা কৰিব লাগে। তেওঁলোকক যদি চাকৰীৰ নিৰাপত্তা প্ৰদান কৰিব পাৰো তেওঁলোক যথেষ্ট উপকৃত হ'ব।

এই ক্ষুদ্ৰ চাহ খেতিয়ক সকলেও বিভিন্ন সময়ত বিভিন্ন সমস্যাৰ সন্মুখীন হয়। তেওঁলোকৰ বহু সংখ্যকৰে মাটিৰ পট্টা নাই। তেওঁলোকে কেঁচা চাহ পাতৰ উচিত মূল্য নাপায়। গতিকে মই চৰকাৰক অনুৰোধ জনাব খুজিছো যে তেওঁলোকে যাতে কেঁচা চাহ পাতৰ উচিত মূল্য পায়। তাৰ বাবে চৰকাৰে এটা নিৰ্দিষ্ট নীতি অৱলম্বন কৰিব লাগে। তেতিয়া নিশ্চয় এই ক্ষুদ্ৰ চাহ খেতিয়ক সকল লাভান্বিত হ'ব। ক্ষুদ্ৰ চাহ বাগিছা স্থাপনৰ পিছত বহু লোকে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে নিয়োগ লাভ কৰিবলৈ সক্ষম হৈছে। গতিকে এই খণ্ডটোক বিশেষভাৱে গুৰুত্ব প্ৰদান কৰিবলৈ মাননীয় উপাধ্যক্ষ মহোদয়ৰ যোগেদি মই চৰকাৰক অনুৰোধ জনাব খুজিছো।

মোৰ অন্যতম বিষয় হৈছে জলসম্পদ। ডুমডুমা অঞ্চলত কেইবাখনো নদী আছে আৰু এই নদী সমূহে সেই অঞ্চলৰ বৃহৎ জনসংখ্যাক প্ৰভাৱিত কৰিছে। এই নদীসমূহে সৃষ্টি কৰা গৰাখহনীয়া আৰু বান পৰিস্থিতিৰ বাবে এটা বৃহৎ অঞ্চলৰ যথেষ্ট ক্ষতি হৈছে। এটা সময়ত এটা সৰু নলা যিটো আমি অনন্ত নলা বুলি জানো, ধিৰাং চুমুনী বান্ধ ভঙাৰ পাছত এই নলাটোৱে লাহে লাহে নদীৰ ৰূপ লৈছে আৰু এই নলাই আজি কৰদৈ গুৰি, বাঘজান, দীঘল তৰং গাৱঁকে প্ৰমুখ্য কৰি প্ৰায় ২৫ খন গাওঁ প্ৰভাৱিত কৰিছে আৰু এই গাওঁ কেইখনৰ লোক সকলৰ মাটি বাৰী, ধন সম্পতি, ঘৰ-দুৱাৰ আৰু চাহ বাগিচা নদীৰ বুকুত উটি গৈছে।

**( সভাপতি মহোদয় বিদ্যাসিং ইংলেঙে সদন পৰিচালনা কৰে )**

চৰকাৰে বিভিন্ন সময়ত এই নৈ খনৰ লগতে এই অঞ্চলৰ লোকসকলক সুবিধা দিয়াৰ বাবে যত্ন কৰিছে যদিও এইটো এই অঞ্চলৰ এটা ডাঙৰ সমস্যা । ভৱিষ্যতে এই সমস্যাবোৰ সমাধান

কৰিবলৈ চৰকাৰে  সঠিক পদক্ষেপ গ্ৰহণ কৰিব লাগিব। মই আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব খুজিছো যে বৃহত্তৰ অঞ্চলৰ লোকসকল প্ৰতি বছৰে ক্ষতিৰ সন্মুখীন হৈছে , গতিকে তাৰ পৰা ৰক্ষা কৰিবলৈ এটা বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। মাজতে তেওঁ নিজেও সেই অঞ্চলবিলাক পৰিভ্ৰমণ কৰি আহিছে। আমি আশাবাদী যে ভৱিষ্যতে চৰকাৰে এই অঞ্চলটোক ৰক্ষা কৰিবলৈ যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিব। ডুমডুমা অঞ্চলৰ মাজেদি আৰু এখন নদী বৈ গৈছে নাম ময়লাজান নৈ । কাকজান অঞ্চলৰ পৰা বৈ আহি ডুমডুমা নৈৰ লগত লগ হোৱা নৈ খনে ডুমডুমা অঞ্চলৰ কাকজান তাৰা চাহ বাগিছা, চুক্ৰেটিং চাহ বাগিছাৰ লগতে এটা বিস্তৃৰ্ণ অঞ্চলত ক্ষতি কৰিছে । এই সমস্যা সমাধান কৰিবলৈ চৰকাৰে ভৱিষ্যতে নিশ্চয় পদক্ষেপ গ্ৰহণ কৰিব । বিগত দিনত এই সমস্যাটোৰ ওপৰত চৰকাৰৰ ফালৰ পৰা কোনো ধৰনৰ পদক্ষেপ লোৱা হোৱা নাই। ডুমডুমা নৈ খনেও পাগলভেটা  চাহ বাগিছা বকপাৰা চাহ বাগিছাৰ লগতে ডুমডুমা চহৰখনক প্ৰতিবছৰে ক্ষতি সাধন কৰি আহিছে ।  ডুমডুমা চহৰৰ ৪  টা ৱাৰ্ড  প্ৰতি বছৰে এই সমস্যাৰ সন্মুখীন হয় । বহুতো মানুহৰ ঘৰ দুৱাৰ খেতি বাৰী, ধন সম্পত্তি আদি এই বানপানী আৰু গৰাখহনীয়াৰ ফলত নদীত বিলীন হৈছে । গতিকে এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে বিশেষ পদক্ষেপ গ্ৰহণ কৰিব বুলি মই   আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো । মোৰ  অন্যতম বিষয়টো হৈছে, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ । আপোনালোকে সকলোৰে জানে যে আমাৰ ডুমডুমা অঞ্চলটো এটা ডাঙৰ অঞ্চল আৰু  ডুমডুমা বুলি অকল ডুমডুমা সমষ্টিয়ে নহয়, ডিগবৈ, মাৰ্ঘেৰিটা আৰু শদিয়া সমষ্টিত থকা বাসিন্দাসকলেও এই ডুমডুমা অঞ্চলটোত থকা সা সুবিধাবিলাক বাছি লয় আৰু ইয়াত থকা মূল চিকিৎসা ব্যৱস্থাটোৱে হৈছে - এফ আৰ ইউ । এই এফ আৰ ইউ ত আজি এটা বছৰত কেইবাজনো ডাক্তৰৰ ব্যৱস্থা কৰা হৈছে যদিও বৰ্ত্তমান ৭ জন ডাক্টৰ আছে কিন্তু এই এফ আৰ ইউ খনত নাৰ্চ আৰু  অন্যান্য সা- সুবিধাবিলাক অভাব আছে । এই ডুমডুমা এফ আৰ ইউ খনৰ বিল্ডিঙটো যি জৰাজীৰ্ণ অৱস্থাত আছে তাৰ মেৰামতি  কৰিবলৈ চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব লাগে  । মই আপোনাৰ যোগেদি মাননীয় স্বাস্থ্য মন্ত্ৰীক অনুৰোধ জনাইছো  । ইয়াত এখন এম্বুলেন্সৰ ব্যৱস্থা কৰাৰ লগতে এই এফ আৰ ইউত  ব্লাড ষ্ট'ৰেজ ইউনিটটো কাৰ্য্যক্ষম কৰিব লাগে বুলি মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাওঁ । ডুমডুমাৰ অন্যতম গুৰুত্বপূৰ্ণ  অঞ্চল হৈছে ফিলোবাৰী অঞ্চল । এই ফিলোবাৰী অঞ্চলত বৰ্ত্তমানৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া যেতিয়া স্বাস্থ্যমন্ত্ৰী আছিল তেতিয়া তাত এখন মডেল হস্পিটেল স্থাপন হয়  । মডেল হস্পিটেলখন বৰ চালুকীয়া অৱস্থাত আছে । তাত যিমান সংখ্যক ডাক্টৰ , নাৰ্চ বা অন্যান্য ব্যৱস্থা থাকিব লাগে সেই মতে ইয়াত নাই । এই হস্পিটেলখনত  এখন এম্বুলেন্স নাই । গতিকে এই বিষয়টো চৰকাৰে বিশেষভাৱে গুৰুত্ব প্ৰদান কৰিব লাগে । ফিলোবাৰী হস্পিটেলখনে কেৱল ডুমডুমাৰে নহয় মাৰ্ঘেৰিটাৰ বৃহত্তৰ বুঢ়ীদিহিং অঞ্চল সাঙুৰি লৈছে । গতিকে এই হস্পিটেলখন অত্যন্ত গুৰুত্বপূৰ্ণ অঞ্চল  গতিকে এই হস্পিটেলখনক গুৰুত্বসহকাৰে ল'বলৈ অনুৰোধ জনাইছো । এই ডুমডুমা অঞ্চলত আৰু এখন গুৰুত্বপূৰ্ণ  পি এইচ চি হস্পিটেল বান্দৰখাইতীত হৈছে। এই পি এইচ চি খনৰ অতি দুখ লগা অৱস্থা হৈ আছে । ইয়াত কোনোধৰণৰ সুবিধা নাই বুলি  ক'লেও ভূল কোৱা নহ'ব । ইয়াত মাত্ৰ এজন ডাক্টৰ আছে আৰু সেইজনো  স্থায়ী নহয়  । তেওঁক অন্য হস্পিটেলৰ লগত এটাছ কৰা হৈছে । ইয়াত নাৰ্চ, ফাৰ্মাচিষ্ট আৰু অন্যান্য সা সুবিধাবিলাক নাই  । এম্বুলেন্স খনৰো অৱস্থা  একেবাৰে বেয়া ।  গতিকে এই স্বাস্থ্যকেন্দ্ৰটোৱে এটা ডাঙৰ অঞ্চল সাঙুৰি লৈছে  গতিকে এই হস্পিটেলখন কাৰ্য্যক্ষম কৰি অধিক সুবিধা প্ৰদান কৰিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো  । ডুমডুমাত প্ৰায় ৩২  খন চাব

চেন্টাৰ আছে ।এই ৩২ খনৰ ভিতৰত ২৬ খনৰ নিজা বিল্ডিং আছে । কিন্তু কেইবাটাও বিল্ডিঙ জৰাজীৰ্ণ অৱস্থাত আছে ।৬ টা চাব চেন্টাৰৰ বিল্ডিঙ নাই ।আমি ভাৰাঘৰত চলাইছো। গতিকে ভাৰাত থকা চাব চেন্টাৰৰ বিল্ডিঙ সোনকালে নিৰ্মাণ কৰিব লাগে । আৰু যিবিলাক চাব চেন্টাৰৰ বিল্ডিঙ জৰাজীৰ্ণ অৱস্থাত আছে সেইবিলাক পুনৰ নিৰ্মাণ কৰিব লাগে । আৰু এটা অনুৰোধ স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াক জনাব খুজিছো যে , এই চাব চেন্টাৰ কিছুমানত ডাক্টৰ আৰু নাৰ্চ ৰাতিপুৱাই আহি কেৱল এটেনডেন্টৰ চহীটো কৰে তাৰ পিচত দিনটো কৰ্ত্তব্যত নাথাকে। গতিকে এইকথাবিলাকো বিভাগে সুনিশ্চিত কৰিব লাগে যাতে তেওঁলোকে নিজৰ ডিউটী সম্পূৰ্ণভাবে ফলো কৰে । লগতে এই চাব চেন্টাৰবিলাকত যাতে ঔষধ-পাতি যোগান ধৰা হয় তাৰ বাবে বিশেষ ব্যৱস্থা ল'বলৈ মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো । গতিকে এই কথা 'মেম্বাৰচ আৱাৰত' ক'বলৈ সুযোগ দিয়া বাবে মই মাননীয় সভাপতি মহোদয়ক ধন্যবাদ জনাই মোৰ বক্তব্য সামৰণি মাৰিছো ।

**শ্ৰীবিদ্যাসিং ইংলেঙ ,মাননীয় সভাপতি ঃ** এতিয়া জলেন দৈমাৰী ।

**শ্ৰীজলেন দৈমাৰী, তামুলপুৰ ঃ** অনাৰেবল্ চেয়াৰমেন ছাৰ , মোক মেম্বাৰচ আৱাৰত ক'বলৈ সুবিধা দিয়া বাবে ধন্যবাদ জনাইছো । তামুলপুৰৰ ৩ টা বিষয়ত মই মাননীয় মন্ত্ৰীসকলৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো । প্ৰথমে তামুলপুৰ অঞ্চলৰ শিক্ষাৰ ক্ষেত্ৰত থকা সমস্যাবিলাক দাঙি ধৰিব বিচাৰিছো। তামুলপুৰত মুঠ ৩২৩ এল পি স্কুল আছে । ২৮ এম. ই স্কুল আছে ৭৬ হাই স্কুল আছে , ১৩ খন হায়াৰ চেকেণ্ডৰী স্কুল আছে । কিন্তু এই স্কুলবিলাকত যিটো কনষ্ট্ৰাকশ্যন বহু বিদ্যালয়ত আজিও পৰ্য্যাপ্ত শ্ৰেণীকোঠা নাই । মই আপোনাৰ জৰিয়তে শিক্ষা মন্ত্ৰী ডাঙৰীয়াক জনাব বিচাৰিছো । বহু বিদ্যালয়ত এশৰো অধিক ছাত্ৰ- ছাত্ৰী আছে কিন্তু এই বিদ্যালয় এজন শিক্ষকে চলাই আছে যাৰ কাৰণে গুনগত শিক্ষা লোৱাত যথেষ্টখিনি ছাত্ৰ- ছাত্ৰী অসুবিধা পাইছে । বহু বিদ্যালয় যোৱা বানপানীত ভাঙি গৈছে যিহেতু নদীৰ ওচৰত আছিল । আমাৰ চৰন জংঘল বুলি এটা ঠাই আছে তাৰ যিখন বিদ্যালয় তাৰ অৱস্থা খুবেই বেয়া । নদীৰ পানী সোমাই আহে । ইয়াৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অৱগত কৰিছো । আমাৰ তামুলপুৰ সমষ্টিত ১৩ খন হায়াৰ চেকেণ্ডেৰী স্কুল আছে কিন্তু আমি তামুলপুৰবাসীৰ ছাত্ৰ-ছাত্ৰীৰ কাৰণে এখনে হায়াৰ চেকেণ্ডৰী স্কুলত চাইন্স ষ্ট্ৰীম আছে । যাৰ কাৰণে আমাৰ লৰা ছোৱালীৰ চাইন্স বা কমাৰ্চ পঢ়াৰ ইচ্ছা থাকিলেও পঢ়িব পৰা নাই । যিখন হায়াৰ চেকেণ্ডৰী স্কুলত চাইন্স ষ্ট্ৰীম আছে তাত পৰ্য্যাপ্ত চীট নথকা বাবে বহু লৰা ছোৱালী চাইন্স পঢ়াৰ পৰা বঞ্চিত হ'বলগা হৈছে । আমাৰ তামুলপুৰ হায়াৰ চেকেণ্ডৰীত অকল চাইন্স ষ্ট্ৰীম অৰ্ন্তভূক্ত কৰা হৈছে গতিকে ইয়াৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছো । আমাৰ ১৩ খন হায়াৰ চেকেণ্ডৰী চাইন্স আৰু কৰ্মাচ ইন্ট্ৰ'ডিউচ কৰিব নোৱাৰিলেও আমাৰ কুমাৰীকাটা , নাগ্ৰীজুলি , নাওকাটা এই অঞ্চলবিলাকত যি হায়াৰ চেকেণ্ডৰী আপগ্ৰেডেশ্যন কৰা হৈছে এই ৩ টা ঠাইৰ হায়াৰ চেকেণ্ডৰীত চাইন্স আৰু কৰ্মাচ ষ্ট্ৰিম ইন্ট্ৰডিউচ কৰাৰ বাবে আমাৰ সন্মানীয় মন্ত্ৰী ডাঙৰীয়াক মই অনুৰোধ জনাইছো । তামুলপুৰ নতুন জিলা হোৱাৰ লগতে বহু ডাঙৰ সমষ্টি হয় কিন্তু দুখৰ বিষয় আমাৰ তামুলপুৰ সমষ্টিত এখনো গৰ্ভমেন্ট কলেজ নাই । যোৱা দুই বছৰ আগত গৰ্ভমেন্ট কলেজ এখন চেংশ্যন হৈছে - আণ্ডাৰ কনষ্ট্ৰাকশ্যন কিন্তু আমাৰ সমষ্টিত দুখন ভেন্সাৰ কলেজ আছে । ইয়াৰ কাৰণে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো ৩ লাখৰো অধিক জনসংখ্যা যিহেতু তামুলপুৰত আছে ইয়াৰ কাৰণে শিক্ষাৰ দিশটো চাই আমি তামুলপুৰ সমষ্টিৰ বাঙালীপাৰা , নাওকাটা, গান্ধীবাৰী আদি অঞ্চলত প্ৰয়োজন সাপেক্ষে নতুনকৈ কলেজ খোলাৰ বাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো । তামুলপুৰ আৰু কুমাৰীকাটাত দুখন ছোৱালী হাইস্কুল আছে ।

মহিলা সৰলীকৰণৰ বাবে চৰকাৰে যথেষ্ট কাম কৰিছে গতিকে এই দুখন গাৰ্লছ হাইস্কুলৰ অন্তত যিকোনো এখন হায়াৰ চেকেণ্ডৰী স্কুললৈ উন্নীত কৰিব লাগে এইটো মই শিক্ষা মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো । মই এতিয়া এটা গুৰুত্বপূৰ্ণ বিষয় কব বিচাৰিছোঁ। মাননীয় উপাধ্যক্ষ মহোদয়, গৃহ বিভাগৰ এটা কথা কবলৈ বিচাৰিছোঁ। আমাৰ তামুলপুৰ সমষ্টিত চুকানজলিত এখন firing range আছে, Indian Armyৰ North Eastৰ বিভিন্ন ৰাজ্যৰ পৰা আমাৰ firing rangeত firing ৰ কাৰণে আহে, তাত চৰকাৰী ভাৱে ৩০০ বিঘা মাটি ইতিমধ্যে alloted কৰা হৈছে। কিন্তু কিছু firing ত অহা সন্মানীয় Indian Armyৰ নিজৰ firing ৰ সময় শেষ নহওঁতে আৰু firing ৰ কাৰণে বেলেগ গ্ৰুপ আহি যায়। যাৰ কাৰণে ঠাই যথেষ্ট নোহোৱাৰ কাৰণে ৰাস্তাঘাট বা স্কুলৰ ফিল্ডত বা বিভিন্ন ঠাইত Indian Armyয়ে যিটো ফাইৰিং কৰে যাৰ কাৰণে আমাৰ চুকানজলি লেব্ৰা এই অঞ্চলত যথেষ্ট খিনি ৰাইজৰ সমস্যা হৈছে। নিজৰ এলোটেড ঠাইৰ পৰা ফাইৰিং নকৰাৰ কাৰণে যোৱা সময়ত আমাৰ বহুত ব্যাক্তিয়ে নিজৰ জীৱন ত্যাগ কৰিব লগীয়া হৈছে। ২০০৭ চনত বিভাস ৰাজবংসী, ২০১২ চনত চুজিত চত্ৰধৰ, ২০১৫ চনত অতুল চত্ৰধৰ সেই ব্যক্তি বিলাকে misfiring হৈ, যিহেতু rangeৰ বাহিৰত গৈ এলোটেড ঠাইৰ পৰা ফাইৰিং নকৰাৰ বাবে এই ব্যক্তি বিলাকৰ ঘৰত বোমা বা গুলি বিলাক পৰাৰ কাৰণে সেই ব্যক্তি বিলাকে নিজৰ জীৱন দিব লগীয়া হৈছে। ইয়াৰোপৰি বহুত ঘৰত আমাৰ ফাইৰিং যি বোমা পৰি যোৱাৰ কাৰণে বহু ঘৰ ধ্বংস হৈছে, সেই ঘৰ বিলাক মই নিজে visit কৰিছোঁ। চৰকাৰৰ তৰফৰ পৰা এই ঘৰবোৰক compensation হয়তো যোৱা সময়বোৰত দিয়া হোৱা নাই। কিন্তু যি Indian Army firingত আহে তেওঁলোকে লগে লগে compensation দি যোৱাতো আমি দেখিছোঁ। কাৰোবাৰ ঘৰত যদি বোমা পৰে ঘৰ ধ্বংস হয়, তেতিয়া লগে লগে Army ৰ যিটো regimentৰ পৰা আহে সেই regimentয়ে আমাৰ ঘৰ বিলাকক compensation দি গৈছে। কিন্তু কথাটো হ'ল যিহেতু নিজাববীয়া এলোটমেন্ট কৰা এটা range আছে এই range ৰ পৰা ফাইৰিং কৰাত গাঁৱৰ ৰাইজে আপত্তি দেখুৱা নাই, কিন্তু range ৰ বাহিৰত গৈ ৰাইজৰ খেতি পথাৰ, ৰাস্তা, স্কুল ফিল্ড, তেনেকুৱা ৰ পৰা ফাইৰিং কৰাত ৰাইজৰ আপত্তি আছে। ইয়াৰ কাৰণে আপোনাৰ জৰিয়তে আমাৰ গৃহ বিভাগক অনুৰোধ জনাইছোঁ, এইটোত যাতে নজৰ দিয়ে। ইয়াৰ লগতে আমাৰ যি ব্যক্তি সকলে নিজৰ জীৱন ত্যাগ কৰিলে ফাইৰিঙৰ কাৰণে তেওঁলোকৰ কাৰণে humanity ground চাই যাতে compensation দিয়াৰ ব্যৱস্থা কৰিব পাৰে ইয়াৰ কাৰণে মই অনুৰোধ জনাইছোঁ। শেষত এটা agenda কব বিচাৰিছো agriculture ৰ, আমাৰ তামুলপুৰ সমষ্টিত ৮ খন ডাঙৰ নদীৰে ভৰা প্ৰায় নদীয়ে ভূটানৰ পৰা বৈ অহা। গতিকে প্ৰতিটো বানপানীত নদীয়ে যথেষ্টখিনি গড়াখহনীয়া কৰে। আমাৰ কালা নদী ভূটানৰ পৰা বৈ অহা এখন নদী। কুমৰীকাটা অঞ্চলৰ প্ৰায় এন কে আঙ্গাৰকাটা, বগাজুলি কালিপুৰৰ ১০ হাজাৰ মান মানুহে এই নদীৰ পানীৰে খেতি কৰি আছে। কিন্তু যোৱা বানপানীৰ ফলত তেওঁলোকে ২ লাখ, ৩ লাখ, ৪ লাখ টকা খৰচ কৰি কেনেল বনাই কেনেল কাটি পানীবোৰ খেতি পথাৰত লৈ যায়। কিন্তু দুখৰ বিষয় প্ৰতিটো বানপানীত এই কেনেল বিলাক ভাঙি যোৱাৰ ফলত আজিও ১০ হাজাৰ মান খেতিয়কে খেতি কৰিব পৰা নাই। গতিকে ইয়াৰ কাৰণে মই বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক আপোনাৰ জৰিয়তে অনুৰোধ কৰিব বিচাৰিছো যে বিজ্ঞান সন্মত ভাৱে আমি এই নদীক কিবা এটা কৰি যাতে ডেম তেনেকুৱা এটা বনাই আমাৰ খেতিয়ক বিলাকৰ কাৰণে পানীৰ ব্যৱস্থা কৰি দিয়াৰ কাৰণে মই অনুৰোধ জনাইছোঁ। লগতে আমাৰ তামুলপুৰ যিহেতু কৃষিৰ ওপৰত ভিত্তি কৰি খেতিয়ক সকলে চলি আছে আমাৰ তামুলপুৰত

আমাৰ PPC চেন্টাৰ হিচাপে বৰ্তমান গান্ধীবাৰীত এখন পাবলৈ সক্ষম হৈছো, ইয়াৰ কাৰণে মন্ত্ৰী মহোদয় মই ধন্যবাদ জনাইছোঁ। কিন্তু এখন মাত্ৰ PPC চেন্টাৰে তামুলপুৰত যথেষ্ট নহয়। ইয়াৰ কাৰণে মই তামুলপুৰৰ আমাৰ কুমৰীকাটা, নাগ্ৰীজুলি আৰু নাঁওকাটা তিনিটা ঠাইত নতুনকৈ PPC চেন্টাৰ খোলাৰ কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছোঁ। লগতে আমাৰ তামুলপুৰ অঞ্চলৰ বিভিন্ন উৎপাদনৰ কাৰণে যিহেতু এটা সুবিধা আছে যেনে সৰিয়হ, মচুৰ দাইল, হালধি ইত্যাদি আৰু লগতে কলৰ খেতি যথেষ্ট খিনি সুবিধা আছে। ইয়াৰ কাৰণে মন্ত্ৰী মহোদয়ক আমাৰ খেতিয়ক সকলে নিজে খেতি কৰা যি ফল এই ফল ষ্টোৰ কৰাৰ কাৰণে কোনো সুবিধা নাই। যাৰ কাৰণে খেতি কৰাৰ পিছত সময়মতে আমাৰ খেতিৰ ফচল বিলাক থোৱাৰ কাৰণে সুবিধা নাই ইয়াৰ কাৰণে cool storage এখন বৃহত্তৰ তামুলপুৰ সমষ্টিৰ কাৰণে যাতে আগবঢ়াই ইয়াৰ কাৰণে মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাইছোঁ। মই আজি এই তিনিটা বিষয়ত আমাৰ সন্মানীয় মন্ত্ৰী সকলৰ পৰা উত্তৰ পাম বুলি আশা ৰাখিছো আৰু Member Hourত কথা কব দিয়াৰ কাৰণে মই ধন্যবাদ জনাইছোঁ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া উত্তৰ আছে। প্ৰথমতে, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সন্মানীয় সদস্য সকলৰ বক্তব্যখিনি গুৰুত্ব সহকাৰে শুনিছো। বিশেষকৈ আমাৰ আব্দুল বাতিন খণ্ডকাৰ ডাঙৰীয়াই কেইবাটাও পথৰ কথা তেখেতে উল্লেখ কৰিছে। লোক নিৰ্মাণ বিভাগে ইতিমধ্যে আমাৰ সমষ্টি সমূহৰ প্ৰায়বোৰ পথ আমাৰ যিটো আৰ এম এচ, জি আই এচ আছে তাতে আমি অন্তৰ্ভূক্ত কৰিছোঁ আৰু তাৰ ফল স্বৰূপে প্ৰতি বছৰে মুখ্যমন্ত্ৰীৰ পকীপথ যোজনা আৰু উন্নত পকীপথ যোজনা আঁচনিৰ জৰিয়তে আমি সমষ্টি সমূহৰ ৰাস্তাঘাট সমূহ নিৰ্মাণ কৰাৰ বাবে নিৰন্তৰ প্ৰচেষ্টা চলাই যাম। ২ নং বাজবাৰী গাওঁৰ গেৰুকাবাৰী-কীৰ্ত্তনপাৰা পকীপথৰ গৰাখহনীয়াত চিঙি যোৱা অংশ দহ কিলোমিটাৰ মেৰামতিৰ বাবে লোৱা প্ৰস্তাৱ ইতিমধ্যে এছ. ডি. আৰ. এফ ত দিছো আৰু আশা কৰো সেইটো অনুমোদন হ'ব। আমাৰ চিলাপাৰ-কাহীবাৰীৰ দলং খনৰ গতিপথ সলনি হোৱা বাবে প্ৰায় ৪০ কোটি টকাৰ দলং খন আৰম্ভ কৰিছিলো তাত অতিৰিক্ত প্ৰায় ২৯.৫৭ কোটিৰ প্ৰয়োজনীয়তা আছিল । যিহেতু এন. এল. চি. পি. আৰ. আঁচনি ইতিমধ্যে বন্ধ হৈছিলে, নিচিত আৰম্ভ হৈছে আৰু পুৰণা আঁচনিৰ অধীনত এইটো লাভ কৰা সম্ভৱ নাছিল । সেয়েহে যোৱা কিছুদিন আগতে আমি এই পথটোৰ বাবে ৰাজ্য চৰকাৰৰ পুঁজিৰ পৰা ২৯.৫৭ কোটি টকা মুকলি কৰি দিছো । আৰু তাৰ ফলত এতিয়া আমি দলং খন সম্পুৰ্ণ কৰিব পাৰিম । আন যিকেইটা প্ৰশ্ন উত্থাপন কৰিছে মই বিধায়ক মহোদয়ৰ ভাষণত লিখিত ৰূপ আমি প্ৰতিবেদনত পাম তাত সংগ্ৰহ কৰি সময় সাপেক্ষে আঁচনি সমূহৰ ওপৰত ব্যৱস্থা লৈ থাকিম। আমাৰ বিধায়ক আশ্ৰাফুল হুছেইন ডাঙৰীয়াই লোকনিৰ্মাণ বিভাগৰ ওপৰত কেইবাটাও প্ৰশ্ন আনিছে । কাছুমাৰা বজাৰ পূৱ আফটাভাঙা সংযোগী কাঠৰ দলং খন এইবাৰে উতুৱাই লৈ গৈছে । এই দলংখনৰ পকীকৰণ প্ৰস্তাৱ ইতিমধ্যে আমি বিশ্ব বেংকৰ লগত এক হাজাৰ খন দলং বনাবৰ কাৰণে এটা আঁচনি প্ৰায় অগ্ৰাধিকাৰ পৰ্য্যায়ত আছে। এ. এছ. বি. আই. পি. ত এই আঁচনি আমি অন্তৰ্ভুক্ত কৰিবৰ বাবে চেষ্টা কৰি আছো । কাছুমাৰা বজাৰ-আণ্ডাভাঙা সংযোগী পঞ্চায়তৰ কাষৰ উক্ত পথচোৱাত পি এম জি ওৱাই -৩আঁচনিৰ অধীনত এখন পকীদলংৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল যদিও এই পি এম জি ওৱাই -৩ এই দলংখন অনুমোদন নহ'ল । আমি ভৱিষ্যতে নিশ্চয় ৰাজ্য চৰকাৰৰ পৰাই কৰাৰ বাবে চেষ্টা কৰিম। পুঠিমাৰী কাৱাইখাতী ৰ'ড বানপানীত এটা অংশ খহি যায় আৰু চল্লিশ মিটাৰ অংশ অন্তৰ্ভুক্ত কৰিবলৈ এছ. ডি. আৰ. এফ. ত আমি চল্লিশ

লাখ টকা প্ৰস্তাৱ কৰিছো । ঠিক সেই ধৰণে বাগাউদি, ভৈৰাগুৰী ঘন জনবসতি পুৰ্ণ এলেকা, দলং নথকা বাবে দুৰত্ব চাৰি কিলোমিটাৰৰ অধিক হৈছে, এই পথটো এ. এছ. বি. আই. পিৰ অধীনত এখন দলং নিৰ্মাণৰ প্ৰস্তাৱ আমি হাতত লৈছো । দেয়াদুৰী, কাহিকুছি তাতো দলং নথকা বাবে চাৰি কিলোমিটাৰ ৰাস্তাৰ দুৰত্ব বাঢ়ি গৈছে। তাতো এ. এছ. বি. আই. পিৰ অধীনত এখন দলং নিৰ্মাণৰ বাবে প্ৰস্তাৱ আমি হাতত অৰ্থাৎ চেঙা সমষ্টিত এইবাৰ তিনিখন গুৰুত্বপুৰ্ণ আঁচনি আমি এ. এছ. বি. আই. পিৰ অধীনত অন্তৰ্ভুক্ত কৰিছো । তৃতীয় আৰু এখন দলং মহচৰা-আঠতলা, তাতো আমি এ. এছ. বি. আই. পিৰ অধীনত এখন দলং নিৰ্মাণৰ প্ৰস্তাৱ কৰিছো। আৰু এখন আছে হোলাবন্ধা জনপ্ৰিয় বজাৰ, দংৰা পাৰঘাট, ইয়াতো এ. এছ. বি. আই. পিৰ অধীনত এখন দলং অনুমোদনৰ বাবে চেষ্টা কৰিছো। ঠিক তেনেকৈ চনেৰভেটি ৰ'ড, তাতো এখন পকী দলংৰ বাবে এ. এছ. বি. আই. পি আঁচনিত আমি চেষ্টা কৰিছো আৰু বাগুনী হস্পিতাল, বেছিমাৰী ইয়াতো আমি এখন এ. এছ. বি. আই. পি আঁচনিৰ অধীনত দলং নিৰ্মাণৰ চেষ্টা কৰিছো । কিন্তু এইবিলাক অনুমোদন হোৱা নাই আমাৰ ফালৰ পৰা প্ৰস্তাৱ গৈছে, নিজৰ নিময়ত মিলায় চাব আৰু এটা গতি লৈছে প্ৰস্তাৱ কেইটাই। গতিকে মই ভাবো এইখিনি পৰ্য্যায়ক্ৰমে কৰিব পাৰিম । ঠিক তেনেদৰে মহলচোৰা হলঙাৰ পৰা পথটো ৯০০ মিটাৰ ব্ৰহ্মপুত্ৰই খহায় লৈ যায় । তাতো আমি এটা বিকল্প পথ নিৰ্মাণৰ প্ৰস্তুতি চলাই আছো । পি. এম. জি. এছ. ওৱাই ত আৰু এখন দলং পেকেজত আছে। এইখনৰ পাইল ফাউণ্ডেচন নিৰ্মাণৰ কাম সম্পূৰ্ণ হোৱাৰ আগতেই মৰ্জিনা বেগম নামৰ এগৰাকী মহিলাই আদালতৰ দ্বাৰস্থ হয় আৰু আদালতৰ পৰা ষ্টে অৰ্ডাৰ হোৱাত সেইখন নিৰ্মাণৰ কাম আমি কৰিব পৰা নাই । এই ক্ষেত্ৰত বিধায়ক মহোদয়ক আমাক অলপ সহায় কৰিবলৈ অনুৰোধ কৰিছো । বাকী ৰাস্তা নিৰ্মাণৰ ক্ষেত্ৰত বিধায়ক মহোদয়ৰ লিখিত বক্তব্যটো লৈ আমি কৰিবলৈ চেষ্টা কৰিম ।

আমাৰ তামুলপুৰ সমষ্টিৰ বিধায়ক শ্ৰী জলেন দৈমাৰী ডাঙৰীয়াই বিশেষকৈ ফায়াৰিং ৰেঞ্জৰ কথা উল্লেখ কৰিছে। এই ফায়াৰিং ৰেঞ্জৰ বাবে আমি কিমান মাটি অধিগ্ৰহণ কৰিছো সেইটো বিধায়ক ডাঙৰীয়াই জানে। বাকী দৰকাৰ হোৱা ভূমি অধিগ্ৰহণ কৰাৰ বাবে সেনা কৰ্তৃপক্ষই বিভিন্ন পৰ্য্যায়ত প্ৰচেষ্টা অব্যাহত ৰাখিছে। বি টি আৰ কৰ্তৃপক্ষৰ লগতো ইয়াৰ বাবে যোগাযোগ কৰি থকা হৈছে ।

এইটো কথা অনস্বীকাৰ্য্য যে অধিসূচনা জাৰি হোৱা ফাইয়াৰিং ৰেঞ্জৰ ভিতৰত অনুশীলনৰ সময়ত নানা অঘটন যেনে-ঘৰবাৰী ধন সম্পত্তি ধংস হোৱাৰ লগতে মানুহৰ জীৱন নাশ হোৱা ঘটনা পৰ্য্যন্ত দেখা গৈছে । যিহেতুকে এই অঞ্চলত এতিয়াও মানুহৰ বসতি আছে । এনে মৃত্যুৰ ঘটনা চলিত বৰ্ষৰ ফেব্ৰুৱাৰী আৰু মাৰ্চ মাহতো সংঘটিত হৈছে । এইখিনিতে উল্লেখিত যে ফাইয়াৰিং ৰেঞ্জটোৰ ভৌগলিক অৱস্থান বৃস্তিত । ওখৰা মখৰা হোৱাৰ বাবে ৰেঞ্জৰ পৰিসীমা সুস্পষ্ট নহয় । পৰিসীমা নিৰ্দ্ধাৰণ কৰা সম্পৰ্কত তামুলপুৰৰ উপায়ুক্তই ইতিমধ্যে বি টি আৰৰ প্ৰধান সচিবে লিখিছে যাতে সেই ঘটনা বিলাকক নোহোৱা কৰি সেই ঠাইত বাস কৰি থকা বাসিন্দাখিনিক তাৰ পৰা হস্তান্তৰ কৰিব পৰা যায় । এই বিষয়টো যথেষ্ট গুৰুতৰ আৰু দুৰ্ভাগ্যজনক । গতিকে অনতি পলমে এই সমস্যাটো সমাধান কৰাৰ বাবে চেষ্টা কৰিম । আৰু বিধায়ক ডাঙৰীয়াই ফায়াৰিং ৰেঞ্জৰ ঘটনাৰ বাবে মৃত্যু মুখত পৰা পৰিয়ালবৰ্গক আৰ্থিক সাহায্য প্ৰদানৰ বাবে যি তালিকা প্ৰস্তুত কৰি মোৰ হাতত জমা দিছে, মই সেই পৰিয়াল কেইটাক সাহাৰ্য্য দিয়াৰ বাবে চেষ্টা কৰিম ।

মই আগতে কৈছো, সদনত কৈ থকা বক্তব্যৰ ওপৰত তাৎক্ষনিক ভাবে উত্তৰ দিয়াটো মোৰ ক্ষেত্ৰত সম্ভৱ নহয় কাৰণ কি আঁচনিৰ কাম কি পৰ্য্যায়ত চলি আছে এইটো সদনত বহি ধৰিব

পৰা নাযায়। সেয়েহে মই আপোনালোক সকলোৰে সদনত দি থকা গোটেই কেইটা বক্তব্যৰ লিখিত ৰূপ এটা লৈ ইয়াক ৰূপায়ন কৰাৰ বাবে চেষ্টা কৰিম ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শিক্ষামন্ত্ৰীয়ে উত্তৰ দিব ।

**ড° ৰণোজ পেগু (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ অভয়াপুৰী সমষ্টিৰ বিধায়ক শ্ৰী আব্দুল বাতিন খন্দকাৰ ডাঙৰীয়া আৰু তামুলপুৰ সমষ্টিৰ বিধায়ক শ্ৰী জলেন দৈমাৰী ডাঙৰীয়া, এই দুয়োগৰাকী সন্মানীয় বিধায়তে তেওঁলোকৰ সমষ্টিৰ শিক্ষাখণ্ডৰ কিছু সমস্যা দাঙি ধৰিছে আৰু এই ক্ষেত্ৰত মই জনাব বিচাৰো যে বৰ্তমান শিক্ষকৰ যি নাটনিৰ কথা কোৱা হৈছে, এই নাটনিৰ সমস্যা দুৰ কৰাৰ উদ্দেশ্যে আমি এই সকলো খিনি খালী পদ পুৰণ কৰাৰ কাৰণে বৃহৎ অভিযান হাতত লৈছো আৰু যোৱা মে' মাহত শিক্ষক সকলৰ এক বৃহৎ নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণ হৈছে। বাকী যি খালী পদ আছে, সেই খালী পদ সমূহো পূৰণ কৰাৰ কাৰণে পদক্ষেপ গ্ৰহণ কৰিছো। আমাৰ হাতত যি তথ্য আছে, সেই তথ্য মতে উত্তৰ অভয়াপুৰীৰ খণ্ডত প্ৰাথমিক বিদ্যালয়ৰ ক্ষেত্ৰত আমাৰ ছাত্ৰ আৰু শিক্ষকৰ অনুপাত ৩০ঃ১ আৰু উচ্চ প্ৰাথমিকৰ ক্ষেত্ৰত সেই অনুপাত ২০ঃ১। প্ৰতি ২০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে এগৰাকী শিক্ষক আছে। কিন্তু ঘটনাটো হল যে, এই শিক্ষক সকল সকলো বিদ্যালয়ৰ যথোপযুক্ত ভাবে সমবিতৰণ নোহোৱা কাৰণে কোনো কোনো বিদ্যালয় বা আওহতীয়া বিদ্যালয়ত শিক্ষকৰ নাটনি দেখা যায়। এই সমস্যা সমাধানৰ বাবে মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা বিভাগে এক rationalization ৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে আৰু rationalization ৰ প্ৰক্ৰিয়াৰ জৰিয়তে সকলো বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষক দিয়াৰ কাৰণে আমি ব্যৱস্থা গ্ৰহণ কৰিছো। দ্বিতীয় ঘটনাটো অধ্যক্ষ মহোদয়, উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান শিক্ষাৰ কথাটো দুয়োগৰাকী বিধায়কে উল্লেখ কৰিছে। এই ক্ষেত্ৰত আমি জনাও যে, NEP মতে ইতিমধ্যে কলেজ সমূহত থকা উচ্চতৰ মাধ্যমিকৰ শাখা সমূহ বিদ্যালয়লৈ স্থানান্তৰ কৰা প্ৰক্ৰিয়া এটা আৰম্ভ কৰিছো। মহাবিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ যেতিয়া এই শ্ৰেণী সমূহ স্থানান্তৰ কৰিম আমাক বৃহৎ আন্তঃগাঁঠনিৰ প্ৰয়োজন হ'ব। সেই আন্তঃগাঁঠনিৰ প্ৰয়োজন পূৰণ কৰাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যোৱা ১৫ আগষ্ট তাৰিখে মাধ্যমিক বিদ্যালয় সমূহৰ আন্তঃগাঁঠনি উন্নয়ন কৰাৰ বাবে ১০ হাজাৰ কোটি টকাৰ এক পেকেজ ঘোষণা কৰিছে। ইতিমধ্যে শিক্ষা বিভাগে ১০ হাজাৰ কোটি টকাৰ পেকেজৰ অধীনত অসমত থকা ৪৩১৭ খন মাধ্যমিক বিদ্যালয়ৰ আন্তঃগাঁঠনি উন্নয়নৰ পৰিকল্পনা কৰিছে আৰু ইয়াক খুব সোনকালে আৰম্ভ কৰিম। ৰাষ্ট্ৰীয় শিক্ষানীতিৰ আৰু এটা পৰামৰ্শ আছে বা প্ৰস্তাৱ আছে যি প্ৰস্তাৱৰ অধীনত স্কুল চৌহদ বা বিদ্যালয়ত একো একোটা চৌহদ গঢ়ি তোলাৰ পৰামৰ্শ আছে। এটা নিৰ্দিষ্ট cluster বা অঞ্চলৰ ভিতৰত থকা আটাইকেইখন বিদ্যালয়ৰ এক সমাহিত cluster গঠন কৰা হয়। অসমত আজি প্ৰায় ২২০০ গাওঁ পঞ্চায়ত আছে, এতেকে গাওঁ পঞ্চায়তৰ পৰা অনুমান কৰিব পাৰি ২ হাজাৰৰ পৰা ২৫০০ যদি স্কুল চৌহদ সৃষ্টি কৰো এই স্কুল চৌহদ সমূহত minimum এখন উচ্চতৰ মাধ্যমিক বিদ্যালয় থাকিব। তাত একাধিক হাইস্কুল থাকিব বা ME School থাকিব। সেই প্ৰক্ৰিয়াটোৰ ভিতৰত থকা আটাইখিনি বিদ্যালয় এই স্কুল চৌহদৰ অন্তৰ্গত হ'ব। যিহেতু আমি বিজ্ঞান শিক্ষাৰ ওপৰত গুৰুত্ব দিছো, মহাবিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক শিক্ষাটো আমি বিদ্যালয়লৈ অনাৰ কথা কৈছো। তেনেহ'লে ২০০০ পৰা ২৫০০ যি বিদ্যালয় স্কুল চৌহদ কৰিম প্ৰত্যেকখন স্কুল চৌহদ minimum এখন বিদ্যালয়ত বিজ্ঞান শিক্ষাৰ সুবিধা থাকে তাৰ কাৰণে আমি পৰিকল্পনা কৰিছো। এইটো হোৱাৰ লগে লগে বিজ্ঞান শিক্ষাৰ সমস্যাটো এটা আঞ্চলিক ভিত্তিত সমাধান

হ'ব। এই পলিচিটো লোৱাৰ কাৰণে আটাইতকৈ ভিতৰুৱা অঞ্চল বিলাক বা পিছপৰা আমাৰ গাওঁ পঞ্চায়ত আছে, য'ত আমাৰ বিদ্যালয় নাই, সেই ভিতৰুৱা অঞ্চল সমূহত বিজ্ঞান শিক্ষাৰ পোহৰ পেলাব পাৰিম। মাননীয় আব্দুল বাতিন খণ্ডকৰ ডাঙৰীয়াই মানিকপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ কথা ঘোষণা কৰিছে, হয় এই মহাবিদ্যালয় খনত বিজ্ঞান শাখাটো প্ৰৱৰ্তন কৰাৰ কাৰণে তালিকাভুক্ত কৰা হৈছে। ১০ লাখ দিয়া হৈছে তাৰ পৰীক্ষাগাৰ নিৰ্মাণ কৰাৰ বাবে। আমি ইতিমধ্যে তালিকাভুক্ত কৰা ৫০ খন মহাবিদ্যালয়, বিজ্ঞান শাখা খোলাৰ কাম পৰ্য্যায়ক্ৰমে কৰি আহিছো। সেই তালিকাত মানিকপুৰ মহাবিদ্যালয়ো আছে। আমি অতি সোনকালে তাত বিজ্ঞানৰ শিক্ষকৰ পদ সৃষ্টি কৰা কামটো কৰিম। বিদ্যালয়খনত ১ কোটি টকাৰ অনুদান আগবঢ়োৱা হৈছিল ২০১৮-১৯ত। তাৰে ৫০ লাখ টকা মহাবিদ্যালখনে পালে আৰু ৫০ লাখ টকা পোৱা নাই। নোপোৱাৰ কাৰণটো হ'ল টকাখিনি খৰচৰ প্ৰমাণ-পত্ৰ ০৯-০৩-২০২২ অৰ্থাৎ এই বছৰতে আমি UC খন পাইছো। বাকী থকা ৫০ লাখ টকা মুকলি কৰি দিয়াৰ বাবেও আমি ব্যৱস্থা গ্ৰহণ কৰিম। ৯খন যি মহিলা মহাবিদ্যালয় সংখ্যালঘু অঞ্চলত নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ চলি আছে এইখিনি নিৰ্মাণ কাৰ্য্য হোৱাৰ পিছতহে নতুন মহাবিদ্যালয় চৰকাৰে বিবেচনা কৰিব। ইতিমধ্যে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াইও ঘোষণা কৰিছে যে, প্ৰত্যেকখন বিধান সভা সমষ্টিত য'ত আদৰ্শ বিদ্যালয় CBSC অধীনত হোৱা নাই, সেইবোৰ হ'ব। উত্তৰ অভয়াপুৰীত যদি আদৰ্শ বিদ্যালয় হোৱা নাই উপযুক্ত স্থান এটা প্ৰস্তাৱ কৰিবৰ কাৰণে আব্দুল মটিন খণ্ডকৰ ডাঙৰীয়াক মই অনুৰোধ জনাইছো। মাননীয় তামুলপুৰৰ বিধায়ক জলেন দৈমাৰী ডাঙৰীয়াইও অনুৰূপ সমস্যাৰ শিক্ষকৰ কথা উল্লেখ কৰিছে। এই শিক্ষকৰ সমস্যাটো দূৰ কৰাৰ কাৰণে আমাৰ নিযুক্তি আৰু rationalization ৰ প্ৰক্ৰিয়াটো আমি সম্পূৰ্ণ কৰিম। বাকী যি শ্ৰেণী কোঠাৰ অভাৱৰ কথা উল্লেখ কৰিছে, ইয়াত মই ইতিমধ্যে কৈছো ১০ হাজাৰ কোটি টকা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই পেকেজ ঘোষণা কৰিছে। আমি মাধ্যমিক বিদ্যালয় সমূহত প্ৰয়োজনীয়তা তিনি ধৰণে ভাগ কৰিছো, কিছুমান বিদ্যালয় আছে, য'ত অলপ অলপ মেৰামতি হ'লে বিদ্যালয়খনৰ সমস্যাটো দূৰ হয়। এনে বিদ্যালয় প্ৰায় ১০০০ খন আছে। ২০০০খন এনে মাধ্যমিক বিদ্যালয় আছে য'ত যথেষ্ট মেৰামতি আৰু প্ৰায় আমাৰ ১১০০ খন এনে বিদ্যালয় আছে, যি বিলাক বিদ্যালয়ত মেৰামতিৰ কোনো সুবিধা নাই, সম্পূৰ্ণ নতুনকৈ নিৰ্মাণ কৰা হ'ব। ভৱিষ্যতদৰ্শী বিল্ডিংৰ পৰিকল্পনা ইতিমধ্যে গড়কাপ্তানী বিভাগে কৰিছে। গতিকে ১০ হাজাৰ কোটি টকা ৰূপায়ণৰ প্ৰক্ৰিয়াত সকলো বিদ্যালয়ৰ শ্ৰেণী কোঠাৰ যি সমস্যা আছে, দূৰ হ'ব। এই কাম অতি সোনকালে আৰম্ভ হ'ব। জলেন দৈমাৰীয়ে বিশেষ ভাবে উল্লেখ কৰিছে যে তামুলপুৰ এটা সমষ্টি য'ত চৰকাৰী খণ্ডত প্ৰাদেশীকৃত মহাবিদ্যালয় নাই। কথাটো সত্য। ইয়াত যিহেতু দুখন ভেন্সাৰ কলেজ আছিল, এই ভেন্সাৰ কলেজ কেইখন আমাৰ ২০১৭ চনৰ আইনৰ আওঁতাত অন্তৰ্ভূক্ত নহ'ল কাৰণে প্ৰাদেশীকৰণ নহল। এই কথাটোৰ প্ৰতি দৃষ্টি ৰাখিয়ে চৰকাৰে এখন মডেল ডিগ্ৰী কলেজ অনুমোদন জনালে তামুলপুৰ সমষ্টিত আৰু কুমাৰীকাটাত তাৰ নিৰ্মাণ চলি আছে। বাকী যি দুখন তামুলপুৰ মহাবিদ্যালয়, তামুলপুৰ ডিগ্ৰী মহাবিদ্যালয় প্ৰাদেশীকৰণৰ কথা কোৱা হৈছে। আমাৰ কেবিনেটৰ সময়ত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই BTC প্ৰধান প্ৰমোদ বড়ো ডাঙৰীয়াৰ লগত আলোচনা কৰিছে আৰু এই কলেজখিনি পৰিচালনাৰ দায়িত্ব বা প্ৰাদেশীকৰণৰ দায়িত্ব যাতে BTC প্ৰশাসনে ল'ব পাৰে তাৰ ব্যৱস্থা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ লগেত ছোৱালী স্কুল বিলাকৰ যি কথা উল্লেখ কৰা হৈছে, এইটো এটা চৰকাৰে নীতি গ্ৰহণ কৰিছে যে, আমাৰ ঐতিহ্যমণ্ডিত ছোৱালী বিদ্যালয়খিনিৰ বাহিৰে আমাৰ ক'তো ল'ৰাৰ

স্কুল বা ছোৱালীৰ স্কুল পৃথককৈ নাথাকে। সকলোবোৰ শিক্ষানুষ্ঠান co-educational হ'ব লাগে। ঐতিহ্যমণ্ডিত বালিকা বিদ্যালয় সমূহ থাকিব। কিন্তু ঐতিহ্যমণ্ডিত হলেও আমাৰ বালক বিদ্যালয় নাথাকে। সকলো বালক বিদ্যালয়ত ছোৱালীক নাম ভৰ্তি কৰোৱাৰ কাৰণে নিৰ্দেশ দিয়া হৈছে। সেই সমূহ co-educational হ'ব। তামুলপুৰৰ কুমাৰিকটাত থকা ছোৱালী হাইস্কুলক হায়াৰ ছেকেণ্ডাৰীলৈ উন্নীত কৰাৰ কথা কৈছে। আমি প্ৰায় ১ হাজাৰ স্কুলক হায়াৰ ছেকেণ্ডাৰীলৈ উন্নীত কৰণৰ এটা প্ৰক্ৰিয়া চলাই আছো। ইতিমধ্যে ২১৫ খন উন্নীতকৰণ হৈ গ'ল বাকী ৭৮৫ খন বিদ্যালয়ৰ তালিকা প্ৰস্তুত হৈ আছে। মই মাননীয় বিধায়কৰ লগত আলোচনা কৰি যে এইটোৰ গ্ৰহণ যোগ্যতা কিমান আছে, এইখিনি আমি নিশ্চিতভাবে চাম। তাৰোপৰি আপোনালোকৰ লিখিত প্ৰতিবেদন সমূহ পাইছো। মই আপোনালোকক ধন্যবাদ জনাইছো, দুয়ো গৰাকী বিধায়কক যে আপোনালোকে সমষ্টিটোৰ শিক্ষা ব্যৱস্থাটোৰ এটা অধ্যয়ন কৰি তাৰে সম্যক পৰিসংখ্যা সহ প্ৰতিবেদন আমাক দিছে, আৰু এই প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি আমাৰ শিক্ষা বিভাগে কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰিব ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া উত্তৰ প্ৰদান কৰিব জল সম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকা ডাঙৰীয়াই, আৰু তেখেতে ইয়াৰ লগতে উদ্যোগ বানিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠানৰো উত্তৰ দিব।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী** ঃ- সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, সন্মানীয় সদস্য আব্দুল খণ্ডকাৰ ডাঙৰীয়াই Members Hours যোগেদি তেখেতৰ সমষ্টিত আই নদীয়ে কেনেকৈ ধ্বংসলীলাৰ সৃষ্টি কৰিছে, সেই বিষয়ে সদনক অৱগত কৰিছে। তেখেতৰ সমষ্টিত কিছু কাম কৰাৰ কাৰণে আহ্বান জনাইছে, বা পৰামৰ্শ দিছে। মাননীয় অধ্যক্ষ মহোদয়, আই নদীয়ে ইয়াৰ গতি পথৰ বঙাইগাঁও জিলাৰ অন্তৰ্গত সোঁ পাৰৰ চেচা পানী, বালাজানী, গাৰো গাওঁ, লাচন কুৰি,ৰ পৰা ঘোঁৰামাৰা পৰ্যন্ত তথা কাছাৰিপেটি , সন্তোসপুৰ, ভড়ালী, সন্তোস পুব ভড়ালী পাৰাৰ লগতে ডুবাচুৰি, কোচবাৰী, ৰতিবাৰী আৰু মধুফুল অঞ্চলত ব্যাপক গড়াখহনীয়াৰ সৃষ্টি কৰিছে। ঠিক একেদৰে বাওঁপাৰৰ ৫ নং আৰু ৬ নং ভাণ্ডাৰাৰ বালাৰপেত ২ নং বাচবাৰীকে ধৰি টেং টেং পুৰ কাহিবাৰী অঞ্চলত তীব্ৰ গড়াখহনীয়াৰ ৰূপ লৈছে আৰু এই গড়াখহনীয়া অব্যাহত আছে। এই গড়াখহনীয়া এদিন মইয়ো চাবলৈ গৈছিলো আৰু এই গড়াহনীয়া অঞ্চলত কাম কৰিবৰ কাৰণে প্ৰত্যেক মুহুৰ্ততে সন্মানীয় বঙাইগাঁও জিলাৰ উপায়ুক্ত আৰু জল সম্পদ বিভাগৰ প্ৰত্যেকজন বিষয়া কৰ্মচাৰীক আমি সময়ে সময়ে নিৰ্দেশ দিছো। মই ফোনযোগে কেইবাবাৰো বিষয়া সকলৰ লগত কথা পাতিছো এই বিষয়ে সন্মানীয় সদস্য গৰাকীও অৱগত। মই যিদিনাখন তেখেতৰ সমষ্টিলৈকে গৈছিলো, প্ৰায় ৰাতি ৭-৩০ বাজিছিল তাত গৈ উপস্থিত হওঁতেই। তেখেতো আছিল, আমি যথেষ্ট কাম কৰা বুলি তেখেতে ৰাইজৰ আগত সেই দিনাখন আমাক প্ৰশংসা কৰিছিল। তাৰ বাবে মই ধন্যবাদ জ্ঞাপন কৰিছো, মোক প্ৰশংসা কৰাৰ বাবে নহয়, আমাৰ বিভাগটোক প্ৰশংসা কৰাৰ বাবে। সন্মানীয় অধ্যক্ষ ডাঙৰীয়া তেখেতৰ সমষ্টিত যোৱা বছৰ জল সম্পদ বিভাগৰ এক মাত্ৰ এখন দলং হৈছিল। তেখেতৰ সমষ্টিতে হৈছিল। সেই দলংখন আমি সম্পুৰ্ণ কৰিবলৈকে সক্ষম হলো। তেখেতৰ সমষ্টিত ইতিমধ্যে ১২.৩৩ কোটিটকাৰ কাম চলি আছে। SDRF ৰ শিতানত ১২.৩৩ কোটি টকাৰ কাম চলি আছে। এই বছৰ ৮ টা স্কীম তেখেতৰ সমষ্টিৰ পৰা প্ৰপোজ কৰা হৈছে under SDRF আৰু গোটেই কেইটাৰ মুল্য হ'ব ৩১.৯০ কোটি টকা। আমি চেষ্টা কৰিছো, যাতে এই টকাখিনি মোকলাব পাৰো বা আৱন্টন দিব পাৰো পুঁজি সাপেক্ষে আৱন্টন দিব পাৰো। তাৰ কাৰণে নিশ্চয়কৈ চেষ্টা কৰা হ'ব। ইতিমধ্যে চলিত বছৰত সোঁ পাৰৰ ডুবাচুৰি আৰু বাওঁ পাৰৰ ২ নং বাচবাৰী অঞ্চলত হোৱা তীব্ৰ গড়াখহনীয়াৰ

বাবে DM 50 ৰ অন্তৰ্গত বঙাইগাঁও জিলাৰ উপায়ুক্ত মহোদয়ে দুখন আঁচনিৰ কাম তাৎক্ষনিক ভাৱে কৰি আছে। উক্ত আঁচনিৰ কাম বৰ্তমান চলি আছে। ৩৪ নং অভয়াপুৰী বিধান সভা সমষ্টিত বঙাইগাঁও জলসম্পদৰ সংমণ্ডলৰ দ্বাৰা চলি থকা নতুনকৈ প্ৰস্তাৱিত আঁচনি সমূহৰ তালিকা ইয়াৰ লগত সংলগ্ন কৰি আমি দিছো। আমি এটা এটাকৈ গাই দিলে অলপ সময় লাগিব আমি লে' কৰিও দিব পাৰো। তথাপিটো কৈছে, ৩ খন আঁচনি এতিয়া আমাৰ চলি আছে। ৩ খনৰ এখন সম্পুৰ্ণ হৈছে। চিজনগ্ৰাম চাৰ্কোলৰ ১কোটি ৩২ লাখ ৯৬ হাজাৰ টকাৰ স্কীম সম্পুৰ্ণ হৈছে। চিজনগ্ৰাম চাৰ্কোলৰ অন্য এটা আঁচনি ১০ কোটি টকাৰ কাম চলি আছে। চিজনগ্ৰাম অঞ্চলৰে আৰু এটা আঁচনি ১ কোটি টকাৰ কাম ৭৫ শতাংশ সম্পুৰ্ণ হৈছে। বাকী কেইটা কাম ৩১ কোটি ৯০ লাখ ৪০ হাজাৰ টকাৰ এইবাৰ প্ৰপোজেল পাইছো। এইখিনি আমি নিশ্চয়কৈ চেংশ্যন কৰিবলৈ চেষ্টা কৰিম আৰু তেখেতৰ সমষ্টিটোত কাম কৰিবলৈকে প্ৰচেষ্টা চলোৱা হ'ব। আমাৰ অন্য এগৰাকী সন্মানীয় সদস্য আশ্ৰাফুল ইছলাম ডাঙৰীয়াই তেখেতৰ সমষ্টি চেঙাৰ বিষয়ে অৱগত কৰিছে। চেঙা সমষ্টিত আমাৰ কাম কৰিবলগীয়া যথেষ্ট আছে। অস্বীকাৰ কৰাৰ উপায় নাই, তথাপিতো মই অলপ দীঘলীয়াকৈ কথাখিনি ক'ব খুজিছো। বানপানী আৰু গড়াখহনীয়াই অসমৰ জলন্ত সমস্যা। আমি সকলোৱে জানো ১৯৫০ চনত বৰভুইকপৰ পিছত ব্ৰহ্মপুত্ৰ নদীয়ে স্থিৰতা হেৰুৱাই পেলাই, ইয়াৰ দুয়ো পাৰত বান আৰু গড়াখহনীয়া বৃদ্ধি কৰে। ইয়াৰ উপৰিও ব্ৰহ্মপুত্ৰ নদীখনে যথেষ্ট গেড কঢ়িয়াই আনে। গেড কঢ়িয়াই অনাৰ বাবে এই গেডৰ অবক্ষেপন disposition হয় আৰু তাৰ বাবে নদীৰ গভীৰতা কমি যায় আৰু ঠায়ে ঠায়ে চৰৰ সৃষ্টি হয়। যাৰ ফলত বহুতো সুঁতিৰ সৃষ্টি হয়, আৰু নদীখন বহল হৈ পৰে। এই সুঁতি সমূহে দুয়োপাৰৰ যথেষ্ট পৰিমানে খহনীয়াৰ সৃষ্টি কৰে আৰু দেখা যায় যে যোৱা ১৯৫০ চনৰ পৰা ৰাজ্যখনৰ প্ৰায় ৪ লাখ ২৭ হাজাৰ হেক্টৰ ভূমি গড়াখহনীয়াৰ কবলত পৰিছে। চেঙা সমষ্টিৰ বৌ মাৰী, বালাৰতাৰী আদি অঞ্চলত অব্যাহত থকা ব্ৰহ্মপুত্ৰ নদীৰ গড়াখহনীয়াৰ প্ৰতিৰোধৰ বাবে জল সম্পদ বিভাগৰ নলবাৰী জল সম্পদ সংমণ্ডলৰ পৰা কেইবাখনো আঁচনি প্ৰস্তুত কৰা হৈছে। আৰু আমি পুঁজিৰ কাৰণে প্ৰচেষ্টা চলাই আছো। এই কাম সমূহ নিশ্চয়কৈ কৰিবলৈকে প্ৰচেষ্টা চলাম। আমাৰ এই বছৰ SDRF ৰ অধীনত ৫ খন আঁচনি প্ৰপোজ কৰা হৈছে, চেঙা সমষ্টিৰ কাৰণে। তাৰ মুঠ মূল্য হ'ব ১৭ কোটি টকা। আৰু নাবাৰ্ডৰ কাৰণে প্ৰপোজ কৰা হৈছে, নাবাৰ্ডৰ অধীনত ৩ খন আঁচনিৰ সৰ্বমুঠ মূল্য হ'ব ১৯.৫৫ কোটি টকা, আৰু FMBAP আঁচনিৰ অধীনত এখন আঁচনি প্ৰ্পোজ কৰা হৈছে, ৭৪ কোটি টকা । চেঙা সমষ্টিৰ কাৰণে এটা ভাল খবৰ আছে, তেখেতৰ সমষ্টিত আমাৰ ABP ৰ অধীনত এটা আঁচনি চেংশ্যন হৈছে। তাৰ প্ৰাক্কলনৰ কাম চলি আছে। চেঙা সমষ্টিৰ অন্তৰ্গত বহু কেইটা অঞ্চল এই অঞ্চলটোত প্ৰাক্কলনৰ কাম চলি আছে, আৰু এই ঠাইখিনি হ'ব চেনিমাৰি , বহৰি, ভগাৰপাৰ, including protection of বহৰি সত্ৰ আৰু শুক্ৰেশ্বৰ দেৱালয় । এই সমগ্ৰ স্কীমটোত আমি অনুমোদন পাইছো, under Asian Development Bank ১৭০ কোটি টকা । আমি আশা ৰাখিছো অহা চিজন'ত এইবাৰ ডিচেম্বৰ মাহৰ পৰা আমি কামৰ চিজন বুলি কওঁ। এই চিজনটো নহয় তাৰ পিছৰ চিজনত আমি আৰু ১৪ মাহ পাছত হয়তো এই কামখিনি আৰম্ভ কৰিব পাৰিম। তাৰ লগে লগেই চেঙা সমষ্টিৰ গড়াখহনীয়াৰ যথেষ্ট সমস্যা নাইকীয়া হ'ব বুলি আমি উপলব্ধি কৰো। ইয়াৰ উপৰিও বহৰি সত্ৰৰ কথা তেখেতে কৈছে। বহৰি সত্ৰখনত আমি পাৰ্কোপাইনেৰে, পাৰ্কোপাইনৰ স্কীম দি আমি গড়াখহনীয়া ৰোধ কৰিবৰ কাৰণে সক্ষম হৈছো। আমি আগতকৈ কিছু সলনি কৰিছো। আগতে আমি পাৰ্কোপাইনৰ স্কীম খুব ভালকৈ নিদিছিলো।

এইবাৰ কেইবাটাও ঠাইত পাৰ্কোপাইনৰ স্কীমেৰে ামি ৰক্ষা কৰিবলৈ সক্ষম হৈছো। অহা ১৯ তাৰিখে যেতিয়া জলসম্পদ বিভাগৰ প্ৰশ্নোত্তৰ কাল আলোচনা হ'ব তাত এই বিষয়ে সবিশেষ জনাম। গতিকে এইখিনি নিশ্চয়কৈ কৰা হ'ব। তেখেতক আৰু এইবাৰো নিশ্চয়কৈ দিয়া হ'ব SDRF বা নাবাৰ্ডৰ অধীনত বা SOPDত এইবাৰো নিশ্চয়কৈ দিবলৈকে যত্ন কৰিম। কিন্তু তেখেতৰ সমষ্টিৰ কাৰণে ভাল খবৰ ইতিমধ্যে আছে, ১৭০ কোটি টকাৰে under Asian Development Bank অহা চিজন বা তাৰ পিছৰ চিজনত কাম আৰম্ভ কৰিম। সমস্যা নিশ্চয়কৈ সমাধান হ'ব। আমি এই খিনিতে সদনক এটা কথা জনাব খুজিছো, আমি কেইবাটাও পৰীক্ষা কৰি আছো। পাইলট প্ৰজেক্ট কৰিছো, আগতে আমি জিঅ'বেগৰ প্ৰটেকশ্যন কৰো , জিঅ'বেগটো খহাই লৈ গুছি যায়। আমি এই বছৰৰ পৰা কি কৰিলো জিঅ' বেগৰ সন্মুখত তিনি লাইন পাৰ্কোপাইনেৰে সন্মুখত যদি প্ৰটেকশ্যন দিব পাৰি তেনেকুৱা আমি পৰীক্ষা কৰিছিলো। এই পৰীক্ষা কৰা ঠাই কেইখনৰ গোটেই কেইখন ঠাইৰে ৰিজাল্ট খুব ভাল। আমি নিমাতী ঘাটৰ য'ত ২নং বুলহেড থাকে তাতে আমি এনেকুৱা এটা প্ৰায় ৪ শ মিঃ ৰ এটা স্কীম কৰিছিলো। আমি জিঅ' বেগৰ সন্মুখত তিনি লাইন percupine protection দিছিলো। টকাতো বেছি হৈ যোৱা নাই। জিঅ' বেগৰ আগতে ৩০ মিটাৰ এপ্ৰণ আছিল। আমি ২০ মিটাৰ এপ্ৰণ কৰিলো আৰু সেই ১০ মিটাৰৰ ঠাইত আমি তিনি লাইন percupine protection দিলো। দেখি ভাল লগা কথা। শুনি ভাল লাগিব। মই নিজেও গৈ চাই আহিছো। সেই কামটোত আমি এতিয়ালৈকে খুব ভালকৈ চাকচেচ হৈছো। তাত প্ৰায় ৫০ মিটাৰ siltation হৈ গ'ল, বালি পৰি গ'ল আৰু ব্ৰহ্মপুত্ৰখন আগুৱাই গৈছে। তেনেকৈ আমি experiment কৰি আছো আৰু এই experiment ত আমি য'ত য'ত সফল হৈছো এই সফলতা সমূহো আমি ADB ৰ স্কীমত লগাবলৈ চেষ্টা কৰিম, কাৰণ ADB ৰ অধীনত আমি প্ৰায় চাৰে তিনি হাজাৰ কোটি টকা পাইছো। এইদৰে বহৰীত বা চেঙাত কাম কৰা হ'ব, আপোনাক মই প্ৰতিশ্ৰুতি দিছো। মাননীয় অধ্যক্ষ মহোদয়, আমি আৰু এটা experiment কৰিছো। ব্ৰহ্মপুত্ৰৰ বালি আৰু চিমেণ্ট লগলগাই আমি পাথৰ কৰিব পাৰো নেকি? আমি জিঅ' বেগেৰে কৰো। জিঅ' বেগটো কেতিয়াবা খহাই লৈ গুছি যায়। কিন্তু আমাৰ ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া প্ৰতিৰোধৰ সকলোতকৈ সফল হোৱা কথাটো হৈছে boulder pitching. কিন্তু boulder pitching ত সমস্যাটো হৈছে যে boulder ৰ দাম বহুত বেছি আৰু boulder available নহয়। গতিকে আমি যদি boulder pitching কৰি ব্ৰহ্মপুত্ৰতত গৰাখহনীয়া প্ৰতিৰোধ কৰিব লাগে cost will come around 30 crores per kilomiter. সেইটো আমাৰ কাৰণে সম্ভৱ নহয়। আমি জিঅ' বেগ আৰু percupine ৰ ১০ কোটিৰে পাৰ কিলোমিটাৰ in the bank of Brahmaputra কৰো। কিন্তু যদি আমি বোল্ডাৰ কৰিব লাগে which is very successful কিন্তু তাৰ cost 33 crore, যিটো আমি কৰিব নোৱাৰো। আমি এতিয়া experiment কৰি আছো। কেইদিনমানৰ আগত আমি আমাৰ জলসম্পদ বিভাগৰ প্ৰায় ৩০০ ইঞ্জিনিয়াৰক দুদিনৰ কাৰণে আনি গুৱাহাটীত এখন ৰ্ৰকচপ পাতিছিলো। বহুত নতুন ডেকা ডেকা ল'ৰা ইঞ্জিনিয়াৰৰ পৰা আমি বহুত নতুন নতুন কথা শিকিলো। চিনিয়ৰ ইঞ্জিনিয়াৰ সকলেও আমাৰ আগত experiment share কৰিলে। আমি এইবাৰ ব্ৰহ্মপুত্ৰ বালিত যদি আমি চিমেণ্ট মিলাই পাথৰ কৰিব পাৰো আৰু তাত যদি আমি boulder pitching কৰিব পাৰো তেতিয়া আমাৰ ১০-১১ কোটি টকা জিঅ' বেগৰ এমাউণ্ট হয় সেইটো আমি পাথৰৰে কৰিব পাৰো নেকি? পাথৰ মানে আকৌ কৈছো ব্ৰহ্মপুত্ৰৰ বালি আৰু চিমেণ্টেৰে পাথৰ বনাইছো, experiment already কৰিছো,

আমি সফল হৈছো। কিন্তু লেবৰেটৰী টেষ্ট কৰিব লাগিব কাৰণ বিভাগ এটাই এনেই কৰি দিব নোৱাৰে। ইতিমধ্যে পাথৰ হৈছে। সকলোতকৈ সফল যদি হ'ব আমি boulder pitching কৰিব পাৰো। কিন্তু এইটো খুব expensive হয়। কিন্তু ব্ৰহ্মপুত্ৰৰ বালি আৰু যদি চিমেণ্টেৰে কৰিব পাৰো তেতিয়া বহুত কমি আহিব। তাৰ কাৰণে experiment এটা চলাই আছো। যদি হয় সেইটো অহাবাৰৰ পৰা আমি কাম আৰম্ভ কৰিম। এইবাৰ পাইলট প্ৰজেক্ট এটা আৰম্ভ কৰিম। গতিকে এইখিনি কথা মাননীয় বিধায়ক আশ্ৰাফুল হুছেইন ডাঙৰীয়াক জনালো। তেখেতৰ সমষ্টিত নিশ্চয় কাম কাৰ হ'ব। ইয়াৰ পিছত আমাৰ মাননীয় বিধায়ক শ্ৰী ৰূপেশ গোৱালা ডাঙৰীয়াই তেখেতৰ সমষ্টিৰ কেইবাটাও কথা কৈছে। তেওঁৰ সমষ্টিৰ বিষয়ে ময়ো অবগত। তেখেতৰ সমষ্টিলৈ মই গৈছো আৰু অতি সোনকালে এদিন যাম বুলি মই তেখেতক প্ৰতিশ্ৰুতি দিছো। পাৰিলে এই বিধান সভাৰ পিছতেই এদিন যাবলৈ চেষ্টা কৰিম। এই বছৰ বানপানীত চেকশ্যন ৫০ ৰ অধীনত কৰ্দৈগুৰিত আমি ২কোটি ৫০ লাখ টকা অনুমোদন দিছো আৰু তাত কাম আৰম্ভ হৈছে। বাঘজান প্ৰটেকশ্যনৰ আওতাৰত ৪কোটি টকাৰ এচ.ডি.আৰ.এফ ৰ কাম আপোনাৰ সমষ্টিত চলি আছে। এ.ডি.বি টো বাঘজান, কৰ্দৈগুৰি অঞ্চলৰ বাবে ১৪৮ কোটি টকা ধাৰ্য্য কৰা হৈছে। যেনেকৈ এ.ডি.বি ত আমাৰ চেঙা সমষ্টিৰ কাৰণে ১৭০ কোটি টকা ইতিমধ্যে অনুমোদন পাইছো। আমি আপোনাৰ সমষ্টিতো ১৪৮ কোটি টকা অনুমোদন পাইছো। এই কেইদিন এ.ডি.বি ৰ যিকেইজন বিষয়া আমাৰ অসমত ঘুৰি আছে, আমাৰ স্কীম সমূহ আমি ইতিমধ্যে জমা দিছো। কিন্তু চেণ্ট্ৰেল ডি এ চি ১৯ তাৰিখে হ'ব। কামখিনি পূৰ্ণ গতিত চলি আছে। আমি আকৌ কৈছো এইটো চিজনত নহ'ব অহা চিজনত হ'ব। গতিকে আপোনাৰ সমষ্টিৰ এইখিন কাম নিশ্চয় কৰিম আপোনাক প্ৰতিশ্ৰুতি দিছো। এইখিনি জলসম্পদ বিভাগৰ ফালৰ পৰা ক'বলগীয়া কথা আছিল।

আজি আমাৰ মাননীয় উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী ডাঙৰীয়া সদনত উপস্থিত নাই। এটা চৰকাৰী কাৰ্য্যসূচীৰ বাবে দিল্লীলৈ গৈছে। শ্ৰী ৰূপেশ গোৱালা ডাঙৰীয়াই তেখেতৰ বিভাগৰ ৰিলেটেড এটা প্ৰশ্ন কৰিছিল। মই এইটো পঢ়ি দিব খুজিছো।

সন্মানীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী শ্ৰী বিমল বৰা ডাঙৰীয়াৰ হৈ এই উত্তৰটো পঢ়ি দিছো। ভাৰতীয় চাহ বোৰ্ডৰ পৰা পোৱা তথ্য মতে ৩১ মাৰ্চ, ২০২২ চনলৈ অসমত সৰ্ব্বমুঠ ১লাখ ২২ হাজাৰ ৮১৫ খন পঞ্জীয়নভুক্ত ক্ষুদ্ৰ চাহ বাগিছা আছে। লগতে জনাওঁ যে ক্ষুদ্ৰ চাহ বাগিছা সমূহত নিয়োজিত তথ্য উদ্যোগ আৰু বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগত উপলব্ধ নহয়। ক্ষুদ্ৰ চাহ বাগান সমূহৰ উৎপাদনৰ ক্ষেত্ৰত জনাও যে ভাৰতীয় চাহ বোৰ্ডৰ পৰা পোৱা তথ্য অনুসৰি ২০২১-২২ চনত অসমত উৎপাদিত চাহৰ প্ৰায় ৪৪. ৭১ শতাংশ ক্ষুদ্ৰ চাহ খেতিয়ক সকলে উৎপাদন কৰে। গড় অনুপাতে প্ৰতিবছৰে ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ উৎপাদন বৃদ্ধি হৈ আহিছে। হয়তো অতি কম দিনৰ ভিতৰত এই উৎপাদন ৫০ শতাংশৰ অধিক হ'ব বুলি অনুমান কৰিব পৰা যায়। ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ কেঁচা চাহৰ পাতৰ মূল্য ভাৰতীয় চাহ বোৰ্ডৰ পৰা পোৱ তথ্য অনুসৰি Tea marketing control order, TMC ৰ নিয়ম অনুসৰি price sharing formula ৰ সহায়ত কেঁচা চাহপাতৰ মূল্য নিৰ্দ্ধাৰণ কৰা হয় যাতে ক্ষুদ্ৰ চাহ খেতিয়ক সকলে ফেক্টৰী সমূহৰ পৰা কেঁচা পাতৰ উচিত মূল্য লাভ কৰে। ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ কেঁচা পাতৰ উৎপাদিত খৰছ আৰু ফেক্টৰী বোৰৰ উৎপাদনৰ খৰছৰ ওপৰত গুৰুত্ব ৰাখি এই price sharing formula টো ভাৰতীয় চাহ বোৰ্ডে নিৰ্দ্ধাৰণ কৰিছে। ক্ষুদ্ৰ চাহ খেতিয়ক সকলে কেঁচা পাতৰ উচিত মূল্য পাইছেনে নাই তাক তদাৰক কৰিবলৈ প্ৰতিখন চাহ উৎপাদনকাৰী জিলাত

জিলা উপায়ুক্তৰ অধীনত একোখনকৈ District Green Leaf price monitoring committee গঠন কৰা হৈছে। চাহ বোৰ্ডৰ পৰা পোৱা তথ্য মতে অসমত সৰ্ব্বমুঠ ৩৩১ খন কাৰ্য্যক্ষম Board Leaf Tea Factory আছে। শ্ৰম বিভাগে জনোৱা মতে Board Leaf Factory সমূহত নিয়োজিত শ্ৰমিক সকলৰ কৰ্ম সুৰক্ষা occupational চেফটী আৰু স্বাস্থ্য ক্ষেত্ৰত ফেক্টৰী এক্ট ১৯৪৮ আৰু Assam Factory Rule 1950 ৰ অধীনত পৰিচালিত হয়। মাননীয় অধ্যক্ষ মহোদয়, এইখিনিয়েই মোৰ ক'ব লগীয়া।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া আমাৰ স্বাস্থ্য মন্ত্ৰী শ্ৰী কেশৱ মহন্ত ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰী কেশৱ মহন্ত, স্বাস্থ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি Member Hour ত স্বাস্থ্য বিভাগৰ ক্ষেত্ৰত আমাৰ চেঙা সমষ্টিৰ সন্মানীয় বিধায়ক শ্ৰী আশ্ৰাফুল হুছেইন ডাঙৰীয়া আৰু ডুমডুমা সমষ্টিৰ বিধায়ক শ্ৰী ৰূপেশ গোৱালা ডাঙৰীয়াই তেখেত সকলৰ সমষ্টিৰ স্বাস্থ্য খণ্ডৰ বিষয়ে উল্লেখ কৰিছে। আমাৰ মাননীয় বিধায়ক শ্ৰী আশ্ৰাফুল হুছেইন ডাঙৰীয়াই যিখিনে কথা কৈছে বা লিখিত দিছে সেইখিনি মই লক্ষ্য কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আমি আমাৰ বাকী অঞ্চল সমূহত দেখিছো এবিধ হস্পিতাল। কিন্তু তেখেত সকলৰ অঞ্চলত তিনিবিধ হস্পিতাল। এই হস্পিতালবোৰৰ এবিধ হৈছে আমাৰ জেনেৰেল হস্পিতাল আৰু এবিধ হস্পিতাল হ'ল নৈ পৰীয়া হস্পিতাল আৰু আনবিধ হ'ল নাঁৱত থকা হস্পিতাল। গতিকে তেখেত সকলৰ সমস্যাবোৰ আনতকৈ অলপ বেলেগ। সাধাৰণতে আমাৰ যিবোৰ বেলেগ সমষ্টিৰ চৰ-চাপৰিৰ বাদে তাত আমি মাটিৰে গৈ মাটিত হস্পিতাল পাওঁ । তাত হস্পিতালখন আছে নে নাই, কোনোবা তাত যাব লাগে নে নালাগে সেইখিনি যোগাযোগ ঠিকে আছে। তেওঁলোকৰ নাঁৱতো হস্পিতাল আছে, নৈপৰীয়া অঞ্চলতো হস্পিতাল আছে আৰু বাকী আমাৰ নিচিনা হস্পিতালো আছে। গতিকে মই দেখিছো চেঙা সমষ্টিত চেঙা মডেল হস্পিতালখন সম্পূৰ্ণ হৈছে কিন্তু কাৰ্য্যকৰী হোৱা নাই। তাৰ পিছত বৰপেটা জিলাত চেঙা BPHE, MPHE, কুছামমাৰা State Dispensary, কাৰাখইটি RPHE, ঠিক এনেধৰণে তেখেতৰ তাত সৰ্বমুঠ ৯ খন আছে। তাৰে এখন under construction ত আছে, এইখন অলপ সময় লাগিব বাকীখিনি চলি আছে। ইয়াত Sub-Centre আছে ৪২ টা। এই ৪২ টা sub-centre ৰ কিছু sub-centre ভাড়াঘৰত আছে। মই তেখেতক অনুৰোধ জনাব বিচাৰিছো যে ভাড়াঘৰৰ পৰা sub-centre সমূহ নতুনকৈ নিৰ্মাণ কৰিব পৰা হ'ব, তেখেতে সেই এলেকাৰ সমূহত মাটিৰ ব্যৱস্থাটো কৰি দিলে ভাল হয়। কাৰণ সেই এলেকাৰ জনসংখ্যা লৈহে sub-centre সমূহ হৈছে। গতিকে সেই এলেকাসমূহত তেখেতে মাটি উলিয়াই দিয়াত গুৰুত্ব দি মাটিখিনি উলিয়াই দিয়ক। তেতিয়া আমি সেই sub-centre সমূহ কৰিম।

ইয়াৰ কিছু sub-centre Health & Wellness centre লৈ উন্নিত হৈছে। তাত Community Health Officer ও গৈছে। এতিয়া যিকেইটা উন্নত হোৱা নাই, নিৰ্মাণ কিছু বাকী আছে বুলি কৈছে, জৰাজীৰ্ণ অৱস্থাত থকা বুলি কৈছে, সেই কেইটা আমি পৰ্য্যায়ক্ৰমে আটাইকেইটাই Health & Wellness centre লৈ উন্নিত কৰিম, নিৰ্মাণ কৰি দিম আৰু পৰ্য্যায়ক্ৰমে তাত Community Health Officer নিয়োগ কৰিম। গতিকে এই গোটেইখিনি কথা আছে আৰু সম্পূৰ্ণ কৰা চেঙা মডেল হস্পিতালখনৰ বিষয়ে মই তেখেতৰ লগত কথা পাতি লম, বিষয়া সকলৰ লগতো কথা পাতি লম, ফাৰ্নিচাৰ আদি সমূহ কেনেকৈ দিব পৰা যায়। এইখিনি মই ঠিক কৰিম আৰু মই আশা কৰিছো তেখেতে কোৱা কথাখিনি মই নকও যে ১০০ শতাংশই কৰিব পাৰিম, কিন্তু যিমানখিনি পাৰো, তেখেতে আজি যিকেইটা বিষয় উত্থাপন কৰিলে, সেই

বিষয় কেইটা কৰাৰ কাৰণে চেষ্টা কৰিম।

বৰপেটাত থকা ফকৰুদ্দিন আলি আহমেদ মেডিকেল কলেজ, সেইখন তেখেতৰ সমষ্টিৰ পৰা ১৬ কিলোমিটাৰ। গতিকে বৰ বেছি দূৰ নহয়। উন্নত চিকিৎসাৰ ক্ষেত্ৰত সা-সুবিধা পাবলৈ তেখেতৰ সমষ্টিৰ পৰা সেইখিনি সা-সুবিধা আছে। অৱশ্যে মাজতে নদী এখন থকা বাবে, যিহেতু নদীখনত দলং নাই, তাৰ পৰা অলপ অসুবিধা হয়। তেখেতৰ সমষ্টিৰ পৰা কলগছিয়া হস্পিতাললৈ যোৱা হয়, তালৈ ৩৮ কিলোমিটাৰ হয়। মই সেইকাৰণে কৈছে যে ইয়াত তিনিবিধ হস্পিতাল আছে, সমস্যাটো বেলেগ। সেই কাৰণে ইয়াত গুৰুত্বসহকাৰে বাকীখিনি সহায় কৰা হ'ব আৰু sub-centre খিনি উন্নিত কৰি তাত যাতে প্ৰথম পৰ্য্যায়ত চিকিৎসা আৰম্ভ কৰিব পাৰে, Community Health Officer বিলাক আমি তাত দিম আৰু এটা হ'ল, ডুমডুমা সমষ্টিৰ ৰূপেশ গোৱালা ডাঙৰীয়াই কেইবাটাও কথা ইয়াত উত্থাপন কৰিছে। তাতো আমাৰ ৩২ টা sub-centre আছে। তাৰে ২৬ টা sub-centre ত বিল্ডিং আছে, বাকী ৬ টা নাই। গতিকে ৬ টাৰ কাৰণে মাটি তেখেতে উলিয়াই দিয়াক, আমি তাত নতুনকৈ নিৰ্মাণ কৰি দিম। বাকী Health & Wellness centre কিছু হৈছে আৰু অলপ হ'বলৈ বাকী আছে। সেইখিনিও পুনৰ নিৰ্মাণ কৰি আমি সম্পূৰ্ণ Health & Wellness centre কৰিম আৰু তাত CHO যিবিলাক দিব লাগে, সেইখিনি দিম। ইতিমধ্যে ঘোষণা হৈছে । বাকী তেখেতৰ সমস্যা কেইবাটাও আছে, যেনে ডাক্তৰ নোহোৱা ইত্যাদি। ডুমডুমাত FRU ত ডাক্তৰ, নাৰ্চকে ধৰি এইখিনিৰ অলপ সমস্যা আছে। এইটো আমি অতিসোনকালে দূৰ কৰাৰ চেষ্টা কৰিম। ইয়াৰ ওপৰিও যিখন ফিলোবাৰী মডেল হস্পিতাল আছে, তাতেও কিছু অভাৱ আছে। এই কেইটা কথা মই তেখেতৰ জাননী পোৱাৰ পিছত বিভাগৰ লগত ইতিমধ্যে কথা পাতিছো আৰু বিভাগক এইখিনি কথা সংগ্ৰহ কৰি আনিবলৈ দিছো, য'ত যিখিনি অসুবিধা আছে। সেইখিনি অতি সোনকালে পুৰণ কৰিবলৈ চেষ্টা কৰি আছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া কৃষি বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক উত্তৰ দিবলৈ অনুৰোধ জনাইছোঁ।

**শ্ৰীঅতুল বৰা, (কৃষিমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি এই Members' Hour ত তামুলপুৰ বিধান সভাৰ সমষ্টিৰ সন্মানীয় বিধায়ক জলেন দৈমাৰী ডাঙৰীয়াই তেখেতৰ সমষ্টিৰ কৃষিখণ্ড সম্পৰ্কীয় কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় সদনৰ মজিয়াত উত্থাপন কৰিছে।

আমি সকলোৱে জানো যে আমাৰ অৰ্থনৈতিক ঘাইকৈ কৃষিভিত্তিক আৰু বিশেষভাৱে তামুলপুৰৰ অৰ্থনিতিও ঘাইকৈ কৃষিভিত্তিক। তামুলপুৰৰ অধিক সংখ্যক খেতিয়ক হৈছে ক্ষুদ্ৰ আৰু উপান্ত খেতিয়ক। তেখেতে কেইটামান বিষয় উত্থাপন কৰিছে। মই সেই বিষয়কেইটাৰ সম্পৰ্কত দুষাৰ ইয়াৰ উত্তৰ কব খুজিছো। আপোনালোকে জানে যে এইবাৰ আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে ধান ক্ৰয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিলে, ১০ লাখ মেট্ৰিকটন ধান ৰাজ্যখনত ক্ৰয় কৰিবলৈ লক্ষ্য স্থিৰ কৰিছিলে। ইতিমধ্যে ৫ লাখতকৈ অধিক মেট্ৰিকটন ধান ৰাজ্যখনত ক্ৰয় কৰা হৈছে আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ আত্মনিৰ্ভৰ যিটো ধাৰণা, সেই ধাৰণা শক্তিশালী কৰিবলৈ কৃষি আৰু আনুসংগিক খণ্ডৰ ওপৰতে আত্মনিৰ্ভৰ অসম গঢ়াত গুৰুত্ব আৰোপ কৰিছে আৰু ইতিমধ্যে কৃষি বিভাগে কৃষি আৰু সহযোগী খণ্ড সমূহৰ আৰ্ন্তঃগাঠনি আৰু সৃষ্টিকে ধৰি বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। এতিয়া কথা হ'ল যে বানপানীত বহুত কেনেল ভাঙি যোৱাৰ কথা দৈমাৰী ডাঙৰীয়াই উল্লেখ কৰিছে। এইটো আচলতে আমাৰ বিভাগত কেনেল নিৰ্মাণৰ কোনো ব্যৱস্থা নাই। গতিকে আমি সংশ্লিষ্ট বিভাগৰ লগত কথাখিনি পাতিম। PPC ৰ কথাটোও তেখেতে কৈছে যে এটা PPC centre আছে বুলি। গতিকে তেখেতে কুমাৰীকাটা, নাগ্ৰীজুলি আৰু নাওকাটাত PPC centre

দিয়াৰ কথা কৈছে। আপোনালোকে দেখিছে যে এইবাৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ নিৰ্দেশক্ৰমে যিখিনি নিম্নতম সমৰ্থন মুলত ধান ক্ৰয় কৰা হৈছিল ১৯৪০ টকাত per quintal। এইবাৰ ২০৪০ টকাকৈ বৃদ্ধি কৰা হৈছে। মই জলেন দৈমাৰী ডাঙৰীয়া কথাৰ আগ ধৰিয়ে কব খোজো যে ধানৰ এই নিম্নতম সমৰ্থন মুল্যই আমাৰ কৃষকক উৎসাহিত কৰিছে। আমি আশা কৰো যে ইয়াৰ ওপৰত নিশ্চয় অনাগত সময়ত আৰু অধিক পৰিমানৰ কৃষি ভূমিত ধানখেতি কৰিবলৈ কৃষক ৰাইজক উৎসাহিত কৰিব পাৰিম। সমস্যা হৈছে বিভিন্ন ঠাইত এনে ধৰণৰ Paddy Procurement centre নিদিয়া, ক'ৰবাত গুদাম নাই, warehouse নাই ৰাইচ মিল নাই, এই সমস্যাবিলাকো আছে। সেই সমস্যাবিলাক দূৰ কৰিবৰ কাৰণে চৰকাৰে পৰিকল্পনা কৰিছে। ইতিমধ্যে ৰাজ্যখনৰ বিভিন্ন ঠাইত এনেধৰণে নতুনকৈ warehouse নিৰ্মাণৰ পৰিকল্পনা কৰিছে আৰু চাবচিডিত কিছু ৰাইচ মিল দিয়াৰ ব্যৱস্থাও চৰকাৰে কৰিছে আৰু সেইখিনি সুবিধা আমাৰ সন্মানীয় সদস্য সকলে নিশ্চয় ৰাইজৰ স্বাৰ্থত, কৃষকৰ স্বাৰ্থত গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিব। আমি এইবাৰ Paddy Procurement বিশেষভাৱে food corporation of India ৰ পৰিবৰ্তে Assam Food and Civil Supply corporation ৰ ওপৰত আমাৰ চৰকাৰখন নিৰ্ভৰ কৰিব। National Agricultural Co-operative marketing faderation of India NAFED আছে লগতে National Federation of farmers procurement processing and retailing co-operative of India NACOF and CCF আৰু Assam State Agricultural Maketing Board ক এই কামখিনি কৰিবলৈ চৰকাৰে দায়িত্ব দিছে। ইয়াৰ উপৰিও মই আজি এই কথা সদনৰ মজিয়াত জনাবলৈ পালে আনন্দিত হ'ম যে, মাননীয় অধ্যক্ষ মহোদয়, ২০২১-২২ বৰ্ষত আমাৰ অসমৰ পৰা ১৭৯৯.৩২ কোটি টকাৰ বিভিন্ন শস্য বিশ্বৰ ৮৮ খন দেশলৈ ৰপ্তানি কৰা হৈছে। মই ভাবো এইটো আমাৰ ৰাজ্যখনৰ কৃষক সকলৰ কাৰণে খুব আশাৰ বতৰা আৰু এই কথাখিনি যোৱা লোকসভাত মাননীয় কেন্দ্ৰীয় মন্ত্ৰী তোমৰ ডাঙৰীয়াই এটা লিখিত প্ৰশ্নৰ উত্তৰত এই কথাখিনি কৈছে আৰু সেই ৰপ্তানি কৰা শস্য সমূহৰ ভিতৰত চাউল, লিচু, নেমুটেঙা, মালভোগ কল, ভুট জলকীয়া, আদা-হালধি, ৰঙালাউ ইত্যাদি বিভিন্ন শাক-পাচলি আছে। গতিকে তামোলপুৰৰ নিচিনা ঠাইত ধানখেতিৰ উপৰিও মই জানো যে তাত অন্যান্য এনে ধৰণৰ যিবিলাক মই উল্লেখ কৰিছো, যিবিলাক বস্তু বৰ্হিৰাজ্যলৈ বিদেশলৈ ৰপ্তানি হৈছে সেইবিলাক যথেষ্ট উৎপাদন হয়। ৰবি খেতিৰ ক্ষেত্ৰত আমাৰ চৰকাৰৰ তৰফৰ পৰা যিখিনি support দিব লাগে আমি support দিয়াৰ ব্যৱস্থা কৰিম। ইয়াৰ পৰিবৰ্তে তেখেতে যি বান্ধৰ কথা কৈছে আপোনালোকে জানে যে, নাবাৰ্ডৰ বিত্তীয় সাহায্যত অসম চৰকাৰৰ কৃষি বিভাগে গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ণ পুঁজিৰ অধীনত কৃষকৰ কথাত জলসিঞ্চনৰ ব্যৱস্থা কৰি দিয়া হৈছে আৰু এই আঁচনিৰ অধীনত ৭৫ শতাংশ ৰাজ সাহায্যৰে অ-গভীৰ নলী-নাদৰ সৈতে ডিজেলচালিত আৰু বিদ্যুৎ চালিত পাম্পচেট আৰু ৮৫ শতাংশ ৰাজ সাহায্যৰে অ-গভীৰ নলী-নাদৰ সৈতে সৌৰশক্তি চালিত পাম্পচেট কৃষকৰ বাবে আগবঢ়োৱা হৈছে। মাননীয় বিধায়ক শ্ৰী জলেন দৈমাৰীৰ জ্ঞাতাৰ্থে ক'ব বিচাৰো যে তামোলপুৰ বিধান সভা সমষ্টিৰ অন্তৰ্গত বিভিন্ন অঞ্চলৰ কৃষকৰ পথাৰত মুঠ ৭৪ টা অ-গভীৰ নলী-নাদৰ সৈতে ডিজেল চালিত পাম্পচেট আৰু ৬৪ টা অ-গভীৰ নলী-নাদৰ সৈতে সৌৰচালিত পাম্পচেট এতিয়ালৈকে স্থাপন কৰা হৈছে। বিধায়ক মহোদয়ক এই চেগতে জনাব বিচাৰিছো আগ্ৰহী কৃষকৰ আবেদনৰ ভিত্তিত আৰু যদি আবেদন পোৱা যায় আমি ইয়াৰ সংখ্যা নিশ্চয় বৃদ্ধি কৰিব পাৰিম। বিধায়ক দৈমাৰী ডাঙৰীয়াক ভাষাৰে মই ক'বলৈ বিচাৰো সম্পত্তিৰ

ৰবিশস্যৰ খেতিৰে আমাৰ ৰাজ্যখনৰ বহুতো কৃষক অৰ্থনৈতিক দিশে লাভান্বিত হৈছে বহু ঠাইত এফ.পি.চি গঠন কৰা হৈছে। গতিকে তাতো যদি তেনে ধৰণৰ এফ. পি. চি গঠনৰ বিবেচনা কৰে বিভিন্ন আঁচনিৰ অধীনত আমি এফ, পি. চি গঠন কৰিম। কৃষক সকলক সকাহ দিবলৈ আমি চেষ্টা কৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। আমাৰ Members Hour সম্পূৰ্ণ হ'ল। এতিয়া আমি Private Members Bill আৰু কিছু Resolution লৈ আগবাঢ়ি যাওঁ। যিসকলে আজিৰ বিলৰ ওপৰত বক্তব্য ৰাখিব তেখেত সকলে নামটো দিব লাগিব গোটেই পাৰ্টী Resolution ৰ ওপৰত আৰু সেই হিচাপে আমাৰ Private Members Bill আৰু Resolution ৰ ওপৰত আলোচনা চলিব। Item No.- 4 মই " The Chalung Siukapha Skilling University Bill, 2022." সন্মানীয় সদস্য শ্ৰীদেৱব্ৰত শইকীয়া ডাঙৰীয়াক বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ সন্মতি বিচাৰি প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী দেৱব্ৰত শইকীয়া, (নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "The Chalung Siukapha Skilling University Bill, 2022." বিধেয়ক খন উত্থাপন কৰিব বিচাৰিছো। মহোদয়, আজিৰ পৰা প্ৰায় ৭৯৪ বছৰ আগতে আমাৰ অসমত চাওলুং চ্যুকাফাই প্ৰবেশ কৰিছিল আৰু অসমভূমিত তেখেতে ৪০ বছৰ ৰাজ্য শাসন কৰাৰ পাছত ১২ শ ৬৮ চনত পৰলোকপ্ৰাপ্তি হৈছিল বুলি ইতিহাসে কয়। এই কাৰণে ২ ডিচেম্বৰ তাৰিখটো ১২ শ ২৮ চনত ধাৰ্য্য কৰা হৈছিল অসমত প্ৰবেশ হয় বুলি । পাটকাই পৰ্বত পাৰ হৈ এই দিনটোত অসমত প্ৰবেশ কৰাৰ বাবে বৰ্তমান সময়ত অসম দিৱস অথবা আধুনিক অসমৰ প্ৰতিষ্ঠা দিৱস হিচাপে আমি সকলোৱে পালন কৰো। স্বৰ্গদেউ চ্যুকাফা কেৱল বীৰত্বৰে ৰণ জয় কৰি সেই সময়ত অসম গঠন কৰিবলৈ চেষ্টা কৰা নাছিল বৰঞ্চ তেখেত আছিল সমাজ আৰু সংস্কৃতিৰ সম্পৰ্কে এজন উচ্চ জ্ঞান সম্পন্ন এজন মহান ব্যক্তি আৰু সেয়েহে যুদ্ধ নহয়, ভাতৃত্ববোধৰ প্ৰেমেৰে তেখেতে ৰাজ্য নিৰ্মাণৰ কথাও ভাবিছিল। সেই গতিকে সেই সময়ত তেখেতে উজনিত থকা চুটীয়া, মৰাণ, বৰাহী আদি বিভিন্ন সম্প্ৰদায়ৰ যিসমূহ জনগোষ্ঠী আছিল, সেইসমূহৰ যিসকল ৰজা আছিল সেই জনগোষ্ঠী সমূহৰ লগত গভীৰ সামাজিক সম্পৰ্ক গঢ়ি তুলিছিল আৰু তাৰ যোগেদি তেখেতে টাই মংগোলীয় ভাষা কৃষ্টি যিখিনি নিজৰ লগত লৈ আহিছিল তাৰ লগত থলুৱা ভাষা কৃষ্টিৰ সংমিশ্ৰণ কৰি এটা অসমীয়া জাতিৰ পৰিচয় দিবলৈ সৃষ্টি হৈছিল। থলুৱা থলগিৰি, মৰাণ বৰাহী আৰু কছাৰী সকলৰ লগতো সেই সময়ত বৈবাহিক সম্বন্ধ স্থাপন কৰাৰ উদাৰতা দেখুৱাই লগতে বিভিন্ন ৰাজকাৰ্য্যত বিভিন্ন উপাধি যেনে- বৰা, শইকীয়া, হাজৰিকা, বৰুৱা, ফুকন ইত্যাদি উপাধিৰ সৃষ্টি কৰিছিল আৰু কৰ্মৰ ভিত্তিত যিকোনো সম্প্ৰদায়ৰ লোককে সেই উপাধিসমূহ তেওঁলোকৰ দক্ষতা ভিত্তিত প্ৰদান কৰি ৰাজ্য চলোৱাৰ অংশীদাৰ কৰাৰ লগতে ৰাজ্যৰ প্ৰজা হিচাপে অধিক ঘনিষ্ঠ কৰিবলৈ তেখেত সক্ষম হৈছিল অত্যাচাৰৰ বিপৰীতে বন্ধুত্ব আৰু প্ৰেম, বিছিন্নতাৰ বিপৰীতে সম্প্ৰীতি আৰু ভাতৃত্ববোধ এয়া আছিল সেই সময়ৰ ৰাজ্য শাসনৰ মূল মন্ত্ৰ আৰু তেখেতৰ এই মহানতাৰ বাবে আমি বৰ অসমৰ ভেটি প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হোৱা অসমৰ গঢ়োতা বুলিও কওঁ। যিদৰে মহাপুৰুষ শংকৰদেৱৰ অবিহনে তেখেতৰ সৃষ্টি আৰু কৃষ্টিসমূহৰ অবিহনে অসমীয়া জাতিৰ স্বীকৃতি দিবলৈ সম্ভৱ নহয়, ঠিক তেনেকৈ চ্যুকাফাৰ অবদান অবিহনে আমি যি অসমীয়া জাতি সেই জাতিৰ কথা ভাবিব নোৱাৰো। তেখেতৰ যি নীতি সেই নীতিকে সাৰোগত কৰি ছয় শ বছৰ আহোম সকলে ৰাজত্ব কৰিছিল আৰু সেই সময়ত যিহেতু গোটেই ৰাজ্যখনকেই তেখেতসকলে নিজৰ বুলি ভাবিছিল,

প্ৰজা সকলক নিজৰ বুলি ভাবিছিল। অন্য কেতবোৰ ৰাজপৰিয়ালত দেখাৰ নিচিনা বিশেষ ৰাজপ্ৰসাদ তেখেত সকলে গঠন কৰা নাছিল। সেই সময়ত যি এখন যুদ্ধ হৈছিল, সেই যুদ্ধত মোগলৰ সেনাপতি ৰামসিঙে কৈছিল যে প্ৰতিজন অসমীয়া সেনাই দক্ষ, পাকৈত । তেখেত সকলে নিজে নাওঁ বব জানে, মাটি খাণ্ডিব জানে, ধেনুকাড় চলাব জানে, বন্দুক বাৰুদ চলাব জানে আৰু তেখেত সকল সকলো কামতে দক্ষ। যিহেতু কোনো fixed permanent army নাছিল, কিন্তু সকলোৱে ৰজাৰ ৰাজকাৰ্য্যটো সহায় কৰিছিল আৰু সকলো দিশত তেওঁলোক অভিজ্ঞ আছিল। আমি আজি সেই তেনে এজন মহান ব্যক্তিৰ নামত এখন Skilling University কৰাৰ বাবে মই প্ৰস্তাৱ আগবঢ়াইছো য'ত আমাৰ প্ৰাকৃতিক সম্পদ, বিজ্ঞান, কাৰিকৰী বিজ্ঞান, কৃষি বা শুশ্ৰূষা আৰু অন্যান্য যিকোনো বিষয়ত উঠি অহা প্ৰজন্মক প্ৰশিক্ষণ দিব পৰা যাব আৰু ইয়াৰ বাবে অসম চৰকাৰক মই আহ্বান জনাইছো। ইতিমধ্যে অসম চৰকাৰে বিভিন্ন মহিয়ষী বা মহাপুৰুষৰ নামত কেতবোৰ বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰিছে। উদাহৰণ স্বৰূপে ভট্টদেৱ বিশ্ববিদ্যালয়, মাধৱদেৱ বিশ্ববিদ্যালয়, ৰবীন্দ্ৰ নাথ ঠাকুৰ বিশ্ববিদ্যালয়, সাংস্কৃতিৰ বাবে মাজুলী কৃষ্টি কলা বিশ্ব বিশ্ববিদ্যালয়, বীৰাংগনা সতী সাধিনী ৰাজ্যিক বিশ্ববিদ্যালয় ইত্যাদি। মই ভাৱো যে যি অসমীয়া জাতি গঠনৰ এজন নায়ক যাৰ ভিত্তিত আমি অসম দিৱসো পালন কৰো তেখেতৰ স্মৃতিত এখন ইউনিভাৰচিটি দিবৰ বাবে মই প্ৰস্তাৱ কৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি Move কৰক।

**শ্ৰী দেৱব্ৰত শইকীয়া, নাজিৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, Now I move আমাৰ অসমৰ "The Chaolung Siukapha Skilling University Bill, 2022." সদনত গৃহীত হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱটো হ'ল "The Chaolung Siukapha Skilling University Bill, 2022." বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ সন্মতি আছেনে ? যিসকল মাননীয় সদস্য/ সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেত সকলে কওঁক হয়, যিসকলে বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়, মই ভাৱো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়কখনউত্থাপন কৰা হ'ল। এতিয়া Item No. 5 আছে শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়াৰ "The Public Properties Insurance Bill, 2022" বিধেয়কখন বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি (নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Public Property Insurance Bill,2022" সদনত উত্থাপন কৰিবৰ বাবে অনুমতি বিচাৰিলো।

**মাননীয় অধ্যক্ষ ঃ এতিয়া** বিবেচনাৰ বাবে লোৱা হ'ল। এতিয়া দেৱব্ৰত শইকীয়া ডাঙৰীয়াক ক'বলৈ অনুৰোধ কৰিলো।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি (নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Public Properties Insurance Bill, 2022" সদনত আজি বিবেচনাৰ বাবে লোৱাৰ কাৰণে মই আপোনাক ধন্যবাদ জনাইছো। আমাৰ অসমত বহুতো উদ্যোগ প্ৰতিষ্ঠা হৈছে আৰু এই উদ্যোগ সমূহত বিভিন্ন লোক কৰ্মৰত হৈ আছে। লগতে এই উদ্যোগসমূহৰ পাৰ্শ্বৱৰ্তী অঞ্চলসমূহতো বহু লোক বসবাস কৰি আছে। কেতবোৰ উদ্যোগৰ পৰিচালনাৰ ফলত কেতিয়াবা বিভিন্ন সময়ত জনসাধাৰণৰ স্বাস্থ্যৰ প্ৰতি ভাবুকি অহাৰ পৰিলক্ষিত হয়। সেইবোৰৰ উদাহৰণ হৈছে-তৈল খনন অন্বেষণৰ উদ্যোগ, কয়লা খনন উদ্যোগ, হাইড্ৰ'পাৱাৰ জলবিদ্যুৎ প্ৰকল্প, ৰাসায়নিক উদ্যোগ, বিদ্যুৎ

জেনেৰেশ্যন উদ্যোগ, চিমেণ্ট উদ্যোগ, সাৰ উদ্যোগ, প্লাষ্টিক উদ্যোগ আৰু ৰাস্তা-ঘাট আদি নির্মাণ কৰোতে ব্যৱহাৰ কৰা শিল আদি উদ্যোগ। চেণ্ট্রেল পলিউশ্বন বোর্ডৰ তথ্য মতে যদিহে Stone crusher উদ্যোগ সমূহত ভালদৰে preventive measures লোৱা নহয় তাৰ পৰা শ্বাস-প্রশ্বাস জনিত, এজমা আদিৰ দৰে ৰোগ হোৱাৰ পৰিলক্ষিত হয়। নেচনেল প্রডাক্টিভিটি কাউঞ্চিলৰ গাইড লাইন অনুসৰি Stone crusher উদ্যোগ সমূহত ধূলিৰ পৰা সুৰক্ষা পাবৰ বাবে Open Operation সমূহ cover হ'ব লাগে। ঠিক তেনেকৈ Open coal mining ফলতো বহুধৰণৰ বেমাৰ হয়। ইয়াৰে কিছুমান পানীৰ লগত জড়িত আৰু কিছুমান বতাহৰ লগত জড়িত। যেনে-এজমা, লাং ইনফেকশ্যন, জণ্ডিছ, কলেৰা, টাইফয়ড ইত্যাদি। এই ক্ষেত্রত "Impact of open crush coal mining on health. A study of the Northeastern coal field" নামৰ এটা অধ্যয়ন আছে। এম.জি.কে.জি. কলেজ, ডিব্রুগড়ৰ এজন সহকাৰী অধ্যাপকৰ এইটো এটা অধ্যয়ন। Right to operate stone crushers not above the right to life নামৰ National Green Tribunal এটা সময়ত এটা ৰায় প্রদান কৰিছিল। ঠিক তেনেকৈ যোৱা জুলাই মাহত লক্ষ্মী টি ইণ্ডাষ্ট্রীত মাইনা নামৰ এগৰাকী মহিলাৰ দুর্ঘটনা হৈছিল। ঠিক তেনেকৈ ২০২০ চনত বাঘজানত ৬৫০ টা পৰিয়ালৰ ক্ষতি হৈছিল। মাগুৰি বটাবম অঞ্চলৰ ডিব্রু-চৈখোৱা অঞ্চলত বিস্তৰ ক্ষতি সাধন হৈছে। তেতিয়া A proper machanism need to be develop in high risk facilities which focuses bringing down off Zero. বুলি এটা মতামত প্রকাশ কৰা হৈছিল। ঠিক তেনেকুৱাকৈ আমি যদি চাওঁ আমাৰ কপিলী বা অন্য জলবিদ্যুৎ প্রকল্প সমূহত যেতিয়া অত্যাধিক পানী এৰি দিয়া হয়, তেতিয়া বিভিন্নধৰণৰ ক্ষয়-ক্ষতি হয়। গতিকে এনেকুৱা ধৰণৰ উদ্যোগ আছে। সেই উদ্যোগসমূহত অনুমতি দিওঁতে তাৰ লগত এটা কম্পোনেণ্ট যদি থাকে যে এই উদ্যোগসমূহৰ ওচৰৰ নির্দ্দিষ্ট এটা অঞ্চলৰ লোকৰ সা-সম্পত্তি আৰু জীৱনৰ বাবে এটা ইঞ্চুৰেঞ্চৰ ব্যৱস্থা কৰা হয় তেতিয়াহ'লে বহুখিনি বিপদৰ পৰা এই লোকসকলে পৰিত্রাণ পাব। আমাৰ যিহেতু চিকিৎসা ব্যৱস্থাত সকলোখিনি বিনামূলীয়া নহয়, যথেষ্ট ব্যয়বহুল। কাৰণ আমাৰ উত্তৰ-পূর্বাঞ্চলৰ ৮৭ শতাংশ মানুহৰ ইঞ্চুৰেঞ্চ নাথাকে আৰু আউট অফ দ্যা পকেট বহুখিনি খৰচ হয়। ঠিক তেনেকৈ ৬৭ শতাংশ মানুহে ব্যক্তিগত চিকিৎসালয় চিকিৎসা কৰিব লাগে বুলি সমীক্ষাত আহিছে। সেয়েহে এনেকুৱা এখন বিলত যদি আমাৰ আহে য'ত Haphazard and High Risk Industry ইঞ্চুৰেঞ্চৰ ব্যৱস্থা থাকে যাতে আমাৰ জনগণই সুৰক্ষা লাভ কৰিব পাৰে। সেয়েহে এই বিলখনৰ প্রস্তাৱ কৰিছো।

মাননীয় অধ্যক্ষ ঃ মই এই বিষয়ত আলোচনা কৰিবৰ বাবে কোনো সদস্যৰ নাম কোৱা নাই। সেয়েহে মাননীয় মন্ত্রী মহোদয়ক উত্তৰ দিবলৈ অনুৰোধ কৰিলো।

**শ্রী পীযুষ হাজৰিকা, মাননীয় মন্ত্রী, সংসদীয়পৰিক্রমা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য দেৱব্রত শইকীয়া ডাঙৰীয়াই উপস্থাপন কৰা বিষয়টোৰ ওপৰত মই উদ্যোগ আৰু বাণিজ্যিক মন্ত্রী বিমল বৰাদেৱৰ হৈ উত্তৰ দিবলৈ ওলাইছো। সন্মানীয় সদস্য গৰাকীয়ে অনা বিধেয়কখনৰ ওপৰত ইতিমধ্যে আলোচনা হ'ল আৰু এই সম্পর্কত মাননীয় সদস্য আৰু সদনক জনাব বিচাৰিছো যে বে-চৰকাৰী সদস্যৰ বিধেয়কৰ জৰিয়তে যিকোনে উদ্যোগত ঘটা ঘটনা আৰু দুর্ঘটনাৰ ফলত ক্ষতি গ্রস্ত হ'ব পৰা ৰাইজৰ জীৱন আৰু সম্পত্তিৰ বীমা বাধ্যতামূলক কৰিব বিচৰা হৈছে। The Public Properties Insurance Bill, 2022 বিধেয়কখন পৰীক্ষা কৰি দেখা গ'ল যে ইয়াৰ সন্নিবিষ্ট ধাৰাসমূহৰ বিষয়ে সম্পূর্ণভাৱে প্রতিফলিত হোৱা নাই। উদাহৰণ

স্বৰূপে ইয়াত উল্লেখ কৰা High Risk উদ্যোগ সমূহ ভালদৰে চিনাক্তকৰণ হোৱা নাই। একেদৰে উক্ত বিধেয়কখনৰ High Risk উদ্যোগ সমূহৰ মালিকসকলে বাধ্যতামূলক ভাৱে যে দুৰ্ঘটনাৰ ফলত ক্ষতিগ্ৰস্ত হ'ব পৰা সাধাৰণ লোকৰ জীৱন আৰু সম্পত্তিৰ ক্ষতিপূৰণ দিবৰ বাবে বীমা কৰিবই লাগিব সেইটো উল্লেখ নাই। ক্ষতিগ্ৰস্ত লোকে কি ধৰণে বীমাৰ জৰিয়তে ক্ষতিপূৰণ লাভ কৰিব তাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপ্ৰণালী সেয়াও এই বিধেয়কত স্পষ্টভাৱে উল্লেখ নাই। ক্ষতিগ্ৰস্ত লোকৰ চিনাক্তকৰণ আৰু ক্ষতিপূৰণৰ পৰিমাণ কোনজন কৰ্তৃপক্ষই কৰিব সেইটোও সম্পূৰ্ণভাৱে উল্লেখ নাই। এই বিধেয়কখনৰ বাধ্যতামূলক ধাৰাসমূহ ভঙ্গ কৰাৰ ফলত কি শাস্তি ব্যৱস্থা গ্ৰহণ কৰা হ'ব, সেই বিষয়েও উল্লেখ নাই। এই ক্ষেত্ৰত সদনক জনোৱা হয় যে বিষয়-বস্তু সম্পৰ্কত ইতিমধ্যে এখন কেন্দ্ৰীয় আইন The Liability Insurance Act, 1991 ইতিমধ্যে লাগু হৈ আছে। ইয়াৰ জৰিয়তে সাধাৰণ ৰাইজে উদ্যোগসমূহৰ যিকোনো দুৰ্ঘটনাৰ ফলত জীৱন আৰু সম্পত্তিৰ ক্ষতিপূৰণৰ বাবে বীমাৰ জৰিয়তে অনুদান লাভ কৰিব। গতিকে এনেকুৱা এখন নতুন আইন বিধান সভাই এই মূহুৰ্ত্তত অনুমোদন জনোৱাৰ প্ৰয়োজন আছে বুলি ভৱা নাই আৰু সেই কাৰণে এই আইনখন গ্ৰহণ নকৰিবলৈ দলক আহ্বান জনালো।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি (নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিখিনি Liability Insurance Act, ত বীমাৰ কথা কৈছে, সেই বীমা ব্যক্তিগত হিতাধিকাৰীসকলে কৰিব লাগিব নে সেই কোম্পানীয়ে কৰিব। মই সেই কোম্পানীয়ে কৰি দিয়াটো বিচাৰিছো। যাতে আমাৰ সকলো সাধাৰণ লোক বাচি থাকিব পাৰে। আমাৰ বহু মানুহৰ পইচাই নাথাকে। তেনেক্ষেত্ৰত তেওঁলোকে বীমা কেনেকৈ কৰিব। মই যিহেতু কৈছো ৮৭ শতাংশ মানুহৰ ইঞ্চুৰেঞ্চ নাথাকে আৰু আউট অফ দ্যা পকেট বহুখিনি খৰচ কৰি চিকিৎসা কৰিবলগীয়া হয়। এইখিনি যোৱা বছৰ এটা সমীক্ষাত ওলাইছে আৰু এইটো উত্তৰ-পূৰ্বাঞ্চলৰ বাবে বেছি প্ৰযোজ্য। সেয়েহে মোৰ যিখিনি আসোঁৱাহ আছে, সেইখিনি দূৰ কৰি এনেকুৱা এখন বিল আনিব নেকি যাৰ ফলত আমাৰ জনগণৰ নিৰাপত্তা পাব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক।

**শ্ৰী পীযুষ হাজৰিকা, মাননীয় মন্ত্ৰী, সংসদীয়পৰিক্ৰমা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছো যে The Liability Insurance Act, 1991 ইতিমধ্যে লাগু হৈ আছে। গতিকে উক্ত কথাখিনি ইয়াত আহি আছে। তাৰ কাৰণে এই মূহুৰ্ত্তত এনেকুৱা এখন নতুন আইন আমি আনিব বিচৰা নাই।

**মাননীয় অধ্যক্ষঃ** মই এতিয়া "The Public Properties Insurance Bill, 2022" পাৰিত কৰাৰ বাবে প্ৰস্তাৱ দাঙি ধৰিছো-

প্ৰশ্নটো হ'ল- "The Public Properties Insurance Bill, 2022" বিধেয়কখন পাৰিতকৰণৰ বাবে লোৱা হওঁক।

যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে অসন্মতি জনায়)।

মই ভাৱো 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে, প্ৰস্তাৱটো নাকচ হ'ল, বিধেয়কখনো নাকচ হ'ল।

এতিয়া Item No.6-মাননীয় সদস্য শ্ৰীযুত আমিনুল ইছলাম (জ্যেষ্ঠ) ডাঙৰীয়াক "The

Assam Panchayat (Amendment) Bill, 2022” সদনত বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীযুত আমিনুল ইছলাম (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়ৰ অনুমতি সাপেক্ষেমই “The Assam Panchayat (Amendment) Bill, 2022” বিবেচনাৰ বাবে সদনত উত্থাপন কৰিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** বিধেয়কখন বিবেচনাৰ বাবে লোৱা হ'ল। এতিয়া মাননীয় আমিনুল ইছলাম (জ্যেষ্ঠ) ডাঙৰীয়া, আপুনি বিধেয়কখনৰ ওপৰত বক্তব্য ৰাখক।

**শ্ৰীযুত আমিনুল ইছলাম (ধিং)ঃ** Hon'ble Speaker Sir, I beg to move the amendments in the Principal Act, “The Assam Panchayat Act, 1994” and the objectives of the Act is : the proposed Assam Panchayat (Amendment) Bill, 2022 seeks to amend the relevant sections for the “The Assam Panchayat Act, 1994 pertaining to establishment and constitution of Gaon Panchayat. In the Principal Act, the provision is there that a Gaon Panchayat shall be established with population not less than six thousand and not more than ten thousand, which is a huge gap. For proper distribution of fund and ensure equal development, the gap of population should be minimized. On the other hand, most of the Gaon Panchayats have crossed the upper limit of population as mentioned in the Principal Act during the period of last 27 years. Therefore, an amendment is required to cope up with the situation. The President of a Gaon Panchayat is directly elected by the voters of the constituencies (ward) of the Gaon Panchayat. But, according to the Principal Act, ten nos. of elected members of the Gaon Panchayat can move ‘no-confidence motion’ and remove the president from his office though the President has not been elected from among the members. So, the relevant sections should be amended for election of the President of a Gaon Panchayat from amongst the elected members, not directly by the voters of the Gaon Panchayat constituencies. It is also noticed that many competent and honest candidates are not elected for not being nominated by a political party in Panchayat election. Therefore, the proposed amendment bill seeks to amend relevant section for conducting Gaon Panchayat election without the symbol of political party.

Hon'ble Speaker Sir, I want to beg amendment in the Prinicpal Act, in section 5 in sub section (1) for the word “six” appearing in between the words “than” and “thousands” in the sixth line, the word “nine” shall be substituted. In the seventh line, for the

word "ten" appearing in between the words "than" and "thousand", the word "eleven" shall be substituted. এইটো এই কাৰণেই বিচৰা হৈছে যে Assam Panchayat Act, 1994 ৰ prinicpal act খনত আছে যে এখন গাওঁ পঞ্চায়ত minimum ৬ হাজাৰ আৰু maximum ১০ হাজাৰ জনসংখ্যাৰে গঠিত হ'ব। তাৰ পিছত, ২০০০ চনত এই পঞ্চায়ত আইনখন সংশোধনী কৰি minimum and maximum number of population exempt কৰা হৈছে। এতিয়া আৰু কোনো সীমাবদ্ধতা নাই। ৬ হাজাৰতকৈ কম জনসংখ্যা বা ২৫ হাজাৰতকৈ বেছি জনসংখ্যা থাকিলেও গাঁও পঞ্চায়ত হ'ব পাৰে। যাৰ ফলত এটা huge gap হৈছে। মাননীয় অধ্যক্ষ মহোদয়, মই মোৰ সমষ্টিৰ এখন গাঁও পঞ্চায়তত যদি ৪ হাজাৰ জনসংখ্যা আছে, আনহাতে আন এখনত ২৫ হাজাৰতকৈ বেছি জনসংখ্যা থকা দেখিবলৈ পাইছো। কিন্তু, পঞ্চায়তৰ quota ত যেতিয়া সমানে fund distribution কৰা হয়, তেতিয়া কম জনসংখ্যা থকা গাঁও পঞ্চায়তৰ বাবে fund বেছি হয় আৰু য'ত জনসংখ্যা বেছি থকা পঞ্চায়তত জনসংখ্যা অনুপাতে fund যথেষ্ট কম হয়। তেতিয়া এক discrimination আমাৰ পৰিলক্ষিত হয়। গতিকে, মই ভাৱো, ২০০০ চনত এই পঞ্চায়ত আইন, ১৯৯৪ ক যদিও সংশোধন কৰা হৈছিল, ইয়াক পুনৰ সংশোধন কৰি প্ৰত্যেক গাঁও পঞ্চায়তত ৬ হাজাৰৰ পৰা ৯ হাজাৰ জনসংখ্যাৰ ভিতৰত হোৱাৰ বাবে সংশোধনী আনিব বিচাৰিছো আৰু যিবিলাক গাঁও পঞ্চায়তত জনসংখ্যা ২০-২৫ হাজাৰলৈ বৃদ্ধি হৈছে, তাৰ ক্ষেত্ৰত এই সংশোধনীটো গ্ৰহণ কৰি পুনৰ delimitation কৰা হওক। যদি যুক্তিসংগত হয় তেন্তে, আজি পৱিত্ৰ সদনে এই সংশোধনীটো গ্ৰহণ কৰিব যাতে পঞ্চায়তটো delimitation কৰিব পৰা যায়।

অধ্যক্ষ মহোদয়, মোৰ আনটো সংশোধনী হ'ল-in the Principal Act, in section 6, in sub section (1) (a), in the first line, in between the words "ten" and "members" the group of words "to Fifteen" shall be inserted and after the existing para a new provision shall be inserted namely : " Provided that no candidate shall contest in the election with the symbol of any political party." এটা কথা মুখ্যমন্ত্ৰী মহোদয়েও বাৰে বাৰে কৈ আছে যে পঞ্চায়ত আৰু পৌৰ নিগমৰ নিৰ্বাচনত political symbol ত খেলাৰ বাবে বহু সময়ত party supporter সকলে দুৰ্নীতিমুক্ত নোহোৱা মানুহ এজনকে বহু ক্ষেত্ৰত উপায়বিহীন হৈ ভোট দিবলৈ বাধ্য হয়। কিন্তু, এজন সমাজ দৰদী বা নিকা ব্যক্তিৰ ৰাজনৈতিক দলত তেওঁৰ service কম হোৱাৰ বাবে তেওঁক দলে হয়তো consider কৰিব নোৱাৰে। ফলত, সৎ, নিকাভাৰমূৰ্তিৰ লোকসকলৰ political symbol নোহোৱাৰ বাবে নিৰ্বাচিত হ'ব নোৱাৰে। মুখ্যমন্ত্ৰী মহোদয়ে এই কথাটো কি sense ত কৈছে মই নাজানো, কিন্তু, এই কথাটো মই সদনৰ বিবেচনাৰ বাবে দিলো।

অধ্যক্ষ মহোদয়, মই আন এটা সংশোধনী আনিব বিচাৰিছো-in the Principal Act, in section 6, in sub section (1), for the clause (b), the following shall be substituted namely: "(b) When the Gaon Panchayat is constituted under this Section, the Deputy Commissioner or an officer authorized by the Deputy Commissioner for this purpose shall call a meeting of the Gaon Panchayat which shall be hereinafter called

the first meeting of the Gaon Panchayat) for election of a president as well as a vice-president from amongst the members in the manner prescribed.” । অধ্যক্ষ মহোদয়, এইখিনি কথা অসমতহে চলি আছে, কিন্তু আমি দেখিছো-উৰিষ্যা, পশ্চিম বংগ, উত্তৰ প্ৰদেশ অন্যান্য ৰাজ্যত নাই। সদস্যসকল directly elect হয়। সদস্যসকলক ৰাইজে নিৰ্বাচিত কৰে আৰু সেই সদস্যসকলৰ পৰাই সভাপতিজনক সদস্যসকলে নিৰ্বাচিত কৰে। যিদৰে, আঞ্চলিক পঞ্চায়তৰ সদস্যসকলক ৰাইজে নিৰ্বাচিত কৰে আৰু সেই সদস্যসকলেই Chairman আৰু Vice-Chairman জনক নিৰ্বাচিত কৰে। একেদৰে, জিলা পৰিষদৰ সদস্যসকলক ৰাইজে নিৰ্বাচিত কৰি দিয়ে, তাৰ পিছত এই সদস্যসকলে তেওঁলোকৰ মাজৰ পৰা Chairman আৰু Vice-Chairman নিৰ্বাচিত কৰে। কিন্তু, পঞ্চায়তৰ ক্ষেত্ৰত সভাপতিজনক ৰাইজে directly নিৰ্বাচিত কৰে, কিন্তু সভাপতিজনে যদি কিবা দুৰ্নীতি কৰে বা তেওঁৰ বিৰুদ্ধে যদি কিবা অভিযোগ থাকে তেন্তে পঞ্চায়তৰ সদস্য সকলে তেওঁৰ বিৰুদ্ধে অনাস্থা আনে। ইয়াত আচলতে আইনটো খাপ খোৱা নাই। কিয়নো সদস্যসকলে তেওঁলোকৰ মাজৰ পৰা যদি Presdient elect কৰে তেতিয়াহে সদস্যই অনাস্থা আনিব পাৰিব। সদস্যসকলে যিহেতু সভাপতি নিৰ্বাচিত কৰা নাই, ৰাইজেহে কৰিছে, গতিকে এইক্ষেত্ৰত সদস্যসকলে প্ৰকৃততে অনাস্থা অনাৰ authority নাই। আগৰ আইনত এইটো defect থাকি গ'ল। গতিকে মেম্বাৰসকলে তেতিয়াই অনাস্থা আনিব পাৰিব, যেতিয়া মেম্বাৰসকলে তেওঁলোকৰ মাজৰ পৰা কোনো এজনক president বনাব। গতিকে ইয়াত আইনৰ এই বিসংগতিটো দূৰ কৰাৰ কাৰণে মই এই amendment টো আনিছো। ইয়াত either president জন মেম্বাৰসকলৰ মাজৰ পৰা হ'ব লাগিব, যেনেকৈ FP আৰু জিলা পৰিষদত হয়, নহ'লে ৰাইজে যদি president জন নিৰ্বাচিত কৰে, তেনেহ'লে মেম্বাৰসকলে তেওঁৰ ওপৰত অনাস্থা আনিব নোৱাৰে। এই আইনখন সংশোধন কৰিব লাগে।

আমি আন এটা amendment আনিছো। In the Principle Act in Section -6 sub section -3 shall be deleted. ইয়াত আছিল যে এটা পঞ্চায়তত ১০ টাই ward থাকিব আৰু ১০ জনে ward member আহিব পাৰিব। পশ্চিমবংগ, উৰিষ্যা, কৰ্ণাটক আদি অন্যান্য কিছুমান ৰাজ্যত যিহেতু গাওঁ পঞ্চায়তত ভোটাৰৰ সংখ্যা অলপ বেছি, কোনো কোনো পঞ্চায়তত ১২-১৩ জন মেম্বাৰ elect হৈ আহে। কিন্তু আমাৰ ইয়াত নিয়মটো হ'ল যে কোনো এটা পঞ্চায়তত ভোটাৰ ৪০০০ ৰো আছে, তাৰ পৰাও ১০ জন মেম্বাৰ, যদি ২৫,০০০ আছে, তাৰ পৰাও ১০ জন মেম্বাৰ। গতিকে এই কথাটো আমি omit কৰিব বিচাৰিছো। যদি পঞ্চায়তটো ডাঙৰ হয় তেতিয়াহ'লে তাৰপৰা ১৫ জন মেম্বাৰ আহক, ward বিলাক reschedule কৰা হওক আৰু যদি ভোটাৰ কম তাৰপৰা ১০ জন আহক। গতিকে এই কথাটো অলপ flexible হ'ব লাগে। যদিহে এই system টো ৰখা হয় যে মেম্বাৰসকলে অনাস্থাৰে presidenet জনক পদচ্যুৎ কৰিব পাৰে, তেনেহ'লে মেম্বাৰ directly elect হওক। মেম্বাৰসকলৰ মাজৰ পৰা presidenet জন elect কৰক। এইটো কৰিব লাগে। গতিকে আইনৰ এইখিনি যি বিসঙ্গতি আছিল সেইখিনি সমগ্ৰ ৰাজহুৱা স্বাৰ্থত আৰু প্ৰতিটো পঞ্চায়ত যাতে ভালদৰে পৰিচালনা কৰিব পাৰে, আমাৰ দলৰ ফালৰ পৰা আমি এই কেইটা amendment আনিছো।

অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে সদনত অনুৰোধ জনাম যে এই amendment কেইটা accept কৰি মহাত্মা গান্ধীৰ সপোনৰ পঞ্চায়তী ৰাজ ব্যৱস্থাটোক

স্বাৰ্থক কৰাৰ ক্ষেত্ৰত সদনে এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব বুলি অনুৰোধ জনাই মই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (কৰিমগঞ্জ উত্তৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্যই যিকেইটা amendment ৰ কথা ক'লে, logically সেইকেইটা ঠিকেই আছে। ইয়াৰ উপৰিও মই যিটো ক'ব বিচাৰিছিলো সেইটো তেখেতে ক'লে যে president জনক নিৰ্বাচিত কৰিব লাগে। দ্বিতীয়তে, last যিটো amendment হৈছে তাত এটা কথা আছিলে যে গাওঁ পঞ্চায়ত president জন হৈছে মেট্ৰিক পাছ। মেম্বাৰ কেইজন অষ্টম শ্ৰেণী পাছ। এতিয়া কথাটো হৈছে যেতিয়া অনাস্থা হয়, অনাস্থা অনাৰ পাছত যদি president জনক বহিস্কাৰ কৰা হ'ব আৰু মেম্বাৰ কেইজনৰ মাজৰ পৰাই president নিৰ্বাচন হ'ব। কিন্তু তেতিয়া president জন অষ্টম শ্ৰেণী উত্তীৰ্ণহে হ'ব। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যাতে এই আইনখন ঠিক কৰা হয়। তৃতীয়তে, Municipality ত আমাৰ বিধায়কসকল ex-officio member হয়। আমাৰ জিলা পৰিষদৰ ক্ষেত্ৰত যাতে বিধায়কসকল ex-officio member হয়। তেনেহ'লে মই ভাৱো এই পৰিষদসমূহ সুদৃঢ় হ'ব।

**শ্ৰী ৰফিকুল ইছলাম (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, শ্ৰী আমিনুল ইছলাম ডাঙৰীয়াৰ যিটো প্ৰস্তাৱ, MP নিৰ্বাচিত হয়। অনাস্থাৰ কোনো system নাই। আঞ্চলিক সদস্যজনৰো অনাস্থাৰ কোনো system ইয়াত নাই। জিলা পৰিষদৰ সদস্য যদি নিৰ্বাচিত হয়, তাতেও অনাস্থাৰ কোনো system নাই। মাজত পঞ্চায়তৰ president জনৰ অনাস্থাৰ যিটো system, ইয়াৰ কাৰণে গোটেই অসমত এনেকুৱা হৈছে যে আমি সমষ্টিবিলাকত লক্ষ্য কৰো, যদি পঞ্চায়তজনে বেয়া কাম কৰিছে, reason ত এইবিলাক ঠিকেই লিখে কিন্তু বহুত টাইত দেখা যায়, ভাগ বতৰাৰ কাৰণে president জন ভাল কাম কৰাৰ কাৰণেও হয়তো তেখেতৰ বিৰুদ্ধে মেম্বাৰ একত্ৰিত হৈছে আৰু অনাস্থা দিছে, মেম্বাৰৰ মনৰ আশাটো পূৰণ নকৰাৰ কাৰণে। সকলো president ভাল বুলিও মই কোৱা নাই। কিন্তু বহুত ঠাইত এনেকুৱা দেখা যায়। গতিকে মই ইয়াত পৰামৰ্শ ৰাখিব বিচাৰিছো যে যেনেধৰণে MLA, MP, আঞ্চলিক সদস্য, জিলা পৰিষদত কোনো অনাস্থাৰ system নাই, পঞ্চায়তৰ president ৰ ক্ষেত্ৰতো Act ammend কৰি হ'লেও ঠিক তেনেকৈ বনাব লাগে। তেতিয়াহ'লে পঞ্চায়তৰ কামখিনিও ভালকৈ হ'ব আৰু otherwise বহুত ভাল মানুহ এতিয়া election খেলিব নোখোজে, এই অনাস্থাৰ নাটক বছৰজোৰা হৈ থাকিব বুলি। গতিকে যদি এইটো বিবেচনা কৰিব পাৰে যে ammend টো Act কৰি পঞ্চায়তৰতো এই অনাস্থাৰ system টো থাকিব নালাগে।

**মাননীয় অধ্যক্ষ ঃ** বিলখনৰ support আছে নে নাই? এইবোৰ কথাও mention কৰি যাব। যিটো নতুন বিল ইয়াত introduction কৰা হৈছে, তাৰে যিবিলাক clause দিছে, ইয়াৰ ওপৰতে হ'ব।

**মোঃ আমিনুল ইছলাম, (মানকাচাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি দেখিছো যে ১৯৯৪ ৰ অসম পঞ্চায়ত এক্টত বহুখিনি বিসঙ্গতি আছে। এই কথাটো আগতেও কেইবাবাৰো উল্লেখ কৰা হৈছে। President আৰু মেম্বাৰ সকল নিৰ্বাচিত হয় জনতাৰ ভোটত। গতিকে Public vote ত নিৰ্বাচিত হোৱা president জনৰ ওপৰত কেনেদৰে অনাস্থা আনিব পাৰে, এইখিনি সংশোধন আনিবৰ কাৰণে যিটো ব্যৱস্থা আনিছে, মই ভাৱো এইটো অত্যন্ত গুৰুত্বপূৰ্ণ। নহ'লে তেওঁ মেম্বাৰ

সকলৰ ওচৰত দায়বদ্ধ থাকিব। এইকাৰণে মই এইখন বিলৰ সমৰ্থন কৰিছো। ইয়াতে আন এটা কথা আছে যে Amendment of the section -6, no candidate shall contest in the election in the symbol of the political party. মই ভাৱো ইয়াত political partyৰ symbol টো থাকিব লাগে। Political partyৰ symbol টো নাথাকিলে তাত আৰু বেচা কিনাৰ সম্ভাৱনাটো বাঢ়ি যাব। তেতিয়াহ'লে যাৰ পইচা আছে, শিক্ষা থাকক বা নাথাকক, বা capability থাকক বা নাথাকক, তেখেতেই জিলা পৰিষদৰ president হ'ব। সেইকাৰণে মই এইখিনি সংশোধনী বিচাৰিছো যে আমাৰ political partyৰ recognition টো থাকিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী মতী নন্দিতা দাস।

**শ্ৰীমতী নন্দিতা দাস, বকো ঃ** মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়তৰ যিটো আইন আমাৰ সন্মানীয় আমিনুল ইছলাম ডাঙৰীয়াই উত্থাপন কৰিছে । মই সেইটো সমৰ্থন কৰিছো । লগতে এটা কথা অৱগত কৰিব বিচাৰিছো যে আমাৰ পঞ্চায়তৰ নিৰ্ব্বাচনৰ পাছত আঞ্চলিক পঞ্চায়তৰ সভাপতি বা জিলা পৰিষদৰ সভাপতিৰ ক্ষেত্ৰত এটা লটাৰী হয় । মহিলাৰ ক্ষেত্ৰত আৰু এচ চি - এচ টিৰ ক্ষেত্ৰত ৰিৰ্জাভেশ্যন হয় । সেইমতে ইলেক্টেড কৰা হয় । ক'বাত হয়তো পদ এটা - এচ চি বা এচ টি মহিলা গৰাকীক কৰা হয় বা পুৰুষক কৰা হয় । এই ক্ষেত্ৰত এগৰাকী এচ. চি মহিলা এলেক্টেড হোৱাৰ পাছত, সভানেত্ৰী হিচাপে সেই পদটোত যদি ইমিডিয়েটলী অনাস্থা আহে তেন্তে সেই পদটো এবোলিছ কৰি দিয়া হয়। এচ চি- এচ টিৰ ৰিজাভেশ্যনটো নোহোৱা কৰি দিয়ে । কেতিয়াবা আকৌ এনেকুৱা হৈছে - পদটো থাকি গৈছে , এবলিছ হোৱা নাই। আইনখনৰ ক্ষেত্ৰত এইটো এটা দুৰ্ব্বলতা আছে আৰু যিখিনি কথা কৈছে সেইখিনি তেখেতে ভালেই কৈছে । প্ৰেচিডেন্ট জন যদি মেম্বাৰৰ মাজৰ পৰা হৈ যায় তেন্তে টকা পইচাৰ অপব্যয় নহ'ব। মেম্বাৰবোৰৰ মাজৰ পৰাই পদ নিৰ্ব্বাচিত কৰা হ'ব

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে । এতিয়া মনোৰঞ্জন তালুকদাৰ ।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** ইয়াত এমেণ্ডমেন্ট আগবঢ়াইছে যে provided at no candidate shall contest in the election with the symbol of any political Party. এই এমেণ্ডমেন্টটো বিৰোধিতা কৰো । মই এই এমেণ্ডমেন্টটোৰ বিৰোধিতা কৰো কাৰণ ডেমোক্ৰেটিক চিষ্টেমত- পঞ্চায়তত পলিটিকেল পাৰ্টি চিম্বল লৈ নেখেলিব ,এইটো মই সমৰ্থন নকৰো। বাকী কথা বতৰা ডিলিমিটেশ্যনৰ কোৰেশ্বনটো - নিশ্চিতভাৱে অৰিজিনেল এক্টত ব্যৱস্থাটো কৰিব লাগে আৰু সামঞ্জস্য আনিব লাগে পপুলেশ্যনত । কিন্তু মুভাৰে যিটো কথা কৈছে আনডিষ্ট্ৰিবিউশ্যনৰ ক্ষেত্ৰত কম সংখ্যক জনসংখ্যা থকা বিলাকে লাভান্বিত হয় আৰু বেছি সংখ্যক জনসাধাৰণ থকাটো বঞ্চিত হয় , এইটো কথা ঠিক নহয় । কাৰণ ফাণ্ড ডিষ্ট্ৰিবিউশ্যনৰ ক্ষেত্ৰত পপুলেশ্যন পেটাৰ্ণৰ ওপৰতে ফাণ্ডটো ডিষ্ট্ৰিবিউশ্যন হয়। ডিষ্ট্ৰিবিউশ্যন যাৰ বেছি সংখ্যা থাকে তেওলোকে বেছি ফাণ্ড পায় । এইটো হয়তো মুভাৰ জনৰ কনচেপশ্যনটো নাই । বাকী অন্য ক্ষেত্ৰত যিবিলাক অসুবিধা আছে , পঞ্চায়তত মেম্বাৰৰ সংখ্য বৃদ্ধি কৰিব পাৰি নে নোৱাৰি, এইটো নিশ্চিতভাবে চিন্তা ভাৱনা কৰিব লাগে। দহ জনীয়া মেম্বাৰৰ পঞ্চায়ত হৈ আছে । ক'ৰবাত যদি ডাঙৰ পঞ্চায়ত হয় তাত হয়তো মেম্বাৰ সংখ্যা বৃদ্ধি কৰিব পাৰি। অন্য ৰাজ্যত সেইটো কৰিছে সেইটো সম্পৰ্কত আমাৰো তেনেধৰণৰ চিন্তা ভাৱনা কৰি পেলাই চৰকাৰী পক্ষৰ পৰাই যদি এমেণ্ডমেন্টবিলাক আনে পঞ্চায়তৰ এইবিলাক ক্ষেত্ৰত চৰকাৰী পক্ষৰ পৰাই ব্যৱস্থা এটা কৰিব

লাগে বুলি মই ভাবো আৰু নো কনফিডেন্স দিয়াৰ ক্ষেত্ৰত এইটো স্বাভাবিকতে এটা কন্ট্ৰাডিকশ্যন হৈ আছে কাৰণ ইলেক্টেড বাই পাবলিক কিন্তু নো কনফিডেন্স দিব পাৰে মেম্বাৰে । এইটো ক্ষেত্ৰত বহু ইলেক্টেড প্ৰেচিডেন্ট বঞ্চিত হয় বা ১০ জন যিহেতু মানুহ ৬ জন লগ লগাই দিলে তেন্তে গণ্ডগোলটো হৈ যায় আৰু ৬ জন লগ লগাটো বিশেষ অসুবিধাও নহয় । এই ক্ষেত্ৰত নিশ্চিতভাবে এই কথাটোত অলপ চিন্তা ভাৱনা কৰাটোৰ প্ৰয়োজন আছে। সেই হিচাপে চৰকাৰে যদি স্পষ্টকৈ বক্তব্য ৰাখি পৰৱৰ্ত্তী সময়ত এই আইনখনৰ প্ৰয়োজনীয় এমেণ্ডমেন্ট বিলাক আমি যদি সদনত আলোচনা কৰি আমি সদনত গ্ৰহণ কৰিব পাৰো সেইটো ভাল হ'ব । পাৰ্টিৰ চিম্বলৰ কথা যিটো আছিল , ইয়াত মুল এক্টত য'ত আঞ্চলিক পঞ্চায়তখিনি পলিটিকেল চিম্বলত হ'ব , জিলা পৰিষদখিনি পলিটিকেল চিম্বলত হ'ব সেইটো মই টাচ্চ কৰা নাই অনলী গাওঁ পঞ্চায়তৰটোহে কোৱা হৈছিল। তথাপিও যদি সদনে মানি নলয় মই এই এমেণ্ডমেন্টটো উইড্ৰ' কৰি ল'ম । কিন্তু আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ ক্ষেত্ৰত সেইটো নাছিলে , তাৰ পিছত আৰু যিটো ফাণ্ড এলোকেশ্যনৰ কথা আমাৰ মাননীয় সদস্যগৰাকীয়ে ক'লে, কিছুমান ফাণ্ড আমি দেখিছো যে ফৰ্টিন ফাইনেন্স, ফিফটিন ফাইনেন্স তাত পপুলেশ্যনৰাইছ ডিষ্ট্ৰিবিউট হয়। কিন্তু কিছুমান বিভাগৰ ফাণ্ড আছে য'ত পঞ্চায়ত হিচাপে এলোকেশ্যন হয় , তাত পপুলেশ্যনৰ কথা নাহে , মই সেই বিষয়েহে কৈছিলো গতিকে মই সদনক এই কথাটো বিবেচনা কৰিবলৈ অনুৰোধ কৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ ।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ ঃ** অধ্যক্ষ মহোদয়, আমাৰ মুভাৰে যিটো এমেণ্ডমেন্ট আনিছে তেখেতে কৈছে যে এই এমেণ্ডমেন্টটো তেওঁৰ দলৰ পক্ষৰ পৰা অনা বুলি কৈছে কিন্তু এইটো তেওঁৰ দলৰ পৰাই বিৰোধিতা হৈছে । কেইবাজনো মেম্বাৰে চিম্বলৰ কথাটো বিৰোধিতা কৰিছে গতিকে আপুনি এইটো উইড্ৰ কৰি লওক। আমিতো কৰিমেই ।

**মাননীয় অধ্যক্ষ ঃ** হ'ব । ঠিক আছে ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** অধ্যক্ষ মহোদয় , তেখেতে চিম্বলটো উইড্ৰ' কৰাৰ কথা কৈছে । মই ভাবো যে চিম্বল যদি উইড্ৰ কৰা হয় এম এল এ সকলে এক্সিকিউশ্যন কৰিলেই ভাল হ'ব । তেতিয়া প্ৰত্যেকেই চিম্ব'ল নোহোৱাকৈ খেলিব । নহ'লে দলৰ পৰা আমি যদি কৰি দিওঁ আৰু আমাৰ যদি চিম্ব'ল থাকে তেন্তে ডিচক্ৰিমিনেশ্যন হৈ যাব ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ । এতিয়া আশ্ৰাফুল হুছেইন ।

**শ্ৰীআশ্ৰাফুল হুছেইন ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই এমেণ্ডমেন্টখনত গুৰুত্বপূৰ্ণ দিশটো হৈছে যে এমেণ্ডমেন্ট অব চেকশ্যনত- ৫ ত যে জনসংখ্যাৰ যিটো ৱাৰ্ড হিচাপে বিতৰণ হ'ব লাগে । মই আপোনাক এটা উদাহৰণ দিব বিচাৰিছো। বকো সমষ্টিৰ মাহতুলি পঞ্চায়ত । এই পঞ্চায়তৰ এটা ৱাৰ্ডত প্ৰায় ১০,০০০ ভোটাৰ আছে । বাকীবিলাকত ১০০০ বা ৫০০ এনেধৰণৰ আছে । ঠিক একেধৰনে মোৰ সমষ্টিৰ এটা পঞ্চায়তৰ ৪০০০ ভোটাৰ আৰু আন এটাৰ ১৮০০০ ভোটাৰ আছে এই যে কম জনসংখ্যা থকা যিবিলাক পঞ্চায়ত আছে , সেই পঞ্চায়তত অসুবিধাটো এইটোৱে হয় যে, ফিফ্‌টিন ফাইনেন্সত যেতিয়া জনসংখ্যা অনুপাতে ফাণ্ড ডিষ্ট্ৰিবিউশ্যন কৰিব লাগে তেতিয়া তেওঁলোকে কমকৈ পুঁজি পায় আৰু ১০ টা ৱাৰ্ডত উন্নয়ণৰ কাম -কাজে ঢুকি নাপায় গতিকে মই ভাবো যে ইয়াতে যি এমেণ্ডমেন্ট কৰা হৈছে ৬ হাজাৰৰ পৰা ৯ হাজাৰ এইটো চৰকাৰে বাহাল ৰাখিব লাগে আৰু চৰকাৰে এই বিষয়টো দৃষ্টি নিক্ষেপ কৰিব লাগে । অন্য এটা বিষয়, মুভাৰে কৈছে যে মেম্বাৰবিলাকৰ পৰা প্ৰেচিডেন্ট বনাব লাগে । এই বিষয়টোৰ জটিলতা এটা আহিব কাৰণ

মেম্বাৰসকলৰ যোগ্যতা অষ্টম শ্ৰেণী উত্তীৰ্ণ হ'ব লাগে আৰু প্ৰেচিডেন্টজন টেন পাছড হ'ব লাগিব। এতিয়া সেইটো কৰিবলৈ হ'লে মেম্বাৰ এটলিষ্ট টেন পাছড হ'ব লাগিব। টেন পাছড মেম্বাৰ কৰিবলৈ হ'লে প্ৰতিটো ৱাৰ্ডৰ পৰা আমি কিন্তু টেন পাছড মেম্বাৰ বিচাৰি নাপাওঁ গতিকে শেষত গৈ আন এটা সমস্যা সৃষ্টি হ'ব । গতিকে এই বিষয়টো আৰু অধিক ডিবেটৰ প্ৰয়োজন আছে । এই বিলখন যদি আগুৱাই লৈ যোৱা হয় তেন্তে ডিবেট কৰিবলৈ সুযোগ পাব লাগে । অলপ আগতে কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই কৈছে যে, যেনেধৰণে মিউনিচিপালটি সমূহত এম এল এ বা এম পি সকল এক্স অফিচিও মেম্বাৰ হয়, পঞ্চায়ত আইনখনো সংশোধন কৰি এম এল এ সকলোকো এক্স অফিচিও মেম্বাৰ কৰিব পাৰি নেকি, এই বিষয়টোৰ প্ৰভিজন ইনচাৰ্ট কৰিব লাগে। মোৰ হাতত এক্টখন নাই নহ'লে মই দিলোহেঁতেন। বাকী চিম্বলৰ কথাটো আমাৰ মুভাৰে উইড্ৰ' কৰিছে যেতিয়া সেই বিষয়ে আৰু ক'বলৈ নাই। আমি চিম্বল এটা বিচাৰো, চিম্বল হ'লে ৰাজনৈতিক দলৰ এটা সুবিধা যে, আমি সকলো সময়তে দৌৰাটো সম্ভৱ নহয় , তৃণমূল পৰ্য্যায়ত কৰ্মীসকলৰ প্ৰয়োজনীয়তা আছে , অন্যান্য কামৰ ক্ষেত্ৰতো বিশেষ অসুবিধা হয় গতিকে এই বিষয়টো উইড্ৰ কৰিছে যেতিয়া এই প্ৰসংঙ্গত আৰু একো ক'ব লগীয়া নাই । ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ । এতিয়া ভৰত নৰহ ডাঙৰীয়া ।

**শ্ৰীভৰত নৰহ, (নাওবৈচা) ঃ** ছাৰ, আমি অসম পঞ্চায়ত এমেণ্ডমেন্ট বিল, ২০২২ - মাননীয় সদস্যগৰাকীয়ে যিটো আনিছে আমি চাপোৰ্ট কৰিব নোৱাৰো । যিটো এমেন্টমেন্টৰ চেকশ্যন - ৬ provided that no candidate shall contest in the Election with the symbol of any political Party. সেইটো আমি চাপোৰ্ট নকৰো। আমি চিম্বলত পঞ্চায়ত ইলেকশ্য খেলাটোৰে আমি বিচাৰো। কিন্তু ছাৰ তেখেতে যিটো চেকেণ্ড এমেণ্ডমেন্ট আনিছে ইয়াৰ ৪ নম্বৰত আছে যে মেম্বাৰবিলাকৰ মাজৰ পৰা প্ৰেছিডেন্ট হ'ব লাগে , ভাইছ প্ৰেছিডেন্ট হ'ব লাগে। আমাৰ চিষ্টেমত আছিল যে প্ৰেছিডেন্ট জন ডাইৰেক্টলী ইলেক্টেড হয় । আকৌ মেম্বাৰসকলে অনাস্থা দিব পাৰে । মেম্বাৰসকলে প্ৰেছিডেন্টজনক বনোৱা নাই। কিন্তু আমাৰ আইনখনত এইটো থাকি গ'ল যে প্ৰেছিডেন্ট ডাইৰেক্টলী ইলেক্টেড হ'ব কিন্তু মেম্বাৰ বিলাকে অনাস্থা দিব পাৰিব। এইটো কন্ট্ৰাডিকশ্যন হৈ গ'ল। কেৰেলাতো এইটো হৈছিলে কিন্তু পিছত কেৰেলা চৰকাৰে আইনখন এমেণ্ডমেন্ট কৰিছে । নিয়মমতে ডাইৰেক্টলী ইলেক্টেড হ'লে অনাস্থা দিব নোৱাৰে । এতিয়া এনেকুৱা হৈছে ছাৰ, ডাইৰেক্টলী ইলেকটেড হোৱাৰ পিচত যেতিয়া আইনমতে মেম্বাৰে অনাস্থা দিব পৰা হ'ল, আমাৰ নাওবৈচা সমষ্টিত প্ৰায়বিলাক প্ৰেছিডেন্ট কংগ্ৰেছৰ টিকটত জিকিছিল। এতিয়া চৰকাৰী পৃষ্ঠপোষকতাকে অনাস্থা হৈছে। চৰকাৰে বিভিন্ন ধৰণৰ প্ৰলোভন দেখুৱাই মেম্বাৰ বিলাক হাত কৰি লয়, তাৰ পিছতে অনাস্থা দিয়াৰ পিছত প্ৰায় বিলাকে হাই কোৰ্টত লৈ আহে । কোনো পঞ্চায়ত প্ৰেছিডেন্ট নাওবৈচাত শান্তিত থাকিব পৰা নাই। কোনেও কাম কৰিব পৰা নাই। সেই কাৰণে এইটো আপুনি একচেপ্ট কৰক । হয়, মেম্বাৰ সকলৰ মাজৰ পৰা প্ৰেছিডেন্ট- ভাইচ প্ৰেচিডেন্ট বনোৱা চিষ্টেম কৰক আৰু নহ'লে ডাইৰেক্টলী কৰিব বিচাৰে তেন্তে অনাস্থাৰ প্ৰভিজনটো উঠাই দিয়ক । ৱাৰ্ড মেম্বাৰ বিলাকে প্ৰেছিডেন্টসকলক ব্লেক মেইল কৰে, তুমি আমাৰ মতে কাম কৰা নহ'লে আমি অনাস্থা দিম । মোৰ সমষ্টিত ২০ খন গাওঁ পঞ্চায়ত আছে তাৰে ৪-৫ খনক অনাস্থা দিছে। এতিয়া হাই কোৰ্টত কেচ পেণ্ডিং হৈ আছে । অনাস্থাৰ ওপৰত ভোট কাউন্টিঙতো বহু খেলি মেলি আছে , কাৰণ লগে লগে কাউন্টিং কৰিব লাগে কিন্তু নকৰে । মই ডিটেইলচ নকওঁ । যিহেতু মই আজি বিশেষ তথ্য পাতি অনা নাই। আজি মই ডিবেটত ভাগ ল'ম বুলি ভবা নাছিলো।

এই আইনখন যিহেতুকে আমিয়ে বনোৱা আইন। এইখন এমেণ্ডমেন্ট কৰিব লাগিব। বিৰোধী পক্ষই এই এমেণ্ডমেন্ট আনিছে যদিও চৰকাৰী পক্ষই যদি গ্ৰহণ নকৰে আল্টিমেটলী এইটো তেখেতে উইড্ৰ কৰিব লাগিব নহ'লে এইটো নাকচ হ'ব। কিন্তু চৰকাৰক আমি ৰিকোৱেষ্ট কৰিছো এই এমেন্ডমেন্টৰ যোগেদি যে আপুনি এই অনাস্থা প্ৰভিজনটো উইড্ৰ কৰক নহ'লে, যদি অনাস্থাটো ৰাখিব বিচাৰিছে মেম্বাৰৰ দ্বাৰা প্ৰেছিডেন্ট ভাইছ প্ৰেচিডেন্ট বনোৱা চিষ্টেমটো কৰক। **মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ । এতিয়া চিদ্দেক আহমেদ ।

**শ্ৰীচিদ্দেক আহমেদ, (দক্ষিণ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সকলোৱে একে কথা কৈছে। জি পিৰ প্ৰেছিডেন্টৰ ক্ষেত্ৰত মই ভাবো ৱাৰ্ড মেম্বাৰ বিলাকে প্ৰেছিডেন্ট ইলেক্টেড কৰাটোৱে ভাল। কাৰণ প্ৰেছিডেন্টে নিজৰ মতে ইলেকশ্যন কৰে। ৰাইজে ভোট দিয়ে কিন্তু প্ৰেছিডেন্ট হোৱাৰ পিচত ৰাইজৰ মতামতত কোনো কাম কৰিব নোৱাৰে। তেওঁ মেম্বাৰৰ ওপৰত ডিপেণ্ড হ'ব লাগে আৰু এটা কথা হ'ল যিটো চিম্বলৰ কথা কৈছে , যদি পাৰ্টি চিম্বল হয় তেন্তে ডিফেকশ্যন আইনখন অনা ভাল ।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ ) ধিং ঃ** ছাৰ, মোৰ এটা কথা স্পষ্টীকৰণ দিবলৈ থাকি গ'ল । ইয়াত পলিটিকেল.......

**শ্ৰীচিদ্দিক আহমেদ ঃ** মোৰ সমষ্টিত দেখিছো যে বহু ৰাজহ গাঁও এটা পঞ্চায়তৰ যিটো ৰাজহ গাঁও বেলেগ পঞ্চায়তত গুচি গৈছে। তাত পপুলেচন বহুত কমি গৈছে, ধৰি লওঁক কৰবাত ১০ হাজাৰ পপুলেচন আছে কিন্তু বহুত ৰাজহ গাঁও বেলেগ পঞ্চায়তত গৈছে আৰু বেলেগ পঞ্চায়তৰ ৰাজহ গাঁও আহি এইটো পঞ্চায়তত সোমাই গৈছে। গতিকে এইটো এটা ডাঙৰ খেলি-মেলি হৈ গৈছে। গতিকে মই আমাৰ মাননীয় মন্ত্ৰী ডাঙৰীয়াক কব বিচাৰিছো ৰাজহ গাঁও বিলাক কোন পঞ্চায়তৰ কোন ৰাজহ গাঁও হ'ব লাগে এইটো অন্তত ঠিক কৰা ভাল। নহলে এঠাইৰ পপুলেচনটো আনঠাইলৈ গৈছে আৰু সেই ঠাইৰ পপুলেচনটো এই ঠাইলৈ আহিছে যাৰ কাৰণে বহুত খেলিমেলি হৈ গৈছে। এইটোৱে মই কব বিচাৰিছোঁ, ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া ভাস্কৰ জ্যোতি বৰুৱা।

**শ্ৰীভাস্কৰ জ্যোতি বৰুৱা (তিতাবৰ) ঃ** অধ্যক্ষ মহোদয়, মই সদনৰ এটা কথা দৃষ্টি গোচৰ কৰিব খুজিছোঁ মোৰ এইটো নতুন অভিজ্ঞতা যে আমি খুব ভাল আলোচনা এটা হৈছে no doubt. এতিয়া আমাৰ পঞ্চায়তৰ সভাপতি বিলাক directly আমাৰ জনসাধাৰণে নিৰ্বাচিত কৰে, ইয়ালৈকে ঠিকেই আছে আৰু পাৰ্টী চিম্ব'লত তেওঁলোক যায়। কিন্তু পৰৱৰ্তী সময়ত দেখা যায় যে তেওঁলোকে যিটো দলৰ পৰা নিৰ্বাচিত হৈ গ'ল পৰৱৰ্তী সময়ত কিবা খেলি মেলিৰ বাবে তেওঁলোক আকৌ বেলেগলৈ গুচি যায়। এই ক্ষেত্ৰত আমাৰ ৰাইজৰ বহুত লোচকান হয়। এইযে খোৱা-কামোৱা লাগে, গতিকে আমাৰ এই পবিত্ৰ সদনত মই এই কথাটো উপস্থাপন কৰিব খুজিছো যে ৫ বছৰৰ কাৰণে এটা চিম্ব'লত যিহেতু এজন প্ৰাৰ্থী তেওঁ পঞ্চায়তৰ সভাপতি বা সভানেত্ৰী হৈ তেওঁ নিৰ্বাচিত হৈছে, গতিকে সেই ৫ বছৰ যাতে তেওঁ সেই পাৰ্টীটোত থাকে তেনেকুৱা যদি কিবা ব্যৱস্থা আমাৰ সদনে বা আমাৰ মন্ত্ৰী মহোদয়ে কৰিব পাৰে তেনেহলে মই ভাৱো এইটো সমাজৰ কাৰণে এটা খুব ভাল পদক্ষেপ হ'ব, ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া ৰকিবুল হুছেইন ডাঙৰীয়া, শেষৰ জন বক্তা, সময় নাই আৰু ।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি)** ঃ অধ্যক্ষ মহোদয়, বহুত দেৰী বহি শুনিলো, এই কথাখিনি মই যেতিয়া পঞ্চায়ত মন্ত্ৰী আছিলোঁ ইয়াত শাসনত থকা মানুহখিনিয়ে একে কথায়ে কৈ আছিল

পঞ্চায়তৰ সভাপতিৰ সম্পৰ্কত। ইয়াত মই ভাৱো যে চৰকাৰী পক্ষ আৰু বিৰোধী পক্ষ সকলো এক মত। আমাৰ দিনতো আমি চেষ্টা কৰিছিলো যে এই কথাখিনি কেনেকৈ জোৰা মাৰিব পাৰি। কিন্তু গাওঁৰ ৰিয়েলিটিটো অলপ বেলেগ। মোৰ মনত পৰে যে বিজেপি চৰকাৰ অহাৰ লগে লগে এই কথাটো আলোচনা হৈছিল আৰু গোটেই অসমতে এটা delimitation আৰম্ভ হৈছিল। Delimitation আৰম্ভ হৈছিল ৱাৰ্ড বিলাকৰ যি আমি বিধায়ক সকল আছো, আমাৰ বিধায়ক সকলেও জানে যে আমাৰ প্ৰত্যেকটো সমষ্টিত delimitation কৰি নতুনকৈ ৱাৰ্ড কৰাৰ কথা কৈছিল। কিন্তু পিছত গৈ থমকি ৰ'ল। কাৰণ practical অসুবিধাটো হ'ল যে ১০ জন মেম্বাৰ আমাৰ আছে, ১০ জন মেম্বাৰৰ ধৰি লওঁক ৫ জন জিকিলে, ধৰি লওঁক মেম্বাৰৰ পৰা সভাপতি কৰিলোঁ, ৫ জন, ৫ জন হ'ল আমি কি কৰিম? Practical problems টো যিটোৰ কাৰণে এইটো হয়। গতিকে আমি গোটেই অসমত ১১ টা, ১১ টা ৱাৰ্ড কৰিব লাগিব। ১১ টা, ১১ টা ৱাৰ্ড কৰিবলৈ আমাৰ বিধান সভাত কৰোতে delimitation ত বহুত অসুবিধা, ইয়াত ব্যাপক টকা-পইচাৰ লগতে আমাৰ বহুত সময়ৰ কথা আছে আৰু বহুত exercise ৰ প্ৰয়োজন আছে। গতিকে এই কথাখিনি practical নোহোৱাৰ কাৰণে বোধহয় আপোনালোকে বহুখিনি আগবাঢ়িছিল, কাৰো দ্বিমত নাছিল। গতিকে আজি এটা নতুন প্ৰস্তাৱ আমিনুল ইছলামে দিছে, কোনোবা এজনে দিছে যে যেনেকৈ এ পি মেম্বাৰ বা জিলা পৰিষদত অনস্থাটো নাথাকে, বিধায়কৰ ক্ষেত্ৰত অনাস্থাটো নাথাকে পঞ্চায়তৰ ক্ষেত্ৰত directly কৰাৰ বাহিৰে যদি delimitation বা exercise টো নকৰে মোৰ বোধৰে এইটো নহ'ব, যেতিয়ালৈকে ১১ টা ৱাৰ্ড বা ১৩ টা ৱাৰ্ড বেজোৰ ৱাৰ্ড যদি নকৰে তেতিয়ালৈকে নহ'ব। যদি অনস্থাটো নাইকিয়া কৰিব পৰা যায় তেতিয়া সভাপতিৰ বিৰুদ্ধে আমাৰ যেনেকৈ ধৰি লওঁক এ পি মেম্বাৰ বা বেলেগৰ বেলেগ অন্যায় কৰিলে তেনেকুৱা ব্যৱস্থা আছে সেইটোৱে এটা কৰিব পৰা যায় নেকি অলপ কথাটো চিন্তা কৰক। কিন্তু আজি এই কথাখিনিৰ মই ভাৱো কোনো গুৰুত্ব নাই, এইখন চৰকাৰী পক্ষৰ পৰা আহিব লাগিব, কেৱল মই চৰকাৰক এই কথাখিনি দৃষ্টিগোচৰ কৰিলোঁ। তেওঁলোকেও চিন্তাত আছে, কথাখিনি চিন্তা কৰিছে, delimitation কৰিছে। যেতিয়া পঞ্চায়তৰ সভাপতি চিলেক্চনৰ কথাত আহিব আমাৰ কথাখিনিও অলপ চিন্তা কৰিলে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰীৰঞ্জিত কুমাৰ দাস, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমিনুল ইছলাম ডাঙৰীয়াই যি Private Member Bill উত্থাপন কৰিছে সেই সন্দৰ্ভত ইতিমধ্যে আমাৰ সন্মানীয় বিধায়ক সকলে বিভিন্ন ধৰণৰ view ৰাখিছে। বিশেষকৈ আমাৰ বিৰোধী দলৰ সদস্য সকলে। তেওঁলোকে যি মতামত ৰাখিছে সেই view ইতিমধ্যে আমিও বিভিন্ন অভিজ্ঞতা লাভ কৰিছোঁ। কিন্তু সকলোৰে view একে নহয়। আনকি এনেকুৱা হৈছে তেওঁ নিজেও এটা প্ৰস্তাৱ withdraw কৰি লৈছে। যি কি নহওঁক এই বিষয়টো লৈ বিস্তাৰিত ভাৱে আলোচনাৰ প্ৰয়োজন আছে। মই এই বিভাগৰ মন্ত্ৰী দায়িত্ব লোৱাৰ পিছতে প্ৰথমখন অধিৱেশনতে এই কথাষাৰ মই কৈছিলো যে আমাৰ এমেণ্ডমেন্ট কৰাৰ প্ৰয়োজন আছে বিভিন্ন বিষয়লৈ। আমাৰ অনাস্থা প্ৰস্তাৱৰ ক্ষেত্ৰতে হওঁক বা আমি আঞ্চলিক পঞ্চায়তৰ কথাও কৈছিলোঁ, যে এতিয়া আঞ্চলিক পঞ্চায়তৰ জি পি সকলে কাম কৰে বা জিলা পৰিষদে কাম কৰে কিন্তু আঞ্চলিক পঞ্চায়তৰ এতিয়া কাম তেনেকুৱা হাতত নাই। গতিকে এই কাৰণে মই প্ৰধান সচিবক কৈছিলো যে এই বিষয়ে এখন এক্সপাৰ্ট কমিটি গঠন কৰিব লাগে আৰু বিভিন্ন মানুহৰ পৰা view লৈ এটা প্ৰাৰম্ভিক এটা এচ ও পি বনাব লাগে। ইতিমধ্যে আমাৰ

বিভাগে বিভিন্ন অৱসৰ লোকে হওঁক বা ইয়াৰ লগত এক্সপাৰ্ট সকলে হওঁক বা stake holder সকলৰ লগত আলোচনা কৰি এটা প্ৰাৰম্ভিক ভিউ এটা প্ৰস্তুত কৰিছিল। প্ৰস্তুত কৰাৰ পিছত আমি সেই বিষয়টো যিহেতু পূৰ্বতে এই বিষয়টো আনিছিল প্ৰাক্তন মন্ত্ৰী ৰকিবুল হুছেইন ডাঙৰীয়াই চেষ্টা কৰিছিল বা আমিও চেষ্টা কৰি আছোঁ। আমি যাতে ন্যায় দিব পাৰো সেইটো আমি সততে নজৰ ৰাখিছোঁ কাৰণ এনেকুৱা হৈ আছে এগৰাকী পাব্লিকে ইলেক্ট কৰাৰ পিছত আজি সেই গৰাকী অনাস্থা প্ৰস্তাৱৰ যেতিয়া সন্মুখীন হয় তেতিয়া এনেকুৱা হয় আনকি তেখেতৰ মেম্বাৰচিপো অধিকাৰ নাথাকে। অথচ সভাপতি হিচাপে পাব্লিকে নিৰ্বাচিত কৰিলে কিন্তু যেতিয়া অনাস্থা প্ৰস্তাৱৰ সন্মুখীন হৈ পৰাজিত হয় আনকি তেওঁ এটা জেনেৰেল মেম্বাৰো হ'ব নোৱাৰে। গতিকে এইটো পাব্লিকৰ ভোটিং ৰাইটৰ ওপৰতে violation এটা হৈ আছে। গতিকে বিসংগতি তেনেকুৱা আছে আৰু এই বিষয়টো বিস্তাৰিত ভাৱে আলোচনা কৰাৰ কাৰণে আমি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াকো অৱগত কৰিছিলো, আমি কেবিনেটতো অৱগত কৰিছিলোঁ যে, আমি ইতিমধ্যে proposal prepare কৰিছিলোঁ এমেণ্ডমেন্টৰ কাৰণে পঞ্চায়ত এক্ট ১৯৯৪ লৈ। সেইটো লৈ আমি কেবিনেটত necessary approval ৰ কাৰণে আলোচনা কৰাৰ সময়ত আমাৰ কেবিনেট ২০২২ চনৰ ৮ আগষ্ট তাৰিখে সেই সভাত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু কেবিনেটে এটা সিদ্ধান্ত দিছিল যে এইটো বিষয় লৈ আমাৰ সেই কেবিনেট sub committee গঠন কৰাৰ কথা কৈছিল। সেইটোৰ আধাৰত আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই এখন কেবিনেট sub committee গঠন কৰি দিছিল, য'ত নেকি অধ্যক্ষ হিচাপে মোকে ৰাখিছে আৰু তাত Hon'ble Member হিচাপে চন্দ্ৰমোহন পাটোৱাৰী, কেশৱ মহন্ত, জয়ন্ত মল্ল বৰুৱাক ৰাখি কেবিনেট sub committee গঠন কৰি দিছিল। এই কেবিনেট sub committeeয়ে বিভিন্ন ধৰণৰ মতামত লৈ যেনেকৈ আজিৰ যি মতামত আছে, আপোনালোকৰ মতামত খিনি আমি কেবিনেট sub committee ত যিহেতু আজি গোটেই ৰেকৰ্ডিং হৈ আছে, সেই খিনিও আমি আলোচনা কৰিম। আলোচনা কৰি আমি আগন্তুক দিনত বিস্তাৰিত ভাৱে ব্যৱস্থা লম। মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই প্ৰস্তাৱ ৰাখিছিল যে ৰাইজৰ ওচৰত মুকলি কৰি দিছিল যে পাৰ্টীৰ চিম্ব'ল নোহোৱাকৈ আমি যদি ইলেক্টচনত অৱতীৰ্ণ হওঁ বহুত ৰাজ্যত আছে, পাৰ্টীৰ চিম্ব'ল নাই, আমাৰ হয়তো চিম্ব'ল আছে বা কিছুমান ৰাজ্যত আছে যে পঞ্চায়ত সভাপতিক অনাস্থা আনিব নোৱাৰে, সেইটো state wise হৈছে বিভিন্ন বিষয় বেলেগ বেলেগ ৰাজ্যত বেলেগ বেলেগ বিষয় চলি আছে। সেই কাৰণে আগন্তুক দিনত বিস্তাৰিত ভাৱে আলোচনা যিহেতু কৰিম আৰু এইটোৰ কাৰণে যিহেতু অলপতে আমি অধ্যক্ষ ডাঙৰীয়ালৈ পত্ৰ প্ৰেৰণ কৰিছিলো আমাৰ সচিবৰ জৰিয়তে যে এই বিষয়টো লৈ যিহেতু চৰকাৰে চিন্তা কৰি আছে আৰু কেবিনেট sub committee যিহেতু ফ্ৰেম হৈছে, গতিকে আৰু বিস্তাৰিত ভাৱে এই বিষয়টো আলোচনা কৰাৰ যথেষ্ট কাৰণ আছে আৰু সেইটো ইতিমধ্যে আমাৰ যি সকল দলৰ বিধায়কে ভিউ ৰখা নাই, আপোনালোকৰ ভিউৰ পৰা জানিব পাৰিছোঁ যে বহুত বিস্তাৰিত আলোচনা কৰাৰ প্ৰয়োজন আছে। গতিকে মই ভাৱো আজিৰ এই প্ৰস্তাৱটো withdraw কৰি আগন্তুক দিনত কেবিনেট sub committee য়ে বিস্তাৰিত আলোচনা কৰি নতুন প্ৰপোজেল কেবিনেটে দিয়াৰ পিছত যাতে বিধান সভাত আনিব পাৰি তাৰ কাৰণে প্ৰচেষ্টা চলাম। গতিকে মই মাননীয় আমিনুল ইছলাম ডাঙৰীয়াক আহ্বান জনাইছো এই প্ৰস্তাৱটো পৰৱৰ্তী সময়ত বিস্তাৰিত ভাৱে আলোচনা কৰাৰ স্বাৰ্থত তেখেতে যাতে প্ৰস্তাৱটো withdraw কৰি লয়।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী আমিনুল ইছলাম, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিখিনি কথা ক'লে আৰু আমাৰ সদনৰ বিভিন্ন জনৰ পৰা যি মতামত পালো, এটা কথা যিটো মোৰ ক্লজ-থ্ৰিত যিটো Õ±åÆÛ Õ±ŋýÆĝ Â÷ý×ûËóÂProvided that no candidate shall contest in the election with the symbol of any political party এই ক্ষেত্ৰত আমাৰ চিদ্দিক আহমেদ ডাঙৰীয়াই যিটো কথা কৈছে মই আচলতে সেই কথাটোত একমত আৰু এইটো ভাবিয়েই মই সংশোধনীটো আনিছো। যদি এটা ৰাজনৈতিক দলৰ চিহ্নত নিৰ্বাচনী হোৱাৰ পিছত তেওলোকক ভয় ভাবুকি দি, ধমকি দি বা কেতিয়াবা প্ৰলোভন দি, কিডনেপ পৰ্যন্ত হয় আৰু বেলেগ দলত যোগদান কৰিলে তেতিয়াহ'লে ৰাজনৈতিক দলৰ পৰা নিৰ্বাচিত হোৱাৰ অৰ্থ কি থাকিল। সেয়েহে সেই মানুহ খিনিক দলৰ ভিতৰত ধৰি ৰখাটো দলৰ বাবে প্ৰত্যাহ্বান স্বৰূপ হৈ পৰে । যদি Anti defection Act খনেই নাথাকে তেন্তে এটা ৰাজনৈতিক দলৰ পৰা জিকি অহাৰ পিছত অনায়াসে ভয় ভাবুকি দি, ধমকি দি বা কেতিয়াবা প্ৰলোভন দি বেলেগ এটা দলত চামিল কৰি দিব পাৰে, তেনে ক্ষেত্ৰত নিৰ্দিষ্ট এটা দলত ভৰ্তি হৈ থকা কথাটো অৰ্থহীন হৈ পৰে আৰু যদিহে চৰকাৰে এটা ৰাজনৈতিক দলৰ পৰা আন এটা ৰাজনৈতিক দললৈ যোৱাৰ পৰা বিৰত ৰখাৰ বাবে Anti defection Law অনাৰ আশ্বাস দিয়ে তেনেহ'লে মই এই সংশোদনী প্ৰস্তাৱটো উঠাই ল'ম । এনে ক্ষেত্ৰত ৰাজনৈতিক চিহ্নত নিৰ্বাচন হোৱাত মোৰ আপত্তি নাই । আৰু দ্বিতীয়তে ইয়াত এইটো ক্লজত বাকী যিখিনি আছে যে যিবিলাক পঞ্চায়ত ডাঙৰ সেইবিলাকত highest number of Members ৰ সংখ্যাটো দহৰ পৰা পোন্ধৰ কৰিব লাগে। আৰু Anti defection Law যদি চৰকাৰে কৰিব পাৰে মই এইটো উঠাই ল'ম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী ৰঞ্জিৎ দাস, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, ইতিমধ্যে মই কৈছো যে আমাৰ বিস্তাৰিত আলোচনাৰ প্ৰয়োজন আছে। কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই খুব এটা ডাঙৰ কথা কৈছে যে যিহেতু পঞ্চায়তৰ সভাপতিৰ বাবে মেট্ৰিক পাছ কৰিব লাগে। যদি এটা পঞ্চায়তৰ সকলো মেম্বাৰ সকল আণ্ডাৰ মেট্ৰিক আৰু যদি অনাস্থা আনে তেতিয়াহ'লে সভাপতি কাক পাতিব ? গতিকে নিশ্চিত ভাবে এইবোৰ পৰ্য্যালোচনা কৰিব লাগিব । গতিকে আনুসাংগিক কথা বহুতো আছে, Anti defection Law ৰ কথা আছে, এইখিনিও আমি আগলৈ আলোচনা কৰিম । আপোনালোকে যিমান খিনি বক্তব্য ৰাখিছে সেই বক্তব্য খিনি যিহেতু ৰেকৰ্ডত আছে আমি কেবিনেট চাব কমিটিত ৰাখিম লগতে বাকী বিধায়ক সকলকো ৰাখিম । বহুত বিস্তাৰিত আলোচনাৰ প্ৰয়োজন আছে। গতিকে মই ভাবো Anti defection Law বা বাকী যিবোৰ কাৰিকৰী সমস্যা আছে সেইবোৰ আমি ভালদৰে আলোচনা কৰাৰ কাৰণে এইটো উইড্ৰ' কৰিলে ভাল হয় ।

**শ্ৰী আমিনুল ইছলাম (কনিষ্ঠ, মানকাচৰ), বিধায়ক ঃ** মাননীয় অধ্যক্ষ, এইখিনি কথাত এটা সমস্যা আছে যে য'ত উপ-সভাপতিটো সদস্য সকলৰ পৰা হয় তাত উপ-সভাপতিৰ অৰ্হতাৰ কথাটো উল্লেখ নাই । যেতিয়া সভাপতি অনাস্থা প্ৰস্তাৱত হাৰি যায় তেতিয়া উপ-সভাপতি জন সভাপতি হয় । তেতিয়া অৰ্হতাৰ ব্যৱধানটো আহি যায়। দ্বিতীয়তে, সভাপতি যোৱাৰ পিছত উপ-সভাপতি জনৰ হাতত বিত্তীয় ক্ষমতাটো নাথাকে। আইন খনৰ লেকুনা এইখিনিতেই যে উপ-সভাপতি হোৱাৰ পিছত বিত্তীয় ক্ষমতাটো নাপায় । তেতিয়া বি. ডি. অ' আৰু চেক্ৰেটাৰী জইন্ট একাউন্ট কৰি ফাইনেঞ্চিয়েল পাৱাৰটো মেইন্টেনেঞ্চ কৰে। যেতিয়া তেওঁলোকে পাৱাৰটো নাপায় তেতিয়া পঞ্চায়তৰ পাৱাৰটো ফুলফিল নহ'ব । ফাইনেঞ্চিয়েল পাৱাৰটো যেতিয়া জনপ্ৰতিনিধিৰ

নাথাকে চৰকাৰী বিষয়া- বি.ডি.অ' আৰু সচিবে যদি জইন্ট একাউন্টতো চোৰাচিতা কৰি থাকে তেতিয়া পঞ্চায়তৰ মুখ্য বিষয়টো সম্পূৰ্ণ নহ'ব। গতিকে পঞ্চায়ত আইনখনত কিছু সুৰুঙা থাকিব।

**মাননীয় অধ্যক্ষ ঃ** আমিনুল ইছলাম (জেষ্ঠ) আপুনি উঠাই ল'ব নে?

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ, ধিং)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে ইতিমধ্যে যিখিনি কথা ক'লে, এটা কথাত ভাল হৈছে যে অন্ততঃ বিল খনৰ আলোচনাৰ জৰিয়তে আমাৰ সদস্য সকলে তেখেত সকলৰ ভিউটো ক্লিয়াৰ কৰিব পাৰিছে আৰু এক্ট খনত যিবিলাক বিসংগতি আছে সেই কথা বিলাকো স্পষ্ট হৈছে। মন্ত্ৰী মহোদয়ে কথাটো লক্ষ্য কৰিছে আৰু তেখেতে যিহেতু কেবিনেট চাব কমিটি গঠন কৰা ৰ কথা কৈছে আৰু আজিৰ আলোচনাৰ ভিউ বিলাক বিবেচনা কৰি এক্ট খন এমেণ্ড কৰাৰ কথা চিন্তা কৰিব । গতিকে মই আমাৰ ভিউ বিলাক প্ৰতিফলিত হোৱাকে এমেণ্ডমেন্ট বিলাক এক্ট খনত আনিব বুলি আশা কৰি আৰু মন্ত্ৰী ম্হোদয়ৰ আশ্বাসৰ প্ৰতি আস্থা জনাই আজি মই প্ৰাইভেট মেম্বাৰ বিল খন উঠাই ললো ।

**মাননীয় অধ্যক্ষ ঃ** গতিকে বিলটো উঠাই ল'লে।

The Assam Panchayat (Amendment) Bill, 2022 উঠাই লোৱা হ'ল ।

The House adjorned till 3 P.M.

**মাননীয় উপাধ্যক্ষ ঃ** কাৰ্য্যসূচী নং ৭। স্থগিত সংকল্প প্ৰস্তাৱ। বে-চৰকাৰী সদস্যৰ কাৰ্য্যসূচী স্থগিত সংকল্প প্ৰস্তাৱ এটা মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া কমলাক্ষ্য দে' পুৰুকায়স্থ, জাকিৰ হুছেইন সিকদাৰ আৰু শ্ৰীমতী নন্দিতা দাসৰ নামত আছে। যোৱা ইংৰাজী ০১-০৪-২০২২ তাৰিখে প্ৰস্তাৱক শ্ৰী দেৱব্ৰত শইকীয়াই ডাঙৰীয়াই বিষয়টো বক্তব্য আগবঢ়াব লওঁতে সদনৰ কাৰ্য্যসূচী অন্ত পৰে, আজি প্ৰস্তাৱটো পুনৰ আলোচনাৰ বাবে লোৱা হৈছে, এতিয়া মাননীয় সদস্য গৰাকীক ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ আহ্বান জনালো। তেখেত যিহেতু সদনত উপস্থিত নাই, আপোনালোকৰ ফালৰ পৰা এজনে কওঁক।

**শ্ৰীমতী নন্দিতা দাস (বকো)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ এটা বে-চৰকাৰী সংকল্প প্ৰস্তাৱ আছিল, সেইটো আমাৰ কেইবাজনো সদস্যই এইটো দাঙি ধৰিছিলে তাত সন্মানীয় দেৱব্ৰত শইকীয়া, কমলাক্ষ দে' পুৰুকায়স্থ, জাকিৰ হুছেইন সিকদাৰ আৰু মই নিজেও আছিলো। সেইটো আছিলে অসম চৰকাৰে অসম মেঘালয় সীমান্ত সমাধানৰ বাবে দ্বি-পাক্ষিক বৈঠক অনুষ্ঠিত কৰি সমাধানৰ বাবে প্ৰচেষ্টা চলাইছে। এনে ধৰণৰ দ্বি-পাক্ষিক বৈঠকৰ দ্বাৰা সীমা সমস্যাৰ সমাধান কৰাৰ ক্ষেত্ৰত আগ্ৰাসী হ'লে অসম-নাগালেণ্ড, অসম-মিজোৰাম, অসম-অৰুণাচল আদি ৰাজ্য সীমা সমস্যাৰ সমাধানৰ ক্ষেত্ৰত আমাৰ ৰাজ্য অধিক ক্ষতিগ্ৰস্থ হ'ব। সেয়েহে ইয়াৰ পৰিৱৰ্তে ভাৰতীয় সংবিধানৰ ব্যৱস্থা অনুসৰি আৰু এই ব্যৱস্থাৰ ভিত্তিত আলোচনাৰ মাধ্যমেৰে অসমৰ কেওখন ওচৰ চুবুৰীয়া ৰাজ্যৰ লগত সীমা সমস্যা সমাধানৰ ব্যৱস্থা কৰিবলৈ আজি বিধান সভাই প্ৰস্তাৱ কৰিব লাগে। এই প্ৰস্তাৱটোৰ ওপৰত কিছু বক্তব্য দাঙি ধৰিব বিচাৰিছো। বিশেষভাবে অসম মেঘালয় সীমান্তৰ ক্ষেত্ৰত আমি দেখিছো বা শুনিছো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে সীমা সমস্যা সমাধানৰ ক্ষেত্ৰত আগভাগ লৈছে। তেখেতে মুখ্যমন্ত্ৰী হোৱাৰ পিছৰে পৰা যিখিনি ঘোষণা কৰিছে, সীমামূৰীয়া যি বিলাক ৰাজ্যৰ লগত আমাৰ বিবাদ চলি আছে, সেই বিবাদৰ এটা সু নিষ্পত্তিৰ বাবে কিছু কিছু ব্যৱস্থা গ্ৰহণ কৰা আমাৰ দৃষ্টিগোচৰ হৈছে। তেখেতৰ যিটো প্ৰচেষ্টা, সেই প্ৰচেষ্টাক আমি ধন্যবাদ জনাইছো। আমি অসমৰ মানুহ হিচাবে বিচাৰো যে, অসমৰ ১ ইঞ্চিও

মাটি যাতে সীমামূৰীয়া ৰাজ্য বিলাকে যিহেতু বিবাদ কৰি আছে আৰু যাতে তেখেত সকলৰ হাতলৈ গুচি নাযায়, সেই ক্ষেত্ৰত মই বিধায়িকা হিচাবেও বিচাৰো কোনো কাৰণত মেঘালয়ে যাতে পাবলৈ সক্ষম নহয়। আমাৰ চৰকাৰে এটা সুস্থিৰ আৰু সঠিক পদক্ষেপ গ্ৰহণ কৰিব লাগে। মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ বকো সমষ্টিৰ সীমান্তৰতী দীঘলীয়া এলেকা অসম মেঘালয় অন্তৰ্গত যিটো ক্ষেত্ৰত বিবাদ বুলি ইতিমধ্যে এই কথাবিলাক সংবাদ মাধ্যমত সকলোৰে দৃষ্টিগোচৰ হৈছে। মাননীয় মুখ্যমন্ত্ৰীয়ে গোটেই কথাখিনি জানে আৰু তেখেতে সেই অঞ্চললৈ আগতে গৈছে, যেতিয়া তেওঁ কংগ্ৰেছ চৰকাৰৰ দিনত মন্ত্ৰী আছিল। মাননীয় উপাধ্যক্ষ মহোদয়, মেঘালয় ৰাজ্যখন ১৯৭২ ত গঠন হৈছিল। সেই সময়ত খাচী,জয়ন্তীয়া আৰু গাৰো পাহাৰ, এই এলেকাটোক লৈ মেঘালয় ৰাজ্য গঠন হৈছিল, আমি সকলোৰে জানো। সেই সময়ত অসম আৰু মেঘালয়ৰ সীমাটো নিৰ্দিষ্ট ভাবে নিৰ্ধাৰণ নকৰাৰ কাৰণে আজিও এই সমস্যা চলি থাকে, আমাৰ সকলোৰে দৃষ্টিগোচৰ হৈছে। মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ প্ৰচেষ্টাত আমি আশা কৰিছো যে, সমস্যাৰ সমাধান হ'ব। এই ক্ষেত্ৰত মেঘালয়ৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই লাংপি অঞ্চল দাবী কৰি আছে । তেওঁ আমাৰ মুখ্যমন্ত্ৰীৰ লগত সেই ঠাইটো ভ্ৰমণো কৰিছিলে। লাংপি আমাৰ অসমৰে অংগ। তাত নেপালী সম্প্ৰদায়ৰ লোক বসবাস কৰে, তাত গাৰো সম্প্ৰদায়ৰ লোক বসবাস কৰে তাত কিছু খাচী সম্প্ৰদায়ৰ লোক আগ্ৰাসন কৰি সোমাই আহিছে। লাংপি অঞ্চলটো যে আমাৰ অসমৰে, সেইটো প্ৰমাণ কৰিবলৈ হ'লে মোৰ হাতত বিধায়িকা হিচাবে কিছু তথ্য আছিল আৰু মই আজি সদনৰ মজিয়াত দাঙি ধৰিব বিচাৰিছো। লাংপি অঞ্চলত ১৯৬৯ ত তাৰে এজন খেতিয়ক (garzien) জয়বাহাদুৰ ৰায় তাৰে নিবাসী, তেওঁ সেই সময়ত মেঘালয়ৰ মানুহ আহি যেতিয়া আগ্ৰাসন কৰিলে। তেখেতে কামৰূপৰ উপায়ুক্তৰ ওচৰত আহি তেতিয়া তেওঁলোকে এটা অভিযোগ দাঙি ধৰিছিল। অভিযোগটো আছিল সেই অঞ্চলত বসবাস কৰা বিশেষ ভাবো গোৰ্খা সম্প্ৰদায়ৰ লোকখিনিৰ মেঘালয়ৰ কিছু মানুহ আহে। তেওঁলোকৰ ওপৰত অত্যাচাৰ চলাইছিল। তেওঁলোকৰ মাটি বিলাক বলপূৰ্বক ভাবে দখল কৰিবলৈ চেষ্টা কৰিছিল। সেই অভিযোগৰ কপি মোৰ লগত এতিয়াও আছে। এই কাগজখিনি আপোনাক দি দিম। পৰৱৰ্তী সময়ত আমি জনাবলৈ পায় ভাল পাইছো, ৫ জন গাওবুঢ়া নিযুক্তি পাইছে, লাংপি অঞ্চল চোৰা-চিতা কৰাৰ বাবে। তেতিয়া অসম চৰকাৰৰ চাৰ্কোল অফিচ আছিল ছয়গাঁওত। তেতিয়া যেতিয়া SDO Civil দণ্ডাধীশ আছিল, তেখেতে নিযুক্তি দিছিল ১৯৭১ ত, নাম আছিল নৰেন্দ্ৰ ৰায়। ১৯৭৪ চনটো নৰন্দ্ৰে ৰায় গাওবুঢ়াই তেখেতৰ আৰু এটা সংঘাট যেতিয়া মেঘালয়ৰ মানুহৰ লগত হ'ল, তেতিয়া তেওঁ পুনৰ Sub- Divisional Megistrate কোৰ্টত এটা কেচ ফাইল কৰিলে। সেই কেচৰ ৰেকৰ্ডও আমাৰ লগত আছে। কেচৰ নম্বৰ আছিল 28M/70 তেওঁ এজন regular graseer আছিল। তেওঁৰ চৰকাৰী খাজনা দি আছিল। ১৯৭৪ ত আকৌ জাংপি খাৰকে, তেওঁ মেঘালয় আহি উৎপাত কৰে, তেওঁ তেতিয়াৰ উপায়ুক্তক অভিযোগ নামা দিছিল। সেই তথ্য আমাৰ লগত আছে। ঠিক তেনেদৰে ২০০১ চনৰ পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হৈছিল, সেইপঞ্চায়ত নিৰ্বাচনত আমাৰ নিৰ্বাচন অসম চৰকাৰে লাংপি অঞ্চলত পাতিছিল, আৰু এইপঞ্চায়ত খনৰ নাম হৈছে ন নং দক্ষিণ-পূৰ বকো গাওঁ পঞ্চায়ত। সেই পঞ্চায়তত পৰৱৰ্তী সময়ত তাতে যিজন মেম্বাৰ নিৰ্বাচিত হৈছিল। সেই মেম্বাৰজনক নিমন্ত্ৰণ কৰিছিল DC যে তেওকঁ শপত গ্ৰহণ কৰাৰ কাৰণে তাৰ তথ্যখিনি আমাৰ হাতত আছে। ঠিক সেই দৰে বৰ্তমানৰ মুখ্যমন্ত্ৰী তেখেতে ৩১-৫-২০০৮ চনত ল'ৰাৰ লাংপিৰ পৰা কম্পাজুলিলৈ যোৱা ৰাস্তাটো নিমাৰ্ণ কৰাৰ পিছত উদ্ধোধন কৰিবলৈ গৈছিল। সেই তথ্য উপাধ্যক্ষ মহোদয় আমাৰ লগত আছে। আমাৰ CLP ৰ লিডাৰ,

তেখেতক মুখ্য মন্ত্ৰী ডাঙৰীয়াই এখন চিঠি দিছিল, আৰু এইখন মোৰ হাতত আছে ১৬-০৯-২০২০-২১ ত এই গোটেইখিনি তথ্য ইতিমধ্যে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হাতত মজুত আছে আৰু মই নিজেও এই যিটো আগ্ৰাসন চলি আছিল , বিভিন্ন সময়ত ১৪-০৩-২০১৮ চনত ৰুল ৩০১ ৰ জৰিয়তেও এই সদনৰ মজিয়াত অৱগত কৰাইছিলো ঘটনাবিলাক। ইয়াৰ পৰৱৰ্তী সময়ত মই পুনৰ শূণ্যকালিন ঘন্টাত মই এই ঘটনা বিলাক অৱগত কৰাইছিলো। ইয়াৰ পৰৱৰ্তী সময়ত অসমৰ বহুতবোৰ গাওঁ মেঘালয়ে তেওঁলোকৰ Development Block ত চামিল কৰি লৈছিল, সেই কথাবিলাকো মই ২০১৯ চনত সদনৰ মজিয়াত অৱগত কৰাইছিলো। ২০১৮ চনত আমাৰ PAC Department ৰ বহু কেইজন অফিচাৰৰ ওপৰত মেঘালয়ৰ দুষ্কৃতিকাৰীয়ে আক্ৰমণ কৰিছিল সেই সময়ত। সেই কথাবিলাক মই সদনৰ মজিয়াত অৱগত কৰাইছি লো, উপাধ্যক্ষ মহোদয়, আমি চাইছো যে আগ্ৰাসনটো আমি বন্ধ কৰিব পৰা নাই। অসম চৰকাৰৰ তৰফৰ পৰা যিখিনি পদক্ষেপ গ্ৰহণ কৰিব লাগিছিল, সময়ে সময়ে মই যিমানখিনি ইয়াত তথ্য সহকাৰে দাঙি ধৰিছো। সেই ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা যিখিনি হেচা প্ৰয়োগ কৰিব লাগিছিল, মেঘালয়ৰ চৰকাৰক যিখিনি হেচা দিব লাগিছিল, যিখিনি পদক্ষেপ গ্ৰহণ কৰিব লাগিছিল সেইখিনি গ্ৰহণ নকৰাৰ ফলতেই আজি মেঘালয়ে এই লাংপি অঞ্চলটোত এনেকে দাবী কৰি আহিছে। উপাধ্যক্ষ মহোদয়, আমি বিছাৰো যে যিহেতু সকলো তথ্য আমাৰ হাতত আছে। সেই হিচাপে আমি কেতিয়াওঁ আমাৰ লাংপি অঞ্চলটো যাতে মেঘালয়ক এৰি দিয়া নহয়, সেই ব্যৱস্থাটো চৰকাৰে কৰিব লাগিব। মোৰ হাতত কেইবাখনো স্কুলৰ ফটো আছে যিবিলাক আমি দেখুৱাব পাৰো এইবোৰ আছে। কেইবাখনো স্কুল তাতে অসম চৰকাৰে প্ৰতিষ্ঠা কৰিছে, ইয়াৰ সকলো তথ্য আছে। মই স্কুলৰ নামখিনি গাই দিব খুজিছো - উপাধ্যক্ষ মহোদয় সদনৰ জ্ঞাতাৰ্থে নোৱাপাৰা এল পি স্কুল ১৯১৮ চনত স্থাপন হৈছিল, বেংজেং এল পি স্কুল ১৯২৬ চনত স্থাপন হৈছিল, ব্ৰউনপাৰা এল পি স্কুল ১৯৫৮ চনত স্থাপন হৈছিল, ভানুগত্য এল পি স্কুল ১৯৬৬ চনত স্থাপন হৈছিল, লাম্পী হিমালয়া এল পি স্কুল ১৯৭৭ চনত স্থাপন হৈছিল, মাৰ্কেগুৰি বৃন্দাৱন এম ই স্কুল ১৯৮৭ চনত স্থাপন হৈছিল, লাংপি আঞ্চলিক এম ই স্কুল ১৯৮৮ চনত স্থাপন হৈছিল, লগতে চুমৰাং এল পি স্কুল ১৯১৭ চনত স্থাপন হৈছিল, এনেকুৱা ইমানবোৰ পুৰণি স্কুল ইমানদিন আগতে যিখিনি ঠাইত স্থাপন হৈছিল, সেইখিনি মাটি কেতিয়াবা মেঘালয়ৰ হ'ব পাৰে নেকি ? নিশ্চয় অসম চৰকাৰৰ মাটি। সেই কাৰণে অসম চৰকাৰে সেই সময়ত ইমানবোৰ স্কুল স্থাপন কৰিছিল কেইবাটাওঁ অংগনবাড়ী স্থাপন কৰিছিল। অংগনবাড়ীৰ লিষ্টি মোৰ হাতত আছে, চোমৰাং, হৰ্য নগৰ, মাকৈবাৰী, পাতাবাৰী, উনসিং, লাংপি এই সকলো বিলাক আমাৰ চৰকাৰে স্থাপন কৰিছিল। ৰাস্তা বনাইছে, বকোৰ পৰা আপাৰ লাংপি লৈ চাব- চেন্টাৰ বনাইছে, ইমানবোৰ কৰাৰ পাছত এক মাত্ৰ মেঘালয়ে দাবী কৰা বুলি আমাৰ ঠাইখিনি যদি আমি বাদ দিওঁ এইটো সাংঘাটিক এটা অন্যায় হ'ব । উপাধ্যক্ষ মহোদয় সেই কাৰণে মই সদনৰ মজিয়াত অনুৰোধ কৰিব বিচাৰিছো, লাংপিৰ সমস্যাটো বকো সমষ্টিৰ অন্তৰ্গত, সেই কাৰণে এইটো মোৰ সমস্যাও নহয়। লাংপিৰ সমস্যাটো সমগ্ৰ অসমৰ সমস্যা , লাংপিৰ সমস্যাটো আমাৰ সদনৰ মজিয়াত থকা ১২৬ জন বিধায়কৰ সমস্যা। আমি যিয়ে জাতি-মাটি ভেটিৰ কথা কওঁ যিয়ে আমাৰ অসমক ভাল পায়, অসমৰ মাটিক ভাল পায়, কোনো এজন ব্যক্তিয়ে লাংপিক মেঘালয়ৰ হাতত অৰ্পন কৰিব নোৱাৰে উপাধ্যক্ষ মহোদয়। সেই কাৰণে মই চৰকাৰক বাৰে বাৰে কথাখিনি কৈ আছো, চৰকাৰ এতিয়াও শক্তিশালী হওঁক। চৰকাৰে এতিয়াও লাংপিক কনৰেড চাংমা, মুখ্যমন্ত্ৰী ডাঙৰীয়াই দাবী কৰা বন্ধ কৰিব লাগে। চৰকাৰে শক্তিশালী পদক্ষেপ ল'ব লাগে। কিন্তু আমি যেতিয়াই কৈছো

লাংপিত এই ৰাস্তাটো বনাব দিয়া নাই চৰকাৰে লগে লগে পদক্ষেপ লোৱা নহলে বৰ্ডাৰৰ উনালিত এটা আউট পোষ্ট চেংচন হৈছিল তাতে বনাব নিদিয়ে, দুষ্কৃতিকাৰীয়ে ভাঙি পেলালে, লণ্ড-ভণ্ড কৰি পেলালে। চৰকাৰে অতি শীঘ্ৰে উনালিত এটা আউট পোষ্ট বনাব দিব লাগে। কিন্তু সেইবিলাক কৰা ন'হল উপাধ্যক্ষ ডাঙৰীয়া, যাৰ ফলত তেওঁলোকৰ সাহস দিনক দিনে বাঢ়ি গৈ আছে। এটা সময়ত য'ত এঘৰ খাচী মানুহ নাছিল আজি তাত ৪-৫ শ হাজাৰ ঘৰ খাচি মানুহ আহি তাতে বসবাস কৰিলে। এইবিলাক উপাধ্যক্ষ মহোদয় কিহৰ কাৰণে হৈ আছে? সেই কাৰণে আমি বিচাৰো এতিয়াও চৰকাৰ শক্তিশালী হওঁক এতিয়াওঁ চৰকাৰ লাংপি লৈ যাওঁক। যোৱা চৰকাৰৰ দিনত যেতিয়া সন্মানীয় হিতেন্দ্ৰ নাথ গোস্বামী ডাঙৰীয়া অধ্যক্ষ আছিল, তেতিয়া মই তেখেতক অনুৰোধ কৰিছিলো যে লাংপিত যাব লাগে। আমাৰ all party deligation গৈ তাতে মানুহৰ কথা শুনিব লাগে। মানুহৰ মনৰ বুজ ল'ব লাগে। এতিয়াও মই অনুৰোধ কৰিছো, উপাধ্যক্ষ মহোদয়, যে আমাৰ all party deligation গ্ৰুপ এটা তাতে গৈ মানুহৰ মনৰ কথা শুনিব লাগে। মানুহে কৈ আছে আমি মেঘালয়ত নাযাওঁ। মানুহে কৈ আছে আমি অসমত থাকিব বিচাৰো। আমি অসমৰ ৰেচন খাই আছো, আমি অসমত ভোট দি আছো, আমি অসমৰ স্কুলত পঢ়ি আছো? আমাক কিয় মেঘালয়লৈ যাবৰ কাৰণে বাধ্য কৰোৱা হৈ আছে। আমি কোনো পধ্যে মানি নলওঁ। এই বিলাক জনসাধাৰণৰ কথা। কেইদিন মান আগতে আমি টিম এটা গৈছিলো CLP লিডাৰৰ নেতৃত্বত, তাত আমি মানুহৰ লগত কথা পাতিছো, মানুহৰ মনৰ ভাৱ ভাল। মানুহে বিচৰা নাই, কিন্তু আমাৰ ক'ত দুৰ্বলতা আহিছে? সেই কথাটো আমি ধৰিব পৰা নাই। কি কাৰণে লাংপিক বিতৰ্ক বুলি কোৱা হৈছে আমি ধৰিব পৰা নাই। লাংপি কেতিয়াওঁ বিতৰ্কৰ ঠাই নহয়। লাংপি অতিজৰে পৰা আমাৰ প্ৰাণ। আমাৰ ইমানবোৰ ৰেৰ্কডে কৈ আছে। কেইবাজনো গাওঁবুঢ়াৰ সৃষ্টি হ'ল, কেইবাজনো গাওঁবুঢ়াই নিযুক্তি পালে, কেইবাজনো গাওঁবুঢ়াৰ মৃত্যু হৈ গ'ল। প্ৰত্যেকজন গাওঁবুঢ়াই বাৰে বাৰে যেতিয়া লাংপিৰ ওপৰত মেঘালয়ৰ দুষ্কৃতিকাৰীয়ে আক্ৰমণ কৰি আছে, বাৰে বাৰে অসম প্ৰশাসনক, কামৰূপ জিলা প্ৰশাসনক জনাই আছে, তেওঁলোকৰ আবেগটো উপাধ্যক্ষ মহোদয় চাব লাগিব। তেওঁলোকক ইমনখিনি হেচাঁ দিয়াৰ পাছতো তেওঁলোকে অসমখনটো এৰি যোৱা নাই। ইমানখিনি তেওঁলোকক অত্যাচাৰ কৰিছে, মানুহৰ ঘৰ জ্বলাই দিছে, মানুহক মাৰিছে, নদীত পেলাই দিছে, ইয়াৰ পিছতো তেওঁলোকে অসমক এৰি মেঘালয়ত যাওঁ বুলি কোৱা নাই। এই কথাবিলাক আমি আবেগেৰে চাব লাগিব। মই অসম চৰকাৰক অনুৰোধ কৰিছো, লগতে আমাৰ উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াক, তেওঁ গৈছে এবাৰ, তেওঁ আকৌ যাব লাগিব। তেওঁ হয়তো সেই দিনা হেলিকপ্তাৰেৰে গৈছিল। মানুহৰ আবেগখিনি তেওঁ খুব কাষত পোৱা নাছিল। মই অনুৰোধ কৰিছো যে এটা deligation team পঠিয়াব লাগে আৰু মুখ্য মন্ত্ৰী ডাঙৰীয়াও এটা টিম লগতলৈ মানুহৰ লগত কথা পাতিবৰ কাৰণে, মানুহৰ কথাৰ বুজ ল'বৰ কাৰণে, তালৈ যাব লাগে। লগতে মই অনুৰোধ কৰিছো যে আমাৰ development টো ৰৈ গৈছে। লাংপিত এতিয়া কোনো development হোৱা নাই। আমি আমাৰ ঠাইত কিয় কাম কৰিব পৰা নাই? মেঘালয়ে তেওঁলোকৰ নিজৰ ৰাস্তা বনাই আছে, তাত খোৱা পানীৰ অভাব আছে, বিদ্যুৎৰ অভাৱ আছে, তাত এখন হাইস্কুল নাই। এখন বৃন্দাৱন এম ই স্কুল আছে, কিন্তু প্ৰাদেশিকীকৰণ হোৱা নাই। তেনেকুৱা বহুত ধৰণৰ কাম আমি কৰিবলগীয়া আছে। PMGSY ৰ পৰা এটা ৰাস্তাৰ কাম বন্ধ কৰি দিয়া হৈছিল। ল'ৱাৰ লাংপিৰ পৰা ৰাণী সেই ৰাস্তাটো মই লিখি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক কৈছো যে সেই ৰাস্তাটো আমি কৰিব নোৱাৰিলো, আউট পোষ্টটো আমি বনাব নোৱাৰিলো। এই বিলাক কিহৰ আমাৰ দুৰ্বলতা?

আমি শক্তিশালী হ'ব লাগিব। সেই কাৰণে যি সমস্যাৰ সমাধান কৰিবলৈ খুজিছে আমি স্বাগতম জনাইছো। আৰম্ভণিতে কৈছো যে কেইখনমান ঠাইত গৈ মেঘালয়ৰ মাননীয় মুখ্যমন্ত্রী কনৰাড চাংমা ডাঙৰীয়াৰ লগত কেইটামান ঠাইৰ আলোচনা কৰিছে। গিজাং, হায়েন, নামতাৰাবাৰী তাতে কিছু বিতর্ক আছিল। আমি নকওঁ তাৰে হয়তো এক পার্চেন্ট মানুহে কেতিয়াবা মেঘালয়লৈ যায়। কিন্তু লাংপিত কোনো বিতর্ক নাই। সেই কাৰণে লাংপিক কোনো কাৰণতে অসমে এৰি নিদিয়ে। মই বিধায়ক হিচাপে আজিৰ সদনত অনুৰোধ জনাইছো লগতে দাবীও জনাইছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া কমলাক্ষ দেই পুৰকায়স্থ ।

**শ্রী কমলাক্ষ দে পুরকায়স্থ :-** মাননীয় উপাধ্যক্ষ মহোদয়, অসম-মেঘালয়, অসম-মিজোরাম,অসম -নাগাল্যাণ্ড, অসমের পার্শ্ববর্তী প্রতিটি রাজ্যের সাথে যে জমি বিবাদ সে বিষয়ে আমরা সবাই অবগত। উপাধ্যক্ষ মহোদয়, আমাদের মুখ্যমন্ত্রী আন্তরিক। ইতিমধ্যে মাননীয় মুখ্যমন্ত্রী টিম বানিয়েছেন, প্রত্যেকজন মুখ্যমন্ত্রীর সঙ্গে দেখা করছেন। সে ব্যাপারে মুখ্যমন্ত্রী আন্তরিকতা দেখাচ্ছেন। উপাধ্যক্ষ মহোদয়, মেঘালয়ের ১২টি জায়গায় এই সমস্যা। অর্থাৎ মেঘালয় ও অসম সীমার ১২ টি গ্রামে এই সমস্যা। ৬ টি গ্রামে সীমার সমস্যার সমাধান হয়েছে। বাকী ৬ টি গ্রামের সমস্যার সমাধান এখনও বাকী। সেটা নিয়ে আলোচনা ও কথাবার্তা হল মেঘালয়ের মুখ্যমন্ত্রী কনরাড সাংমার সাথে। কিন্তু মেঘালয়ের বিরোধী দল সেই চুক্তি মানছেননা। বিরোধী দল বলছে, আপনারা যে সমস্যার সমাধান করেছেন সেই সমাধান আমরা মানি না। অর্থাৎ ওনারা বলছেন যদি আমরা ক্ষমতায় আসি তাহলে আমরা এই এগ্রিমেন্ট কেন্সেল করব। অধ্যক্ষ মহোদয়, সীমা বিবাদ নিয়ে শুধু সরকার নয় বিরোধীদলের সঙ্গে আলোচনা করে সর্বসম্মতক্রমে যাতে এই সমস্যার সমাধান করা হয়। কারন অসম আমাদের জন্মভূমি। আমাদের রাজ্যের জমি সুরক্ষিত রাখা আমাদের প্রত্যেকের দায়িত্ব-কর্তব্য। যে সরকার মাটি ভিটের কথা বলেছিল, যে সরকার বলেছিল আমাদের রাজ্যকে সুরক্ষিত রাখবে, রাজ্যের মাটিকে সুরক্ষিত রাখবে কিন্তু আজকের দিনে সেই রাজ্যের মাটি সুরক্ষিত না।

উপাধ্যক্ষ মহোদয়,অরুণাচল প্রদেশের মুখ্যমন্ত্রী প্রেমা খাণ্ডু র সঙ্গে এই বিষয়ে কথাবার্তা হয়েছিল। ১২৩ টি গ্রামে সেই একই সমস্যা। এখানে আমাদের বিধায়ক রূপজ্যোতি কুর্মি মহাশয় উপস্থিত আছেন ওনাকে একবার নিগৃহীত করা হয়েছিল এমনকি ওনার ওপর গুলি চালানোর প্রচেষ্টাও নেওয়া হয়েছিল। থ্যাঙ্ক গড, উনি যে এখনও আমাদের মধ্যে আছেন। এই ১২৩ টি গ্রামের সমস্যার মধ্যে মাত্র ৩৭টি গ্রামের সমস্যার সমাধান হয়েছে। বাকি ৮৬টি গ্রামের সমস্যার সমাধান হয়নি এখনও। অর্থাৎ অরুণাচল এবং অসম সরকার আলোচনাক্রমে ১২টি গ্রুপ বানিয়েছেন। কিন্তু দেখা যাচ্ছে, সেই সমস্যার সমাধান এখনও করা হচ্ছেনা। মিজোরামের সমস্যাটি ভয়ানক সমস্যা। যদিও আমাদের মুখ্যমন্ত্রী বলেছেন যে দিল্লি একটি কর্পোরেশনের মত। সেই মর্মে যদি আমরা দেখি তাহলে মিজোরাম একটি পঞ্চায়েতের মত। দিল্লি থেকে দেখলে সেই পঞ্চায়েতের একটি বিভীষিকাময় পরিস্থিতি। ২০২০ এর অক্টোবর মাস থেকে এই সমস্যা চলছে। লায়লাপুরে,পাথারকান্দি অঞ্চলের মেদনিছড়া এই অঞ্চলগুলিতে সমস্যা। আমরা বারবার সরকারকে জানিয়েছি, সরকারকে বলেছি। কিন্তু সঠিক সময়ে সরকার তৎপরতা না নেওয়ার জন্য ২০২১র ২৬ জুলাই মিজোরামের অনেক মানুষ চলে এসেছে লায়লাপুরে। প্রথমে এসে একবার ওরা চলে গিয়েছিল। পরে আবার ওরা আসল। প্রায় ১০০থেকে ২০০ মানুষ সেখানে চলে আসলো এবং আমাদের অসমের মানুষের উপর পাথর ছোড়া শুরু করল। সেই খবর পেয়ে আমাদের এসপি এবং ডিসি সেখানে গেলেন এবং সেখানে যাওয়ার পর ভয়াবহ অবস্থা। শিলচরের এসপি ও

ডিসি যখন সেখানে গেলেন ও কথাবার্তা বলছিলেন তখন মিজোরামের পঞ্চায়েতের প্রতিনিধিরা অর্থাৎ মিজোরামের পুলিশরা আমদের মানুষের উপর আমাদের পুলিশের উপর গুলি বর্ষণ শুরু করল এবং ঘটনাস্থলে আমাদের ৫ জন জওয়ান সেখানে মারা যান। আমাদের মুখ্যমন্ত্রী বলেছিলেন লাইট মেশিন গান ইউজ করা হয়েছিল। মুখ্যমন্ত্রী সেই কথাগুলো বলেছেন, তিনি নেডার চেয়ারম্যান। কিন্তু নেডার চেয়ারম্যান হিসাবে যে ভূমিকা নেওয়া উচিত ছিল সেই ভূমিকা তিনি নেননি। তার জন্য দেখা যাচ্ছে আজ অবধি লায়লাপুরে বলুন অরুণাচলে বলুন প্রত্যেকটি জায়গায় সীমা বিবাদের জন্য আপনারা ডায়লোগ করছেন, আপনারা আলোচনা করছেন, কিন্তু উনারা বলছেন আমরা সেই আলোচনা মানি না। আমাদের এই জায়গা চাই। অর্থাৎ অসম যদি বিগ ব্রাদার হয় ,আমরা যদি বড় ভাই হই তাহলে আমাদের সেই মানসিকতা গড়ে তুলতে হবে। আজ দিল্লিকে বলা হচ্ছে কর্পোরেশন, সেই সময় পঞ্চায়েত মিজোরামের মত একটা রাজ্য যদি আমাদের মানুষকে হত্যা করে তাহলে সেটা দুঃখজনক এবং লজ্জাজনক ব্যপার। আমদের মুখ্যমন্ত্রীকে কঠোর হতে হবে। আমাদের মুখ্যমন্ত্রীকে হয়তো বা নেশন্যাল মিডিয়াতে দেখা যায়। কিন্তু সেই সীমাবিবাদের ক্ষেত্রে ওনাকে যেভাবে কঠোর হওয়া উচিৎ ছিল মুখ্যমন্ত্রী সেইভাবে কঠোর হচ্ছেন না। তাই সামনের দিনে মুখ্যমন্ত্রী কঠোর হন। আমরা বিরোধী দল, আমরা সবাই ওনার সঙ্গে আছি। আপনি আরো শক্ত হন, আর শক্ত হাতে সেটা মোকাবিলা করুন। অসমের জমি, অসমের মাটি অর্থাৎ অসমকে যাতে সুরক্ষিত করে রাখা যায় সেটা হতে হবে আমাদের মুখ্য উদ্দেশ্য। অধ্যক্ষ মহোদয় আমি আমার বক্তব্য শেষ করছি তার আগে আমি ছোট্ট একটি গল্প বলব..

মাননীয় অধ্যক্ষ মহোদয়, মই এটা গল্প ক'ব বিচাৰিছো। এখন সৰু ৰাজ্য আছিল। তাত এখন গাওঁ আছিল। গাঁৱত এগৰাকী মানুহৰ ৰুটি বিক্ৰী কৰা দোকান এখন আছিল। ৰুটিৰ মূল্য আছিল পাঁচ টকা। পাৰ প্লেট ৫ টকা। এই মানুহজনে টো সিদ্ধান্ত কৰিলে যে এতিয়া যিহেতু আটা, চাউল আদি খাদ্য বস্তুৰ ওপৰত GST লাগিছে গতিকে ৰুটিৰ দাম বঢ়াব লাগিব। দাম বঢ়াব লাগিলে চৰকাৰৰ ওচৰলৈ যাব লাগিব আৰু চৰকাৰৰ ওচৰত ক'ব লাগিব। তেখেতে সিদ্ধান্ত ল'লে যে চৰকাৰৰ ওচৰলৈ যাব। চৰকাৰৰ ওচৰলৈ গৈ যেতিয়া বুজাই ক'লে যে আমাৰ পাৰ প্লেট ৰুটিৰ মূল্য ১০ টকা কৰিব লাগে। তেখেতে ক'লে যে ১০ টকা যদি কৰিব লাগে আপুনি গৈ ঘোষণা কৰি দিয়ক যে কাইলৈৰ পৰা আপোনাৰ ৰুটিৰ প্লেটৰ দাম ৩০ টকা হ'ব। তেখেতে ক'লে মই ১০ টকা বিচাৰিছো আপুনি ৩০ টকা ক'লে। চৰকাৰে ক'লে যে আপুনি গৈ ঘোষণা কৰি দিয়ক ৩০ টকা হ'ব বুলি। তাত আৰু বেলেগ ৰুটিৰ দোকান নাছিল। ৰুটিৰ দাম ৩০ টকা কৰাৰ লগে লগে গাঁৱত হাহাকাৰ লাগি গ'ল যে কেনেকৈ ৩০ টকা হ'ব? তেতিয়া গোটেই মানুহবিলাক চৰকাৰৰ ওচৰলৈ আহিল আৰু ক'লে যে আমাৰ গাওঁত এখনেই ৰুটিৰ দোকান, ৩০ টকা হ'লে আমি কেনেকৈ খাম। GST লগাইছে, মূল্য বৃদ্ধি হৈছে। তেতিয়া চৰকাৰে ক'লে যে ২০ টকা কৰি দিয়ক। তেতিয়া মানুহ বিলাকে চৰকাৰখন আমাৰ চৰকাৰখন ঠিকে আছে বুলি জিন্দাবাদ দিলে। তাৰ পিছত চৰকাৰে এই ৰুটিৰ দোকানী জনক মাতি আমি ক'লে যে আমি ২০ টকা কৰিছো। ১০ টকা যিটো অতিৰিক্ত হ'ল সেইটো আমি ভাগ বতৰা কৰি ল'ম। এনেকুৱা হ'ব নালাগে। আমাৰ মাটি কিয় আমি ভাগ বতৰা কৰি ল'ম?

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী পীযুষ হাজৰিকা ডাঙৰীয়া।

**শ্ৰী পীযুষ হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম-মেঘালয়, অসম-মিজোৰাম, অসম-নাগালেণ্ড, অসম-অৰুণাচল সীমা বিবাদ। মানে আমি সকলোৰে লগত সীমা বিবাদত জড়িত। অৰুণাচল আমাৰ প্ৰতিবেশী। অৰুণাচলৰ লগত আমাৰ সীমা কাজিয়া আছে। নাগালেণ্ডৰ লগত

আমি প্ৰতিবেশী কিন্তু নাগালেণ্ডৰ লগত আমাৰ সীমা কাজিয়া আছে। মিজোৰাম আমাৰ প্ৰতিবেশী কিন্তু মিজোৰামৰ লগত আমাৰ কাজিয়া আছে। একে ধৰণে আমাৰ মেঘালয়ৰ লগতো কাজিয়া আছে। এইটো এটা সাধাৰণ প্ৰশ্ন। আজি যদি আমাৰ ঘৰত আমাৰ গাওঁ খনত যদি এঘৰ মানুহৰ চাৰিওফালে সীমাত মানুহ আছে, প্ৰত্যেক ঘৰৰ লগত যদি কাজিয়া হয়, তেতিয়া আপাত দৃষ্টিত কি বুজাই এই মানুহঘৰৰ সকলোৰে লগত কিয় কাজিয়া লাগে। এই মানুহঘৰৰ কিবা গণ্ডগোল আছে। দিল্লীতো আচলে তেনেকৈ কয় যে অসমে সকলোৰে লগত কাজিয়া লাগি ফুৰে। এইটো আমি ভুক্তভোগী। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, কাজিয়া কিয় লাগিব লগীয়া হ'ল। অৰুণাচল অসমৰ পৰা ওলাই যোৱা, মেঘালয় অসমৰ পৰা ওলাই যোৱা, নাগালেণ্ড অসমৰ পৰা ওলাই যোৱা, মিজোৰাম অসমৰ পৰা ওলাই যোৱা। কাৰ দিনত ওলাই গৈছিলে আৰু যেতিয়া ওলাই গৈছিলে সীমা সমস্যাটো ভালকৈ সমাধান নকৰিলো। আমি লাইনটো ভালকৈ টানিব নোৱাৰিলো। আৰু এতিয়া কাজিয়া লাগি লাগি যৌতুকত পোৱাৰ দৰে এইখন চৰকাৰে পালো।

মাননীয় অধ্যক্ষ মহোদয়, মই যেতিয়া সীমা বিবাদৰ সমস্যা সমাধানৰ কাৰণে মেঘালয়ৰ কেইটামান অঞ্চললৈ গৈছিলো। সৌসিদিনাখন মই অৰুণাচললৈ গৈছিলো। সীমা অঞ্চলত বসবাস কৰা মানুহখিনি বহুত কষ্টত থাকে। তাত যদি মেঘালয়ে কাম কৰিবলৈ আহে আমি বাধা দিওঁ আৰু আমি কাম কৰিবলৈ গলে তাত মেঘালয়ে বাধা দিয়ে। আজি দিশপুৰত বহি আমি ডাঙৰ ডাঙৰ কথা কব পাৰো। কিন্তু সীমান্তত মানুহখিনিয়ে কিমান কষ্টত আছে, তাৰ থকা মানুহখিনিয়ে সেই কথা উপলব্ধি কৰিব পাৰে। সেইদিনাখন মই বিহালী সমষ্টিৰ অৰুণাচল আৰু অসম সীমান্তৰ চাৰিখন disputed গাঁৰৰ field visit কৰিবলৈ গৈছিলো। সেই চাৰিখন গাঁও অৰুণাচলৰ পাহাৰৰ পৰা ১ কিলোমিটাৰ ভিতৰত পৰে। তিনিখন অৰুণাচলী বাসিন্দাৰ গাঁও আৰু এখন গাঁও অসমীয়া কাৰ্বিৰ। অসমীয়া কাৰ্বি গাঁওখনৰ বেছিভাগ মানুহে অসমত থাকিব খোজে। কিন্তু মই যোৱাৰ আগত আমাৰ সন্মানীয় বিধায়ক ৰঞ্জিৎ দত্ত ডাঙৰীয়াৰ সমষ্টিত প্ৰতিদিন নামৰ টি ভি চেনেলটোত বোলে আহিলে, এই অসমীয়া কাৰ্বি গাঁৰৰ মানুহখিনিয়ে কলে যে আমি অৰুণাচলৰ লগত যাম। চেনেলটোত ওলোৱাৰ পিছ দিনাখন বিধায়ক ৰঞ্জিৎ দত্ত ডাঙৰীয়াই তাত গৈ ওলাল যে তঁহতে কিয় অৰুণাচললৈ যাবলৈ ওলাইছ, তঁহতে আমাৰ অসমৰ মানুহ। তেতিয়া তেওঁলোকে ক'লে যে আমাক কাৰেণ্ট দিব নোৱাৰে, ৰাস্তা দিব নোৱাৰে, আমি আপোনালোকৰ লগত কিয় থাকিম। এইটো হৈছে সমস্যা। আমি যদি তাত কাৰেণ্ট দিবলৈ যাঁও, অৰুণাচলে আমাৰ অফিচাৰ সকলক খেদি পঠিয়াই আৰু তেওঁলোকে যদি আহি কাৰেণ্ট, ৰাস্তা আদি কৰিবলৈ আহে, তেতিয়া আমি তেওঁলোকক খেদি পঠিয়াই দিওঁ। গতিকে সীমা সমস্যাটো সমাধান হোৱাতো অত্যন্ত জৰুৰী বুলি আমি উপলব্ধি কৰিছো। এই কামটো আগৰ চৰকাৰে নকৰিলে। আপোনালোকে নেদাৰ কথা কৈ আমাক সমালোচনা কৰে। আমি নেদা কৰি সমস্যা সমাধান কৰিছো। আপোনালোকৰ North East Co-ordination Congress Committee নাছিল নেকি। তেতিয়া অৰুণাচলত কংগ্ৰেছ চৰকাৰ, অসমত কংগ্ৰেছ চৰকাৰ, মেঘালয়, মিজোৰামত কংগ্ৰেছ চৰকাৰ নাছিল নেকি। তাৰ পিছতো আপোনালোকে সমস্যা সমাধান কৰিব নিবিচাৰিলে। কিয় আপোনালোকে সিদ্ধান্ত ল'ব নোৱাৰিলে আৰু এই সীমান্তত থকা মানুহখিনি বিপদত পৰক, সীমান্তত থকা মানুহখিনিৰ স্কুল কলেজ নাইকিয়া হওঁক। তাৰ কাৰণে মানুহখিনিৰ কষ্ট হওঁক আমাৰ চিন্তা নাই। আমি ক্ষমতালৈকে আহিব লাগে। সেইটোৰে আপোনালোকে কৰিলে।

গতিকে আমি সমস্যা সমাধান কৰিব খুজিছো, এতিয়া আপোনালোকে গালি পাৰে। আমাৰ সন্মানীয় সদস্য ৰমেন কলিতা ডাঙৰীয়াৰ সমষ্টিত এখন গাঁও আছে, জিমিলী গাঁও। যোৱাবাৰ এখন

সমিতি আছিলে, মই সেই সমিতিখনৰ আমাৰ অংশৰ সভাপতি আছিলো আৰু মেঘালয়ৰ অংশৰ সভাপতি আছিলে মেঘালয়ৰ Dy. Chief Minister। আমি চৰজমিন তদন্ত কৰিবলৈ গৈছিলো। যদি মেপখন দেখুৱালে আপোনালোকে সুবিধা দিয়ে দেখুৱাই দিম। এখন গাঁও সম্পূৰ্ণভাৱে মেঘালয়ৰ ভিতৰত। কিন্তু আমি এই গাঁওখন ল'বলৈ সক্ষম হ'লো, কিয় সেই গাঁওখনত গোটেইখিনি ৰাভা সম্প্ৰদায়ৰ মানুহ ১০০ শতাংশ মানুহে কৈছিলে যে আমি অসমৰ লগত থাকিম। যদি এইটো পানীৰ মাজত হ'লহেতেন It could have been an island. এইখন গাঁৱৰ চাৰিওফালে পাহাৰ, মানে মেঘালয়া। সৰু এটা ১০ ফুটৰ লুং লুঙিয়া ৰাস্তাৰে যাব লাগে। আমি যেতিয়া গলো, মোৰ লগত মেঘালয়ৰ Dy. Chief Minister গ'ল, গাঁৱখনৰ ১০০ শতাংশ মানুহে কলে আমি থাকিব খোজো অসমৰ লগত। তাত মেঘালয়ৰ Dy. Chief Minister একো নকলে। তেতিয়া আমাৰ গুৱাহাটীত এখন মিটিং হ'ল, মিটিঙত মেঘালয়ৰ Dy. Chief Minister কবলৈ বাধ্য হ'ল যে জিমিলী গাঁৱখন অসমত থাকিব লাগে, কাৰণ তাৰ মানুহে অসমত থাকিম বুলি কয়। তেতিয়া প্ৰথম অৱস্থাত এটা যুক্তি তৰ্ক হৈছিলে যে মেঘালয়ৰ ৩ কিলোমিটাৰ ভিতৰত অসমৰ গাঁও কেনেকৈ হ'ব? মই তেতিয়া কৈছিলো এইখন গাঁও মই এৰিব নোৱাৰিম। কাৰণ তাৰে এটা মানুহেও মেঘালয়লৈ যাম বুলি কোৱা নাই। মই কৈছিলো যে আমাক এটা ১৫ ফুটৰ ৰাস্তা দিয়ক, এই গাওঁখন আমি ৰাখি দেখুৱাম।

মাননীয় অধ্যক্ষ মহোদয়, আমি সমস্যাৰ সমাধান কৰিব লাগে। কিমান আৰু আমি এই সাতভনীৰ মাজত কাজিয়া লাগি থাকিম আৰু অসমে সকলোৰে লগত কাজিয়া লাগিব, অসমে সকলোৰে ওপৰত দাদাগিৰি কৰি থাকে বুলি দিল্লীত গৈ কৈ ফুৰে। আমাৰ প্ৰতিশ্ৰুতি বেয়া হয়। সকলো একে লগে থাকিব লাগে। আমি অষ্টলক্ষ্মী একেলগে থাকিব লাগে। তাৰ কাৰণে আমি সমস্যা সমাধান কৰিবলৈ গৈছো। সমাধান কৰিবলৈ যাওঁতে এৰা ধৰা কৰবাত কৰিব লাগে। তাৰ কাৰণে কি কৰিছো people's mandate সেইটো লৈ এৰা ধৰা কৰিছো। কাৰণ মানুহ হুforce-fully ৰাখিব নোৱাৰে। আজি যদি লাংপিৰ ১০০ শতাংশ মানুহে কয় যে we want to live in with Assam. If Langpih's peole demand that, we want to go with Assam, nobody can resist, nobody should resisit and nobody should prevent. এতিয়া মই সন্মানীয় বিধায়িকা ডাঙৰীয়ানীক অনুৰোধ কৰিম আপুনি আপোনাৰ সমষ্টিত গোটেই মানুহখিনিক কওক not a single person want to go to Meghalaya আপুনি এইটো কৰক লাংপি গাঁও আমি ৰাখি দেখুৱাম। এই সদনত আমি প্ৰতিশ্ৰুতি দিছো। মানুহক forcefully ৰাখিব নোৱাৰি। লাংপিৰ ৯০ শতাংশ মানুহে যদি কয় যে আমি মেঘালয়লৈ যাম, কি যুক্তিত আপুনি ৰাখিব। গতিকে বাইদেউ এইটো আপোনাৰ দায়িত্ব আপুনি পালন কৰক। লাংপিৰ মানুহখিনিক কওক যে আমি অসমত থাকিম। We don't want to go with Meghalaya আৰু সেইটো আমি কৰি দেখুৱাম। মই যেনেকৈ জিমিলী গাঁও ৰাখিছো, আপুনি লাংপিৰ মানুহখিনিক জাগ্ৰত কৰক আমি আপোনালোকৰ লগত আছো। আমি আমাৰ গাঁও খন কিয় এৰি দিম। মেঘালয়ৰ ৩ কিলোমিটাৰ ভিতৰত জিমিলী গাঁও আমি ৰাখি দেখুৱাইছো, লাংপিও ৰাখি দেখুৱাম।

আজি সন্মানীয় সদস্য কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই লাইলাপুৰৰ ঘটনাৰ কথা কৈছে। আগকে কি কেতিয়াও এনেকুৱা ধৰণৰ ঘটনা হোৱা নাছিল নেকি? মই আকৌ ক'ম এই যে এক বছৰ আগলৈকে সীমান্তত অতি কমেও ১০ বাৰ অসমীয়া মানুহ লাঞ্চিত হৈছে, অসমীয়া মানুহে মৃত্যুৰ মুখত পৰিছে। বেছি ভাগৰ চৰকাৰ আপোনালোকৰ দিনত আছিল। তেতিয়াৰ কথা

আপোনালোকে নকলে। আপোনালোকে এইটোৱে কৰিলে যে সমস্যা সমস্যা হৈ থাকিব লাগে। আমি অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মেঘালয়ৰ লগত কাজিয়া কৰি থাকিব লাগে আৰু প্ৰতিশ্ৰুতি কি হ'ব লাগে যে অসম দন্দুৰা ৰাজ্য। সকলোৰে লগত কাজিয়া লাগি ফুৰে। অসমে সকলোৰে লগত দাদাগিৰী কৰি ফুৰে। এইটো আমি হ'ব দিব নোৱাৰো। সেই কাৰণে আকৌ কৈছো যে এই সাতখন ৰাজ্যৰ লগত চিকিম আমি একেলগে থাকিব লাগে। তাৰ কাৰণে সীমান্তৰ সমস্যা সমাধান হ'ব লাগে, এই কামটো কৰিছো। সেই কামটো কৰিবলৈ প্ৰতিশ্ৰুতি বদ্ধ। আমাৰ বিহালীত অসমীয়া কাৰ্বি সম্প্ৰদায়ৰ মানুহবিলাক আছে। আমাৰ আগত গাঁওৰ মানুহবিলাকে ক'লে অসমত থাকিম বুলি। কিন্তু তাৰ তিনি দিন আগত নিউজত কৈ দিছে যে আমি অৰুণাচলৰ লগত যাম। কাৰণ আমি তাত উন্নয়নৰ কাম কৰিব পৰা নাই। সেই মানুহখিনি কি কষ্টত থাকে আমি উপলব্ধি কৰি আহিছো। গতিকে সেই কাম যাতে নহওক, আপোনালোকে সহযোগীতা কৰক। আপোনালোকে আপোনালোকৰ নিজ নিজ এৰিয়াৰ মানুহখিনিক জাগ্ৰত কৰক আমি অৰুণাচলৰ লগত বা নাগালেণ্ড বা মেঘালয়ৰ লগত নাযাও। তেতিয়াহে আমাৰ কাম কৰাত সহযোগীতা হ'ব। এইখিনি কৰিবলৈ আপোনালোকক অনুৰোধ জনাইছোঁ। এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ এতিয়া সন্মানীয় সদস্য শ্ৰী ভৰত নৰহ ।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, নাওঁবৈচা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আৰু অৰুণাচলৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই যোৱা ১৫ জুলাই তাৰিখে নাম চাইত declearation কৰিছে অসম অৰুণাচলৰ সীমা-সমস্যাৰ সমাধান কৰিবৰ কাৰণে। এই declearation ত ১২৩ খন disputed গাওঁৰ ভিতৰত ৮৬ খন গাওঁ বিবেচনাৰ কাৰণে হাতত লৈছে আৰু ১২ টা regional committee গঠন কৰিছে, তাৰে এখন কমিটিত মোকো মেম্বাৰ হিচাপে দিছে। এই কমিটি মিটিঙত মোক মাতিছিল। কিন্তু মই এটা মেডিকেল গ্ৰাউণ্ডত এই মিটিংখন attend কৰিব পৰা নাই। Border MInister শ্ৰীঅতুল বৰা ডাঙৰীয়াৰ নেতৃত্বত হৈছিল আৰু এটা লক্ষীমপুৰ জিলাত। চাৰ, অসম অৰুণাচলৰ সীমা সমস্যাটো অসম মেঘালয়ৰ পৰা অলপ বেলেগ হয়। লক্ষীমপুৰৰ situation টো অলপ বেলেগ। কাৰণ প্ৰধানকৈ লক্ষীমপুৰ জিলাত চাৰিখন reserve forest আছে। এখন দুলুং তাকৈ, ৰঙা ৰিজাৰ্ভ আৰু এটা পথালী পাহাৰ। যদিও মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে ১২৩ খন disputed village আছে তাৰে ৮৬ খন আমি takeup কৰিছো survey কৰি opinion লবৰ কাৰণে। কিন্তু অৰুণাচলে অকল গাওঁ বিচৰা নাই। অৰুণাচলে স্পষ্টভাৱে কৈছে যে, ৰাজগড় আলি বুলি এটা historical আলি আছে। এই ৰাজগড় আলিটো অসম অৰুণাচলৰ border কৰিব লাগে। ৰাজগড় আলিটো যদি border কৰে তেতিয়াহ'লে লক্ষীমপুৰ জিলাৰ এখনো reserve forest অসমৰ হাতত নাথাকে। গাওঁৰ কথাটো অহাই নাই। চাৰ, মাননীয় মন্ত্ৰী ডাঙৰীয়াই তেখেতে যিখিনি sentiment ত কৈছে যে মুখ্যমন্ত্ৰীয়ে যিটো initiative লৈছে অসম মেঘালয়, অসম অৰুণাচল, অসম নাগালেণ্ড সেইবিলাক নিস্পত্তি কৰিবৰ কাৰণে সেইটো আমি আদৰণি জনাইছো।কিন্তু আমাৰ মাননীয় মন্ত্ৰী শ্ৰীপীযুষ হাজৰিকা ডাঙৰীয়াই কৈছে যে সদায় আমি কাজিয়া কৰি থাকিম নেকি, সদায় আমি সীমা বিবাদত ব্যস্ত হৈ থাকিম নেকি বুলি কৈছে। চাৰ, এতিয়া কাজিয়া বন্ধ কৰাৰ নামত, সীমা সমস্যা নিষ্পত্তি কৰাৰ নামত আমি কি surrender কৰিম নেকি ? যে আমি কাজিয়া নকৰো, সীমা সমস্যা নিষ্পত্তি কৰি দিম। এইবিলাক কি আমি জাতি মাটিৰ ভেটিৰ কথাটো পাহৰি যাম নেকি ? আমি পাহৰিব নোৱাৰো। আমি কোনেও

কাজিয়া নিবিচাৰো। সীমা বিবাদ হৈ থকাটো আমি কোনেও নিবিচাৰো। নিষ্পত্তি হোৱাটো আমি বিচাৰো, কাজিয়া বন্ধ হোৱাটো আমি বিচাৰো। কিন্তু তাৰ বিনিময়ত আমি অসমৰ যিটো স্বাৰ্থ সুৰক্ষা সেইটো আমি বিসৰ্জন দিব নোৱাৰো। যাৰ কাৰণে ১৯৮৭ চনত যেতিয়া অৰুণাচল State হ'ল, টাই পাৰ্টীৰ এটা কমিটি বনাই দিছিল। এই টাই পাৰ্টীৰ কমিটিয়ে recommend কৰিলে অসমৰ কিছুমান ঠাইত অৰুণাচলত দিব লাগে। তেতিয়া পূৰ্বৰ কংগ্ৰেছ চৰকাৰ আছিল, অসম চৰকাৰে তেতিয়া চুপ্ৰিম কোৰ্টত contest কৰিলে। যাৰ কাৰণে এইটো কেছ নম্বৰ আছিল। Orginal case no. 1989 supreme court ত এই কেছটো এতিয়াও বিচাৰ হৈ আছে। এই supreme court ত অসম চৰকাৰে এই কেছটো কিয় দিলো। ট্ৰাই পাৰ্টী কমিটিয়ে যিটো recommend কৰিছিল, কিছুমান এৰিয়া অৰুণাচলত দিব লাগে, তেতিয়া অসম চৰকাৰে সেইটো মনা নাছিলো কংগ্ৰেছ চৰকাৰৰ দিনত। চাৰ, supreme court ত case টো pending আছে। এতিয়া অৰুণাচলে যি চাৰিখন আমাৰ reserve forest বিচাৰিছে তাত গাওঁ আছে। ৰঙা ৰিজাৰ্ভত ৬ খন আছে, ডুলুং বিজাৰ্ভত হয়তো তিনি চাৰিখন গাওঁ আছে, তাকৈতো গাওঁ আছে, এই গাওঁবিলাক তেতিয়া establish হৈছিল। যদি চায় Innerline regulation কেতিয়া কৰিছিল, তেতিয়া নাই ১৮৭৩ চনত। এই ১৮৭৩ ত যেতিয়া বৃটিছে Innerline কৰিছিল তেতিয়া এই গাওঁবিলাক আছিল নে নাই। তাৰপিছত বৃটিছে north east Forntier tract বুলি আৰু এখন order উলিয়ালে ১৯১৫ চনত। এতিয়া য'ত গাওঁবিলাক আছে, সেই সময়ত আছিল নে নাই। ভাৰত চৰকাৰে North East Frontier Agency খুলিলে ১৯৫৪ চনত, যাক চমুকৈ NEFA বুলি কয়। তেতিয়া সেই সময়ত গাওঁবিলাক আছিল নে নাই। তাৰ পাছত ১৯৭২ চনত Arunachal Pradesh Union Teritory হ'ল। তেতিয়া সেই সময়ত গাওঁবিলাক আছিল নে নাই। তাৰপাছত ১৯৮৭ চনত অৰুণাচল ৰাজ্য হ'ল। তেতিয়া তাত এই গাওঁবিলাক নাছিল। ডুলুং সংৰক্ষিত বনাঞ্চল অৰুণাচলে বে-দখল কৰিছে। তাত গাওঁবুঢ়া বহাইছে, চাৰ্কোল অফিচ বহাইছে, বি.ডি অ' অফিচ বনাইছে আৰু স্কুল-কলেজ বনাইছে। কাকৈ ৰিজাৰ্ভ ফৰেষ্ট দখল কৰিছে, চাৰ্কোল অফিচ বহাইছে, ইলেকট্ৰিচিটি লাইন টানিছে। হস্পিতাল বনাইছে, এল.পি. স্কুল, হাইস্কুল পিছত আগতে নহয়। তেনেকৈ ৰঙা বিজাৰ্ভত ৬ খন গাওঁ বহাইছে, ৰাস্তা বনাইছে, ইলেকট্ৰিচিটি লাইন দিছে, হস্পিতাল, চাৰ্কোল অফিচ, বি.ডিঅ' অফিচ বহাইছে পিছত, আগতেও নহয়। মাননীয় মুখ্যমন্ত্ৰীক অলপ আগতে লগ ধৰি সুধিছিলো, ১৫ তাৰিখে তেওঁ নামচাই declearation ত কৈছিল যে, ১৫ চেপ্তেম্বৰৰ ভিতৰত অসম অৰুণাচলৰ dispute টো resolved কৰা হ'ব। সেই কাৰণে মাননীয় মুখ্যমন্ত্ৰীক সুধিলো ১৫ চেপ্তেম্বৰটো ফাইনেল নেকি ? মাননীয় মুখ্যমন্ত্ৰীক জনাইছে এইটো কেৱল interin report টোহে দিব ১৫ ছেপ্তেম্বৰত। ফাইনেল ৰিপোৰ্টটো ১৫ চেপ্তেম্বৰত নিদিয়ে। চাৰ, ১৫ চেপ্তেম্বৰৰ পিছত ফাইনেল report টো দিব পৰা নাযাব। কাৰণ survey কৰিব লাগিব, তেতিয়া এই historical document সমূহ চাব লাগিব survey ৰ নামত। আমাৰ border মন্ত্ৰী ইয়াতেই আছে। সেই কাৰণে আমাৰ জলসম্পদ মন্ত্ৰী শ্ৰীপীযুষ হাজৰিকা ডাঙৰীয়াই যিটো কৈছে হয়, আমি সীমা বিবাদৰ বাবে কাজিয়া কৰাৰ কথাটো ভাল নহয়। কিন্তু এই বুলিয়েই আমি নিজৰ মাটি-ভেটি এৰি দিব নোৱাৰো। যদি মাটি-ভেটি এৰি দিও, তেতিয়া surrender কৰাৰ নিচিনা হ'ব। অসম মেঘালয় অসম নাগালেণ্ডৰ বিষয়ে মই নকওঁ। কিন্তু অসম অৰুণাচলৰ কথাটো মই কৈছো। তাত গাওঁৰ কথাটো নহয়। তাত সংৰক্ষিত বনাঞ্চল আছে।

**শ্ৰী পীযুষ হাজৰিকা (মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সংৰক্ষিত

বনাঞ্চলৰ ওপৰত আচলতে আলোচনাটো হোৱা নাই। এইটো কেন্দ্ৰ চৰকাৰলৈ প্ৰস্তাৱ দিয়া হ'ব। মই কেৱল clearification দিলো। মই যিটো ঠাইত গৈছিলো, সেইয়া সংৰক্ষিত বনাঞ্চল। তাত তেওঁলোকৰ demand নাখাটে। আমাৰো demand টো নাখাটে। সেইটো কেন্দ্ৰীয় চৰকাৰে decide কৰিব।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা) ঃ** সেই কাৰণে কৈছো ৰঙা বিজাৰ্ভত ৬ খন গাওঁ আছে। ডুলং ৰিজাৰ্ভত মই নাজানো কিমান আছে, কাকৈতো আছে, তেওঁলোকে কিন্তু অৰুণাচলক স্পষ্ঠভাৱে কৈছে যে ৰাজগড় আলিটোৱে বাউনণ্ডেৰী হ'ব। তেওঁলোকৰ মতে। সেই কাৰণে মই কৈছো যে সমিতিয়ে চাৰ্ভে কৰিব। আপুনি যিখিনি ক'লে যে কংগ্ৰেছৰ দিনত একো নহ'ল, আমি অসম অৰুণাচলৰ ক্ষেত্ৰত ১৯৮৭ চনত ট্ৰাই পাৰ্টী কমিটিয়ে যিটো recommend কৰিছিল তাত আমি protest কৰিছো আৰু চুপ্ৰিম কোৰ্টত কেছটো পেণ্ডিং আছে। আমি সীমা বিবাদৰ নিষ্পত্তিৰ নামত জাতি-মাটি ভেটি surrender কৰিব নালাগে।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা (মাননীয় পৰ্য্যটন মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য ভৰত নৰহ ডাঙৰীয়াই বিশেষকৈ লক্ষীমপুৰ, ধেমাজী সীমান্ত, অৰুণাচল সীমান্তৰ কথা কৈছে। কেইদিনমান আগতে মই তালৈ গৈছো আৰু মই নিজে চৰজমিনভাৱে চাই আহিছো, গতিকে মোৰ অভিজ্ঞতাখিনি আপোনালোকক ক'ম। কথাটো হৈছে, আমি সকলোৱে এটা কথা স্বীকাৰ কৰো যে এই আমি সাতভনী, যাক আমি সাতভনী বুলি কওঁ, এগৰাকী মাকৰে সন্তান। আমি গোটেই কেইজন একেটা পৰিয়ালৰে মানুহ। সময়ৰ সোঁতত হয়তো আমি বেলেগ বেলেগ হৈছো। গতিকে বেলেগ বেলেগ হৈ মাটিৰ কাজিয়া বিলাক কোৰ্ট কাছাৰীত কৰি থকা ভালনে আমি নিজৰ মাজত ভাই-ককাই মিলিজুলি সমাধান কৰা ভাল। আমাৰ লক্ষ্য হ'ল কংগ্ৰেছে কৰিছিল কোৰ্ট কাছাৰীত, আৰু য'ত এতিয়াও কোৰ্ট কাছাৰী চলি আছে, তাৰ কোনো সমাধান নাই। আমি ভাই ককাই কেইজনে লগ হৈ আলোচনা কৰি এটা সীমা বনাব খুজিছো, সেইটোতো ভাল কথা। অৰুণাচলখনতো বেলেগ একো নহয়, কেইবছৰমান আগলৈকে এইখন অসমেই আছিল, মেঘালয়তো বেলেগ নহয়, কেইবছৰমান আগলৈকে এইখন অসমেই আছিল। আজি আমি আমাৰ মাজত এটা আলোচনাৰ মাজেৰে সমাধান সূত্ৰ এটা উলিয়াব বিচাৰিছো। গতিকে আপুনি জাতি মাটি এৰি দিম, চেন্টিমেণ্ট এইধৰণৰ কথা কোৱাতকৈ আমাৰ দুই ভাই-ককাইৰ মাজত কেনেকৈ সমাধান সূত্ৰ উলিয়াব পাৰি, সেইটো ডাঙৰ কথা। এতিয়া অসম অৰুণাচলৰ যিখিনি সীমান্ত ধেমাজি বা এই অঞ্চলত ইয়াত বেছিভাগেই ৰিজাৰ্ভ ফৰেষ্ট। গতিকে ৰিজাৰ্ভ ফৰেষ্টৰ ভিতৰত আমা আচলতে সিদ্ধান্ত ল'ব নোৱাৰো। তাৰ ৰিজাৰ্ভ ফৰেষ্টবোৰ এনেকুৱা যে অসমে কয় এইখন আমাৰ ৰিজাৰ্ভ ফৰেষ্ট আৰু অৰুণাচলে সেইখন তেওঁলোকৰ ৰিজাৰ্ভ ফৰেষ্ট কয়। এৰিয়া একেটাই কিন্তু তেওঁলোকে এটা বেলেগ নামেৰে কয় আৰু আমি এটা বেলেগ নামেৰে কওঁ। আমি কেইদিনমান আগতে সিদ্ধান্ত লৈছিলো যে ভাৰতবৰ্ষৰ চাৰ্ভে অফ ইণ্ডিয়াই মেপৰ বাউণ্ডাৰী লাইন কোনটো বুলি কৈছে। যিটো পলিটিকেল লাইন বুলি কওঁ সেই বাউণ্ডাৰি লাইনটো অসমেও আনিলে আৰু অৰুণাচলেও আনিলে। তেওঁলোকে মেপত দেখুৱাই দিলে যে এইটো আমাৰ বাউণ্ডাৰী লাইন যিটো অসম-অৰুণাচল বিভাজন হওঁতে নিৰ্ধাৰিত হৈছিল। তাৰ পিছত তেওঁলোকে এখন মেপ দিলে যে কোনটো বাউণ্ডাৰী লাইন দাবী কৰিছে? তেওঁলোকে সেই বাউণ্ডাৰীৰ তলত কোনটো কোনটো এৰিয়া দাবী কৰিছে, আপুনি যিটো আলিৰ কথা কৈছে সেই আলিটো তেওঁলোকে ক'ত কেনেকৈ দাবী কৰিছে তাৰ এটা বাউণ্ডাৰী দাঙি ধৰিলো আৰু এটা কথা যে আপোনালোকে যেতিয়া কোৰ্টত গৈছিল তাৰ পিছত

জাষ্টিচ চেটাৰ্জীৰ এখন সমিতি হৈছিল। জাষ্টিচ চেটাৰ্জীৰ সমিতিত স্পষ্টভাৱে এটা কথা কোৱা হৈছে যে অসম-অৰুণাচলৰ সীমান্তত তিনি কিলোমিটাৰ সীমাৰ ভিতৰত আমি আলোচনা কৰি সিদ্ধান্ত ল'ব লাগে। তাৰ মানে চাৰ্ভে অফ ইণ্ডিয়াই যিটো বাউণ্ডাৰী বনাই থৈ গ'ল তাৰ তিনি কিলোমিটাৰলৈ আমি আলোচনা কৰিব লাগে বুলি জাষ্টিচ চেটাৰ্জীৰ সমিতিয়ে কৈ গৈছে। আমি তাৰ ওপৰত ভিত্তি কৰিহে আলোচনা কৰিছো। তেওঁলোকে যিখন অসম-অৰুণাচল সীমান্তত ধেমাজী-লখিমপুৰত ৫৭ খন গাওঁ দাবী কৰিছে আৰু যিখিনি মাটিকালিৰ কথা কৈছে তাৰ বাউণ্ডাৰীটো আকি দিছে। আমি সেই ৫৭ খন গাৱঁত চালো যে তাৰে ১৭ খন গাওঁ অৰুণাচলৰ ভিতৰত আছে আৰু তেওঁলোকক যেতিয়া আমি সুধিলো তেতিয়া তেওঁলোকে অৰুণাচলৰ ভিতৰতে থাকিব বিচাৰে আৰু ৫৭ খন গাওঁৰ বাউণ্ডাৰী লাইনৰ যিটো পলিটিকেল লাইন সেই পলিটিকেল লাইনৰ সিপাৰে আছে আৰু একেবাৰে সীমাৰ ওচৰত আছে। গতিকে সেই ১৭ খন গাওঁৰ পঞ্চায়তৰ নামচাইৰ ডিক্লেৰেশ্যনত কথা পাতিছো আৰু সেইখন তেওঁলোকৰে গাওঁ। ইয়াত আমি ১৭ খন গাওঁৰ কথা কৈছো আৰু বাকী যি ৩৬ খন গাওঁ আছিল সেই ৩৬ খন গাওঁলৈ আমি গৈছিলো আৰু তাত এটা কথাই গম পালো যে য'ত আদি আৰু গলো লোক আছে তেওঁলোকে স্পষ্টভাৱে কৈছে যে আমি অৰুণাচলত থাকিব বিচাৰো আৰু য'ত মিচিং, ৰাভা, আহোম বা কোচ ৰাজবংশীৰ লোক আছে তেওঁলোকেও স্পষ্টভাৱে কৈছে যে আমি অসমত থাকিব বিচাৰো। কিন্তু তেওঁলোকৰ সেই বাউণ্ডাৰী আৰু চাৰ্ভে অফ ইণ্ডিয়াৰ বাউণ্ডাৰী আৰু তিনি কিলোমিটাৰ ৰেঞ্জত থকা তিনিটা বাউণ্ডাৰী চাই আমি তেওঁলোকক এটা প্ৰপোজ বাউণ্ডাৰী ৰেডি কৰি দিছো। যদিও সেইবিলাক সংৰক্ষিত বনাঞ্চল তাৰ সিদ্ধান্ত কেন্দ্ৰীয় চৰকাৰে ল'ব। আমি তাত একো সিদ্ধান্ত ল'ব নোৱাৰো। প্ৰপোজ বাউণ্ডাৰীটো আমি এনেকৈ কৰিছো যে একেখন গাঁৱৰে আদি বস্তিটো অৰুণাচলত যাব আৰু মিচিং বস্তিটো অসমত যাব। মাজেৰে বাউণ্ডাৰীটো হ'ব। সাধাৰণ মানুহখিনিয়ে এইটো বিচাৰিছে। সাধাৰণ মানুহে কৈছে যে আজিৰ পৰা আমি এইটোৰেই সিদ্ধান্ত লৈছো যে এইটোকে আমি বাউণ্ডাৰী বুলি ভাৰি চলিম। আমি প্ৰপোজ বাউণ্ডাৰীটো জনসাধাৰণৰ ইচ্ছাৰ ওপৰত বনাইছো। আপুনি সেইদিনাখন যি গণ্ডগোল লগা বুলি কৈছে তাৰ বিষয়ে আপুনি আৰু সদনে শুনিলে আৰু আচৰিত হ'ব। তাৰ গাওঁৰ মানুহখিনিয়ে আমাক আদৰি লৈ গ'ল। তাত অৰুণাচলৰ গালো মানুহো আছে আৰু অসমৰ মিচিং মানুহো আছিল আৰু তেওঁলোকে ক'লে যে সীমা এনেকৈ হ'লে ভাল হয়। গালো বস্তিটো অৰুণাচলত দিবলৈ ক'লে আৰু মিচিং বস্তিটো অসমত দিবলৈ ক'লে। আমি তাৰ পৰা অহাৰ পিছত ২০ কিলোমিটাৰ দূৰৰ পৰা কিছুমান সংগঠনে গণ্ডগোল লগাবলৈ গৈছিল আৰু অসমীয়া আৰু অৰুণাচলী সকলোৰে লগ হৈ তেওঁলোকক খেদিছিল। কিন্তু অসমৰ বাতৰি কাকতত প্ৰকাশ হ'ল যে অৰুণাচলৰ মানুহে তেওঁলোকক খেদিছে। কিন্তু অসম অৰুণাচলৰ মানুহে তেওঁলোকক কৈছে যে ২০ কিলোমিটাৰ দূৰৰ পৰা আপোনলোকে আমাক কিয় উচটাবলৈ আহিছে? আমি ইয়াত কেনেকৈ থাকিম আমি নিজেই সিদ্ধান্ত ল'ম। আজি অসম-অৰুণাচলৰ পৰিৱেশ এনেকুৱা। এনেকৈ হিচাব কৰাৰ পিছত আমি সাতখন গাঁও মানুহৰ ইচ্ছাৰ ওপৰত ৰাখিব পৰা নাই। বাকীকেইখন গাঁও আমি ৰাইজৰ ইচ্ছাৰ ওপৰত ৰাখিব পাৰিছো। সাতখন এনেকুৱা আছে যে তেওঁলোক তিনি কিলোমিটাৰৰ তলত পৰে। সেইখিনি গাঁও আমি জাষ্টিচ চেটাৰ্জীৰ ৰিপোৰ্টৰ ওপৰত ভিত্তি কৰি কৰিব নোৱাৰি। সেইখিনি মানুহ কিন্তু অৰুণাচলৰ লগত থাকিব বিচাৰে। কিন্তু আমি সেইখিনি দিব নোৱাৰো কাৰণ সেইখিনি তিনি কিলোমিটাৰৰ ভিতৰত পৰে। তিনিখন গাঁও এনেকুৱা আছে য'ত আমাৰ মানুহো আছে। তেওঁলোকক সেই গাঁওখিনি দিলে আমাৰ গাঁওখিনিও গুচি যায়। সেইকাৰণে

এনেকুৰা ভৌগলিক এৰিয়াৰ কাৰণে এই গাঁওখিনি দিব নোৱাৰো বুলি কৈছো। মুঠ ৫৭ খন গাওঁৰ ৫৩ খন গাওঁ ৰ বাউণ্ডাৰি লাইন প্ৰপোজ কৰি দেখুৱাইছো। ৫৩ খন গাওঁ ৰ যদি ডিচপিউটটো বুজাবুজিৰ মাজত সমাধান কৰিব পাৰো য'ত অসমত থকা মানুহে অসমৰ লগত থাকিব বিচৰা মানুহে অসমৰ লগত থাকিব পাৰিব আৰু অৰুণাচলৰ লগত থাকিব বিচৰা মানুহে অৰুণাচলৰ লগত থাকিব পাৰিব। তাৰ বাবে আমি কাক মাটি দিলো কাক মাটি নিদিলো সেইটো লৈ চেণ্টিমেণ্ট হোৱাৰ কিবা প্ৰয়োজন আছে নেকি? আৰু তাতকৈ ডাঙৰ কথাটো হ'ল যে এনেকৈ সীমা কৰোতে যদি আমাৰ চাৰ্ভে অফ ইণ্ডিয়াই দিয়া সীমাৰ পৰা এৰিবলগীয়া হৈছে তাৰ বাবে আমি কৈছো যে ৰিজাৰ্ভ ফৰেষ্টৰ কিছু অংশ আমাৰ অসমক এৰি দিয়ক য'ত মানুহ নাই। আমাৰ অসমৰ মাটিকালি যিহেতু আপোনালোকৰ গাওঁত সোমাই গ'ল য'ত ৰিজাৰ্ভ ফৰেষ্টৰ মানুহ নাই মানুহ নাথাকে সেইখিনিত আপোনালোকৰো মানুহ থাকিব আমাৰো থাকিব। গতিকে সেইখিনি আমোকে দিয়ক। অৰুণাচলী মানুহ নথকা গাওঁখিনি এইকাৰণেই নিবিচাৰিব কাৰণ সেই গাওঁত থাকিলে সেই গাওঁৰ মানুহখিনিয়ে চিক্স চিডুল এৰিয়াত পাবলগীয়া তেওঁলোকৰ অধিকাৰখিনি হেৰুৱাই পেলাব। কিন্তু অসমৰ গাওঁত আদি মানুহ বা অৰুণাচলী মানুহৰ একো অসুবিধা নাই। কাৰণ অসমত তেওঁলোকৰ মানুহে মাটি কিনিব পাৰে, বেচিব পাৰে, ইয়াত থাকিব পাৰে আৰু গোটেই অধিকাৰো পায়। গতিকে আমি গোটেই খিনি পৰস্পৰ বুজাবুজিৰ মাজত কৰিছো আৰু তেওঁলোকে এই কথাটো মানিও লৈছিল। অৰুণাচলী মানুহ অসমত থাকিলে অসমৰ মাটি বেচা-কিনা কৰিব পাৰে। কিন্তু অৰুণাচলত অসমৰ মানুহ থাকিলে তাত তেওঁলোকে মাটি বেচা-কিনা কৰিব নোৱাৰে, তেওঁলোকৰ অধিকাৰ হেৰাই যায়। তাত থকা স্থানীয় ৰাইজে যিটো বিচাৰিছে আমি ভাৰিছো যে আমি সেইটো কৰো আৰু সেইকাৰণে আমি মাত্ৰ স্থানীয় মানুহখিননি চাই গভৰ্ণমেণ্ট অভ ইণ্ডিয়াক প্ৰপোজেল দিছো যে যিহেতু ঠাইখিনি ৰিজাৰ্ভ ফৰেষ্ট, গাতিকে তাত আমি সিদ্ধান্ত ল'ব নোৱাৰো। সেয়েহে প্ৰপোজেল দিছো যে এনেকুৰা এটা বাউণ্ডাৰি কৰিলে আমাৰ সীমা সমস্যাটো সমাধান হ'ব পাৰে আৰু এই সীমা সমস্যা সমাধানৰ জৰিয়তে বহুদিনীয়া যিটো ভাই-ককাইৰ মাজত বিতৰ্ক চলি আছিল সেইটো সমাধান হ'ব। আমি সেইটোৱেই বিচাৰিছো আৰু মই ভাৱো যে এইটোৱেই আটাইতকৈ উত্তম মাধ্যম হ'ব। আমি যদি ইয়াত বহি আলোচনা কৰো একো লাভ নহ'ব। আমি তালৈকে যাব লাগিব। মইতো কওঁ যে সদনৰ কিছু কিছু বিৰোধী দলৰ সদস্যক মাননীয় অধ্যক্ষ মহোদয়ে তালৈকে পঠিয়াব লাগে আৰু তেওঁলোকে তাত গৈ গাওঁৰ মানুহখিনিক সুধি আহক যে তেওঁলোকে অৰুণাচলত থাকিব বিচাৰে নে অসমত থাকিব বিচাৰে? তেতিয়া তেওঁলোকে কথাবিলাক গম পাব আৰু সুধি অহাৰ পিচত আমাৰ ইয়াত সিদ্ধান্ত লোৱাত সুবিধা হ'ব। গতিকে ৰাইজৰ ইচ্ছাৰ ওপৰত গুৰুত্ব দিব লাগে আৰু তেতিয়াহে সমাস্যাটো সমাধান হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য ৰকিবুল হুছেইন ডাঙৰীয়াই কওঁক।

**শ্ৰী ৰকিবুল হুছেইন, বিধায়ক (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১৩ চেপ্তেম্বৰ, ২০২২ তাৰিখ। আজি আজিৰ পৰা তিনিদিন আগত বিধায়িকা নন্দিতা দাস ডাঙৰীয়াণীৰ লাম্পি এলেকাত দেৱব্ৰত শইকীয়া ডাঙৰীয়া, মই, যাদৱ স্বৰ্গয়াৰী, ৰাণা গোস্বামী প্ৰমুখ্যে কিছু সদস্য আমি প্ৰপাৰ বকোৰ পৰা দুঘণ্টা যোৱাৰ পিছত দেখিলো যে বহু মানুহ ৰখি আছে। আমি গাড়ীখন ৰখোৱাৰ লগে লগে তাৰ মানুহে ক'লে যে আপোনালোকে ইয়াত ৰখাব নালাগে । ইয়াৰ পৰা আধা ঘণ্টা ওপৰত যাওঁক। তাত গৈহে প্ৰকৃত ছবিখন দেখা পাব। মই তাৰ এখন ছবি দাঙি ধৰিব বিচাৰিছো। যিহেতু সীমা-সমস্যাৰ ওপৰত আলোচনা হৈ আছে। আমি যিখিনি ঠাইত ৰখিছিলো সেইখিনি লৱাৰ লাম্পি

বুলি কোৱা হয়। আপোনালোকে অকণমান দৃষ্টিগোচৰ কৰিব। আধাঘণ্টামান যোৱাৰ পিছত বহুত ওপৰত ক'লে যে এইখিনিয়েই ঠাই। আপোনালোকে ইয়াত ৰখক। সেই খিনি ঠাইক আপাৰ লাম্পি বুলি কোৱা হয়। নন্দিতা দাস ডাঙৰীয়াণীয়ে ক'লে যে এইখিনিৰ পৰাই আমাৰ মানুহ। তাত এজন বৃদ্ধ লোক, ডম্বৰুধৰ ভট্ট ৰয়। তেখেত ক'লে যে এই স্পষ্টকৈ দেখা ৰাস্তাটো মেঘালয়ৰ আৰু বাকীখিনি আমাৰ অসমৰ। এইখিনিত আমাৰ বাউণ্ডাৰী লাইন আছে আৰু চাৰ্ভে অফ ইণ্ডিয়াৰ এ খন মেপ দেখুৱালে আৰু তাৰ ৰিপোৰ্টত দেখুৱাইছে যে এইখিনি আমাৰ অসমৰ মাটি, কোনেও মেঘালয়ৰ লগত বিচৰা নাই। তেতিয়া আমি তাৰ পৰা উভতি আহোঁতে আকৌ আমাক ৰাস্তাত ৰখালে আৰু ক'লে যে এইটো এটা BOP । এই BOP টো ডম্বৰুধৰ দেৱে ক'লে যে আমাৰ মাটিতে বহাইছে। এই মাটিত বহোৱাৰ সময়ত আমি তাত নিজে মাটি দান কৰিছো। তেওঁলোকৰ মতে এই অঞ্চলটো কেতিয়াওঁ মেঘালয়ে বিচৰা নাছিল। কিন্তু, ১৯৮৫ চনৰ শেষৰ ফালে Mulan Outpost আৰু Boko Bridge Camp টো উঠাই দিয়া হৈছিল। এই দুটা উঠাই দিয়াৰ পিছত মেঘালয়ৰ পৰা কেতিয়াবা কেতিয়াবা আগ্ৰাসন হোৱা কথাবোৰ আহিছিল। আমি lower লাম্পিত গৈ গোটেই মানুহখিনিক লগ পাইছিলো। তাত দম্বৰুধৰ ভট্ট ডাঙৰীয়া, মানসিং মাৰাক, সম্ভু ছেত্ৰী (Secretary, Gorkha Students' Union) বিকাশ ছেত্ৰী আৰু শ্ৰীমতী মাৰধা চাংমাক লগ পাইছিলো। তেওঁলোকৰ প্ৰত্যেকে আনুষ্ঠানিকভাৱে আমাৰ ওচৰত বক্তব্য ৰাখিছিল কিন্তু কোনেও মেঘালয়ৰ কথা কোৱা নাছিল। কেৱল এজনে কৈছিল যে যেতিয়া Joint Commission আহে, তেতিয়া তাৰ আগতেই গাড়ীয়ে গাড়ীয়ে মেঘালয়ৰ পৰা মানুহ আহে আৰু তেওঁলোকৰ সন্ত্ৰাসত কোনো লোকক ঘৰৰ পৰা ওলাব নিদিয়ে। শেষত, কোন ক'ত থাকিব তাৰ কাৰণে হাত দাঙিব দিয়ে আৰু সেই অনুসৰি মানুহে হাত দাঙি মেঘালয়ত থাকিব নে আন ক'ৰবাত থাকিব তাৰ বিষয়ে কয়। আমাৰ এজনো স্থানীয় মানুহ তাত নাথাকে আৰু আমাৰ ওলাই যাবলৈও সাহস নহয়। গতিকে, এই কথাখিনিৰ প্ৰতি যাতে আপোনালোকে লক্ষ্য ৰাখে। অধ্যক্ষ মহোদয়, তাত মাতাৰবাৰী বুলি এখন বিদ্যালয় আছে। বোধকৰো, আমাৰ সন্মানীয় সদস্য নন্দিতা দাস ডাঙৰীয়ানীয়ে তেওঁৰ বক্তৃতাত ইয়াৰ বিষয়ে কৈছে। সেই স্কুলৰ এলেকাৰ পৰা প্ৰায় ৬-৭ কিঃমিঃ দূৰত্বত আন কোনো বিদ্যালয় নাই। সেই বিদ্যালয়খন অংগনবাড়ী বিদ্যালয়ৰ নিচিনাকৈ চলি আছে। চৰকাৰে যদি সেই স্কুলখনৰ উন্নয়ন কৰিব পাৰে তেন্তে তাৰ ল'ৰা-ছোৱালীখিনিয়েও ভালদৰে পঢ়িব পাৰিব। Upper লাম্পিৰ পৰা Lower লাম্পিলৈ প্ৰায় ১০ কিঃমিঃ দূৰত্ব। গতিকে, এই ১০ কিঃমিঃৰ ভিতৰত যদি মেঘালয়ে আমাক দাবী কৰে তেন্তে তেওঁলোকক দিব লাগে নে নালাগে এই ক্ষেত্ৰত চৰকাৰে বিচাৰ কৰিব। অধ্যক্ষ মহোদয়, দক্ষিণ-পূব বকো গাওঁ পঞ্চায়তৰ সভানেত্ৰী হ'ল শ্ৰীমতী কনকলতা বড়ো, আঞ্চলিক পঞ্চায়তৰ সদস্য হ'ল চানদি চাংমা আৰু ৱাৰ্ড মেম্বাৰ হ'ল টাই সিং লী। এই গোটেই ব্যৱস্থাটোৱেই আমাৰ। তাৰ পিছতো তেওঁলোকে আমাক যিদৰে দাবী কৰি থাকে এই গোটেইখিনি কথা চোৱাৰ বাবে মই আপোনালোকক অনুৰোধ কৰিলো। মই কোনো বিতৰ্কলৈ নাযাওঁ। হয়, কোনো কোনোৱে কোৱা মই দেখিছো যে কংগ্ৰেছে এইবোৰ জীয়াই ৰাখিছিল, কংগ্ৰেছে কল্পনা কৰিছিল। আমাৰ কেৱল ১২৬ জন সদস্যই নহয় অসমৰ ৩ কোটি ২০ লাখ মানুহে আমাক চাই আছে আৰু এই কথাখিনি কোনে কংগ্ৰেছক কৈছে সেয়াও নিশ্চয়কৈ চাব। কংগ্ৰেছে নাগালেণ্ডৰ সীমা বিবাদ নিষ্পত্তি কৰিবলৈ, ভাই-ককাইৰ লগত মিলা-প্ৰীতি কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত গৈ neutral force কৰিছে। কাজিয়া লাগিব বিচৰা নাই। আজি কৰ্ণাটকৰ লগত তামিলনাডুৰো ভূমি বিবাদ আছে। গতিকে, আমি সকলোৱে মিলা-প্ৰীতিৰে থাকিব

লাগে। চৰকাৰৰ এনে পদক্ষেপক আমি স্বাগতম কৰিছো। কাৰোবাক গালি-শপনি পৰাটো ঠিক নহয়। কংগ্ৰেছে একোৱেই কৰা নাই, সকলো এই কেইটা দিনতে কৰিছে ইত্যাদি কথাবোৰ কোনে কৈছে সেয়া ৰাইজে নিশ্চয় চাই আছে। সময় বৰ নিষ্ঠুৰ। সময়েহে ক'ব এই কথাবোৰ। ......... interruptions...

**মাননীয় অধ্যক্ষঃ** হ'ব ........ interruptions...

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** সেই সকলে কংগ্ৰেছৰ কথা কৈ আছে.......... interruptions...

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, আগে পিছেও এনেকুৱাই হৈ থাকিব। ........... interruptions........ আমাৰ গণতান্ত্ৰিক ব্যৱস্থাই এনেকুৱা .......... interruptions........

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** মই কাৰোবাক হত্যা কৰি স্বীকাৰ কৰিলেই হ'ব নেকি? তাৰ শাস্তিও মই পাব লাগিব। তাৰ শাস্তি কোনে দিব?................ interruptions...

**মাননীয় অধ্যক্ষঃ** সময়ে ক'ব। ............ interruptions..........

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** সময় বৰ নিষ্ঠুৰ। আমিও ক্ষমতাত থকাৰ অৱস্থাত কোনো দিনেই ভৰা নাছিলো ইয়াত (বিৰোধী পক্ষলৈ) আহিম বুলি ......... interruptions...

**মাননীয় অধ্যক্ষঃ** হ'ব ধন্যবাদ। আমাৰ সময়ৰ নাটনি ......... interruptions......

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** আপোনালোকে কংগ্ৰেছে এইটো কৰিলে, সেইটো কৰিলে ইত্যাদি কথাবোৰ নক'লেও হয়। অধ্যক্ষ মহোদয়, এনেকুৱা মানুহো আছে যিয়ে বেলেগ দলত গৈও আগৰ দলটোক গালি নাপাৰে। বিজেপিতেই তেনেকুৱা মানুহ আছে। মই নাম কৈ দিলে আপোনালোকে বেয়া পাব ......... interruptions .... মাননীয় অধ্যক্ষ মহোদয়, আমি positively কৈছো যে চৰকাৰৰ এনে পদক্ষেপক আমি আদৰণি জনাইছো, যদি বিচাৰে আমি কংগ্ৰেছ দল হিচাপে সহায় কৰিম। কেৱল গালি-শপনি পাৰি পৰিৱেশটো প্ৰদূষিত নকৰিবলৈ মই বিনম্ৰ অনুৰোধ কৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। ড° অমিয় কুমাৰ ভূঞা।

**ড° অমিয় কুমাৰ ভূঞা (বিহপুৰীয়া)ঃ** অধ্যক্ষ মহোদয়, অসম -অৰুণাচল, অসম-মেঘালয় আৰু অসম-মিজোৰামৰ আন্তঃৰাজ্যিক সীমা সমূহৰ পথ উদ্ভাৱন কৰাৰ বাবে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যি ঐতিহাসিক পদক্ষেপ লৈছে তাক আমি হৃদয়ৰ পৰা আদৰণি জনাইছো। আমি আশা আৰু বিশ্বাস কৰো যে আলাপ-আলোচনাৰ মাজেৰে দীৰ্ঘদিনীয়া সমস্যাৰ পথ উদ্ভাৱন কৰিব পাৰিম। এই সমস্যাটোৰ সমাধান আমি বহু দিনৰ পৰাই বিচাৰিছো। কিন্তু, এনেকুৱা পদক্ষেপ আমি পূৰ্বতে কেতিয়াও দেখা নাছিলো। জনসাধাৰণৰ লগত যোগাযোগ হোৱাৰ লগতে দুইখন ঠাইৰ মাজত আন্তৰিকতাৰে সমস্যা সমাধানৰ বাবে যি উদ্যোগ লৈছে ই শলাগ ল'বলগীয়া। এই সমস্যাৰ পথ উদ্ভাৱন কৰোতে আমাৰ যি ঐতিহাসিক সম্বল, তথ্য আছে তাৰ প্ৰতি লক্ষ্য ৰাখি আমি সকলোৱে ইয়াত জড়িত হ'ব লাগিব। Namsai Declarationত বিহপুৰীয়া সমষ্টিৰ বান্দৰদোৱা, গৰুবন্ধা, পিছলা, কেৰেতুলি ইত্যাদি অঞ্চললৈ য'ত আমাৰ ৰাইজ যুগ যুগ ধৰি বসবাস কৰি আছে তাৰ বহু দূৰলৈ Survey of Indiaৰ post আছে। এই কথাবোৰ আমি বিশেষভাৱে যথাষ্ঠানত উপস্থাপন কৰিম। আমি আশা আৰু বিশ্বাস কৰো যে এই সমস্যাটোৰ সমাধানেৰে আমি শক্তিশালী উত্তৰ-পূৰ্বাঞ্চল পাবলৈ গৈ আছো। এই ক্ষেত্ৰত আমাৰ সকলোৰে সহযোগিতাৰ আৱশ্যক আছে। ইয়াৰোপৰি, আমাৰ স্থানীয় গাওঁ আৰু বাসিন্দাৰ বৃহত্তৰ স্বাৰ্থৰ কথা আমি আগত ৰাখি এই পথ

উদ্ভাৱন কৰাত আমি সকলোৱে গুৰুত্ব প্ৰদান কৰিব লাগিব। মই সমষ্টিবাসীৰ হৈ অসমৰ দীৰ্ঘদিনীয়া সমস্যা সমাধান কৰাৰ বাবে চৰকাৰে এই মূহুৰ্তত যিদৰে আগবাঢ়িছে তাৰ প্ৰতি ওলগ জনাই মোৰ মনৰ কথা ইমানতে সামৰিলো। ধন্যবাদ।

**শ্ৰী আমিনুল ইছলাম, মানকাচৰ ঃ** আমাৰ কিছু related matter আছে। আমাৰ অসম, মেঘালয় বোৰ্ডাৰ dispute আছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। আপুনি তিনি মিনিটত শেষ কৰক।

**শ্ৰী আমিনুল ইছলাম, মানকাচৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, originally inter state dispute টো সমাধান কৰিব লাগে কেন্দ্ৰীয় চৰকাৰে। যিখিনি কথা ইয়াৰ আগতে মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিল যিকেইটা dispute point আছে সেইকেইটা আমি নিৰ্দ্ধাৰিণ কৰিছো আৰু ইয়াৰ মাজত আমি কিছুমান settle কৰাৰ ব্যৱস্থা কৰিছো। কিন্তু আমি দেখিছো যে মানকাচাৰৰ লগত যিটো অসম মেঘালয় বোৰ্ডাৰ আছে, তাত কেইবাটাও dispute point আছে। আমাৰ অৰডোবা বজাৰটো যুগে যুগে অসমে tender দিছিলে। কিন্তু যোৱা ৪ বছৰৰ পৰা আমি দেখিছো যে বজাৰখনৰ আধা এতিয়া মেঘালয়ে tender দিয়ে আৰু আধা আমি tender দিব লাগে। আধা মেঘালয়ৰ দখলত গুছি গ'ল। ইমানদিন এইটো অসমৰ আওতাৰত আছিল। একে চান্দামাৰী বজাৰ। চান্দামাৰী বজাৰখন গোটেই অসমৰ আওতাৰত আছিল আৰু এতিয়া নতুনকৈ চান্দামাৰী বজাৰৰ আধাপাৰ্ট মেঘালয় আৰু আধাপাৰ্ট অসমৰ। আমি বুজি পোৱা নাই এইবোৰ নতুনকৈ কিয় হৈ আছে। চাটিপুৰ বজাৰ। মোৰ সমষ্টিৰ চাটিপুৰ বজাৰখন যুগে যুগে আমাৰ বজাৰ আছিল, এতিয়া চাটিপুৰ বজাৰ অসমৰ খাচ মাটিত কিন্তু মেঘালয়ে তাত পট্টা ইচ্যু কৰি আছে। অসমৰ মাটিত মেঘালয়ে নতুনকৈ পট্টা ইচ্যু কৰি আছে। কাচুৰা বিলখন অসমৰ চাৰি কিঃ মিঃ ভিতৰত। সেই বিলখন মেঘালয়ে ডিমাণ্ড কৰি আছে। এতিয়ালৈকে ইয়াৰ কোনো সমাধান হোৱা নাই। তৃতীয়তে আমি ক'ব বিচাৰিছো যে মানকাচাৰত এটা কামাখ্যা মন্দিৰ আছে। ইতিহাসে ঢুকি নোপোৱা পুৰণা কামাখ্যা মন্দিৰ। আজিৰ দিনত তাত অসম দৰ্শনৰ কাম চলি আছে। কিন্তু এইবাৰ যেতিয়া ভাৰতবৰ্ষৰ গৃহ মন্ত্ৰী শ্ৰী অমিত শ্বাহ ডাঙৰীয়া মানকাচৰত গৈছিলে তেতিয়া সেই মন্দিৰত থকা হেলিপেডটো আমি ব্যৱহাৰ কৰিব যাঁওতে মেঘালয় চৰকাৰে আমাক বাধা দিছিল। এই মেটাৰটো কিমান serious আপোনালোকে চিন্তা কৰক। দ্বিতীয়তে, ইয়াৰ একেবাবে লগতে লাগি থকা মিৰজুমলা মাজাৰ বুলি যিটো কয়, সেইটো কালে কালে আমাৰ সম্পত্তি। তাত মাদ্ৰাছা চলি আছে। এই কবৰস্থানটো ১৯৩০ চনত যেতিয়া অবিভক্ত গোৱালপাৰা জিলা আছিল তেতিয়া তাৰ circle office আছিল তুৰাত। জিলাৰ সদৰ কাৰ্য্য আছিল ধুবুৰী। তাত বৃটিছৰ দিনত মহম্মদ ইছমাইল হুছেইন, চৈয়দ হবিবুৰ ৰহমান, মহম্মদ ওবাইদুল্লা, নবাবউদ্দিন, মহম্মদ হুছেইন, আব্দুল জব্বৰ মিঞা, মহম্মদ ইছাহক, আছাদুল্লা মিঞা এই মানুহকেইজনে নিজৰ ম্যাদী পট্টাৰ মাটি সেই কবৰস্থানত দিছিল। কিন্তু আজি সেই কবৰ স্থানত জোৰ জবৰদস্তি মেঘালয়ে কৈছে যে সেইটো তেখেতসকলৰ WAKF property. Survey কৰিবলৈ তিনি চাৰিবাৰ অফিচাৰ আহিল। ১৯৩০ ৰ দলিলখন এতিয়াও আছে। তাত clearly কথাটো কোৱা আছে যে এইখিনি ঠাই অসমৰ। এই সমস্যাবিলাক দিনে দিনে বাঢ়ি গৈছে। দুবছৰ আগতে কিছুমান ল'ৰাই দক্ষিণ শালমাৰা থানাখনৰ চাইনবোৰ্ডখন ভাঙি আহিছে। বৃটিছৰ দিনৰ দক্ষিণ শালমাৰা থানাখন মেঘালয়ে তেওঁলোকৰ বুলি কৈছে। দিনে দিনে তেওঁলোকৰ আগ্ৰাসন বাঢ়ি আহিছে। আগ্ৰাসন বন্ধ নকৰিলে পৰিস্থিতি আৰু ভয়াৱহ হ'ব। গতিকে অতি সোনকালে সেইটো সমাধান কৰাৰ ব্যৱস্থা কৰিব লাগে।

**माननीय अध्यक्ष ঃ** ধন্যবাদ। শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা। আপোনাক দুই মিনিট সময় দিয়া হ'ল।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, গুৱাহাটী পশ্চিম ঃ** মাননীয় অধ্যক্ষ মহোদয়, সীমান্তৰ যিটো dispute এইটো আজি ৫০ বছৰৰ পুৰণি। মেঘালয়ে ১৯৭০ চনত autonomous state হিচাপে স্বীকৃতি পাইছিল আৰু ১৯৭২ চনত পূৰ্ণাঙ্গ ৰাজ্য হিচাপে ঘোষণা হৈছিল। তাৰ পৰৱৰ্তী সময়ত Survey of India ই অসম-মেঘালয় সীমান্তত survey কৰিছিল যদিও ততাতৈয়াকৈ কৰাৰ কাৰণে সেই সময়ত কিছু dispute থাকি গ'ল। অসম-মেঘালয় সীমান্তটো ৮৮৪.৯ কিঃ মিঃ আৰু তাৰে ১২ টা ঠাইত আমাৰ dispute আছে। আমাৰ বৰ্তমানৰ চৰকাৰখনে এই সমস্যাটো সমাধান কৰাৰ ক্ষেত্ৰত এটা বাস্তৱ পদক্ষেপ গ্ৰহণ কৰিছে। মই কোৱা নাই যে কংগ্ৰেছ (আই) চৰকাৰেও অসম-মেঘালয় সীমান্তটো সমাধানৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা নাই বুলি। তেওঁলোকেও ব্যৱস্থা গ্ৰহণ কৰিছিল। কিন্তু সেই সময়ত এই সমস্যাটো সমাধান কৰিব পৰা নহ'ল। ১৯৮৫ চনত justice Y.B Chandrasur ৰ সময়ত এখন উচ্চ পদস্থ কমিটি গঠন কৰি দিছিল আৰু সেই কমিটিয়ে অসম-মেঘালয় সীমান্ত survey কৰি এখন প্ৰতিবেদন দাখিল কৰিছিল আৰু সেই সময়ত সেই প্ৰতিবেদনখন মেঘালয় চৰকাৰে reject কৰিছিল। তাৰ পাছত ১৯৮৫ চনত মেঘালয় চৰকাৰে Supreme Court ত এখন Petition দিছিল। সেই Petition ত তেখেতসকলে directly Central Government য়ে interfere কৰি এই বিষয়টো সমাধান কৰাৰ বাবে লিখিছিল। কিন্তু Supreme Court এইটো dismiss কৰিছিলে।

**माननीय अध्यक्ष ঃ** মাননীয় সদস্য, সময় খুব কম। বৰ্তমান যিটো সংকল্প প্ৰস্তাৱ আনিছে তাৰ ওপৰত আপোনাৰ মন্তব্যটো দিয়ক।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (গুৱাহাটী পশ্চিম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো ৫০ বছৰ পুৰণা এটা কেঞ্চাৰ বেমাৰৰ দৰে সমস্যা। কিন্তু এই সমস্যাটো আজি সমাধানৰ পথত উপনীত হৈছে। ইতিমধ্যে অসমৰ মাননীয় মুখ্যমন্ত্ৰী আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰি য'ত য'ত dispute আছে, সেই সম্পৰ্কত অসম -মেঘালয়ৰ এক যুটীয়া সমিতি মাননীয় মন্ত্ৰী মহোদয়ে গঠন কৰি দিছিল। মন্ত্ৰী পীযুষ হাজৰিকাৰ নেতৃত্বত দিছপুৰ সমষ্টিৰ পিলিংকাটা আৰু মোৰ সমষ্টি বাকলাপাৰাত সেই অঞ্চলটোৰ বাবে তেওঁক দায়িত্ব দিয়া হৈছিল। মাননীয় মন্ত্ৰী অতুল বৰা ডাঙৰীয়াক বকোৰ হাহিমৰ দায়িত্ব দিছিল। তাত মেঘালয়ৰো এজন মন্ত্ৰী আছিল আৰু বিধান সভাৰ সদস্যকো তাত সদস্য হিচাপে ৰখা হৈছিল। তেনেদৰে যুটীয়া সমিতি গঠন কৰিছিল। সেই যুটীয়া সমিতিয়ে সেই অঞ্চলবিলাকলৈ গৈ দুয়োপক্ষৰ মানুহৰ লগত আলোচনা কৰিছিল।

আলোচনা কৰাৰ অন্তত এটা সিদ্ধান্তত উপনীত হৈছিল, সেইমৰ্মে যি অঞ্চলবিলাকত ডিচপুইট হৈছিল - মুঠ ১২ টা চেক্টৰ আছিল যদিও ৬ টা চেক্টৰতহে আমাৰ আলোচনাটো হৈছিল। সেই আলোচনাৰ অন্তত আমাৰ সীমাৱৰ্ত্তী মেঘালয়ৰ এলেকাত আমাৰ যিখিনি জনসাধাৰণ আছে সেই সমস্যাটো সমাধানৰ ক্ষেত্ৰত আগবাঢ়িছে। এতিয়া আমাৰ মাননীয় মুখ্যমন্ত্ৰী আৰু মেঘালয়ৰ মাননীয় মুখ্যমন্ত্ৰী দুয়োগৰাকীয়ে দিল্লীত গৃহ মন্ত্ৰীৰ উপস্থিতিত আলোচনা কৰিছে, আমাৰ এই এলেকাবোৰত বিভিন্ন ধৰণৰ ঘটনাও সংঘটিত হৈছে, মোৰ বাঘলাপাৰাতো বিভিন্ন ধৰনৰ ঘটনা সংঘটিত হৈছে । আনকি মেঘালয় পুলিছে মোৰ ১০ জন ল'ৰাক গ্ৰেপ্তাৰ কৰিছে, গতিকে এনেকুৱা ধৰণৰ সংঘাট হৈছিল। আমি ভাবো যে এই সংঘাটবিলাক শেষ হ'ব লাগে। এই সমস্যাৰ সামধান কৰিবলৈ সাংবিধানিকভাৱে আলাপ আলোচনাৰ মাজেৰে যাব লাগিব। সেই আলোচনাত যি ব্যৱস্থা লোৱা হ'ব তাত আমাৰ কাৰোৰে আপত্তি থাকিব নালাগে, ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া দেবব্ৰত শইকীয়া ডাঙৰীয়া ।

**শ্ৰীদেবব্ৰত শইকীয়া, (বিৰোধী দল দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিটো প্ৰস্তাৱ অনা হৈছিল তাত অকল অসম মেঘালয়ৰ কথাই কোৱা হোৱা নাছিল , সেই প্ৰস্তাৱত অসম- নাগালেণ্ড, অসম - মিজোৰাম, অসম অৰুণাচল আদিৰ ৰাজ্যৰ সমস্যাসমূহ যদি সাংবিধানিক প্ৰক্ৰিয়াৰ পৰিৱৰ্ত্তে এনেকুৱা আলোচনাৰ মাজেৰে চেষ্টা কৰো তেনেহ'লে আমাৰ কিছু অসুবিধাৰ সৃষ্টি হ'ব পাৰে বুলি কৈ আমি আৰু অলপ সময় লৈ আৰু অধ্যয়ন কৰি আলোচনাত আগবাঢ়িবলৈ কৈছো। গোটেইবিলাকৰ কাৰণে যাতে একেটাই মাপ কাঠি নহয় । কাৰণ যিটো কোৱা হয় লেভেল প্লেন ফিল্ড বুলি কোৱা হয়, মানে সমান হ'ব লাগে। আমাৰ যদি দুয়োটা পক্ষই একেধৰণৰ মত নলয় তেনেহ'লে আমাৰ যিমানে আলোচনা নকৰো কিয় এই সমস্যাটো সমাধান নোলাব। আমাৰ চুবুৰীয়া ৰাজ্যই ৰিজাৰ্ভ ফৰেষ্টত বসতি কৰিছে আৰু যেতিয়া আমাৰ মানুহে তাত খেতি কৰে বা বসতি কৰিবলৈ যায় তেতিয়া আমাৰ অসম চৰকাৰৰ ফালৰ পৰা উচ্ছেদ কৰি দিয়ে আৰু তেওলোকৰ ফালৰ পৰা ৰিজাৰ্ভ ফৰেষ্টখিনি যেতিয়া প্ৰথমে বাউণ্ডেৰীবিলাক কৰিছি, তেতিয়া কৈছিল যে সকলো চুবুৰীয়া ৰাজ্য সামুহিক ব্যৱহাৰৰ কাৰণে হ'ব, কিন্তু এতিয়া দেখা গ'ল যে তাত চুবুৰীয়া ৰাজ্যৰ মানুহে বসতি স্থাপন কৰি দিলে আ্ৰু তেওঁলোকে আমাৰ মনুহৰ ভয় দেখুৱায় । তেওঁলোকৰ কিছুমানক কোৱা হয় হেড হান্টাৰ তাত কিছুমানৰ চিকাৰী প্ৰবণতাও আছে। তেওঁলোকৰ সকলো মানুহৰে এটা এটা বন্দুক থাকে লাগিলে চৰাই চিৰিকতি মাৰিবলৈকে হওঁক। কিন্তু আমাৰ অসমীয়া মানুহৰ হাতত তেনেকুৱা একো নাথাকে, বোধ কৰো বিমলা প্ৰসাদ চলিহা ডাঙৰীয়া, মুখ্যমন্ত্ৰী হৈ থাকোতে অসমৰ সীমান্ত অঞ্চলসমূহ সুৰক্ষিত কৰিবলৈ গোৰ্খা সম্প্ৰদায় এক্স চাৰ্ভিছমেন বিলাকক অসমৰ সীমামুৰীয়া অঞ্চলবিলাকত সংস্থাপন কৰাৰ ব্যৱস্থা কৰা হৈছিল। এতিয়াও কিছু কিছু অঞ্চলত আমি এই লোকসকলক দেখা পাওঁ । এই কথাখিনি চৰকাৰখনেও কৈছে । বিধায়ক ৰমেন্দ্ৰ নাৰায়ন কলিতা ডাঙৰীয়াও পূৰ্ব্বৰ চৰকাৰৰ কথা ক'লে । সেই একেই প্ৰক্ৰিয়াৰে যেনেকৈ জাষ্টিছ চন্দ্ৰচুড় কমিটি, বাউণ্ডেৰী কমিশ্যন , চাৰ্ভে অব ইণ্ডিয়া তেনেকৈ বাকীবিলাক ৰাজ্যতো চৰকাৰে প্ৰচেষ্টা হাতত লৈছে । কিন্তু মই কোৱাৰ দৰে লেভেল গ্ৰীণ ফিল্ড নোহোৱৰ কাৰণে এই গোটেই সমস্যাবিলাকৰ সমাধানটো নোলাল । কেতিয়াবা আমাৰ পক্ষত গ'লে ৰিজেক্ট কৰে যিটো এতিয়া মেঘালয়ৰ ক্ষেত্ৰতে হ'ল । মেঘালয়ত যেতিয়া জাষ্টিছ চন্দ্ৰচুড় কমিশ্যনখনে ক'লে যে আপোনালোকৰ কি তথ্য পাতি আছে দিয়ক আৰু অসম চৰকাৰৰ কি তথ্য পাতি আছে তেওলোকেও দিয়ক । এই সময়ত আমাৰ ফালৰ পৰা সকলোবিলাক তথ্য পাতি দেখুৱা পৰা গ'ল কিন্তু মেঘালয়ৰ ফালৰ পৰা একো দেখুৱাব নোৱাৰিলে । গতিকে তেওলোক তেতিয়া হাৰি গ'ল । যেতিয়া, হাৰি গ'ল তেতিয়া তেওলোকে ক'লে এইখন আমি মানি নলওঁ । ১৯৯৫ চনত চাৰ্ভে অফ ইণ্ডিয়াই মেপ অনুসৰি বৰ্ডাৰত খুঁটি পুতি দিয়া হ'ল । এতিয়া তেওলোকে সেই খুঁটিবিলাকো উঠাই দিলে । অলপ আগতে আমাৰ ৰকিবুল হুছেইন ডাঙৰীয়াই ক'লে যে আমি লাংপি অঞ্চলত যাওঁতে দেখিলো যে গোৰ্খা সম্প্ৰদায়ৰ ৫ জনকৈ সেই গাওঁত গাঁওবুঢ়া হৈ আছে । তেওলোক বংশানুক্ৰমে ১৯২৮ চনৰ পৰাই বৃটিছৰ দিনৰ পৰাই ক্ৰমান্বয়ে গাঁওবুঢ়া হৈ আহিছে। আমাৰ পাহাৰীয়া অঞ্চলত কাষ্ট'মাৰী ল থাকে বা দৰবাৰ থাকে। চি এম ও থাকে এনেকুৱা চিষ্টেম তাত নাই গতিকে ২০১১ চনৰ পৰা তেওঁলোকে ক্লেইম কৰি আহিছে যিখিনি কথা কিছু চিন্তনীয় ঠিক তেনেকৈ ১৯৫০ চনত বৰদলৈ কমিশ্যিনে বহুতো ব্লক দিলে । কাৰ্ব্বি আংলঙতো এতিয়া ২০০১ চনৰ পৰাই ডিচপুটেড এৰিয়া বুলি ক'লে উচিত নহ'ব । এটা কথা মহোদয়, আমাক দন্দুৰা জাতি বুলি ক'ব নেকি এই কথা ভাবি

--- কিন্তু লোকসভাত এটা তথ্য দিয়া হৈছিল যে হিমাছল প্ৰদেশ আৰু উত্তৰাখণ্ডৰ মাজত এতিয়াও সীমা বিবাদ আছে। ঠিক আছে বিহাৰ আৰু উত্তৰ প্ৰদেশৰ মাজত আছে , গুজৰাট আৰু ৰাজস্থানৰ মাজত আছে। কৰ্ণাটিক আৰু মহাৰাষ্ট্ৰৰ মাজত আছে , উৰিষ্যাৰ অন্ধ্ৰ প্ৰদেশ, চত্তিশগড়, ঝাৰখণ্ড আৰু বেংগল লগতো সীমা বিবাদ আছে । ঝাৰখণ্ড নতুনকৈ সৃষ্টি হোৱা কিন্তু পশ্চি বংগ পুৰনা। ঠিক তেনেকৈ ছত্তিশগড় নতুন আৰু অন্ধ্ৰ প্ৰদেশ পুৰনা। সেই ৰাজ্যবোৰতো প্ৰায় ৫০- ৬০- চনৰ পৰাই সীমা বিবাদ চলি আছে। আমি যদি এই দন্দুৰা বুলি কোৱা কথাটো চিন্তা কৰি সীমান্তৱৰ্ত্তী এলেকাবোৰ এৰি দিওঁ তেন্তে এই সমস্যাটো সমাধান হ'ল হয় কিন্তু তাত যিখিনি মানুহ ইল্লিগেলী আছে যদি তেওলোকে কয় এইখিনি আমাক দিয়ক আমি ইয়াতে থাকিম। আমাৰ চৰকাৰ খন ৰেকৰ্ডৰ ভিত্তিত আৰু নীতি নিয়মৰ মাজেৰে চলে গতিকে এই কথাবিলাকো ভালকৈ চোৱা হৈছিল। ২০১৯ চনৰ বিধান সভাত মোৰ এটা প্ৰশ্নৰ উত্তৰত কোৱা হৈছিল যে, মিজোৰামৰ ৯.২৬, ত্ৰিপুৰাৰ ০.২৫, মেঘালয়ৰ ১৪.৮৩, নাগালেণ্ডৰ ৫.৯৪, অৰুণাচলৰ ২.১৩, মুঠ .৪৩২৫ বৰ্গ কি.মি ৰাজ্যৰ মাটি বেদখল কৰি আছে আৰু বিভিন্ন সময়ত এভিকশ্যনৰ কাৰণেও কোৱা হয়, এই গোটেই তথ্য ইয়াত দিয়া হৈছে। আমি শান্তিপূৰ্ণ ভাবে কৰিলেও যিখিনি স্কোপ অফ আৰ্টিকুল ১৩১ অৰিজিনেল জুৰিডিকশ্যন অফ চুপ্ৰিম কোৰ্ট ইন ইন্টাৰ ইষ্টেট ডিচপুইট, চেটেলমেন্ট অথবা স্কোপ অফ আৰ্টিকুল ২৬২ ইন কেচ অফ ইন্টাৰ ইষ্টেট ডিচপুইট - স্কোপ অফ আৰ্টিকুল অফ ২৬৩ ইন ইন্টাৰ ইষ্টেট কাউন্সিল ডিচপুইট এই যিখিনি সাংবিধানিক হিচাপে দিছে তাৰ ওপৰত ভিত্তি কৰি যোৱা সমস্যাবোৰ আলোচনা কৰিব পাৰিলে ভাল কিন্তু আলোচনা কৰিবলৈ যাওতে তেওলোকে যদি দাবী কৰে আৰু আমি যদি বিগ ব্ৰাদাৰ বুলি এৰি দিও, তেন্তে অসমৰ কাৰণে ক্ষতিকাৰক হ'ব আৰু এই কথাবিলাক আলোচনা নকৰাকৈ থাকিলে আমাৰ কিছু অসুবিধা আহিব সেই গতিকে মই যিটো প্ৰস্তাৱ আনিছিলো যে আমাৰ দ্বিপাক্ষিক বৈঠকত সীমা সমস্যা সমাধানৰ ক্ষেত্ৰত আগ্ৰাসী হ'লে আমাৰ ৰাজ্য ক্ষতিগ্ৰস্থ হ'ব। গতিকে ভাৰতীয় সাংবিধানিক ব্যৱস্থা অনুসৰি আলোচনাৰ মাধ্যমেৰে দুয়োপক্ষই আলোচনা কৰি সমস্যা সমাধানৰ ব্যৱস্থা কৰিব লাগে। চৰকাৰে সময় লওক। এইটো এক বছৰতে কৰিম বা আগন্তুক সময়ত কৰিম, সেইটো ভাবিব নালাগে। সেই কাৰণে অসম বিধান সভাত এই প্ৰস্তাৱটো ল'বলৈ মই পুনৰ বাৰ অনুৰোধ জনালো। ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ এতিয়া মন্ত্ৰীয়ে উত্তৰ দিব ।

**শ্ৰীঅতুল বৰা, (মন্ত্ৰী, কৃষি ও সীমান্ত এলেকা উন্নয়ণ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ সন্মানীয় বিধায়ক দেবব্ৰত শইকীয়া ডাঙৰীয়া , কমলাক্ষ দে পুৰকায়স্থ, জাকিৰ হুছেইন সিকদাৰ আৰু শ্ৰীমতী নন্দিতা দাস ডাঙৰীয়ানীয়ে সংকল্প প্ৰস্তাৱটো উত্থাপন কৰিছিল, তাৰ ওপৰত বিৰোধী পক্ষৰ লগতে শাসক পক্ষৰ সন্মানীয় কেইবা গৰাকী সদস্যই নিজৰ নিজৰ মতামত আগবঢ়ালে । বেছি বিবাদমান এলেকা আছে আমাৰ পৰা ফালৰি কাটি যোৱা। আমি আলোচনা কৰিছোঁ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই বিচাৰিছে যে আলাপ আলোচনাৰ মাজেৰে এই সমস্যাটো সমধান হওঁক। বিচৰাৰ মূলতে হৈছে যে বিবাদ মান যি অঞ্চল আজি মেঘালয়ৰ লোকে হওঁক বা অসমৰ লোকে হওঁক সেই অঞ্চলটোত কিন্তু কোনো উন্নীতকৰণ নাই। তথাপি মেঘালয়ৰ তৰফৰ পৰা কিছুমান কাম কৰিছে। অসমৰ ফালৰ পৰা কৰা নাই। এতিয়া আপোনালোকে জানে, মই কাকো দোষাৰোপ কৰিব বিচৰা নাই, মই ভাৰো যে ৰাজ্যত এখন সৃষ্টিৰ পিছতে ভৰিষ্যতে যাতে আৰু আমি further এলেকা এৰিব লগীয়া নহয় বা সীমাক লৈ বিবাদ সৃষ্টি নহয় তাৰ কাৰণে বোৰ্ডৰ এৰিয়াত short term long term plan লৈ চৰকাৰে

কাম কৰিব লাগিছিল। এইটো বাস্তৱ সত্য যে দীঘলীয়া দিন স্বাধীনতাৰ পিছত কংগ্ৰেছ দলে ক্ষমতাত আছিল। দিল্লীতো আছিল, দিছপুৰতো আছিল, মেঘালয়তো আছিল, নাগালেণ্ডতো আছিল, অৰুনাচলতো আছিল। গতিকে এই সমস্যাটো আচলতে সমাধান কৰিব পাৰিলেহেতেন লাগে মাথো সদিচ্ছা political will. এতিয়া এটা কথা ঠিক যে যিমান risk আমাৰ চৰকাৰ খনে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই লৈছে সাধাৰণতে শাসনত থকা কোনো এটা দলৰ চৰকাৰে নলয়, কোনো এখন ৰাজ্যৰ চৰকাৰে নলয়। কাৰণ ইয়াত plus minus সকলোখিনি কথা ভাবিচিন্তি এনেধৰণৰ জটিল সিদ্ধান্ত ল'বলৈ আগবাঢ়ি নাহে। কিন্তু আমাৰ চৰকাৰ খনে আগবাঢ়ি গ'ল। আপোনালোকে জানে যে ইতিমধ্যে মেঘালয়ৰ লগত আমি কেবালাইনো আলোচনা কৰিছোঁ। মেঘালয়ৰ ক্ষেত্ৰত ৩ খন Regional Committee কৰি দিছিল। এখনত আমাৰ ওপৰত দায়িত্ব আছিল সভাপতিৰ, এখনত পাটোৱাৰী ডাঙৰীয়াৰ ওপৰত আছিল, এখনত সভাপতিৰ দায়িত্ব আছিল পিযুষ হাজৰিকা ডাঙৰীয়াৰ ওপৰত। আৰু ইয়াত আমাৰ অসম বিধান সভাৰ কেইবা গৰাকীও সদস্যই নন্দিতা দাস ডাঙৰীয়ানীও তেখেত এখন কমিটিৰ মেম্বাৰ, আমি যিদৰে চি এল পি ৰ লগত তেখেত গৈছে তেখেতে কমিটিৰ সদস্যা হিচাপেও বোৰ্ডাৰত আমাৰ সৈতে গৈছে। আমি ground reality টো প্ৰত্যক্ষ কৰিছিলোঁ, তাৰ পিছত আপোনালোকে জানে যে আমি তাত স্বাক্ষৰো কৰিছিলোঁ, আমি ৰিপোৰ্ট দাখিল কৰিছিলোঁ দুয়োখন কমিটিয়ে, মেঘালয়ৰ পৰা Regional Committee য়েও কৰিছিল, আমিও কৰিছিলোঁ, অৱশেষত এটা concern charge হোৱাৰ পিছত আপোনালোকে জানে যে union গৃহ মন্ত্ৰীৰ লগত দুয়ো গৰাকী মুখ্যমন্ত্ৰীৰ এক বৈঠক হৈছিল তাত কিছু বিবাদ নিস্পত্তি হৈছিল আৰু কিছু বাকী ৰৈ গ'ল। এতিয়া লাংপিৰ কথাটো আহিছে। পীযুষ হাজৰিকা ডাঙৰীয়াই ঠিকেই কৈছে যে আমি এঠাইলৈ খোজ কাঢ়ি যাবলৈ বহুত সময় লাগে বাবে আমি হেলিকপ্টাৰতে গৈছিলোঁ, নন্দিতা দাস ডাঙৰীয়ানীও গৈছিল। গৈ পোৱাৰ পিছত, আমাৰ ডি চি ও আছে, আমাৰ এচ পি ও আছে, প্ৰশাসনৰ সম্পূৰ্ণ মানুহ আছে, চাৰ্কোল অফিচাৰ আছে, তেওঁলোকৰ ডি চি, এচ পি ও আছে, কিন্তু আমাৰ ফালে কোনেও নকয়, মানুহ সকলে মেঘালয়ত যাম বুলি কয়। এতিয়া আমাৰ criteria টো গাইড লাইনত এনেধৰণৰ আছে যে কিহৰ ওপৰত ভিত্তি কৰি হ'ব?

**শ্ৰীমতী নন্দিতা দাস (বকো) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কওঁ।

**মাননীয় অধ্যক্ষ ঃ** পিছত ক'ব। আপুনি নোট কৰি ৰাখক।

**শ্ৰীঅতুল বৰা, মন্ত্ৰী ঃ** মই যিহেতু কৈ আছো, I am on laid, গতিকে আপুনি বহক। আপোনাৰ কথাটো মোৰ পিছত আপুনি কব। মই আপোনাক দোষাৰোপ কৰা নাই নহয়। আপুনি মোৰ লগত যোৱাৰ কথাটোহে কৈছোঁ।

**শ্ৰীমতী নন্দিতা দাস (বকো) ঃ** মানুহৰ মাজত যিটো willingness কথা।

**শ্ৰীঅতুল বৰা, মন্ত্ৰী ঃ** মইতো willingness আছে বুলি কোৱা নাই। মই কৈছো নেকি?

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদস্যা আপুনি ভালকৈ শুনি লওঁক, কিবা থাকিলে পিছত কব, আপুনি নোট কৰি ৰাখক।

**শ্ৰীঅতুল বৰা, মন্ত্ৰী ঃ** Willingness of the people, historical background administry আৰু administrative convenience. এতিয়া আমি দেখিলো যে কিছুমান ঠাইত যি কাৰণতে নহওঁক কিয়, আপুনি জানে শেষৰ মিটিং খনত আমি হেলিকপ্টাৰত গৈ য'ত

আমি গোট খাইছিলোঁ তাত এজন মানুহৰ বাহিৰে গোটেই বহুত কেইখন গাঁৱৰ মানুহে মেঘালয়তে থকাৰ কথা কৈছিল, এইটোতো বাস্তৱ সত্য। গতিকে এনেকুৱা ধৰণৰ কথা বিলাক আছে। এইবিলাক হৈছে এক মাত্ৰ এই কাৰণে তেনেধৰণৰ হয়তো opinion প্ৰকাশ কৰিছে, যে তেওঁলোকে ভাৱে মেঘালয়ত যোৱা দিনবোৰত তেওঁলোকে যি সুবিধা পাইছে, electrification, খোৱা পানী আৰু অন্যান্য সা-সুবিধা। সেই সা-সুবিধাবিলাক আমাৰ চৰকাৰৰ পৰা সেই বোৰ্ডাৰ এৰিয়াবোৰত নাপালে। এতিয়া অসম-মেঘালয় বোৰ্ডাৰটো কমটি দীঘল বোৰ্ডাৰ নহয়, এইটোতো বহুত দীঘলীয়া বোৰ্ডাৰ। এইটো ৮০০ কি. মিটাৰতকৈ বেছি। বৰ্তমান অসম মেঘালয়ৰ আন্তঃৰাজ্যৰ সীমা মুঠ দৈৰ্ঘ্য ৮৮৪। তদুপৰি অসম অৰুনাচলৰ ক্ষেত্ৰতো প্ৰায় একে। নাগালেণ্ডৰ ক্ষেত্ৰত কিছু কম। গতিকে এই সীমান্তত বসবাস কৰা মানুহ খিনিৰ সম্ভৱত ইচ্ছাটো সেইকাৰণে তেনেধৰণে আমাৰ আগত প্ৰকাশ কৰিছে। যি নহওঁক এতিয়া কথা হৈছে দ্বিপাক্ষিক আলোচনাৰ জৰিয়তে সন্মানীয় কেইবাগৰাকী সদস্যই এই বিষয়টো সমাধান কৰাতো বিচৰা নাই, সাংবিধানিক হিচাপে, সংবিধান মতেটো হ'ব। আজি আমি দুয়ো পক্ষই আলোচনা কৰিলেও আজি একো আচলতে কৰিব নোৱাৰো। Ultimately সিদ্ধান্ত ল'ব Parliamentয়ে। Parliamentএ কিহৰ ওপৰত কব, Parliamentয়ে সংবিধান মতেই যাব লাগিব। গতিকে Parliamentএ ক'ব। এতিয়া মূল কথা হৈছে যে অৰুণাচলৰ লগত আলাপ আলোচনা হৈ আছে, হয় আমাৰ সন্মানীয় সদস্য ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াই কোৱাৰ দৰে অৰুণাচলৰ কথাটো অলপ বেলেগ ধৰণৰ হয়। তাত তিনিচুকীয়াৰ যিটো বাউণ্ডাৰীত অৰুণাচলৰ ৫ খন জিলা লাগি আছে আৰু আটাইতকৈ ডাঙৰ কথা হৈছে, আমি দেখিলো যে এই যে ৰিৰ্জাভ যিবোৰ ফৰেষ্ট আছে, ৰিৰ্জাভ ফৰেষ্টত চুবুৰীয়া ৰাজ্য বিলাকে মাটিবোৰ তাত এলোট কৰি দিছে। মাটি এলোট কৰি দিছে আৰু আমাৰ ৰাজ্যত ফৰেষ্টে নিজকে বেলেগ বুলি ভাৱে, মানুহ সকলক যাব নিদিয়ে, একো কৰিব নিদিয়ে, ফৰেষ্টো ৰক্ষা কৰিব নোৱাৰে, জীৱ জন্তুও ৰক্ষা কৰিব নোৱাৰে। এতিয়া আমাৰ চৰকাৰে কঠোৰ হৈছে এইবিলাকত। এতিয়া এইটো সম্ভৱ হোৱা নাই। কিন্তু সেই সময়তে যদি আমাৰ ৰিৰ্জাভ ফৰেষ্টবোৰ সুৰক্ষিত কৰিবৰ কাৰণে অসমৰ পাৰ্টৰ মানুহক যেনেধৰণে বাধা দিয়া হয় ঠিক তেনেকৈ চুবুৰীয়া ৰাজ্যৰ মানুহকো যদি বাধা দিলে হেতেন আজি যি ধৰণে তেওলোকে বিভিন্ন এৰিয়া ক্লেম কৰিছে, তেনেধৰণে ক্লেম নকৰিলেহেতেনঙ্গ এতিয়া আমি যাওঁতে সেইদিনা দেখিলো, শদিয়াৰ ওচৰত ৰূকমৌ বুলি যিখন ঠাই আছে, সেইখন ৰিৰ্জাভ ফৰেষ্ট। এতিয়া ৰূকমৌত প্ৰায় ৫০০ লোক আহি ৰিৰ্জাভ ফৰেষ্টত বসবাস কৰিলে, এতিয়া তাৰ ডি চি য়ে কয় ৰূকমৌৰ ডি চি এগৰাকী মহিলা আই এ এচ বিষয়া, যে এইটো আমাৰ আমি মাটি আদি সকলো এলোটমেন্ট দিছো, চাৰ্কোল অফিচাৰে কাগজ দেখুৱাইছে, আমাৰ ডি চি, আমাৰ চাৰ্কোল অফিচাৰে কয় ডি এফ ও গৈ কৈছে এইটো ৰিজাৰ্ভ ফৰেষ্ট, এইটোতো আমি দিব নোৱাৰো। এয়াই হৈছে আমাৰ সমস্যা। গতিকে এই সমস্যাটোৰ ক্ষেত্ৰত য'ত ৰিজাৰ্ভ ফৰেষ্ট আছে এই ক্ষেত্ৰত আমাৰ মই ভাৱো যে দুয়োখন চৰকাৰে দুয়োজন মুখ্যমন্ত্ৰীয়ে বা আমাৰ যি Regional Committee আছে আমি এই ক্ষেত্ৰত একো কৰিব নোৱাৰো। এতিয়া যিখিনি তেওঁলোকৰ ক্লেম আছিল ২০০০ ক্লেমৰ মতে আমাৰ মাননীয় নৰহ ডাঙৰীয়াই কৈছে যে ১২৩ ৰ ভিতৰত নামচাই ডিক্লাৰেচনত আমি ৮৭ খন ৰাখিলো। গতিকে ৮৭ খনৰ এই গোটেই বিষয়টোত নিশ্চিত ভাৱে threadbare আলোচনা হ'ব। দুয়োখন Regional Committee ৰ অপিনিয়ন বিলাক এক্সচেঞ্জ হ'ব, তাৰ পিছতে আমি concern charge ত আমি আহিব পাৰিম আৰু তাৰ পিছত আমি আগুৱাব পাৰিম। কিন্তু মই ভাৱো যে আমি যদি এনেধৰণে আলাপ আলোচনাৰ মাজেৰে আগনাবাঢ়ো তেতিয়াহলে এই

সমস্যাটো আৰু দীঘলীয়া দিনৰ কাৰণে জীয়াই ৰখা হ'ব আৰু ইয়াৰ পৰা অসম একো লাভান্বিত নহয়। এইকাৰণে নহয় যে আৰু যিখিনি আছে গৈ এইখিনি যদি আগতে যদি ঠিক থাক কৰি দিলে হেতেন ইমান মাটি দখল কৰিব নোৱাৰিলে হেতেনঙ্গ এ চেক্টৰ গ'ল, বি চেক্টৰ গ'ল, কাৰ্বিআংলঙৰ এইবোৰ মাটি, এতিয়া যিমানে দীঘলীয়া হ'ব আপোনালোকে ভাৰিলে ভুল হ'ব আমি ডাঙৰ ডাঙৰকৈ সকলোৰে কৈ থাকিব পাৰিম এক চুকতো মাটি নিদিও, এক বিন্দুও মাটি নিদিও কিন্তু মাটি গৈ থাকিব, যিমানে দীঘলীয়া হ'ব। গতিকে once for all এইটো settle কৰা ভাল বুলি মই বিবেচনা কৰাৰ কাৰণে কৈছোঁ। মোৰ চকুৰ আগতে অসম নাগালেণ্ড সীমান্তত যিহেতু কি ঘটি থাকে কি হয় নহয় সেইখিনি দেখি আহিছোঁ। চুবুৰীয়া ৰাজ্য সমূহে যি ধৰণে আগ্ৰাসী এটা ব্যৱস্থা লৈ আহিছে আমি যি কাৰণতে নহওঁক কিয় আমি দৃঢ়তাৰে কলেও মাটি ৰখাটো কিন্তু দিগদাৰী হ'ব। গতিকে আলাপ আলোচনাৰ মাজেৰে ১৯৮৮ চনত নাগালেণ্ডৰ ক্ষেত্ৰত কৰ্টৰ কাষ চাপিছিলে। ঠিক অৰুণাচলৰ ক্ষেত্ৰত ১৯৮৯ চনত সেইটো গোচৰ তৰিছিলে মাননীয় উচ্চতম ন্যায়ালয়ত । গতিকে দুয়োখন ৰাজ্যৰ জনসাধাৰণে আলাপ আলোচনাৰ মাজেৰে এইটো সমাধান কৰিব পাৰে তাত যদি আমাৰ সকলোৰে সহযোগিতা থাকে জনপ্ৰতিনিধি, স্থানীয় ৰাইজৰ মই ভাবো যে সেইটোতকৈ ভাল উপায় নিশ্চয় নাথাকিব । কাৰণ আমি জানো যে দুখন সৰু জিলা আছিল । অতীতৰ অসমৰ সংযুক্ত খাচী-জয়ন্তীয়া পাহাৰ জিলা আৰু গাৰো পাহাৰ জিলা । এই দুখনকলৈ মেঘালয় প্ৰদেশ গঠন হয় । The Assam Reorganisation Act, 1969 জৰিয়তে সংযুক্ত খাছী জয়ন্তীয়া আৰু গাৰো পাহাৰ জিলাকলৈ স্বায়ত্ত্ব শাসিত ৰাজ্য হিচাপে মেঘালয়ক গঢ় দিয়ে। পুনৰ North-Estern Areas Reorganisation Act, 1971 ৰ জৰিয়তে মেঘালয়ক ৰাজ্য হিচাপে গঠিত কৰে । বৰ্তমান অসম আৰু মেঘালয়ৰ আন্তঃৰাজ্যিক সীমাৰ দৈৰ্ঘ্য ৮৭৪. ৯০ কিলোমিটাৰ। ১৯৫১ চনত মতিৰাম বৰা কমিটিয়ে সেই সময়ৰ ব্লক-১ আৰু ব্লক-২ এলেকাত মিকিৰ পাহাৰ জিলালৈকে হস্তান্তৰ কৰালৈ অনুমোদন জনায় । ১৯৬৯ চনৰ ধৰ্মানন্দ দাস কমিটিয়ে ১৮৭৪ চনৰ জাননী মৰ্মে পিলিংকাটা, খানাপাৰা, কামৰূপ জিলাৰ শুদ্ধ বুলি জনায় । ১৯৮৭ চনত মাননীয় ন্যায়ধীশ চন্দ্ৰসুৰ কমিটিয়ে প্ৰতিবেদন দিয়ে যে সেই সময়ৰ খাচী পাহাৰ বিলাক আৰু কামৰূম জিলাৰ মাজৰ সীমা শুদ্ধ আছে । এই সীমা বিবাদ সমাধান কৰাৰ বাবে মুখ্যমন্ত্ৰী স্তৰৰ ২৩ খন সভা যোৱা ৫-৩-১৯৭১ চনৰ পৰা ৯-৪-২০১৭ লৈ হৈছিল । তাৰোপৰি ১২-৩-১৯৭৪ চনৰ পৰা শেহতীয়াকৈ ২১-৬-২০১৯ লৈকে মুখ্য সচিব পৰ্য্যায়ত ২০ খন সভা হৈছিল । তাৰোপৰি তিনিখন ন'ডেল অফিচাৰ পৰ্য্যায়ত সভা হৈছিল । শেহতীয়াকৈ মেঘালয় চৰকাৰে যোৱা ৮ আগষ্ট ২০১১ চনৰ চিঠি মৰ্মে বাৰটা বিবাদমান অঞ্চল চিনাক্ত কৰি মুঠ ২৭২৯.১৪ বৰ্গকিলোমিটাৰ এলেকা দাবী কৰিছে। ইতিমধ্যে চৰকাৰে বিভিন্ন সময়ত হোৱা সীমা সংক্ৰান্তীয় বিবাদ প্ৰতিৰোধৰ বাবে দহটাকৈ বি অ' পি গঠন কৰি আৰক্ষী মোতায়ন কৰিবলগীয়া হৈছে। বৰ্তমান অসম চৰকাৰে অসম মেঘালয় সীমান্ত সমস্যা সমাধানৰ বাবে দ্বিপাক্ষিক বৈঠক মেঘালয়ৰ উপৰিও অৰুণাচল প্ৰদেশৰ লগত অনুষ্ঠিত কৰি সমাধানৰ প্ৰচেষ্টা চলাইছে । মই বাকীখিনি কথা কৈ গৈছো যে তিনিখন ৰিজ'নৈল কমিটি গঠন কৰা হৈছিল। ১২ খন বিবাদমান ঠাইৰ ছয়খনৰ সীমা সমস্যাৰ ক্ষেত্ৰত যথেষ্ট খিনি আগবঢ়া উচিত। আৰু বাকীখিনি আলোচনা চলি আছে। আৰু এইটো ঠিক দুয়োখন ৰাজ্যৰ জনসাধাৰণে মতামত দিওঁতে যাতে কোনো পক্ষৰ পৰা হেচা প্ৰয়োগ নকৰে, সেই কথাটোও আলোচনাৰ মজিয়াত মাননীয় দুয়োগৰাকী মুখ্যমন্ত্ৰীয়ে এই কথাখিনি যোৱা সময়চোৱাত উল্লেখ কৰিছিল আৰু ইতিমধ্যে আপোনালোকে জানে যে দুয়োখন ৰাজ্যৰ মাজত এখন এম. অ'. ইউ হৈছে আৰু সীমামূৰীয়া ঠাইৰ

লোক সকলে আমি যাওতে এই কথাখিনি গম পাইছো যে তেওঁলোকে দুই ঠাইতে ভোটাধিকাৰ সাব্যস্ত কৰে। চৰকাৰী সা-সুবিধা বিলাকো তেওঁলোকে দুই ফালৰ পৰা লয়। পাৰিলে এইখিনি মানুহ এনেকৈ থাকিব বিচাৰে । এই সমস্যাটো সমাধান কৰিব নিবিচাৰে। গতিকে এই সুবিধাবোৰ তেওঁলোকে ল'ব খোজে। আলোচনাই একমাত্ৰ উপায় । মই ভাবো যে আমাৰ সন্মানীয় বিৰোধী দলৰ সদস্য সকলে এই ক্ষেত্ৰত চৰকাৰক সহযোগীতা কৰা উচিত। মাননীয় মুখ্যমন্ত্ৰীয়ে যি পদক্ষেপ গ্ৰহণ কৰিছে মই ভাবো যে ষ্ট্ৰং পলিটিকেল উইলৰ কাৰণেহে আচলতে এইখিনি সম্ভৱ হৈছে । বাকী আপোনালোকৰ মতামত খিনি আপোনালোকে নিশ্চিত ভাবে কোৱাৰ অৱকাশ আছে। আজি জেষ্ঠ ৰাজনীতিক সন্মানীয় ভৰত নৰহ ডাঙৰীয়া তেখেতো সেই সমিতি খনৰ সদস্য আৰু তেখেত সকলৰ মতামত যথাস্থানত নিশ্চিত ভাবে ক'ব পাৰিব । কিন্তু আলাপ আলোচনাৰ মাজেৰেহে এইটো সম্ভৱ হ'ব । মোৰ এটা ধাৰণা যদি আমি আদালতৰ ৰায়দানলৈ অপেক্ষা কৰি থাকো তেতিয়া এই সমস্যাটো সমাধান নহ'ব । মই প্ৰায় বিলাক সীমান্ত এলেকা পৰিদৰ্শন কৰিছো। এইটো হয় যে এটা দুৰ্ভাগ্যজনক ঘটনা মিজোৰাম সীমান্তত অলপতে হৈ গৈছে। তাৰ পিছত মাননীয় মুখ্যমন্ত্ৰীৰ নিৰ্দেশ মতে মই যোৱা বছৰ ৫ আগষ্টত সেই অঞ্চললৈ গৈছিলো । আমাৰ সতীৰ্থ মন্ত্ৰী শ্ৰী অশোক সিংহাল ডাঙৰীয়াই গৈছিল, কমিচনাৰ জে দি ত্ৰিপাথীও গৈছিল। তাত আমি দুয়োখন চৰকাৰে এখন বুজাবুজি চুক্তিত স্বাক্ষৰ কৰিছিলো । আকৌ এতিয়া এবছৰৰ মুৰত গৈছিলো । তাত যাওঁতে তেখেত সকলে তেখেত সকলৰ সদিচ্ছাটো প্ৰকাশ কৰিছিল। কিন্তু আজি যিদৰে অসমৰ ভূমিৰ ওপৰত অৰুণাচলৰ দাবি আছে, মেঘালয়ৰ দাবী আছে, মেঘালয়ৰ কোনো ধৰণৰ দাবী নাই । মাজে মাজে যি ধৰণে আগ্ৰাসন হৈছে এই কথাবিলাক বৰাকভেলীৰ প্ৰতিজক সন্মানীয় বিধায়কে জানে। আমি কৈছে যে কিবা ঘটনা হোৱাৰ যদি কিবা উমান পায় তেতিয়া দুয়োখন ৰাজ্যৰ স্থানীয় প্ৰশাসনৰ উপাযুক্ত আৰু আৰক্ষী অধীক্ষক পৰ্যায়ত আলাপ আলোচনাৰ মাজেৰে সমস্যা বোৰ সমাধানৰ বাবে পদক্ষেপ ল'ব আৰু অক্টোবৰ মাহত এই সম্পৰ্কে আলোচনা কৰিবলৈ মিজোৰামৰ এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দল অসমলৈ অহাৰ কথা । আমি তাত থকা অৱস্থাতে দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে ফোনযোগে কথা পাতিছিল আৰু অক্টোবৰ মাহৰ আগতে দিল্লীত আলোচনাৰ বাবে মিলিত হোৱাৰ কথা । এই আলোচনাৰ বাবে দুয়োজন মুখ্যমন্ত্ৰীয়ে আগ্ৰহ প্ৰকাশ কৰিছে । ঠিক তেনেদৰে নাগালেণ্ড চৰকাৰৰ লগতো মুখ্যমন্ত্ৰী পৰ্য্যায়ত আলোচনাত বহিছে । আমি আশা ৰাখিছো চুবুৰীয়া ৰাজ্যৰ লগত থকা সীমাবিবাদৰ সমস্যা বিলাক আলোচনাৰ মাজেৰে দুৰ কৰিব পৰা যাব । গতিকে এই ক্ষেত্ৰত ভৱিষ্যতে আপোনালোকৰ কিবা দিহা পৰামৰ্শ থাকিলে এই সদনত জনাব পাৰিব ।

মই মাননীয় কেউগৰাকী বিধায়কক শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়া, শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়া, শ্ৰী জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়া আৰু শ্ৰীমতী নন্দিতা দাস ডাঙৰীয়ানীক তেখেত সকলৰ প্ৰস্তাৱ উত্থাপন কৰাৰ বাবে ধন্যবাদ জনাইছো । বাকী মই ভাবো আমাৰ আলোচনাত তেখেত সকল সন্তুষ্ট হৈছে । সেয়েহে আমি অনুৰোধ জনাম এই সন্মানীয় বিধায়ক সকলে উত্থাপন কৰা প্ৰস্তাৱটো যাতে প্ৰত্যাহাৰ কৰে ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, বিধায়ক ঃ** চাৰ, মন্ত্ৰী মহোদয়ে যিখিনি বক্তব্য ৰাখিলে তাত এটা কথা সুনিশ্চিত কৰিব লাগে যে আমাৰ আলোচনা চলি থকা সময়ত গছ কটা, জুই লগাই দিয়া আদি যি হিংসাত্মক আৰু আক্ৰমনাত্মক কাৰ্য্য সংঘটিত হয় সেইবিলাক যেন নহয়। দ্বিতীয়তে মোৰ সমষ্টিত এখন মিজো গাওঁ আছে আৰু ইয়াৰ বাসিন্দা সকলে মিজোৰামলৈ যাব বিচাৰে । কিন্তু তেখেত সকলৰ গাওঁখন মিজোৰামৰ সীমান্তবৰ্তী অঞ্চলতে নপৰে। গতিকে মই ভাবো সমষ্টিৰ সাংবিধানিক

পৰিসীমাটো সোনকালে নিৰ্দ্ধাৰণ হ'বলাগে যাতে এই সমস্যাটো চিৰদিনৰ বাবে সমাধান হৈ যায়। এতিয়া আমাৰ ফালৰ পৰা এই প্ৰস্তাৱটো উঠাই লোৱা হৈছে ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ ।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু এতিয়া ৰাজ্য চৰকাৰ কেন্দ্ৰীয় চৰকাৰ আৰু চুবুৰীয়া ৰাজ্য কেইখনতে একে দলৰে চৰকাৰ আছে গতিকে অসমৰ স্বাৰ্থ সুৰক্ষিত হোৱাকৈ ভাল এটা মীমাংসালৈ আহিবলৈ চৰকাৰখনে যেন চেষ্টা কৰে ।এই আশা ৰাখিছো।

**শ্ৰী অতুল বৰা (মাননীয় মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেত সকলৰ যি প্ৰস্তাৱ উত্থাপন কৰাৰ বাবে ধন্যবাদ জনাইছো। বাকী মাননীয় অধ্যক্ষ মহোদয়ে, তেখেত সকলে আমাৰ কথা পতিয়ন গৈছে। সন্মানীয় বিধায়ক সকলে যাতে তেখেত সকলে উঠোৱা প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি দেখো যে কেতিয়াবা গছ কাতি লৈ যায়, জুই লগাই দিয়ে, যি মন যায় কৰি থাকে এই ক্ষেত্ৰত মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যাতে এই বস্তুটো চাব লাগে। মোৰ সমষ্টিৰ কাষত মিজো গাঁও এখন আছে, সেই কাষৰ মানুহ কেইটা মিজোৰাম যাব বিচাৰি থাকে। মিজোৰাম বৰ্ডাৰটো আমাৰ নপৰে অধ্যক্ষ মহোদয়, আমাৰ বাওণ্ডাৰীটো চাব লাগে, আৰু চিৰদিনৰ কাৰণে সমাধান হ'ব মই এইটো বিচাৰিছো। মোৰ ফালৰ পৰা মই উঠাই লৈছো।

**শ্ৰী দেৱব্ৰত শইকীয়া (নাজিৰা, বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্য চৰকাৰ কেন্দ্ৰীয় চৰকাৰ আৰু চুবুৰীয়া ৰাজ্য একেদলৰে। সেই গতিকে ভাল ধৰণে অসমৰ স্বাৰ্থ সুৰক্ষিত হোৱাকৈ যাতে মীমাংসালৈ চৰকাৰখন আহিবলৈ চেষ্টা কৰে। এই আশা ৰাখি মন্ত্ৰী মহোদয়ৰ পৰা সংকল্প প্ৰস্তাৱটো আমি প্ৰত্যাহাৰ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, আমাৰ সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল। পৰৱৰ্তী কাৰ্য্যসূচীত শ্ৰী দেৱব্ৰত শইকীয়া আৰু শ্ৰী ওৱাজেদ আলী চৌধুৰীৰ ডাঙৰীয়াৰ নামত আৰু এটা সংকল্প প্ৰস্তাৱ আছিল আৰু সংকল্প প্ৰস্তাৱটো উত্থাপন কৰি বক্তব্য ৰাখিবলৈ অনুৰোধ জনালো।

**শ্ৰী দেৱব্ৰত শইকীয়া (নাজিৰা, বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি ধন্যবাদ জনাইছো এটা সংকল্প প্ৰস্তাৱ উত্থাপন কৰাৰ সুযোগ দিয়াৰ বাবে প্ৰস্তাৱটো হ'ল অসমৰ চুবুৰীয়া ৰাজ্য সমূহ অৰুণাচল প্ৰদেশ, মেঘালয় আৰু প্ৰতিবেশী ৰাষ্ট্ৰ ভূটানত অৱস্থিত জলবিদ্যুৎ প্ৰকল্প সমূহৰ পৰা এৰি দিয়া অতিৰিক্ত পানীয়ে প্ৰতি বছৰে অসমৰ পৰা বিভিন্ন অঞ্চলত জনসাধৰণৰ জীৱনৰ লগতে সা-সম্পত্তি প্ৰতি গুৰুতৰ ভাবুকি কঢ়িয়াই আনে আৰু বিস্তৰ ক্ষতি সাধন কৰে। এই জলবিদ্যুৎ প্ৰকল্প সমূহ বৰ্তমান বান্ধ সুৰক্ষিত আইন ২০২১ ৰ অধীনত ক্ষতিপূৰণৰ বাবে অন্তৰ্ভূক্ত কৰা হোৱা নাই। এই সমূহক সুৰক্ষিত কৰাৰ বাবে বিশেষ কাৰিকৰী প্ৰযুক্তি প্ৰয়োগ কৰিবলৈ অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক এখন বিশেষজ্ঞ কমিটি গঠন কৰিবলৈ আজিৰ অসম বিধান সভাত সৰ্বসন্মতিৰে প্ৰস্তাৱ গ্ৰহণ কৰা হওক আৰু উক্ত প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিবলৈ সিদ্ধান্ত লোৱা হওক। মাননীয় সভাপতি মহোদয়, এই বিষয়টো যিহেতু অতি গুৰুত্বপূৰ্ণ মই দুটা বাতৰিৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো এটা অধিক বানপ্ৰৱল অঞ্চল অসমক বছৰি প্ৰতাৰণা কেন্দ্ৰৰ দৈনিক অসমৰ বাতৰি। য'ত লিখা হৈছিল যে, গৃহ মন্ত্ৰনালয়ৰ তথ্য মতে NDRF শিতানত অসমক ২০২১-২২ বৰ্ষত ফুটাকৰিও দিয়া হোৱা নাই। ২০২০-২১ চনত ৪৪.৩৭ কোটি টকা মুকলি কৰি দিছিল। ২০১৮-১৯, ২০১৯-২০ চনত অসমত NDRF শিতানত অসমক এটকাও দিয়া নাছিল। ২০২১-২২ বৰ্ষত NDRF শিতানত অসমক এটকা দিয়া হোৱা নাছিল যদিও উক্ত

শিতানত কেন্দ্ৰই গুজৰাটক ১হাজাৰ কোটি টকা, ঝাৰখণ্ডক ২০০ কোটি টকা, কৰ্ণাটকক ৬২৯.০৩ কোটি টকা, মহাৰাষ্ট্ৰক ৭শ ১ কোটি টকা, উৰিষ্যা ৫০০ কোটি টকা, তামিলনাডু ২১৩.৫১ কোটি টকা, পশ্চিম বংগ ৩০০ কোটি টকা মোকলাই দিছে। সৰ্বভাৰতীয় তথ্য মতে ভাৰতৰ ভিতৰতে অসমত বান প্ৰৱনতাৰ এলেকা বেছি। বিহাৰ, জন্মু-কাশ্মীৰ আদি স্বয়ং প্ৰধান মন্ত্ৰী পৰ্য্যায়ৰ পৰ্য্যালোচনা কৰি ৫০০ পৰা ১০০০ কোটি টকাৰ পেকেজ দিয়া হ'ল। কিন্তু অসমত কেন্দ্ৰীয় নেতৃত্বৰ পৰ্য্যালোচনাও নাই বিশেষ পেকেজেৰ ব্যৱস্থা কৰা হোৱা নাই। এই সাংবিধানিক নীতি অনুসৰি কেন্দ্ৰীয় চৰকাৰে আমাক ৰাজ্যিক দুৰ্যোগ সাহায্য পুঁজিৰ আৰু ৰাষ্ট্ৰীয় দুৰ্যোগ সাহাৰ্য্য পুঁজি প্ৰদান কৰিব লাগে যাতে বানগ্ৰস্ত ৰাইজৰ সুবিধা হয়। ঠিক অন্য এটা বাতৰি আছিল দৈনিক অসমত দেশত ৭৩৬ টা বান্ধৰ নামনিৰ ক্ষতিৰ বাবে ১০ হাজাৰ কোটি বৃহৎ নদী বান্ধৰ পৰা নামনি অঞ্চলত হ'ব পৰা সম্ভাব্য ক্ষতিৰ প্ৰতিৰোধৰ তালিকাত অসম আৰু অৰুণাচল প্ৰদেশৰ নাম নাই।কেন্দ্ৰীয় চৰকাৰে বৃহৎ নদী বান্ধৰ নামনি অঞ্চলৰ ক্ষতি প্ৰতিৰোধৰ বাবে ১০,২১১ কোটি টকা খৰচ কৰিব। ইয়াতে ভূটানৰ ৬০ মেগাৱাট ক্ষমতা সম্পন্ন কুৰিশ্চু বান্ধৰ বাবে নামনি বৰপেটা, বজালী, বিভিন্ন অঞ্চলৰ ক্ষতি হৈছে। ২০০০ মেগাৱাট নামনি সোৱণশিৰি অঞ্চলৰ সম্ভাব্য ক্ষতি প্ৰতিৰোধৰ ব্যৱস্থাৰ বাবে কোনো পুঁজি নাই। কিন্তু জলশক্তি মন্ত্ৰনালয়ৰ তথ্য মতে দেশৰ ৭৩৬ টা নদী বান্ধৰ বাবে ১০২১১ কোটি টকা দিয়া হৈছে। ইয়াত অন্ধ্ৰপ্ৰদেশৰ বাবে ৬৬৭ কোটি টকা, ছট্টিশড়ৰ ৫ টা নদী বান্ধৰ বাবে ১৩৩ কোটি টকা, গোৱাৰ দুটা বান্ধৰ নামনিৰ বাবে ৫৮ কোটি টকা, গুজৰাটৰ ৬ টা বান্ধৰ বাবে ৪০০ কোটি টকা ইত্যাদি ইত্যাদি। মন কৰিবলগীয়া কথাটো হ'ল যে, বান্ধ সুৰক্ষা আইন ২০২১ নামৰ এখন আইন প্ৰণয়ন কৰিছে। চৰকাৰে নদীবান্ধ সুৰক্ষা আইন ২০২১ সম্পৰ্কত ২০২১ চনৰ ১৪ ডিচেম্বৰত জাননী জাৰি কৰিছিল। এই নতুন আইনৰ অধীনত অৰুণাচল প্ৰদেশ আৰু ভূটানৰ নামনিৰ বান্ধৰ পৰা অসমৰ ৰাইজক সুৰক্ষা কৰিবৰ কাৰণে কোনো পুঁজিৰ ব্যৱস্থা কৰা হোৱা নাই। আমাৰ পাশ্বৱৰ্তী অঞ্চলত নামনি সোৱনশিৰি বান্ধ আছে জলবিদ্যুৎ প্ৰকল্প। এইটো লৈ যথেষ্ট বিতৰ্কও হৈছে। ২০২২ চনত ইয়াৰ ৫ নং সুৰঙ্গ খহি পৰিছিল, গাৰ্ড ওৱাল ভঙাৰ ক্ষেত্ৰত বিস্তৰ ক্ষতি হৈছিল। চাৰিখন জিলা ক্ষতিগ্ৰস্থ হৈছিল আৰু ২ লাখ মানুহ ক্ষতিগ্ৰস্থ হৈছিল। ইয়াৰ বাবে কোনো পুঁজি আৱন্টন হোৱা নাছিল। ডিবাং বহুমুখী প্ৰকল্প এই ৩০ মেগাৱাট প্ৰকল্পৰ জলমগ্ন হৈছিল ৯৫ খন গাওঁ প্ৰায ১.৫০ লাখ মানুহ ক্ষতিগ্ৰস্থ হৈছিল। ২০২২ চনৰ এপ্ৰিল মাহত ৰঙানদীৰ জলবিদুৎ প্ৰকল্পৰ পানী এৰি দিয়া হৈছিল আৰু অসম চৰকাৰক এই বিষয়ে জনোৱা হোৱা নাছিল। তাৰ ফলত যথেষ্ঠ ক্ষতি হৈছিল। কপিলী নদীৰ বান্ধো ২৬ মাৰ্চ ২০২২ তাৰিখে তাৰ দুৰ্যোগ এটা হৈছিল তাৰ ফলত এই সংস্থাৰ ৩ জন কৰ্মচাৰী মৃত্যু হৈছিল। ২৬-০৩-২০২২ তাৰিখে কপিলী বান্ধৰ খাণ্ডন প্ৰণালী ইনটেকত অস্থায়ী বান্ধৰ অংশ ভঙাৰ ফলত বৃহৎ অঞ্চল জলমগ্ন হৈছিল। যি বিলাক বান্ধ আছে,সেই বিলাকৰ ক্ষতি হৈ থাকে। ভাৰত চৰকাৰৰ যি আঁচনি আছে, Dam restoration বা মেৰামতিৰ কাৰ্য্য। এই কাৰ্য্যসূচীত কোনো এটা বান্ধ সমূহ বা অঞ্চল সমূহ ধৰা হোৱা নাই। তাৰ ফলত আমাৰ ক্ষতি হ'লে কেন্দ্ৰীয় চৰকাৰ ৰ পৰা কোনো সাহাৰ্য্য পোৱাৰ সম্ভাৱনা নাই। কিন্তু আমি যদি প্ৰস্তাৱ লওঁ ৭৩৬ বান্ধৰ বাবে চৰকাৰে পুঁজি দিছে আমাকো তেনেকুৱা পুঁজি দিব লাগে। বান্ধ সমূহৰ বেছি ভাগেই বৃটিছৰ শাসনৰ সময়ত হোৱা বহুমুখী বান্ধ বোৰৰ আধৰুৱা বিভিন্ন কাম-কাজ ভালদৰে কৰিবলৈ এই পুঁজি retrospecting কৰি থকা হৈছে। মই সম্বন্ধে IIT Rurkee ৰ অভিযন্তা নয়ন শৰ্মা ডাঙৰীয়া মহাৰাষ্ট্ৰৰ বিভিন্ন ক্ষেত্ৰত তাত ২০০০ টা বান্ধ থকা বুলি মোক কৈছে। এই বান্ধবোৰৰ জৰিয়তে তাত পৰ্য্যাপ্ত পৰিমাণে জলসিঞ্চনৰ ব্যৱস্থা,

জলবিদ্যুৎ উৎপাদনৰ ব্যৱস্থা আৰু খোৱা পানী যোগান আদিৰ ক্ষেত্ৰত এই বান্ধ বিলাকৰ এতিয়াও ব্যৱহাৰ হৈ আছে। আমাৰ অসম বা উত্তৰ পূৰ্বাঞ্চলত থকা এনেকুৱা প্ৰকল্প যি আছে আৰু সেই প্ৰকল্প বিলাকৰ বাবে যদি আমি পুঁজি আৱন্টনৰ বাবে কেন্দ্ৰীয় চৰকাৰক আবেদন কৰিব লাগে আৰু তেখেত সকলে পুঁজি অনুমোদন দিব লাগে আৰু এই ক্ষেত্ৰত এখন বিশেষজ্ঞ কমিটি গঠন কৰি এই বান্ধ বিলাকক আমি কেনেকৈ বহুমুখী প্ৰকল্পলৈ ৰূপান্তিত কৰি কামত ব্যৱহাৰ কৰিব পৰা ব্যৱস্থা কৰিব লাগে। গতিকে প্ৰস্তাৱৰ জৰিয়তে মই সদনৰ মজিয়াত চৰকাৰৰ দৃষ্টিগোচৰ কৰিলো।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** মাননীয় সভাপতি ডাঙৰীয়া, আমাৰ বিৰোধী দলপতি ডাঙৰীয়া, মুখ্য দলপতি ওৱাজেদ আলী চৌধুৰী ডাঙৰীয়াই যি সংকল্প প্ৰস্তাৱ উত্থাপন কৰিছে। তাৰ সমৰ্থনত মই কিছু কথা ইয়াতে ক'ব বিচাৰিছো। ইতিমধ্যে আমাৰ কংগ্ৰেছ বিধায়িনী দলৰ দলপতি ডাঙৰীয়াই এই সংকল্প প্ৰস্তাৱৰ ওপৰত যিখিনি বক্তব্য আগবঢ়াইছে, তেওঁৰ প্ৰত্যকটো কথাতে সমৰ্থন জনাই মই কিছু কথা যোগ কৰিব বিচাৰিছো। অসমৰ চুবুৰীয়া ৰাজ্য সমূহ যেনে অৰুণাচল প্ৰদেশ, মেঘালয় আৰু আমাৰ প্ৰতিবেশী ৰাষ্ট্ৰ ভূটানৰ কথা উল্লেখ কৰা হৈছে সংকল্প প্ৰস্তাৱত। মই নামনি অসমৰ পৰা প্ৰতিনিধিত্ব কৰো আমাৰ প্ৰতিবেশী ৰাষ্ট্ৰ ভূটানৰ বিভিন্ন বান্ধে বা বিভিন্ন নদী সমূহে কি ধৰণে আমাক ক্ষতিগ্ৰস্ত কৰিছে সেই কথাখিনি মাননীয় সভাপতি ডাঙৰীয়া আপোনাৰ জৰিয়তে আমাৰ ৰাজ্য চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। ২০০৪ চনৰ পিছৰ পৰা সমগ্ৰ নামনি অসমত ভূটানৰ কুৰিশু নদীৰ যিটো নদী বান্ধ সেই নদী বান্ধ খুলি দিয়াৰ পিছত, সেই নদী বান্ধৰ এটা অংশ ভাঙি যোৱাৰ পিছত নামনি অসমৰ বজালী, বৰপেটা, বঙাইগাঁও আৰু ধুবুৰী পৰ্য্যন্ত গোটেই অঞ্চলখনত কি পৰিস্থিতিৰ সৃষ্টি হৈছিল। কিমান জন জীৱন সম্পত্তি নষ্ট হ'ব লগা হৈছিল, সেই কথাটো সমগ্ৰ অসমে জানে। আৰু মই ভাবো অসমৰ প্ৰতিটো বিভাগে এই বিষয়ে অৱগত। দৰং জিলাৰ পৰা আৰম্ভ কৰি ধুবুৰী জিলালৈ ভূটানৰ পৰা যিমান নদী নামি আহিছে, প্ৰত্যেকখন নদীতে ভূটান ৰাষ্ট্ৰই নদীবান্ধ নিৰ্মানি কৰাৰ কাৰণে ইতিমধ্যে যো - যা চলাইছে। আমি বিভিন্ন চৰ্চৰ জৰিয়তে, সংবাদ মাধ্যমৰ জৰিয়তে, চ'চিয়েল মাধ্যমৰ জৰিয়তে ৰাজ্য চৰকাৰ অৱগত। আমি অসমৰ ৰাইজ আৰু বিশেষকৈ নামনি অসমৰ মানুহ এই বিষয়ে অৱগত। মাননীয় সভাপতি মহোদয়, আপোনাৰ মাত্ৰ মই দুটামান উদাহৰণ দিব বিচাৰো। কোকৰাঝাৰ জিলাৰ সীমান্তৰ পৰা ৯-১০ কিঃ মিঃ দূৰত্বত সোনকোষ নামৰ নদী আছে। এই নদীত ভূটান চৰকাৰে ২৫০০ মেগাৱট বিদ্যুৎ শক্তি উৎপাদন কৰাৰ লক্ষ্যৰে বৃহৎ নদী বান্ধৰ কাম ইতিমধ্যে আৰম্ভ কৰিছে। মথনগুৰিৰ পৰা বাক্সা জিলাৰ অবিভক্ত বৰপেটা জিলাৰ আছিল মথনগুৰি। বৰ্তমান বাক্সা জিলা মথনগুৰিৰ পৰা মাত্ৰ ৪-৫ কিঃ মিঃ দূৰত্বত ভূটানৰ অংশত ২৮০০ মেগাৱট হাইড্ৰ'প্ৰজেক্ট প্ৰকল্পৰ কাম ইতিমধ্যে ভূটান ৰাষ্ট্ৰই হাতত লৈছে। এই দুটা নদী বান্ধৰ বা প্ৰজেক্টৰ কথা মই উল্লেখ কৰাৰ কাৰণ হ'ল- যে কুৰিসা নদীৰ বান্ধে ২০০৪ চনৰ পৰা আৰম্ভ কৰি এই বছৰৰ চলিত বানপানী যদি নামনি অসমৰ তথ্য দেখা যায়, ১৯৫০ চনৰ পিছত এনেকুৱা বানপানী কেতিয়াওঁ হোৱা নাই আমাৰ অঞ্চল সমূহত। নামনি অসমত কেতিয়াওঁ হোৱা নাই। যদি আমি এনেকুৱা ভয়াবহ বানপানীৰ উৎস বিচাৰি যাওঁ, তেতিয়া হলে কুৰিসা বান্ধ যিটো ৬০ মেগাৱট, ৬০ মেগাৱটৰ কুৰিসা বান্ধৰ পানীয়ে ২০০৪ চনৰ পৰা আৰম্ভ কৰি এইবাৰৰ চলিত যিটো ভয়াবহ ৰেকৰ্ড কৰিছে বানপানীয়ে, সেই বানপানী কিন্তু তাণ্ডৱ চলাই আহিছে। অৰ্থাৎ ৬০ মেগাৱত কুৰিসা বান্ধৰ জলবিদ্যুৎ প্ৰকল্পই নামনি অসমত বানপানীৰ ক্ষেত্ৰত ইমান ভয়াবহ পৰিস্থিতিৰ সৃষ্টি কৰিছে, তাৰ পাছত ভূটান চৰকাৰে সোনকোষ নদীৰ ওপৰত ২৫০০ মেগাৱট বিদ্যুৎ শক্তি উৎপাদন কেন্দ্ৰ । আকৌ কুৰিসা নদীৰ

ওপৰত ২৮০০ মেগাৱট হাইড্ৰ’ প্ৰজেক্ট প্ৰকল্পৰ কাম হাতত লৈছে। য’ত ৬০ মেগাৱট প্ৰকল্পই আমাক জ্বলাকলা খুৱাইছে। য’ত ৬০ মেগাৱট প্ৰকল্পই নামনি অসমৰ মানুহৰ প্ৰত্যেকতো বছৰত ২-৩ বাৰ কৈ বানপানীৰ কৱলত পৰে, বানপানীৰ কৱলত পৰি কিমান ক্ষতি হৈছে, সেয়া চৰকাৰৰ হাতত আছে। চৰকাৰী তথ্য মতে যিমান ক্ষতি হৈছে তাতকৈ ১০০ শতাংশ বেছি আৰু ক্ষতি হৈছে বেচৰকাৰী তথ্য মতে। গতিকে তেনেকুৱা এটা সময়ত ভূটানে যদি ২৫০০ আৰু ২৮০০ মেগাৱট শক্তিসম্পন্ন প্ৰকল্প হাতত লৈ কাম কৰে। তাৰ পাছত নামনি অসমৰ দৰংৰ পৰা ধুবুৰী জিলালৈ কি পৰিস্থিতি হ’ব পাৰে, সেই কথাখিনি নিশ্চিতভাবে এই সদনে উপলব্ধি কৰিছে, ৰাজ্য চৰকাৰে উপলব্ধি কৰিছে আৰু মাননীয় সভাপতি ডাঙৰীয়া আপুনিও উপলব্ধি কৰিছে। গতিকে মই আপোনাৰ জৰিয়তে এই বিষয়ে যোৱা বিধান সভাত মই প্ৰথম বিধায়ক হৈ আহিছিলো, তেতিয়াৰ পৰাই ভূটান ৰাষ্ট্ৰই এনেকুৱা যিখিনি নদীবান্ধৰ কাম হাতত লৈছে, ভূটান ৰাষ্ট্ৰৰ লগত অসমে ভাৰত চৰকাৰৰ লগত সহযোগিতা কৰি এটা ত্ৰিপাক্ষিক, ভাৰত ৰাষ্ট্ৰ, ভূটান ৰাষ্ট্ৰ আৰু অসম চৰকাৰ একেলগে বহি এটা সমস্যাৰ সমাধান কৰাৰ ক্ষেত্ৰত পৰৱৰ্তী সময়খিনিত যাতে ভূটানৰ কোনো নদী বান্ধে আমাৰ জীৱন সম্পত্তি বিনষ্ট কৰিব নোৱাৰে। আমাৰ জীৱনৰ প্ৰতি যাতে ভাবুকি আনিব নোৱাৰে, অসমৰ পৰা নামনি অসম যাতে বিচ্চিন্ন হৈ নাযায়. তাৰ ব্যৱস্থা লোৱাৰ কাৰণে ইমান বছৰে এই পবিত্ৰ বিধান সভাৰ জৰিয়তে বিভিন্ন ডিভাইচৰ জৰিয়তে, বিভিন্ন সময়ত মই উত্থাপন কৰি আহিছিলো। মই আজিও এই সংকল্প প্ৰস্তাবৰ জৰিয়তে, আপোনাৰ জৰিয়তে অসম চৰকাৰৰ মাননীয় মন্ত্ৰী সকল ইয়াতে বহি আছে। তেখেত সকলৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক আহ্বান জনাম, অতি শ্ৰীঘ্ৰে ভূটান ৰাষ্ট্ৰৰ লগত ভাৰত চৰকাৰৰ সহযোগিতাত ভাৰত চৰকাৰে উদ্যোগ ল’ব লাগে, অসম চৰকাৰে তৎপৰতা দেখুৱাই এনেকুৱা এখন বৈঠক পাতি এই ক্ষেত্ৰখনক এটা বৈজ্ঞানিক দৃষ্টিভংগীৰে চালিজাৰি চাই এনেকুৱা বান্ধে যদি আমাক ক্ষতি কৰে, সেই বান্ধ অনতি পলমে বন্ধ কৰিব লাগে। ক্ষতি নোহোৱাকৈ বান্ধবোৰ নিৰ্মান কৰাৰ ক্ষেত্ৰত ভূটানক বাধ্য কৰাব লাগে। মই এই কাৰণেই কৈছো প্ৰত্যেক বছৰে অসমত বান পানী হৈ থাকে। ১৯৫০ চনৰ বৰভুঁইকপৰ পাছত অসমৰ বানপানীৰ ক্ষেত্ৰখনৰ কথা আমি যদি অধ্যয়ন কৰো কথাবিলাক যদি আমি চালিজাৰি চাওঁ, নিশ্চিতভাবে অসমত ১৯৫০ চনৰ পৰা বানপানী হৈ আছে। বানপানী আমি নোহোৱা কৰিব নোৱাৰো। এই চৰকাৰে মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী ডাঙৰীয়া ইয়াত বহি আছে, বানমুক্ত অসমৰ কথা ঘোষনা কৰিছে। আমিও স্বাগতম জনাইছো, আমিও সহযোগ কৰিম। বানমুক্ত যদি অসম হয় অসম আৰু বহুত আগুৱাই যাব। অসমৰ মানুহৰ দৰিদ্ৰতা দূৰ হ’ব। অৰ্থনৈতিক দিশত অসম আকৌ টনকিয়াল আৰু বহুত আগুৱাই যাব। এইবিলাক ক্ষেত্ৰত চৰকাৰে কাম কৰক, কিন্তু বানমুক্ত অসম জানো সম্ভৱ। বান মুক্ত অসম তেতিয়াহে সম্ভৱ হ’ব, ভূটান ৰাষ্ট্ৰৰ পৰা আৰম্ভ কৰি চুবুৰীয়া ৰাজ্য সমূহৰ যি সমূহ পানী আহি অসমক ক্ষতি সাধন কৰে, বানপানীৰ তান্দৱ সৃষ্টি কৰে, সেই সমূহক যদি আমি বাধা দিব পাৰো। তেতিয়ালৈকে বান মুক্ত অসম আমি কেতিয়াওঁ গঢ়ি তুলিব নোৱাৰো। বানপানী আহে, বানপানী যায়, চৰকাৰে যেতিয়া বানপানীৰ তলত মানুহখিনি থাকে তেওঁলোকক ৰিলিফ দিয়া হয়, এইবাৰ টো ১০-১২ দিন বানৰ তলত আছিল। ১৫-২০ দিন পৰ্য্যন্ত আছিল। বৰপেটা জিলাৰ কথা কৈছো, মোৰ সমষ্টিৰ কথা কৈছো, ৩ দিনৰ ৰিলিফ পাইছো। বিভিন্নজন শিবিৰত আছে। সেই শিবিৰটো কিছু সংখ্যক মানুহক ৩৮০০ টকাকৈ দিছে। কিছুমানে এই বানপানীৰ ফলত নদীৰ যি গড়াখহনীয়াৰ সৃষ্টি হয়, ১০ শতাংশ মানুহে মাত্ৰ নদীৰ গড়াখহনীয়াৰ কৱলত তেওঁলোকৰ ঘৰ সম্পত্তি নষ্ট হৈছে, তাৰ কাৰণে চৰকাৰে টকা পইচা দিছে। কিন্তু এই

বানপানীয়ে কৃষক সকলৰ পৰা আৰম্ভ কৰি মৎস্যজীৱি মানুহৰ পৰা আৰম্ভ কৰি সকলো মানুহক যি ধৰণে ক্ষতি কৰে, ক্ষতি পুৰণ কিন্তু আজিৰ তাৰিখত চৰকাৰে দিব পৰা নাই। মই ভাবো সেই ক্ষেত্ৰত সম্ভবো নহয়। গতিকে এনেকৈ প্ৰত্যেক বছৰে ভূটানৰ নদীবান্ধে নামনি অসমৰ মানুহক বাৰে বাৰে জ্বলাকালা খুৱাই থাকিব, নামনি অসমৰ মানুহৰ জীৱন সম্পত্তি নষ্ট কৰিব, অৰ্থনৈতিক দিশত দুৰ্বল কৰিব, দৰিদ্ৰতাৰ পৰা দৰিদ্ৰতালৈ গুছি যাব। গতিকে এনেকুৱাভাবে যদি কৰি থাকে, এটা সময়ত নামনি অসমৰ মানুহে এই চৰকাৰখনে যিমান উদ্ধাৰ কাৰ্য্য চলাবলৈ খুজিব। কেতিয়াও কিন্তু উ দ্ধাৰ কৰিব নোৱাৰে। মানুহৰ জীৱন বিপদত পৰিছে বিপদত পৰি গৈ থাকিব। গতিকে আপোনাৰ জৰিয়তে আকৌ ৰাজ্য চৰকাৰলৈ ৰাজ্য চৰকাৰৰ মাননীয় মন্ত্ৰী সকলৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়লৈ আৱেদন জনাইছো অতি সোনকালে অসম চৰকাৰে এই বিধান সভাৰ পৰা প্ৰস্তাৱ গ্ৰহণ কৰি ভাৰত চৰকাৰৰ লগত আলোচনা কৰি ভূটান ৰাষ্ট্ৰৰ লগত আলোচনাত মিলিত হ'ব লাগে। যোৱা বানপানীৰ সময়ত বা তাৰ আগতে এই ভূটান ৰাষ্ট্ৰৰ নদী বান্ধে যিমান ক্ষতি অসমক বা নামনি অসমক কৰিছে, এই ক্ষেত্ৰটো ভূটান ৰাষ্ট্ৰৰ পৰা ক্ষতিপুৰন আমি বিচাৰিব লাগে। ভাৰত চৰকাৰৰ পৰা যিমানখিনি সা-সুবিধা বা বানপানীৰ কৱলত যিখিনি ক্ষয় ক্ষতি হয় , যি ধৰণে সহায়-সহযোগিতা আমি পাব লাগে, সেই ক্ষেত্ৰটো কিন্তু আমি পোৱা নাই. আহি থকা দিনত আমি পাম তাৰো আশা আমি নকৰো। সেই কাৰণে নদী বান্ধ আমি বন্ধ কৰিব লাগে আৰু নামনি অসমক সমগ্ৰ অসমৰ পৰা বিচ্চিন্ন যাতে নহয়, তাৰ পৰা ৰক্ষা কৰিব লাগে। নাম নি অসমৰ মানুহৰ জীৱন সম্পত্তি ৰক্ষা কৰাৰ কাৰণে ৰাজ্য চৰকাৰে বলিষ্ঠ পদক্ষেপ লওঁক। নিশ্চিতভাবে আমি বিৰোধী দলেও সহায়-সহযোগিতা আগবঢ়াম।

**মাননীয় সভাপতি** ঃ- এতিয়া মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ ঃ** মাননীয় সভাপতি মহোদয়, আজি বিৰোধী পক্ষৰ নেতা শ্ৰী দেবব্ৰত শইকীয়া ডাঙৰীয়াই যিটো সংকল্প প্ৰস্তাৱ উত্থাপন কৰিছে, মই সেই সংকল্প প্ৰস্তাৱটো সমৰ্থন জনাইছো। কাৰণ এই নদী বান্ধৰ যিটো বিষয় এই বিষয়টো লৈ বিগত দুটা দশক জুৰি অসমত মানুহে আৰু বিভিন্ন সংগঠনে আন্দোলন গঢ়ি তুলিছে। মই ব্যক্তিগত ভাৱে আৰু মোৰ পাৰ্টীৰ পক্ষৰ পৰাও বৃহৎ নদী বান্ধৰ বিৰোধী নহয়। বিদ্যুতৰ কাৰণে নদী বান্ধৰ নিশ্চয় প্ৰয়োজন আছে। কিন্তু যি ধৰণে নদীবান্ধ গঢ়ি তোলা হৈছে বা বান্ধিব বিচৰা হৈছে সেই ক্ষেত্ৰত আমাৰ আপত্তি আছে আৰু আমি স্পষ্টভাৱে কৈছো বৃহৎ নদী বান্ধ সদায় multipurpose হ'ব লাগে। যদি multipurpose হয়, তেতিয়াহ'লে নামনিৰ ক্ষেত্ৰত যিবিলাক ক্ষতি হ'ব পাৰে সেই ক্ষতি প্ৰতিৰোধ কৰিব পৰা যাব আৰু ক্ষতি যদি হয় তাৰ ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থাও নিশ্চিত ভাৱে থাকিব লাগে। এতিয়া multipurpose কৰি যদি বৃহৎ নদী বান্ধ বান্ধে, এই নদী বান্ধৰ পৰা ভয়ঙ্কৰ বিপদ হ'ব পাৰে। নামনি অংশতে সেই বিপদ হয় আৰু সেইকাৰণে সোৱণশিৰিৰ যি নদী বান্ধ এই নদী বান্ধৰ কাম আমি স্থগিত ৰখাৰ বিষয়টো বাৰে বাৰে উত্থাপন কৰিছো। এই ক্ষেত্ৰত আমাৰ বক্তব্য স্পষ্ট কৰিছো। যেতিয়ালৈকে ই multipurpose নহ'ব বা নামনিৰ মানুহৰ জীৱন, সম্পত্তিৰ সুৰক্ষা দিব নোৱাৰিব তেতিয়ালৈকে এই বৃহৎ নদী বান্ধৰ নিৰ্মাণ বন্ধ কৰিব লাগে। মই নামনি অসমৰ সৰভোগ সমষ্টিৰ পৰা আহিছো। এই নামনি অসমত মোৰ সমষ্টিৰ মাজেৰে বেকী নদী বৈ গৈছে। কাষেৰে মানস আৰু আই নদী, পল্লা নদীখন গৈছে। এই যে নদী বিলাক গৈছে এই নদী বিলাকৰ ক্ষেত্ৰত আমি দেখা পাইছো যে এই নদী বিলাকে ভয়ঙ্কৰ ভাৱে বানপানী, গৰাখহনীয়াৰ সৃষ্টি কৰে আৰু বিগত দশকটোত কেইবাবাৰো এনেকুৱা ভয়ঙ্কৰ বানপানী হৈছে। যি বানপানীত

বেকী নদীয়ে গতি সলাই এটা মৌজা নহয়, কেইবাটাও মৌজা ধুই লৈ গৈছিল। এই ধৰণৰ বিপদ আমি দেখিছো। এই বিপৰ্য্যয়ৰ উৎস হৈছে কুৰিশ্বু নদীৰ বান্ধ। মাত্ৰ ৬০ মেগাৱাট বিদ্যুৎ এই কুৰিশ্বু নদীৰ পৰা তৈয়াৰ হয়। মাত্ৰ ৬০ মেগাৱাট বিদ্যুৎ তৈয়াৰ কৰা এই বান্ধটোৱে যেতিয়া পানী এৰি দিয়ে তেতিয়া তাৎক্ষণিক ভাৱে আই নদী, মানাস, বেকী নদীত পানী বাঢ়ি যায় আৰু তেতিয়াই বানপানীৰ সৃষ্টি হয়। এইবাৰো এই ধৰণৰ বন্যা আহিছে। এতিয়া যিটো জানিব পৰা গৈছে বা আমি দেখিছো কুৰিশ্বু নদীৰ বান্ধৰ ওপৰত আকৌ এটা ৫০০ মেগাৱটৰ বিদ্যুৎ সৃষ্টি কৰাৰ প্ৰকল্পৰ কাম আৰম্ভ হৈছে আৰু incidently ২০১৪ চনত নিৰ্বাচনৰ পিছত নৰেন্দ্ৰ মোডী ডাঙৰীয়া প্ৰধানমন্ত্ৰী হোৱাৰ পিছত যি প্ৰথম বিদেশ ভ্ৰমণ কৰিছিল ভূটানত কৰিছিল আৰু এই নদী বান্ধৰ আধাৰশিলা স্থাপন কৰি থৈ আহিছিল। এই নদীবান্ধে ভৱিষ্যতে কি ধৰণৰ ভয়ঙ্কৰ বিপদ আনিব পাৰে সেই ক্ষেত্ৰত আমাৰ যথেষ্ট শংকা আছে। নামনি অসমৰ ক্ষেত্ৰত কুৰিশ্বু বান্ধে হওঁক বা এই বান্ধেই হওঁক এই বান্ধ বিলাকে জল আগ্নেয়গিৰিৰ মাজত আমাৰ অসমখন ৰাখিছে। উজনি-নামনি গোটেই অসমখনেই বিশেষতঃ উত্তৰ অসম আৰু নামনি অসম এটা ভয়ঙ্কৰ বিপদৰ মাজত আমি আছো, এটা শংকাৰ মাজত আছো আৰু মাজে মাজে আমি বিপদগ্ৰস্ত হৈছো। এই ক্ষেত্ৰত মাননীয় বিধায়ক শ্ৰী জাকিৰ হুছেইন শিকাদাৰ ডাঙৰীয়াই যি প্ৰস্তাৱ উত্থাপন কৰিছে, আমিও দাবী কৰি আহিছো যে ভূটান চৰকাৰৰ লগত আমাৰ ভাৰত চৰকাৰে উদ্যোগ লৈ এটা ত্ৰিপাক্ষিক বৈঠক কৰি নামনি অসমৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত উদ্যোগ ল'ব লাগে আৰু এই উদ্যোগ যদি লোৱা নাযায় ভৱিষ্যতে এই বান্ধ সমূহে ভয়ঙ্কৰ বিপদ মাতি আনিব আৰু এই ক্ষেত্ৰত আমি স্পষ্টভাৱে বিধান সভাত আমাৰ বক্তব্য তুলি ধৰিছো আৰু আশা কৰিছো বিধান সভাই এই সম্পৰ্কত এটা সিদ্ধান্তলৈ আহিব। নামনিৰ অঞ্চল বিলাকত য'তেই বান নহওঁক কিয়, এতিয়া অৰুণাচলত কেইবাটাও বান্ধ নিৰ্মাণৰ প্ৰস্তাৱ আছে। এই বান্ধ সমূহে গোটেই অসমকে এটা সময়ত ভয়ঙ্কৰ বিপদৰ মুখলৈ ঠেলি দিব পাৰে। এই সম্পৰ্কত এতিয়াই নামনিৰ জনসাধাৰণৰ সুৰক্ষাত বিষয়টো গুৰুত্ব সহকাৰে ল'ব লাগে আৰু এই বান্ধ সমূহ multipurpose বান্ধ হ'ব লাগে। এই multipurpose বান্ধৰ বাবে আমি সকলোৱে যত্নপৰ হ'ব লাগে, তাৰ বাবে আমি উদ্যোগ ল'ব লাগে। আনফালে বন্যা যেতিয়া আহে, এইবাৰো বহুদিন ধৰি নামনি অসম পানীৰ তলত বুৰ গৈ আছিল। বৰপেটা জিলাৰো বেছিভাগ অংশই পানীৰ তলত আছিল। এই দূৰ্গত মানুহক পৰ্য্যাপ্ত সাহায্য দিয়া, তেওঁলোকৰ যি ক্ষতি হৈছে এই ক্ষতিপূৰণ দিয়াৰ ক্ষেত্ৰত আমাৰ এচ.ডি.আৰ.এফৰ জৰিয়তে বন্যা সাহাৰ্য্য দিয়াৰ যি উদ্যোগ লৈছে এইটো যথেষ্ট নহয়। এটা ঘৰ ভাঙিলে ৯৫ হাজাৰ টকা কোনো কাৰণেই আজিৰ দিনত পৰ্য্যাপ্ত এমাউণ্ট নহয়। ৯৫ হাজাৰ টকাৰে এটা ঘৰ ভাঙিব নোৱাৰি। আই. ওৱাই ৰ ঘৰ এটা বনোৱাৰ বাবেও ১ লাখ ৫০ হাজাৰ টকা ধাৰ্য্য কৰা হয়। অৱশ্যে নিজৰ লেবাৰ তাতে ইনক্লুড কৰি দিয়া হয়। ১ লাখ ২০ হাজাৰ টকা পায়। সম্পূৰ্ণ ঘৰ ভাঙি যোৱাৰ পিছত মাত্ৰ ৯৫ হাজাৰ টকা দিব পাৰিছো আৰু যিসকল কেম্পত আছিল তেওঁলোকক ৩০ হাজাৰ টকা দিয়েই বিদায় এৰিছো। আমি এচ.ডি.আৰ.এফত অসমে কোনো টকা নাপাওঁ, এন.ডি.আৰ.এফ ৰ টকাও নাপাওঁ। আমাৰ বিৰোধী দলৰ দলপতি ডাঙৰীয়াই যিটো তথ্য দাঙি ধৰিছে এই তথ্যৰ পৰা এইটো কথা স্পষ্ট যে অসমৰ ক্ষেত্ৰত এই সাহাৰ্য্য যথেষ্ট নহয়। আমি অন্য ৰাজ্যৰ তুলনাত সাহায্য প্ৰয়োজন অনুযায়ী নাপাওঁ। অসম চৰকাৰে কিয় এইটো আনিব পৰা নাই। এচ.ডি.আৰ.এফ, এন ডি আৰ এফ ৰ টকা কিয় আমাৰ অসমলৈ নাহে। আমি ৰাজ্য চৰকাৰৰ পৰা যিটো দাবী কৰো ক্ষতি অনুযায়ী কিয় নাহে? এই সম্পৰ্কত নিশ্চিতভাৱে চৰকাৰে ব্যৱস্থা লোৱা দৰকাৰ। তেতিয়াহে বন্যাত আমাৰ

ৰাজ্যখনৰ যি ক্ষতি সেই ক্ষতি পূৰণ কৰিব পাৰিম। বন্যা মুক্ত অসম গঢ়াৰ যি প্ৰতিশ্ৰুতি ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰে আমাক দিছে সেই প্ৰতিশ্ৰুতি পূৰণ কৰাৰ স্বাৰ্থত তেওঁলোক যাতে যথাযথভাৱে যত্নপৰ হয়, তাৰবাবে আবেদন জনাই মই এই প্ৰস্তাৱৰ সমৰ্থন কৰিছো।

**সভাপতি ঃ** এই সম্পৰ্কত ড° ৰফিকুল ইছলামৰ বক্তব্য আছে। মই তেখেতক বক্তব্য ৰাখিবলৈ অনুৰোধ জনাইছো।

**ড° ৰফিকুল ইছলাম ঃ** মাননীয় সভাপতি মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰী দেবব্ৰত শইকীয়া ডাঙৰীয়াই যি সংকল্প প্ৰস্তাব আনিছে, সেই প্ৰস্তাবক সমৰ্থন কৰি মই দুআষাৰ ক'ব ওলাইছো। আমাৰ চুবুৰীয়া ৰাজ্য বিশেষকৈ অৰুণাচল আৰু মেঘালয় আৰু চুবুৰীয়া ৰাষ্ট্ৰ বিশেষকৈ ভূটানৰ পৰা যি নদী ওলাই আমাৰ অসমত সোমাইছে আৰু চুবুৰীয়া ৰাজ্য অৰুণাচলৰ পৰা যি নদী বিলাক আহি আমাৰ অসমত সোমাইছে যাৰ ফলত যি ডাঙৰ ডাঙৰ নদী বান্ধ সমূহ বান্ধিছে তাৰ ফলত আমাৰ নামনি অসমৰ মানুহৰ নিৰাপত্তা নিশ্চিত কৰাতো চৰকাৰৰ দায়িত্ব বুলি মই ভাবো। ইয়াৰ আগতে বহুবাৰ আন্দোলন হৈছে আৰু এতিয়াও এই নদীবান্ধৰ বিৰুদ্ধে আন্দোলন চলি আছে। বিশেষ কমিটি গঠন কৰি আলোচনা বিলোচনাও হৈছে। কিন্তু নামনি অংশৰ মানুহৰ সম্পত্তি আৰু তেখেত সকলৰ জীৱন সুৰক্ষিত কৰাৰ কাৰণে যেনেকুৱা ধৰণৰ সঠিক পদক্ষেপ হ'ব লাগে তেনেকুৱা ধৰণৰ পদক্ষেপ হোৱা নাই। যাৰ কাৰণে যেতিয়াই বানপানী আহে তেতিয়াই তেখেত সকলে ডেমৰ পানী এৰি দিয়ে। যাৰ ফলত অসমৰ নামনি অংশত বিশেষকৈ লখিমপুৰ, ধেমাজি আদি অঞ্চল সমূহত বানপানীয়ে যথেষ্ট ক্ষতিগ্ৰস্ত কৰে। যদি আমি চাওঁ বছৰৰ কেইবা মাহো এই অঞ্চল সমূহ পানীৰ তলত থাকে। আমাৰ নামনিৰ অঞ্চল সমূহৰ পুঠিমাৰী নদীৰ পৰা আৰম্ভ কৰি নলবাৰীৰ পাগলদিয়া নদীৰ পৰা আৰম্ভ কৰি পহুমৰা, পল্লা আৰু মোৰ জনিয়া সমষ্টিৰ মাজেদি বেকী নদীখন বৈ গৈছে। সৰভোগৰ পৰা মইনবৰীলৈকে এই গোটেইখিনি মোৰ জনিয়া সমষ্টিৰ মাজেৰে বেকী নদীখন বৈ গৈছে। কুৰুসী নদীৰ বান্ধৰ ওচৰতে থকা আই আৰু মানাস নদী ও জনিয়া সমষ্টি চুই গৈছে। একেবাৰে বঙাইগাওঁলৈকে বৈ গৈছে। নলবাৰীৰ আৰু ওদালগুৰিৰ পৰা বঙাইগাওঁ আৰু কোকৰাঝাৰলৈকে এই নদীবোৰ বৈ গৈছে। ভূটানৰ কুৰিশু বান্ধৰ পৰা যেতিয়া পানী এৰি দিয়ে, মই যেতিয়া সৰু মোৰ মনত আছে কলগাছিয়া বজাৰৰ ওপৰেদি এককাঁল পানী হৈছিল। এইবাৰ কিন্তু বৰপেটা টাউন বজালী আদি অঞ্চল বোৰলৈ চাওঁ তেতিয়াহ'লে এই টাউন সমূহৰ অঞ্চল সমূহতো এককাঁল পানী হৈছিল। টাউনৰ যিসকল মানুহে সাতুৰিব নাজানে তেওঁলোকৰ এইবাৰ যি বিপদ হৈছিল সেইখিনি বৰষুণৰ পানীৰ কাৰণে হোৱা নাছিল। আমাৰ যিখিনি নদী আছে, সেই নদীখিনিৰ পানীৰ পৰা বানপানী হোৱা নাই। এই ডেমৰ পৰা অথাৎ ভূটান ৰাষ্ট্ৰই এৰি দিয়া পানীৰ বাবে এই বিপদটো আহিছে। বানপানীৰ সময়তো খেতি-বাতি আদিকে ধৰি পশুধনকে আৰম্ভ কৰি বহু মানুহৰ জীৱন দিব লগীয়া হৈছে। অসমৰ নদীবোৰৰ যিটো গৰাখহনীয়া এই ক্ষেত্ৰত আই নদী, মানস, বেকী নদীৰ গৰাখহনীয়াৰ কাৰণে বহু স্কুল-কলেজ, মন্দিৰ-মছজিদ, সত্ৰ এই বিলাক বেকী নদীৰ বুকুত জাঁহ গ'ল বা অন্যান্য নদীৰ বুকুত জাঁহ গ'ল। ইয়াৰ কাৰণে মই ভাবো অসমে দিল্লীৰ লগত আৰু ভূটানৰ লগত আলোচনা কৰিব লাগে। ভূটান ৰাষ্ট্ৰ এনেকুৱা এখন ৰাষ্ট্ৰ যিখন প্ৰায় ৮০ শতাংশ আমাৰ ওপৰত নিৰ্ভৰশীল। আমি কোৱা নাই যে আমি তেখেত সকলক সহায় নকৰো। আমাৰ ভাৰতবৰ্ষই আমাৰ ওচৰ-চুবুৰীয়া ৰাষ্ট্ৰ সমূহৰ লগত সদায় সৌহাদ্যপূৰ্ণ সম্পৰ্ক বজাই ৰাখে। কিন্তু এইটো কথা সদায় নহয় যে আমি সদায় সহায় কৰি যাম আৰু তেখেত সকলে আমাৰ বুকুৰেদি আহিব, খোজ কাঢ়িব, ব্যৱসায় কৰিব আৰু আমাৰ পৰা সকলোখিনি সুবিধা ভোগ কৰি

থাকিব আৰু তেখেত সকলে বছৰত তিনিমাহ পানী এৰি দি আমাৰ জিলাই জিলাই বা অঞ্চলবোৰ পানীৰে প্লাবিত কৰিব আমি সেইটো নিৰৱে চাই থাকিম, এই কথাটো ঠিক নহ'ব। গতিকে আমাৰ মাননীয় মুখ্যমন্ত্ৰী বা আমাৰ অসম চৰকাৰে দিল্লীৰ লগত আলোচনা কৰি মাননীয় প্ৰধানমন্ত্ৰীয়ে ভূটান ৰাষ্ট্ৰৰ লগত বহি ভূটানৰ পৰা নামি অহা এই বান্ধ বিলাকে যি ক্ষতি কৰিছে আৰু তেখেত সকলে যিবোৰ বৃহৎ বান্ধৰ পৰিকল্পনা কৰিছে সেইবোৰ এটা এট'ম বম্বৰ নিচিনা হ'ব। গতিকে এই বিষয়টোৰ ওপৰত ভালদৰে আলোচনা কৰি মীমাংসা বা তেখেত সকলৰ লগত এটা এগ্ৰিমেণ্ট যেতিয়ালৈকে নকৰো ভৱিষ্যতে অসমে এটা ভয়ঙ্কৰ বিপদৰ সন্মূখীন হ'ব লাগিব। সেয়েহে এই প্ৰস্তাবটো অতি গুৰুত্ব সহকাৰে লৈ আৰু এখন কমিটি গঠন কৰি অসম চৰকাৰে দিল্লীৰ লগত আলোচনা কৰি ভূটান ৰাষ্ট্ৰ বা আমাৰ চুবুৰীয়া ৰাজ্য অসমে অৰুণাচল, মেঘালয়ৰ লগত নিজে আলোচনা কৰি, তেখেতসকলৰ মাজৰ পৰা নামি অহা এই পানীয়ে যি ক্ষতি কৰিছে, সেইখিনিৰ পৰা পৰিত্ৰাণ পোৱাৰ কাৰণে এটা সঠিক পদক্ষেপ ল'ব লাগে। এই সংকল্প প্ৰস্তাৱৰ সমৰ্থন কৰি মই মোৰ বক্তব্য সামৰণি মাৰিছোঁ।

**শ্ৰীভৰত চন্দ্ৰ নৰহ, (নাওঁবৈচা)** ঃ মাননীয় সভাপতি মহোদয়, মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া আৰু শ্ৰী ওয়াজেদ আলি চৌধৰীয়ে যিটো সংকল্প প্ৰস্তাৱ আনিছে, আমি এইটো সমৰ্থন কৰিছো। এই সংকল্প প্ৰস্তাৱটো অনাৰ মুল উদ্দ্যেশ্যটো আছিলে যে Dam Safety Act. 2021, সেই মতে বান্ধৰ নামনি অঞ্চলত থকা মানুহ বিলাকৰ সুৰক্ষাৰ কাৰণে Dam Safety Act. 2021 ৰ মতে ভাৰত চৰকাৰে ১০,২২১ কোটি টকা খৰছ কৰিব। বেলেগ বেলেগ ৰাজ্যৰ বাবে এইটো তেওঁলোকে list দিছে। কোন কোন ৰাজ্য কি কাৰণে দিয়া হ'ব। অন্ধ্ৰপ্ৰদেশ, ছত্তিশগড়, গোৱা, গুজৰাট, ঝাৰখণ্ড, কৰ্ণাটক , কেৰেলা, মধ্য প্ৰদেশ, মণিপুৰ, মহাৰাষ্ট্ৰ, মেঘালয়, উৰিষ্যা, পঞ্জাৱ, ৰাজস্থান, তামিলনাডু, তেলেংগনা, উত্তৰ প্ৰদেশ, উত্তৰাখণ্ড, পশ্চিম বঙ্গ আছে। কিন্তু এই list খনত অসম আৰু অৰুণাচল নাই। ভূটানটো বেলেগ ৰাষ্ট্ৰ, ভূটানৰ যিটো কুলচি বান্ধ, ৰঙানদী প্ৰজেক্ট বা লৰাৰ সোৱণশিৰি প্ৰজেক্ট, বা কপিলী প্ৰজেক্ট সেই বিলাকৰ এই ১০,২২১ কোটি টকা খৰছৰ তালিকাত এইখিনি নাই। সেই কাৰণে আমাৰ মাননীয় সদস্য দুইজনে অসম চৰকাৰক এটা সংকল্প প্ৰস্তাৱৰ জৰিয়তে অনুৰোধ কৰিছে যে এই সমূহ ক্ষতিপূৰণক সুৰক্ষিত কৰাৰ বাবে বিশেষ কাৰিকৰী প্ৰযুক্তি প্ৰয়োগ কৰিবলৈ অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক এখন বিশেষজ্ঞ কমিতি গঠন কৰিবলৈ আজি বিধান সভাত সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰা হওঁক আৰু উক্ত প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰি সিদ্ধান্ত লোৱা হওঁক যে আমাক কিয় Dam Safety Act 2021 ৰ পৰা বঞ্চিত কৰা হ'ল বা ভৱিষ্যতেও বঞ্চিত হ'ব। সেই কাৰণে এটা আমি resolution ল'ব লাগে বিশেষজ্ঞ কমিতি গঠন কৰিবৰ কাৰণে। মই মাত্ৰ এটা উদাহৰণ হিচাপে দিবলৈ বিচাৰিছো যে মোৰ নাওঁবৈচা সমষ্টিত ৰঙানদীৰ যিটো জল বিদ্যুৎ প্ৰকল্প আছে। তাৰ পৰা প্ৰত্যেক বছৰে বান্ধটোৰ সুৰক্ষাৰ স্বাৰ্থত যেতিয়া পানী তাত বেছি হৈ যায়, তেতিয়া পানী এৰি দিয়ে। অকল ৰঙানদীতে দিখৈ নদীতো পানী পৰে, তাত বহুত ক্ষতিগ্ৰস্ত হয়, খেতি পথাৰ, ঘৰ-দুৱাৰ আদি। কিন্তু সেইটোৰ ক্ষতি পূৰণ দিয়াৰ কোনো ব্যৱস্থা নাই। অসম চৰকাৰৰ যিখিনি নিয়ম আছে, সেই নিয়মটোৰে খুব কম হয়। এইটোৰে যিমান ক্ষতি হয়, সেইটোৰে সিমান ক্ষতিপূৰণ পুৰাব নোৱাৰে। সেই কাৰণে আগৰ অধিবেশনৰ বক্তৃতাত মই কৈছিলো যে অসম চৰকাৰে ৰঙানদীৰ কাৰণে বা কপিলীৰ কাৰণে NEEPCO লগত অসম চৰকাৰে এটা চুক্তি কিয় কৰিব নোৱাৰে যে আপোনালোকৰ পানী এৰি দিয়াৰ কাৰণে নামনি অঞ্চলত যিখিনি ক্ষতিগ্ৰস্ত হ'ব, সেই ক্ষতিগ্ৰস্ত সকলক ক্ষতিপূৰণটো অসম

চৰকাৰে দিব নালাগে, NEEPCO দিব লাগে। তেনেকুৱা এটা agreement ৰ কথা অসম চৰকাৰে চিন্তা কৰিব নোৱাৰে নেকি? যিহেতু NEEPCO ৰ কাৰণে আমাৰ ক্ষতি হৈছে, অসম চৰকাৰৰ কাৰণে নহয়। নামনিৰ সোৱনশিৰিৰ যিটো হাইড্ৰইলেক্টিক প্ৰজেক্ট বনাই আছে, সেইটোৰ নিৰ্মাণ প্ৰায় সম্পূৰ্ণ হবই। তাতো এনেকুৱা ঘটনা ঘটিব। যেতিয়া পানী বেছি হ'ব, তেতিয়া বান্ধৰ পানী এৰি দিব। এৰি দিয়াৰ ফলত গোটেই গোগামুখৰ পৰা আৰম্ভ কৰি ঢকুৱাখানা, মাজুলিলৈকে গোটেই ক্ষতিগ্ৰস্ত হ'ব। বাকী গোটেই ভাৰতবৰ্ষৰ পৰা আমি যিটো অভিজ্ঞতা পাইছো। সেইটো NHPC য়ে বনাই আছে। গতিকে অসম চৰকাৰে NHPC ৰ লগত এটা চুক্তি কিয় কৰিব নোৱাৰে যে পানী এৰি দিয়াৰ ফলত নামনি অঞ্চলসমূহত যিখিনি ক্ষতি হ'ব, তাৰ ক্ষতি পূৰণটো NHPC য়ে বহন কৰিব লাগে। অসম চৰকাৰে অকলে এইটোৰ ক্ষতিপূৰণ কৰিব নোৱাৰে। সেইকাৰণে শক্তি বিভাগৰ মন্ত্ৰী মহোদয় আছে, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী আছে, বন বিভাগৰ মন্ত্ৰী আছে, আপোনালোকে এইটো কিয় কৰিব নোৱাৰে। NEEPCO & NSPC ৰ লগত এটা agreement আৰু ভুটানৰ লগতো এটা agreement পাঠশালা, বজালীত যিটো বানপানী প্ৰত্যেক বছৰে হৈ আছে। আমাৰ অসমত এইটো হৈছে বানপানী হোৱাৰ সময়ত তিনি দিন চাৰিদিন পেপাৰ, টি.ভি. নিউজত খুব হুলস্থূল হয়, তাৰ পিছত ৰাইজে সকলো পাহৰি যায়। আকৌ যেতিয়া পিছত বানপানী হয় তেতিয়া তিনি দিন চাৰিদিন পেপাৰ, টি.ভি. নিউজত হুলুস্থূল হ'ব, আকৌ পাহৰি যায়। গতিকে ভুটান চৰকাৰৰ লগতো অসম চৰকাৰে কিয় আলোচনা কৰিব নোৱাৰে যে অন্তত ক্ষতিপূৰণটো আপোনালোকে দিয়ক। সেই কাৰণে আজিএই resolution টো আমাৰ মাননীয় সদস্য দুগৰাকীয়ে অসম চৰকাৰক সহায় কৰিবৰ কাৰণে অনা হৈছে। আটাইতকৈ চৰকাৰৰে বেছি advantage আছে যদি এই সংকল্প প্ৰস্তাৱটো পাছ কৰি কেন্দ্ৰীয় চৰকাৰলৈ পঠিয়াই দিওঁ। ধন্যবাদ।

**সভাপতি (শ্ৰীৰকিবুল হুছেইন)**ঃ এতিয়া শক্তি বিভাগৰ মাননীয় মন্ত্ৰীক সংকল্প প্ৰস্তাৱটোৰ ওপৰত উত্তৰ দান কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰীমতী নন্দিত গাৰ্লোচা, শক্তি বিভাগৰ মন্ত্ৰী**ঃ Hon'ble Speaker sir, Resolution brought in the House by the Leader of the Opposition, Shri Debabrata Saikia along with other Members, Shri Zakir Hussain Sikdar, Shri Manoranjan Talukdar, Dr. Rafiqul Islam, Shri Bharat Ch. Narah. The question that have been raised for the Resolution, if we see it here, there are many things that have been asked. One was the NDRF, SDRF fund of the State. What was the damage? This also also been asked, but I will like to give only on the part of the dam safety committee as well as the organization that is the main issue of the topic. So, according to the Dam Safety Act and in Assam before this Act was supposed to be taken, when I had gone through it, I had found that there is also a confusion between the Department i.e. which of the Department

will be going for the Dam Safety Committee. Whether it is supposed to be the Water Resources Department or be the Power Department? The reason behind is that, the Water Resources Department from the Central Government had given an issue stating that Committee should be formed. But in Assam, as because the Water Resources Department has not taken it, it was the Power Department who had taken the proposal to accept it and then it to have a Committee in this very matter. On that very basis, the Dam Safety Act, 2021 provides for surveillance, inspection, operation and maintenance of the specified dam for prevention for dam failure, related disaster and provide for institutional mechanism to ensure the safe functions and for matter connected with our incidental there to. The Dam Safety Act, 2021 extends to the whole of India, that very true, but in Assam, the Committee for the State of Assam was constituted on 10th of June, 2022. After this Committee has been formed, within 180 days the Dam Safety organization has to be formed. That organization will be looking after any of the related issues whatever has been asked for. So we had committed to have a meeting on the 15th of this September, 2022 not because an question has been asked. But it has already been decided on 10th of June, 2022 that on 15th of September, 2022 this very constitution which is an organization will be constituted and after that only we will be able to move for the process of what you all have been asking for. As per the provision of the Act, Chief Engineer, Hydro Power Department, Government of Arunachal Pradesh and Director of Power Generation Corporation Ltd., Meghalaya have been included as Members in State Dam Committee for the State of Assam. That means for the upstream as well as for the downstream, we have taken both from Arunachal Pradesh as well as Meghalaya and the rank of Director General, as well as the Chief Executive Engineer. Then the first meeting of the Dam Safety Committee is pro-

posed to be held on $15^{th}$ of September, 2022 at the head of the Assam Power Generation Corporation Ltd. for constitution of the State Dam Safety Organization. As per clause 37 of the Chapter 8 of the Act, without prejudice to the provisions of this Act or liability of the owner of the specified Dam, another organization or authorities under this Act, every owner organization and authority shall render necessary assistance if so required by any authority under any law for the time being in force to mitigate any disaster or emergency arising out of the specified dam. Hence, it is being set, the compensation that has to be given .is not been directly affected but once the organisation will be formed then it will be able to looked after the compensatory part of the issues that you have raised for. This was this the other thing that has been raised for the country of Bhutan that we have asked for. So in here also this was also been given from the Jal Jiban Shakti that is from the Water Resources Department, River Development & Ganga Rejuvenation from the Central Government. It is an Indo Bhutan Co-operation which has been given. So we being the State of Assam which falls under Govt. of India. The Government of India looks after this schemes

A scheme titled “Comprehensive Scheme for Establishment of Hydro-meterological and Flood Forecasting Network on river Common to India and Bhutan” is in operation. The network consists of 32 Hydro-meterologica stations located in Bhutan and being maintained by the Royal Government of Bhutan with funding from India. The data received from these stations are utilized in India for formulating flood forecasts.

Joint Experts Team (JET) consisting of senior official from the Government of India and Royal Government of Bhutan (RGoB) continuously review the progress and other requirement of a network of 32 Hydro-meterologica sites in the catchments of rivers Puthimari, Pagladiya, Sunkosh Manas, Raidak, Torsa, Aie and Jaldhaka common to India and Bhutan. So far JET has met 35 times alternately in India and Bhutan since its reconstitution in 1992 and the last JET meeting i.e, $35^{th}$ meeting was held at Paro, Bhutan during 6-$7^{th}$ March, 2019.

After that a Joint Group of expert (JGE) on Flood Management has been constituted between India and Bhutan to discuss and access the probable causes and effects of the recurring flood and erosion in the southern foothills of Bhutan and adjoining plains in India and recommend to both Governments appreciate and mutally acceptable remedial measures. Nine meetings of JGE have been held so far . The 9th meeting was held during 7-8th January, 2020 at Punakha , Bhutan. In accordance with the decision taken the first meeting of JGE, a Joint technical Team (JTT) on Flood Manegement between the two countries was constituted. The purpose of JTT is to assess the field situation and provide technical support to JGE on flood management. Six meetings of JTT have been held so far. The 6th meeting of JTT was held during 12-13th September, 2019 at Jalpaiguri,India.

After the resolution that have been brought and then with have gone through this we also thought that as an Assam we should also have been status of the report what India Government has taken it. so we will take into account what was being set this is very important topic which was brought into the house because Assam has been always flooded. But at the same time when we say Assam has been always flood every time we will not be given the think to the dam saying that because of the construction of the dam Assam has been flooded. We became also say of the climatic changes that happens in an over an out. So, this year where ever the flood was happen we have seen the climatic changes have taken place and then we had an only season of rain also in Assam this year. So accordingly at the same time if we don't go for the hydro electric project also, electricity is also again required. So in a vice-versa one thing we required and another we caanot discarded.So as a whole, we even see to it what are steps can be taken into account and I say that this resolution which you have brought it here should be taken all and it can go for the next discussion also.Thank you so much.

**শ্ৰী ৰকিবুল হুছেইন, চামগুৰি (উপবিষ্ট সভাপতি) ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰীদেৱব্ৰত শইকীয়া আপোনালোকে সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিবনে ?

**শ্ৰীদেৱব্ৰত শইকীয়া, নাজিৰা ঃ** হয়। মাননীয় সভাপতি মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে নতুনকৈ আমাৰ অসমতো Dam safety Act ৰ অধীনত যি বোৰ্ড গঠন কৰিব লাগে সেইখিনি কৰাৰ

কথা কৈছে আমি আশা কৰিছো আগন্তুক সময়ত ভাৰত চৰকাৰে যেনেকৈ সহায় সহযোগ আগবঢ়াব লাগে সেইখিনি অসম চৰকাৰে কৰাবলৈ সক্ষম হ'ব। ইয়াৰ লগতে অন্যতম গুৰুত্বপূৰ্ণ কথাটো যে মই অকনমান সোঁৰৰাই দিব বিচাৰিছো যে ভাৰত চৰকাৰে ভূটানৰ লগত সহযোগ কৰি ১০ হাজাৰ কিলো মেগাৱট পাৱাৰ উৎপন্ন কৰাৰ কথা আৰু এইখিনি কৰিবলৈ যাওঁতে ৬০ মেগাৱটে জ্বলাকলা খুৱাইছে। সেই কাৰণে খুজি কিলখোৱা ব্যৱস্থাটো হ'ব নালাগে। কাৰণ আমাৰ যি Central Water Commission তাত মই RTI কৰিছিলো তেওঁলোকে ভূটানৰ project report সমূহ বনাই hydro power ৰ। কিন্তু তেওঁলোকে কোনো তথ্য দিবলৈ সক্ষম নহ'ল। ইয়াত Banstrean environmental inpect assessment report তেওঁলোকে কৰিছিল নে নাই? সেই কাৰণে আগন্তুক সময়ত যাতে ভাৰত চৰকাৰৰ সহযোগত ভূটানত দুয়োখন দেশৰ win win কাৰণে হ'বলগীয়া power project ৰ দ্বাৰা অসম জলপূৰ্ণ হৈ ধ্বংস নহয় এই কথাটোত গুৰুত্ব দিব বুলি আশা কৰিলো আ ৰু যিহেতু নতুনকৈ কামখিনি যি Dam safety board গঠন কৰি কৰিম বুলি কৈছে। গতিকে এই প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিছো।

**শ্ৰী ৰকিবুল হুছেইন, চামগুৰি (উপবিষ্ট সভাপতি) ঃ** ধন্যবাদ। এতিয়া সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰৰ বাবে অনুমতি দিয়াত সদনৰ সমৰ্থন আছেনে? সদনৰ সন্মতি সাপেক্ষে সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল। এতিয়া সংকল্প প্ৰস্তাৱ। Agenda No. ৮ (খ) শ্ৰীহাফিজ বছিৰ আহমেদ, আৰু শ্ৰী আমিনুল ইছলাম(জ্যেষ্ঠ) হাফিজ ৰফিকুল ইছলামৰ নামত আছে। আপোনালোকক সংকল্প প্ৰস্তাৱটো দাঙি ধৰিবলৈ অনুৰোধ কৰা হ'ল।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ধিং ঃ** মাননীয় সভাপতি মহোদয়, আমি অসম বিধান সভাৰ কাৰ্য্যপৰিচালনাৰ বিধিৰ ১১৫ নম্বৰ নিয়মৰ অধীনত আমি নিম্নলিখিত সংকল্প প্ৰস্তাৱটো উত্থাপন কৰিব বিচাৰিছো। অসমৰ চৰ-চাপৰি সমূহত দীৰ্ঘদিন ধৰি বসবাস কৰি থকা লোক সকলে আধুনিক মানবীয় সা-সুবিধাৰ পৰা বঞ্চিত হৈ এক দুৰ্বিসহ পৰিস্থিতিত জীৱন-যাপন কৰি আছে। অধিকাংশ ভূমিহীন আৰু গড়াখহনীয়া আক্ৰান্ত লোকে বিগত কেইবা যুগ ধৰি চৰ-চাপৰিসমূহত আশ্ৰয় লৈ আছে যদিও আধুনিক শিক্ষা, স্বাস্থ্য, যোগাযোগ, যাতায়ত আদি সা-সুবিধাৰ পৰা বঞ্চিত হৈ আছে। চৰ চাপৰিসমূহ জৰিপ কৰি তাত দীৰ্ঘদিন ধৰি বসবাস কৰি থকা লোক সকলৰ সৰ্বাঙ্গীন কল্যাণ আৰু আৰ্থ-সামাজিক উন্নয়ন সু-নিশ্চিত কৰাৰ স্বাৰ্থত চৰ উন্নয়ণ বিভাগৰ সুকীয়া মন্ত্ৰালয় আৰু সচিবালয় স্থাপন কৰা হওক। মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো আমি বিগত কেইবাটাও অধিবেশনত সংকল্প প্ৰস্তাৱ উত্থাপনৰ কাৰণে ন'টিচ দিছিলো। কিন্তু পূৰ্বে কেতিয়াও সদনৰ মজিয়াত উত্থাপন কৰিব পৰা নাছিলো, আজি আমি যিহেতু এই সংকল্প প্ৰস্তাৱটো উত্থাপন কৰাৰ সুযোগ পাইছো আপুনি আমাক দিলে, গতিকে এই বিষয় সংক্ৰান্তত মই কেইটামান কথা ক'ব বিচাৰিছো। প্ৰথম কথা হ'ল চৰ-চাপৰিত যি ৩১ লাখ লোকে বসবাস কৰে, এই ৩১ লাখ লোকৰ অধিকাংশই মাইনৰিটি হলেও চৰ-চাপৰিত কিছু জনজাতিলোকে বসবাস কৰে। কিছুমান চৰ-এলেকাত মিচিং বা নেপালী বা কিছু পৰিমাণে ৰাভা, বড়ো আন্যান্য জনগোষ্ঠীৰ লোক চৰ-চাপৰিত আছে। কিন্তু মাননীয় অধ্যক্ষ মহোদয় দুৰ্ভাগ্যৰ কথাটো হ'ল চৰ-চাপৰিৰ লোক সকলৰ কল্যাণৰ কাৰণে যিটো fund allocation কৰা হয়, সেইটো যায় Minority Welfare Department ৰ পৰা। চৰ-অঞ্চলৰ লোকৰ কাৰণে কোনো separate budget allocation নাই আৰু তাত যদিও মাইনৰিটি মানুহৰ বাহিৰে অন্য কিছু জনগোষ্ঠীৰ লোকো আছে, কিছু ট্ৰাইৱেল জনগোষ্ঠীৰ লোকো চৰ-চাপৰিত আছে. কিন্তু চৰ অঞ্চলৰ লোকৰ যিবিলাক কল্যাণৰ আঁচনি সকলো Minority

Welfare Department ৰ পৰা যায়। এই বিষয়টো পূৰ্বেও মই অসম বিধান সভাৰ পবিত্ৰ মজিয়াত supplementary question ত পূৰ্বৰ চৰকাৰৰ দিনতো এই কথাটো remaind কৰিছিলো যে চৰৰ ৩১ লাখ মানুহৰ কাৰণে separate budget allocation আৰু separate মন্ত্ৰালয়, separate সচিবালয় স্থাপন হ'ব লাগে। এইটো কাৰণে হ'ব লাগে যে এইটোৰ সংখ্যা একেবাৰ কম নহয়, ৩১ লাখ জনগোষ্ঠীৰ লোক য'ত চৰ-এলেকাত থাকে অসমত বহুকেইটা জনগোষ্ঠীৰ development development council আছে বা বহুকেইটা জনগোষ্ঠীৰ নামত বোৰ্ড বা কাউঞ্চিল আছে যি জনগোষ্ঠী আছে অসমত বহুকেইটা জনগোষ্ঠীৰ ডেভেলপমেণ্ট কাউঞ্চিল আছে। বহুকেইটা জনগোষ্ঠীৰ বোৰ্ড বা কাউঞ্চিল আছে, যাৰ জনসংখ্যা হয়তো **৩১** লাখ নহয়। কিন্তু চৰ অঞ্চলত **৩১** লাখ লোকে বাস কৰে। কিন্তু এই অঞ্চলৰ লোকৰ বাবে চেপাৰেট বাজেট এলোকেশ্যন নাই, চেপাৰেট মন্ত্ৰালয় বা সচিবালয় নাই। এই কথাটো এটা পৰিতাপৰ কথা। মই ২০-৩০ বছৰৰ পৰা দেখি আহিছো যে চৰ-চাপৰিৰ লোকৰ বাবে চৰ উন্নয়ন বিভাগৰ পৰা যিবিলাক আঁচনিৰ টকা দিয়া হয়, সেইটো সংখ্যালঘু উন্নয়ন বিভাগৰ পৰা দিয়া হয়। চৰ এলেকাৰ লোকক কোনো চেপাৰেট এলোকেশ্যন নাই। যি অলপ টকা দিয়া হয়, সেই টকাৰে কেইটামান দমকল, পাৱাৰ পাম্প দিয়া হয়। যোৱা চৰকাৰৰ দিনত ছাতি, চাইকেল, চিলাই মেচিন আদিৰ দৰে কিছুমান বস্তু দিয়া হয়। যিবিলাক বস্তুৱে তেওঁলোকৰ সৰ্বাঙ্গীন উন্নয়ন, স্বাস্থ্য, শিক্ষা বা তেওঁলোকৰ স্কীল ডেভেলপমেণ্টৰ ক্ষেত্ৰত কোনো ধৰণে সহায় নকৰে। আমাৰ কথাটো হ'ল যে এই চৰ অঞ্চলৰ লোকসকলক যদি আমি আধুনিক সভ্য সমাজৰ লগত একেটা শাৰীত আনিব বিচাৰো তেনেহ'লে আমি তাত কিছু আন্তঃগাঁথনি উন্নয়নৰ কিছু আঁচনি হাতত ল'ব লাগিব আৰু আন্তঃগাঁথনি উন্নয়ন কৰিবলৈ যাওঁতে চৰ অঞ্চলত আমি হয়তো ৰাস্তা-ঘাটৰ উন্নয়ন, দলং নিৰ্মাণ, যাতায়ত, যোগাযোগ শিক্ষানুষ্ঠান স্বাস্থ্যকেন্দ্ৰ আদি আধুনিক উপকৰণ তাত আমি উপলব্ধ কৰাব লাগিব। বিগত দহ বছৰত অসমত সৰ্বশিক্ষা অভিযানৰ অধীনত চৰ অঞ্চলত আৰু এডুকেশ্যন গ্যাৰেণ্টি স্কীমৰ অধীনত কিছু শিক্ষানুষ্ঠান প্ৰাদেশীকৃত কৰা হ'ল, আপাৰ প্ৰাইমেৰী লৈকে উন্নতিকৰণ কৰা হ'ল। কিছুমান ৰিভাৰিয়ান স্বাস্থ্যকেন্দ্ৰ দিয়া হ'ল। কিন্তু সেইবোৰ যথেষ্ট কম। চৰ অঞ্চলত শিক্ষাৰ অধিকাৰ আইন অনুসৰি কিন্তু শিক্ষানুষ্ঠানৰ ব্যৱস্থা নাই। কিছুদিন পূৰ্বে মই চৰ অঞ্চলৰ এখন শিক্ষানুষ্ঠানলৈ গৈছিলো আৰু তাত থিয় হৈ মই সুধিলো যে পৰৱৰ্তী এল.পি. স্কুলখন কিমান দূৰৈত আছে? তেওঁলোকে জনালে যে ১৩ কিলোমিটাৰ দূৰত আছে। তাৰ মানে শিক্ষাৰ অধিকাৰ আইন ২০০৯ অনুসৰি আৰু ১৩ খন প্ৰাথমিক বিদ্যালয় ১৩ কিলোমিটাৰ ভিতৰত থাকিব লাগিছিল। তাৰ মানে শিক্ষাৰ অধিকাৰ আইন তাত সাংঘাতিক ধৰণে ভায়োলেট কৰি থকা হৈছে। স্বাস্থ্যকেন্দ্ৰ বুলিবলৈ যি কেইটা ৰিভাৰিয়েন পি.এইছ. চি. তাত দিয়া হৈছে, সেইয়াও অতি কম। হয়তো এক লাখ, দুই লাখ জনসংখ্যাৰ বিপৰীতে এখন পি.এইছ. চি. দিয়া হৈছে। তাকো চৰ বা মথাউৰি অঞ্চলৰ বাহিৰত দিয়া হৈছে। এই পৱিত্ৰ সদনত মই দহ বছৰ আগতেই দাবী কৰিছিলো যে চৰ অঞ্চলৰ কাৰণে কিছুমান ৰিভাৰিয়নে এম্বুলেঞ্চ দিব লাগে। যেনেকৈ ১০৮ ক ফোন কৰিলে গাওঁ বা চহৰত এম্বুলেঞ্চ আহি তেওঁক ১-২ ঘণ্টাৰ ভিতৰত লৈ যাব পাৰে, তেনেকৈ চৰ অঞ্চলত কৰিব পৰা নাযায়। সেয়েহে তাত ৱাটাৰ এম্বুলেঞ্চ দিয়াৰ ব্যৱস্থা কৰিব লাগে। যাতে সেই নাঁৱেৰে ৱাটাৰ এম্বুলেঞ্চ ইমাৰজেঞ্চি পেচেণ্টক যেনে-গৰ্ভৱতী মহিলা আদিক হাস্পিতাললৈ নিয়াৰ ব্যৱস্থা কৰিব পাৰি। কংগ্ৰেছ চৰকাৰৰ দিনত মই এই দাবী কৰিছিলো। কিন্তু তেওঁলোকে গোটেই অসমত মাত্ৰ চাৰিখন ৱাটাৰ এম্বুলেঞ্চ দিছিল। কিন্তু বৰ্তমান সেইকেইটাও অচল হৈ বহি আছে। তেতিয়া কংগ্ৰেছ চৰকাৰৰ দিনত বৰ্তমানৰ

মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাক প্ৰতিশ্ৰুতি দিছিল যে চৰ অঞ্চলত কিছুমান বোট ক্লিনিক খোলা হ'ব আৰু সেই বোট ক্লিনিকবিলাকৰ যিবিলাক চলি থাকিব তাত ডাক্তৰ, নাৰ্চ, কিছু ষ্টাফ, আৰু ফাৰ্মাচিষ্ট থাকিব। তেওঁলোকে প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ আন্তঃগাঁথনি দি কিছুমান জাহাজ দিব যিবোৰ চলি থাকিব আৰু চৰ অঞ্চলৰ লোকসকলে ইয়াৰ সুবিধা ল'ব পাৰিব। কিন্তু বোট ক্লিনিকসমূহ আজিও নহ'ল আৰু চাৰিখন ৰাটাৰ এম্বুলেঞ্চ দিছিল, সেইখিনিও অচল হৈ পৰি আছে। এই চৰ-চাপৰি অঞ্চলসমূহত গ'লে এনেকুৱা লাগে যে আমি অন্য এটা পিছপৰা অঞ্চলত গ'লো বা অন্য কৰবাত গৈছো য'ত আধুনিক জগতৰ লগত তেওঁলোক সম্পূৰ্ণ বিচ্ছিন্ন হৈ আছে। তেওঁলোক যাতায়ত-যোগাযোগ সকলোৰে পৰা বিচ্ছিন্ন হৈ আছে। তাত গ'লে পৃথিৱীৰ একেবাৰে পিছপৰা স্থান, অন্য গ্ৰহ বা দ্বীপত যোৱা যেন লাগে। সেয়েহে এই ৩১ লাখ মানুহৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে স্বাস্থ্য, শিক্ষা খণ্ডৰ পৰা সকলোতে উন্নত কৰি তেওঁলোকক আধুনিক সভ্য সমাজৰ লগত কান্ধৰ লগত কান্ধ মিলাই আগুৱাই যাব পৰাকৈ যিটো পৰিকল্পনা কৰিব লাগিব, তাৰ বাবে তেওঁলোকৰ বাবে সুকীয়াকৈ এজন মন্ত্ৰীক এনেধৰণৰ দায়িত্ব দিব লাগিব, তাৰ বাবে সুকীয়াকৈ পুঁজি নিৰ্ধাৰণ হ'ব লাগিব। সুকীয়াকৈ সচিবালয় লাগিব আৰু প্ৰত্যেক জিলাতে কাৰ্য্যালয় থাকিব লাগে। যাতে সংখ্যালঘুৱে হওঁক বা ট্ৰাইবেল লোকেই হওঁক, তেওঁলোকৰ বাবে পৰিকল্পনা কৰি আধুনিক উপকৰণসমূহ দিব পৰা যায়। এই দাবীটো আমাৰ থাকিল। ইয়াৰ লগে লগে এইটো অতি পৰিতাপ কথা যে এই চৰ-চাপৰিৰ লোকসকলক প্ৰায়েই কিছুমান সংবাদ মাধ্যমত সন্দেহযুক্ত নাগৰিক, বে-দখলকাৰী আদি বুলি কোৱা হয়। মই কালিও এটা কথা কৈছিলো যে চৰ-চাপৰিৰ লোকসকল কেতিয়াওঁ বে-দখলকাৰী নহয়। কাৰণ এই চৰ-চাপৰি সমূহ কেনেকৈ সৃষ্টি হৈছিল, সেই কথা আমি জানিব লাগিব। অসম চৰকাৰে পৱিত্ৰ সদনত দিয়া তথ্য অনুসৰি ব্ৰহ্মপুত্ৰ নদীয়ে তিনি হাজাৰ দুশ গাওঁ সম্পূৰ্ণৰূপে গড়াখহনীয়াই নিশ্চিহ্ন কৰিছে আৰু প্ৰায় সাত গাওঁ আংশিকভাবে বিলীন হৈ গ'ল। বৰ্তমান নদীৰ যিটো প্ৰস্থতা, নদীখন যিমান বহল হৈ আছে, এটা সময়ত প্ৰায় ৪০-৫০ বছৰ আগতে আমাৰ ধিং আৰু শিংৰিৰ মাজত প্ৰায় তিনি কিলোমিটাৰ বহল আছিল। নদীৰ বৰ্তমান মেইন ষ্ট্ৰীমটো বহল হৈ ২২ কিলোমিটাৰ হৈছে। য'ত আগতে এটা মেইন ষ্ট্ৰীম আছিল, এতিয়া আঠটা ষ্ট্ৰীম হৈছে। মূল সুঁতিটোৱেই যেতিয়া বেলেগ বেলগ গাওঁ খহাই লৈ ডাইভাৰ্ট হৈ থাকিলে, তেতিয়া চৰ সমূহ গঢ় লৈ উঠিল। ৰেভিনিউ ভিলেজবোৰ ভাঙিছে। কাৰণ মাজেৰে সুঁতিটো বৈ গৈছে আৰু তাৰ ফলত নতুন নতুন চৰ গঢ় লৈ উঠিল। এই চাৰে তিনি হাজাৰ গাওঁত থকা মানুহবোৰে তেতিয়া কি কৰিব? তেওঁলোকে তেতিয়া সেই চৰ সমূহতে বসবাস কৰিলে। এই চৰসমূহ স্থায়ী নহয়। আজি য'ত চৰ আছে, দুই-তিনি বছৰ পিছত তাত আকৌ নতুন চৰ সৃষ্টি হয়। মানুহবোৰে এই ঘৰ-দুৱাৰবোৰ ভাঙি পুনৰ নতুন চৰত থাকিবলৈ লয়। এই মানুহবোৰে ৪০-৫০ বছৰ ধৰি প্ৰকৃতিৰ লগত যুদ্ধ কৰি বসবাস কৰিবলগীয়া হয়। এবাৰ এজন বৃদ্ধ মানুহে মোক ধৰি কান্দিছিল যে তিনি বছৰত তেওঁ সাতবাৰ ঘৰ ভাঙি নতুন ঠাইলৈ যাবলগীয়া হৈছে। এই চৰবোৰ যিহেতু স্থায়ী নহয় আৰু চৰবোৰ খহাই লৈ নতুন নতুন চৰৰ সৃষ্টি হয় আৰু মানুহবোৰ নতুন নতুন চৰলৈ যাবলগীয়া হয়। সেয়েহে মই কৈছো যে চৰ-চাপৰি অঞ্চলৰ লোকসকল বেদখলকাৰী নহয়। আজি মাননীয় ৰাজহ মন্ত্ৰী ডাঙৰীয়া ইয়াত উপস্থিত আছে। তেখেতৰ নিশ্চয় মনত আছে, যোৱা বাজেট চেচনত মই এটা প্ৰশ্ন উত্থাপন কৰিছিলো। ইয়াত আৰু এটা ভৌগলিক ইচ্যু হ'ল আৰু ইচ্যুটো হৈছে স্বাধীনতাৰ সময়ত শোণিতপুৰ আৰু নগাওঁ জিলাৰ চাৰিসীমা যি নদী আছিল, সেই নদীখন আৰু প্ৰায় ১৮ কিলোমিটাৰ আগুৱাই আহিল। নগাওঁ আৰু মৰিগাওঁ জিলাৰ প্ৰায় ১৮ কিলোমিটাৰ খহাই লৈ গ'ল। এতিয়া নদীয়ে যিমানে খহাই

লৈ গৈছে সেইখিনি শোণিতপুৰ জিলাৰ বুলি ধৰা হয়। এতিয়া যিমান চৰ-চাপৰিৰ সৃষ্টি হৈছে, এইবোৰ শোণিতপুৰ জিলাৰ বুলি ধৰি শোণিতপুৰ জিলাৰ জিলা প্ৰশাসনে তেওঁলোকক নোটিচ দি আছে যে এইখিনি শোণিতপুৰ জিলাৰ মাটি আৰু তেওঁলোকক আঁতৰি যাবলৈ দিছে।। কথা হ'ল যে নগাওঁ টাউনখনো যদি খহাই লৈ যায়, সেইখনো শোণিতপুৰত পৰিব নেকি? এই কথাটোৰ বাবে আমি তেতিয়াৰ ৰাজহ মন্ত্ৰী অনুৰোধ কৰিছিলো যে সেই স্বাধীনতাৰ সময়ত নদীৰ যি চাৰিসীমা আছিল, সেইটোৰে ধৰিব লাগিব। এতিয়া নগাওঁৰ ৰেভিনিউ ভিলেজ সমূহ খহাই যি চৰ হৈছে তাত নগাওঁ জিলাৰ মানুহ বহিছে আৰু শোণিতপুৰ জিলাই নোটিচ দিলে এই ক্ষেত্ৰত অসমাঞ্জস্য হয়। তেতিয়া ৰাজহ মন্ত্ৰীয়ে আমাক আশ্বাস দিছে আৰু এই বিষয়ে আমি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ লগতো কথা পাতিছিলো আৰু তেখেতে এই বিষয়ে আলোচনা কৰি সমস্যাটো সমাধান কৰিব বুলি কৈছিল। এই লোকসকলে ৪০-৫০ বছৰ ধৰি প্ৰকৃতিৰ লগত যুঁজ কৰি জীৱন নিৰ্ব্বাহ কৰি আছে। তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে এতিয়া তাত পঢ়া-শুনা কৰি আছে। কিছুমান স্কুল প্ৰভিঞ্চিয়েলাইজ চৰকাৰে কৰিছে। এতিয়া তাত ৰিজৰ্ভ ফৰেষ্ট এৰিয়া বুলি নতুনকৈ সংযোজন কৰিব বিচাৰিছে। য'ত কোনো জীৱ-জন্তু নাথাকে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি বিষয়-বস্তুটো উত্থাপন কৰিলে। আজি যিহেতু আৰু সময় নাই। সেয়েহে ইয়াৰ ওপৰত আকৌ যেতিয়া আলোচনা হ'ব আপুনি আৰু আপোনাৰ সহযোগী সকলে ক'ব পাৰিব। **এই বিষয়টোৰ আলোচনা continue হ'ব।**

The House Adjourn till 09:30 AM on 14-09-2022.